শৰৎচন্দ্ৰ গোস্বামী

GOVT. OF ASSAM
Call No ..
LIBRARY SERVICE

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

অসম সাহিত্য সভা

Sarat Chandra Goswami—A biography of the late educationist and litterateur Sarat Chandra Goswami written by Shri Atul Chandra Barua and published by Shri Amal Rajkhowa, General Secretary, Asam Sahitya Sabha, Chandrakanta Handiqui Bhavan, Jorhat, Assam, 1st Edition, May, 1987, printed at Mani Manik Press, Ujanbazar, Guwahati-781001. Price Rs. 25.00

শৰৎচন্দ্ৰ গোস্বামী

প্ৰণেতা : শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

প্ৰকাশক : শ্ৰীঅমল ৰাজখোৱা
প্ৰধান সম্পাদক, অসম সাহিত্য সভা;
চন্দ্ৰকান্ত সন্দিকৈ ভৱন : যোৰহাট

প্ৰথম প্ৰকাশ
মে', ১৯৮৭

বেটুপাত : শ্ৰীহৰকুমাৰ ডেকা

মূল্য : ২৫.০০ টকা

মুদ্ৰক : মণি-মাণিক প্ৰেছ,
উজানবজাৰ,
গুৱাহাটী-৭৮১০০১

প্ৰধান সম্পাদকৰ একাষাৰ

"ধীৰ, স্থিৰ, সভাগুৰনি, গহীন-গম্ভীৰ, সদালাপী. গঠনমূলক কামত সদায় অগ্ৰগণি—সেইজন আছিল শৰৎচন্দ্ৰ গোস্বামী"—অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ এই সাৰ্থক উক্তি স্মৰণ কৰি অসম সাহিত্য সভা গঠনৰ প্ৰথম উদ্যোক্তাসকলৰ এগৰাকী, সভাৰ প্ৰথম প্ৰধান সম্পাদক, শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামী-দেৱৰ জন্ম-শতবৰ্ষ জয়ন্তীত শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিছোঁ।

সভাৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগৰ ভাষাৰে "অসম সাহিত্য সভাৰ জন্মকালৰেপৰা লাগিভাগি তাৰ সৌষ্ঠৱ দানকৰোঁতা-সকলৰ ভিতৰত শৰৎচন্দ্ৰ গোসাঁই প্ৰধান"। সভাৰ ১৯৮৬-৮৭ বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকে গোস্বামীদেৱৰ জন্ম-শতবাৰ্ষিকী উৎসৱ পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই উপলক্ষে এলানি প্ৰকাশনৰো আঁচনি গ্ৰহণ কৰে। গোস্বামীদেৱৰ সমগ্ৰ ৰচনাৱলী একত্ৰে প্ৰকাশ কৰা উপৰিও এখনি প্ৰামাণ্য জীৱনী প্ৰকাশৰো সিদ্ধান্ত লোৱা হয়। ৰচনাৱলীৰ সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হয় শ্ৰীযতীন্দ্ৰনাথ গোস্বামী-দেৱক আৰু জীৱনীখনি ৰচনা কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়—শ্ৰীঅতুলচন্দ্ৰ বৰুৱাদেৱক। শ্ৰীবৰুৱাই সভাৰ এই দায়িত্ব গ্ৰহণ কৰে আৰু অতি কম সময়ৰ ভিতৰতে জীৱনীখনি যুগুত কৰি উলিয়ায়। শ্ৰীবৰুৱাৰ এই আশাশুধীয়া কৰ্মৰ বাবে আৰু গ্ৰন্থখন সৰ্বাংগ-সুন্দৰকৈ ছপা হোৱাৰ ক্ষেত্ৰত সকলো প্ৰকাৰেই যত্ন লোৱাৰ বাবে সভাৰ পক্ষৰপৰা তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বেটুপাত অংকন কৰোঁতা গুৱাহাটীৰ শ্ৰীহৰকুমাৰ ডেকালৈ আৰু ছপা কৰি দিয়া বাবে মণি-মাণিক ছপাশালৰ কতৃপক্ষলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অমল ৰাজখোৱা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

ৰচয়িতাৰ যৎকিঞ্চিৎ

১৯৪৪ চনৰ ১৯ ডিচেম্বৰ তাৰিখে দিল্লী মহানগৰীত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ আকস্মিকভাৱে তিৰোধান ঘটে। আৰু এবছৰৰ মুৰত তেখেতৰ মৃত্যু-বাৰ্ষিকী আহি পোৱাত সেই উপলক্ষে ছিলঙৰ লাবান 'আসাম ক্লাব'ত এখন বাজহুৱা স্মৃতি-সভা বহিছিল আৰু তাত এটি বক্তৃতা দিয়াৰ ভাৰ পৰিছিল এই লেখকৰ ওপৰত। আমি আছিলোঁ তেতিয়া ছিলং চেইণ্টমেৰী আৰু এড্‌মাণ্ডছ মহাবিদ্যালয়ৰ নতুন প্ৰবক্তা। চৰকাৰী চাকৰিয়াল হৈ পোনপটীয়াভাৱে গোস্বামী ডাঙৰীয়াৰ সান্নিধ্য লাভ কৰাৰ সুযোগ কেতিয়াও পোৱা নাছিলোঁ; তথাপি কিন্তু আলেঙে-আলেঙে তেখেতৰ গুণ-গৰিমা, কাৰ্য্যকলাপ, বুদ্ধি-কৌশল আদিৰ উমান বাককৈয়ে পাই আছিলোঁ। মুঠতে গোস্বামীদেৱৰ মোহনীয় ব্যক্তিত্বই আমাক আকৰ্ষণ নকৰাকৈ নাছিল। তেখেতৰ বিষয়ে মুকলি সভাত কবলগীয়া হোৱাত তেখেতৰ ৰচিত সাহিত্যৰাজিত চকু ফুৰোৱাৰ উপৰিও তেখেতৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজনসকলৰ লগতো আলচ কৰি বহু বিষয় জানি লবলৈ বাধ্য হৈছিলোঁ। সভাত সেইকণ সামান্য দায়িত্ব সম্পন্ন কৰাৰ ফল স্বৰূপেই হব পায় গোস্বামীদেৱৰ গুণগ্ৰাহী বন্ধু-বান্ধৱসকলৰ উপৰি সিদিনাৰ সভাত

উপস্থিত থকা অনেক গুণী মানী সদাশয় লোকে, বিশেষকৈ গোস্বামী পৰিয়ালৰ লোকসকলে গোস্বামী ডাঙৰীয়াৰ জীৱনী এখন প্ৰস্তুত কৰি উলিয়াবলৈ আমাক নেৰানেপেৰাকৈ অনুৰোধ কৰে। সেই আপাহতে গোস্বামীদেৱৰ সুযোগ্য জোঁৱায়েক গকুলচন্দ্ৰ গোস্বামীয়ে লাগতিয়াল পুথি-পাঁজি, নথি-পত্ৰ আদিৰে আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিলত আমি সেই কাম মাহ।চেৰেকৰ ভিতৰতে সম্পূৰ্ণ কৰিবলৈ বাধ্য হৈছিলো। পিছত অৱশ্যে বহুজনৰ অভিৰুচি পূৰ্ণ কৰিবলগীয়া হৈ তাৰ প্ৰকাশ বাধাপ্ৰাপ্ত হৈছিল আৰু শেহত প্ৰায় আঠ বছৰৰ মূৰত লেখকৰ পৰামৰ্শমতে গকুলচন্দ্ৰ গোস্বামীদেৱে খণ্ডিতভাৱে হ'লেও তাক এটা ৰূপত প্ৰকাশ কৰিছিল।

বৰ্ত্তমানে শৰৎচন্দ্ৰ গোস্বামীদেৱৰ জন্ম-শতবাৰ্ষিকী সমাগত হোৱাত অসম সাহিত্য সভাই সভাখনৰ আৰম্ভণিতে এবছৰ (১৯১৭-১৮ চন) আৰু তাৰ পাছত একেবাহে সাত বছৰ (১৯২০-২৭ চন) প্ৰধান সম্পাদকৰূপে অনুষ্ঠানটিৰ গুৰি-বঠা ধৰি তাক বাট লগাই দি থৈ যোৱা এইগৰাকী কীৰ্ত্তিমন্ত পুৰুষৰ পূৰ্ণাঙ্গ জীৱনী এখন প্ৰকাশ কৰিবলৈ স্থিৰ কৰি আমাৰ ওপৰত তাৰ দায়িত্ব অৰ্পণ কৰাত সেই কৰ্ত্তব্যটি যথাসাধ্য সম্পন্ন কৰিবলৈ আগবঢ়া হ'ল। নকলেও হব যে এই বিষয়ৰ আমাৰ পূৰ্ব্বোক্ত কাৰ্য্য এই ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছে।

শৰৎচন্দ্ৰ আছিল এগৰাকী বহুমুখী প্ৰতিভাশালী লোক। তেওঁৰ জীৱনৰ কাৰ্য্যাৱলীৰ একোটা দিশ লৈয়ে লিখো বুলিলে একোখন পুথি লিখিব পাৰি। তেনেস্থলত জুকিয়াই লৈ থূলমূলকৈ লিখিবলৈ জীৱনীখন সাধাৰণভাৱে সাতোটা ছেদত বিভক্ত কৰি লোৱা হৈছে, যেনে, ছাত্ৰ-জীৱন, কৰ্ম্ম-জীৱন, গঠনমূলক কামৰ লগত জড়িত জীৱন, সাহিত্য-জীৱন, গোস্বামী মানুহজন, লোকান্তৰত শ্ৰদ্ধাঞ্জলিৰ ধ্বনি-প্ৰতিধ্বনি আৰু ওপৰঞ্চি। ওপৰঞ্চিত দুই-এখন মূল্যবান চিঠি, অভিনন্দন-পত্ৰ আদিৰ

উপৰি পুৰুষীনামা, হস্তাক্ষৰ, ব্যক্তিগত জীৱনৰ ছবি-দাণ্ডি-ধৰা ছিচাপ-কিতাপ, কাকত-পত্ৰাদি অন্তৰ্ভুক্ত কৰা হৈছে।

শ্ৰদ্ধাঞ্জলিত সন্নিৱিষ্ট কৰা ভালেকিখন চিঠি ইংৰাজীৰ ভাঙনি। পুথি ৰচনাত সহায় লোৱা আৰু ব্যৱহাৰ কৰা বিবিধ গ্ৰন্থ, অনুষ্ঠান, ব্যক্তি আদিৰ তালিকা পৃথকে পঞ্জীভুক্ত নকৰি যথাস্থানত পাদ-টীকাত সিসমূহৰ স্বীকৃতি দি উল্লেখ কৰা হৈছে; যেনে, অসম সাহিত্য সভাৰ ৰূপৰেখা (অতুলচন্দ্ৰ হাজৰিকা), Annals of Asam Sahitya Sabha —(Dr. M. Neog). সাৱিত্ৰী—(মহাদেৱ শৰ্মা), জীৱন-স্মৃতি আৰু কামৰূপী সমাজ—(পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী), The Journal of Assam Research Society, সাহিত্য সভা পত্ৰিকা—(অসম সাহিত্য সভা) ইত্যাদি।

পুথিখন যুগুত কৰাত গোস্বামী পৰিয়ালবৰ্গৰ বাহিৰেও অগ্ৰজ-প্ৰতিম ড° মহেশ্বৰ নেওগ ডাঙৰীয়াৰ দিহা-পৰামৰ্শই পথৰ প্ৰধান সম্বলৰূপে কাম কৰিছে। সাহিত্যিক পেঞ্চনাৰ বন্ধু শ্ৰীনৰেন্দ্ৰ নাথ শৰ্মাই আৰ্হি-কাকত শুধৰাই দিয়াকে আদি কৰি নানাভাৱে সহায় কৰি আছে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীঅমল ৰাজখোৱা আৰু সহকাৰী সম্পাদক শ্ৰীপৱনকুমাৰ বৰুৱাৰ উপৰি ছপাশালৰ মালিক শ্ৰীপঙ্কজ দত্তৰ বিশেষ তত্ত্বাৱধানত পুথি-প্ৰকাশ ক্ৰুত গতিত আগবাঢ়িছে। সেই সদৌটিলৈকে আমাৰ হিয়াভৰা শলাগ যাচিলো।

অলমতিবিস্তৰেণ

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

নৱগিৰি ; চানমাৰি ;
গুৱাহাটী—৩
দুই মে'/'৮৭

সূচীপত্ৰ

		পৃষ্ঠা
১।	ছাত্ৰ-জীৱন … .. … …	১—১৬
২।	কৰ্ম-জীৱন … .. … …	১৭ ৬৯
৩।	বিবিধ অনুষ্ঠানৰ সম্পৰ্কত … … … (বিশেষকৈ অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি, কামৰূপ সংস্কৃত সঞ্জীৱনী সভা আদিৰ সম্পৰ্কত)	৭০ - ১০২
৪।	সাহিত্য-ক্ষেত্ৰত … … … … (সাহিত্য চৰ্চা, সাহিত্য সৃষ্টি, প্ৰত্নতত্ত্ব আদিত)	১০৩—১৬৩
৫।	গোস্বামী মানুহজন .. …	১৬৪ - ১৬৯
৬	লোকান্তৰত শ্ৰদ্ধাঞ্জলি … … … (ব্যক্তি, অনুষ্ঠান, বাতৰি কাকত আলোচনী আদিৰ)	১৭০—১৮৭
৭।	উপৰঞ্চি … … … … (নানা বিষয়ৰ গুৰুত্বপূৰ্ণ চিঠি-পত্ৰ, অভিনন্দন, প্ৰমাণ-পত্ৰ, হস্তলিপি, ৰচনাৱলীৰ চমু খতিয়ান, মূল ঘটনাৱলীৰ সময়-পঞ্জী, জন্ম-পত্ৰিকাৰ ৰাশিচক্ৰ, বংশাৱলী আদি)	১৮৮—২২৩

চিত্র-সূচী

(ক) আলোক-চিত্র

১। ছাত্ৰাৱস্থাত শৰৎচন্দ্ৰ গোস্বামী — (১২ পৃঃ)
২। শৰৎচন্দ্ৰ গোস্বামী আৰু
তেওঁৰ পত্নী ভুবনেশ্বৰী দেৱী — (২০ পৃঃ)
৩। স্কুল ইন্‌স্পেক্টৰ শৰৎচন্দ্ৰ গোস্বামী — (৫২ পৃঃ)
৪। স্কাউটিঙত শৰৎচন্দ্ৰ গোস্বামী — (৬৬ পৃঃ)
৫। শেষ-শয়নত শৰৎচন্দ্ৰ — (৬৯ পৃঃ)
৬। চন্দ্ৰকান্ত সন্দিকৈ হল — (৮২ পৃঃ)
৭। গাৰ্হস্থ্য জীৱনত শৰৎচন্দ্ৰ (১০১ পৃঃ)
৮। সপৰিয়ালে শৰৎচন্দ্ৰ — (১৬৪ পৃঃ)

(খ) প্ৰমাণ-পত্ৰাদি

১। ৰজা ষষ্ঠ জৰ্জৰ ৰাজ-অভিষেকত
পদক প্ৰাপ্তিৰ প্ৰমাণ-পত্ৰ — (২০৬ পৃঃ)
২। মুখ্য স্কাউট বেডেন পাৱেলৰ প্ৰমাণ-পত্ৰ — (২০৭ পৃঃ)
৩। কামৰূপ সঞ্জীৱনী সভাপ্ৰদত্ত 'বিদ্যানিধি'
উপাধিৰ প্ৰমাণ-পত্ৰ -- (২০৯ ক, খ,)

(গ) হস্তাক্ষৰ

১। অসমীয়া — (২১০ ক)
২। ইংৰাজী — (২১০ খ)

শরৎচন্দ্র গোস্বামী

প্ৰস্তাৱনা

এটা অনুষ্ঠান মানে এজন বা ততোধিক আশাশুধীয়া কৰ্মীৰ সমষ্টি ঃ ই এটা স্বতঃসিদ্ধ কথা। কেতিয়াবা আকৌ একোজন লোকেই একোটা মহৎ অনুষ্ঠানৰ স্নায়ুকেন্দ্ৰ বা প্ৰাণস্বৰূপ হৈ পৰে। ভাৰতীয় জাতীয় কংগ্ৰেছত এসময়ত সভাপতি বা কাৰ্য্যনিৰ্বাহকৰ (হাইকমাণ্ডৰ) সদস্য হৈ নথকা সত্বেও মহাত্মা গান্ধী আছিল তাৰ প্ৰাণ-স্বৰূপ। পৰিমাণত বা প্ৰতিপত্তিৰ ফালেদি সিমান নহলেও অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত শৰৎচন্দ্ৰ গোস্বামীৰো অৱিহণা উলামূলা বিধৰ নাছিল। সেয়েহে অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতিয়ে সাহিত্য সভাৰ অৰ্দ্ধশতাব্দীৰ কাৰ্য্যাৱলী স্মৰণ কৰিবলৈ গৈ অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উৎসৱৰ স্মাৰক গ্ৰন্থ 'হীৰক-জ্যোতি'ত কৈছে - 'যিকেইজন দূৰদৰ্শী, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি গভীৰ শ্ৰদ্ধাৱান সাহিত্যিকৰ মনত এনে এটি অনুষ্ঠানৰ (অসম সাহিত্য সভাৰ) পৰিকল্পনা জাগি উঠিছিল, সেইসকলৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ নাম প্ৰথমেই লব লাগিব। তেখেতৰ প্ৰেৰণাতে যোৰহাটত

এটি সৰু গোষ্ঠীয়ে এই সৎ উদ্দেশ্য কাৰ্য্যত পৰিণত কৰিবলৈ গোস্বামীদেৱৰ নেতৃত্ব মানি ললে।' (আনন্দ চন্দ্ৰ বৰুৱা)। এনে এদিন আছিল যেতিয়া স্কুল ইন্‌স্পেক্টৰ বুলিলে বুজা গৈছিল কেৱল শৰৎচন্দ্ৰ গোস্বামীকহে ; যোৰহাট নৰ্মাল স্কুল বুলিলেই মানুহৰ মনলৈ আহিছিল শৰৎচন্দ্ৰ গোস্বামীৰ নাম আৰু কামৰ কথা। এনেকৈয়ে তেওঁ একে সময়তে হৈ পৰিছিল ভালেকেইটা বিখ্যাত অনুষ্ঠানৰ জীৱন্ত প্ৰতীক স্বৰূপ। এইজনা ক্ষণজন্মা পুৰুষৰ জীৱনৰ কাৰ্য্যাৱলী নতুন পুৰুষৰ প্ৰেৰণা আৰু গৱেষণাৰ স্থল হব বুলি আশা কৰা যায়। গোস্বামীদেৱে নিজে নিজৰ জীৱন চৰিত লিখি থৈ যোৱা নাছিল যদিও তেওঁ সযতনে এৰি যোৱা সুশৃঙ্খল নথি-পত্ৰ, প্ৰবন্ধ আৰু ৰচনাৱলীৰপৰা তেওঁৰ জীৱনাদৰ্শ আৰু কাৰ্যাৱলীৰ আভাস পোৱা যায়। এই জীৱনী তাৰে এটি প্ৰয়াস।

জন্ম, উপৰিপুৰুষ আৰু ছাত্ৰ-জীৱনৰ কাৰ্য্যাৱলী ঃ

ইংৰাজী ১৮৮৭ চনৰ ১২ মে'ৰ দিনা দিনৰ দুইমান বজাত কামৰূপ জিলাৰ নলবাৰী সত্ৰত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ জন্ম হৈছিল। গোসাঁইদেৱৰ পূৰ্বপুৰুষসকল ভাটীৰ নদীয়া শান্তিপুৰৰপৰা অহা মানুহ। মহাপ্ৰভু চৈতন্যদেৱৰ নাম-ধৰ্ম প্ৰচাৰ কৰিবলৈ বহু নদী-নলা পাৰ হৈ আৰু দুৰ্গম পথ অতিক্ৰম কৰি তেওঁলোক অসমলৈ আহিছিল। অসম পোৱাত ইয়াৰ উৰ্বৰা ভূমি, শস্যবহুল পথাৰ আৰু সৰল প্ৰকৃতিৰ বাসিন্দাসকলৰ ব্যৱহাৰত মুগ্ধ হৈ কামৰূপ জিলাৰ বৰনগৰ আৰু নলবাৰীত তেওঁলোকে ক্ৰমে ৰামপুৰ আৰু নাৰায়ণপুৰ নামে দুখন গৌৰীয় সত্ৰ পাতি বহিল। সত্ৰত তিনিও সন্ধ্যা নাম-কীৰ্তন হবলৈ ধৰিলে। হৰি-নামৰ মধুৰ কীৰ্তনৰ ধ্বনিয়ে চৌদিশ মুখৰিত কৰি তুলিলে। তাতে ওচৰ-পাজৰৰ লোকসকলৰ তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা বাঢ়িল। পিছত গোস্বামীদেৱৰ প্ৰপিতামহ নাৰায়ণদেৱৰ নাম অনুযায়ী নলবাৰীৰ

সত্ৰখনৰ নাম হৈ পৰিল নাৰায়ণপুৰ সত্ৰ। ই অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশ শতিকাৰ আদিভাগৰ কথা। বৰ্তমানে ঠাইৰ নাম অনুসৰি সত্ৰৰ নামো সলনি হৈ নলবাৰী সত্ৰ হৈছে।'* সংশ্লিষ্ট বংশাৱলী পুথিৰ শেষত সন্নিবিষ্ট কৰা হৈছে।

পিতৃ-পৰিচয় আৰু বাল্যকাল :

শৰৎচন্দ্ৰ গোস্বামীৰ পিতৃৰ নাম আছিল ললিতচন্দ্ৰ (গুপ্ত নাম লম্বোদৰ) আৰু মাতৃৰ নাম মুকুন্দপ্ৰিয়া। তেওঁলোকৰ আঠোটি সন্তানৰ ভিতৰত শৰৎচন্দ্ৰ আছিল দ্বিতীয় পুত্ৰ আৰু চতুৰ্থ সন্তান। আঠোটা সন্তানৰ ভিতৰত চাৰিজন ল'ৰা আৰু চাৰিজনী ছোৱালী। তাৰে শ্যামচন্দ্ৰ আৰু কণবাপ (গুপ্তনাম অমৃতচন্দ্ৰ) নামৰ দুটি পুত্ৰ ক্ৰমে ন বছৰ আৰু পোন্ধৰ বছৰ বয়সত ঢুকায়। জীৱিত দুই পুত্ৰৰ ভিতৰত প্ৰতাপচন্দ্ৰ গোস্বামী (পিছত বিদ্যাৰত্ন, বিদ্যাবিশাৰদ আৰু ধৰ্মভূষণ) ডাঙৰ আৰু শৰৎচন্দ্ৰ সৰু আছিল। সৰুৰেপৰা শৰৎচন্দ্ৰই দেউতাক-মাক, ককায়েক-বায়েক সকলোৰে পৰা বৰ আদৰ-আপডাল পাইছিল। বিশেষকৈ ককায়েক প্ৰতাপচন্দ্ৰ গোস্বামীদেৱে তেওঁক নিজৰ প্ৰাণতকৈও অধিক ভাল পাইছিল। সেই কাৰণে গোসাঁইদেৱেও আজীৱন ককায়েকক দেউতাকক মনাৰ দৰে মানি চলিছিল আৰু সকলো কামতে তেওঁৰ পৰামৰ্শ বিচাৰিছিল। তেওঁলোক দুজন ককায়েক-ভায়েকৰ মিলা-প্ৰীতিৰ কথা আজিও মানুহৰ মুখত শুনিবলৈ পোৱা যায়। বয়সস্থ লোকসকলে দুইকো ৰাম-লক্ষ্মণ বুলি ভাল পাইছিল আৰু দুয়ো ভাটী বয়সতো নলে-গলে লগা বন্ধুৰ দৰে আলিবাটত কথা-বতৰা পাতি ফুৰিবলৈ যোৱা দেখি মানুহে ৰ-লাগি চাইছিল।

গোসাঁইদেৱৰ পিতাক এজন বৰ সদাচাৰী, নিষ্ঠাৱান আৰু মিষ্ট-ভাষী লোক আছিল। গভীৰ পাণ্ডিত্য আৰু সজ আচৰণৰ কাৰণে

---

* পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামীৰ 'জীৱন-স্মৃতি আৰু কামৰূপী সমাজ'

তেওঁক অকল নলবাৰী সত্ৰৰ শিষ্য-ভক্তসকলেই নহয়, দূৰ-দূৰান্তৰ লোকসকলেও বৰ ভক্তি কৰিছিল। তেওঁৰ পত্নী মুকুন্দপ্ৰিয়া দেৱী নলবাৰীৰ ওচৰৰে মাজদিয়া নামৰ সত্ৰৰ এজনা অতি সাত্বিক গোসাঁইৰ দুহিতা আছিল। পতিৰ অনুৰূপেই তেওঁ আছিল জ্ঞান আৰু গুণৰ প্ৰতি অনুৰক্তা। পিতৃ-মাতৃৰ এই সকল গুণবোৰ সন্তানসকলৰ প্ৰকৃতিতো বহুলাংশে বিকশিত হৈছিল।

পিতৃ-মাতৃৰ প্ৰথম সন্তান আছিল বৃন্দা আই। বেলশৰ দেৱালয়ৰ দুমাইলমান দক্ষিণে জাগ্ৰা সত্ৰত তেওঁক বিয়া দিয়া হৈছিল। জাগ্ৰা এখন সুপ্ৰসিদ্ধ হৰিদেৱী সত্ৰ।

ধৰ্ম কথাত বৃন্দা আইৰ সৰুৰেপৰা বৰ আসক্তি আছিল। তেওঁ গোসাঁইদেৱৰ ডাঙৰ বাইদেৱাক। বৃন্দা আইদেৱে সৰুতে গোসাঁইদেৱক মৰমতে 'চানা বাপা' বুলি মাতিছিল; নাম নাকাঢ়িছিল। তেওঁ চানা বাপা বোলোতে বোলোতে সকলোৱে তেওঁক চানা বাপা বুলিয়েই মাতিবলৈ ধৰিলে। সেই কাৰণে পাছলৈ ডাঙৰ হোৱাতো বয়সীয়া লোকসকলে গোসাঁইদেৱক চানা বাপা বুলিহে মাতিছিল। সৰুৰেপৰা তেওঁৰ চাল-চলন আৰু কাম-কাজৰ গঢ়-গতি দেখি পিতৃ-মাতৃ আৰু ইষ্ট-কুটুম্ব সকলোৱে বৰ আনন্দ লভিছিল।

শিক্ষাৰম্ভ আৰু ছাত্ৰ জীৱন:

তেতিয়াৰ নলবাৰী আৰু আজিৰ নলবাৰীৰ বহুত প্ৰভেদ। আজিৰ নলবাৰী জিলাৰ সদৰ হৈছে। তাত আজি অফিচ-আদালত, স্কুল-কলেজ, মন্দিৰ-নামঘৰ আদি নানা অনুষ্ঠান ভৰি পৰিছে। তেতিয়া তাত স্কুল-কলেজৰ নাম-গোন্ধেই নাছিল। তাৰ অধিকাংশ ঠাই হাবি-বনে আগুৰি আছিল। উত্তৰ অঞ্চলত আনকি বাঘ-ভালুক, হৰিণ-গাহৰি আদি বন্য জন্তুও ওলাইছিল। ৰেল আলি তেতিয়া হোৱা নাই। মানুহে মটৰত উঠা দূৰৰ কথা, মটৰ গাৰী দেখাই নাছিল। অৱশ্যে

অকল নলবাৰীহে যে তেনে আছিল, এনে নহয়। তেতিয়া অসমৰ অনেক ঠাইৰে অৱস্থা তেনেকুৱাই আছিল: বৰঞ্চ তুলনামূলকভাৱে বহুত বিষয়ত নলবাৰী অনেক ঠাইতকৈ উন্নতহে আছিল।

নলবাৰীত তেতিয়া আধুনিক শিক্ষা-পদ্ধতিৰ বেছি প্ৰচলন হোৱা নাছিল। গাঁৱৰ ল'ৰাবোৰে কাঠৰ ফলি লৈ কোনো স্থানীয় লোকৰ ঘৰত লেখা-পঢ়া শিকিছিল। সংস্কৃত শিক্ষাৰ কাৰণে অৱশ্যে অ'ত ত'ত দুই-এখন টোল আছিল। শিক্ষাৰ প্ৰতি ধাউতি থকা অভিভাৱকসকলে কেতিয়াবা কোনো কোনো সম্ভ্ৰান্ত মানুহৰ গোসাঁই ঘৰ বা চ'ৰা ঘৰতে তেওঁলোকৰ ল'ৰাবোৰক গোট খুৱাই একোজন শিক্ষকৰ অধীনত শিক্ষা দিয়াইছিল। গোস্বামীক কিন্তু পিতাকে সৰুতে নিজৰ ঘৰতে পণ্ডিত এজন ৰাখি বিদ্যা-শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। শিক্ষকজনৰ নাম আছিল মাটিৰাম দাস। ঘৰ বাইহাটাৰ ওচৰৰ পানীটেমা গাঁৱত।

নলবাৰী মাইনৰ স্কুলত:

সমগ্ৰ নলবাৰী অঞ্চলৰ ভিতৰত সেই সময়ত এখন মাত্ৰ মাইনৰ স্কুল আছিল। তাতো ছাত্ৰসংখ্যা আছিল নিচেই নগণ্য। এই স্কুল গোসাঁইদেৱৰ ঘৰৰপৰা এমাইলমান দূৰত। মাইনৰ স্কুলখনত দুটা শাখা আছিল: এটা ছাত্ৰবৃত্তি শাখা, আনটো মাইনৰ। ১৮৯৭ চনৰ বৰভুঁইকঁপৰ বছৰতে গোস্বামীয়ে নলবাৰী মাইনৰ স্কুলৰ ছাত্ৰবৃত্তি শাখাত নাম লগায়। তেওঁ ছাত্ৰবৃত্তিত নাম লগাইছিল যদিও তলে তলে কিন্তু ইংৰাজীও শিকিছিল। তেতিয়া তেওঁৰ বয়স আছিল দহ বছৰ। সেই সময়ত গোসাঁই-বামুণৰ ল'ৰাই সাধাৰণতে ছাত্ৰবৃত্তিত অসমীয়াহে শিকিছিল; ইংৰাজী পঢ়িলে জাত যায় বুলি ভাবিছিল। পিছে ইংৰাজী জনা লোকে ভাল ভাল চৰকাৰী চাকৰি পোৱা দেখি সকলোৰে ক্ৰমে ইংৰাজী শিক্ষাৰ প্ৰতি মনৰ গতি ঢাল খাইছিল। গোসাঁইকো অভিভাৱকে ইংৰাজী শিকিবলৈ বাধা দিয়া নাছিল; কিন্তু দেখাদেখিকৈ ছাত্ৰবৃত্তিতহে নাম লগাই দিছিল।

সেই সময়ত বিজয় চন্দ্ৰ মেধি আৰু লক্ষ্মীনাথ শৰ্মা বুলি দুজনা বৰ নিষ্ঠাৱান শিক্ষক আছিল। ছাত্ৰ আৰু স্থানীয় লোকসকলে তেওঁলোকক অতিশয় শ্ৰদ্ধা কৰিছিল। ছাত্ৰসকলৰ ভাল দেখিলে তেওঁলোকৰো মনত আনন্দৰ পাৰ-কূল নোহোৱা হৈছিল। এইখিনিতে উল্লেখ কৰা যায় যে লক্ষ্মীনাথ শৰ্মাই নলবাৰী হাইস্কুলত শিক্ষকতা কৰি থকা কালতেই সৌভাগ্যক্ৰমে গোসাঁইদেৱে স্কুল ইন্‌স্পেক্টৰ হৈ এবাৰ সেই স্কুল পৰিদৰ্শন কৰিবলৈ গৈছিল। নিজে পঢ়ুৱা ছাত্ৰক ইন্‌স্পেক্টৰ ৰূপে পাই তেতিয়া তেওঁ আনন্দত অধীৰ হৈ হেনো শ্ৰেণীয়ে শ্ৰেণীয়ে কৈ ফুৰিছিল— 'দেখিছা, মোৰ ছাত্ৰ শৰৎ এতিয়া ইন্‌স্পেক্টৰ চাহাব হৈ মোৰ স্কুল চাবলৈ আহিছে। তোমালোকেও মনোযোগেৰে পঢ়ি তেওঁৰ দৰে কৃতী পুৰুষ হ'ব লাগিব।'।

গুৱাহাটী কলেজিয়েট হাইস্কুলত:

ইংৰাজী ১৯০০ চনত গোসাঁইদেৱে অসম উপত্যকাত প্ৰথম হৈ নলবাৰী মাইনৰ স্কুলৰপৰা ছাত্ৰবৃত্তি পৰীক্ষাত বৃত্তি লাভ কৰি গুৱাহাটী কলেজিয়েট হাইস্কুলত নাম লগায়। পিতাকে নি তেওঁক কলেজিয়েট স্কুলৰ ছাত্ৰাবাসত থৈ আহে। পাছলৈ কিন্তু কিছু দিন তেওঁ ছাত্ৰাবাস এৰি চন্দ্ৰকান্ত গোস্বামী, শিৱমোহন গোস্বামী আৰু পীতাম্বৰ গোস্বামী নামৰ তিনিজন সহপাঠী বন্ধুৰ লগ লাগি এটা জুপুৰি ঘৰত থাকি নিজে নিজে ৰান্ধি-বাঢ়ি খাই পঢ়িবলৈ লৈছিল। পঢ়া-শুনাৰ সুবিধা আৰু কম খৰচত চলিবৰ কাৰণে তাকে কৰিছিল। পিছত আকৌ ছাত্ৰাবাসলৈ যায়। ছাত্ৰাবাসৰ অধীক্ষকে তেওঁক উপদেশ দি ছাত্ৰাবাসলৈ পুনৰ নিয়ে। সেই বছৰতে ঘৰতে তেওঁৰ পিতৃ-বিয়োগ ঘটে।

সেই সময়ত হাজোৰ শ্ৰদ্ধাচৰণ চৌধুৰী নামৰ শিক্ষক এগৰাকী ছাত্ৰাবাসৰ অধীক্ষক আছিল। ছাত্ৰাবাসত থকা কালত আৰু কলেজিয়েট স্কুলত পঢ়া দিনত তেখেতেই গোসাঁইৰ স্থানীয় অভিভাৱক ৰূপে কাম

কৰিছিল। গোসাঁইৰ চলন-ফুৰণ আৰু আচৰণত মুগ্ধ হৈ তেখেতে গোসাঁইৰ বিশেষ তদাৰক লৈছিল।

১৯০১ চনত নলবাৰী অঞ্চলৰেই গৌৰীকান্ত তালুকদাৰ আৰু কালিৰাম বৰ্মণে কলেজিয়েট স্কুলত নাম লগায়। তেওঁলোক দুয়োজনৰেই গোসাঁইৰ লগত বন্ধুত্ব স্থাপন হয়। কেইবা বছৰো তেওঁলোকে কলেজিয়েট হাইস্কুলৰ ছাত্ৰাবাসত একেলগে আছিল। সেই সময়ৰ কথা কালিৰাম বৰ্মণে (পিছত জীৱনত চৰকাৰ পক্ষৰ উকীল) এইদৰে লিখিছে 'আমি স্কুলত থকা কালত গুৱাহাটীৰপৰা ঘৰলৈ যাব লাগিলে খোজ কাঢ়ি যাব লাগিছিল। ৰেলগাড়ী তেতিয়া গুৱাহাটীলৈ চলা নাছিল। ৰেলগাড়ী গুৱাহাটীলৈ চলা হ'ল ১৯০১ চনৰপৰা। গুৱাহাটীলৈ যাবৰ সময়ত আমি নলবাৰীৰ সকলোকেইজন ছাত্ৰ লগ হৈ গৈছিলোঁ। মৰোৱাৰ হাটখোলা সকলোবোৰ ছাত্ৰৰ লগ হোৱাৰ ঠাই আছিল। তাতে আটাইকেইজন লগ হৈ গুৱাহাটীলৈ ৰাওনা হওঁ। নলবাৰীৰ পৰা গুৱাহাটীলৈ অহা লোকেল বোৰ্ডৰ আলি সেই সময়ত ১৮৯৭ চনৰ বৰ ভূঁইকঁপে ভাঙি টুকুৰা-টুকুৰ কৰিছিল। বাৰিষা হলে ঠায়ে ঠায়ে একঁকাল পানী হয়। হাজোৰপৰা বিজুলী-ঘাটলৈ এই ছমাইলক এটা হ্ৰদ বুলিব পাৰি। সেইছোৱা বাট আমি নাৱেৰে অহা-যোৱা কৰিব লাগিছিল। আমি দল-বান্ধি ৩০।৩২ মাইল খোজ কাঢ়ি কষ্টবোধ নকৰিছিলোঁ। কিয়নো সকলোৰে উৎসাহ, আগ্ৰহ আৰু আনন্দই আছিল আমাৰ বল। গোসাঁয়ে আমাক সঘনে ৰন্ধনা আৰু সাহিত্যৰ কথা উলিয়াই আমনি লগাইছিল। আমি বাকীবোৰে নানাপ্ৰকাৰ মনভুলোৱা পাতল গল্প কৈ আমোদ কৰিছিলোঁ। তাৰ মাজত তেওঁৰ সাহিত্যৰ বক্তৃতা বৰং কেতিয়াবা আমি বিৰক্তিজনক বুলি অনুভৱ কৰিছিলোঁ।

সেই সময়ত নলবাৰীৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰা এটা ডাঙৰ সমস্যা আছিল। আমি ঘৰৰপৰা গুৱাহাটীলৈ যাত্ৰা কৰাৰ দুই-তিনি দিন আগৰেপৰা আমাৰ ইষ্ট-মিত্ৰ আৰু ভাগী-জ্ঞাতিয়ে

খুৱাই-বুৱাই বিদায় দিছিল। বাটত কেতিয়াবা কেতিয়াবা আমি বাঘ-ভালুকৰ মুখতো নপৰাকৈ নাছিলোঁ। আমাৰ ভিতৰত আটাইতকৈ খুহুতীয়া আছিল চন্দ্ৰকান্ত গোস্বামী আৰু পীতাম্বৰ চক্ৰৱৰ্ত্তী। চক্ৰৱৰ্ত্তীৰ আৰ্থিক অৱস্থা ভাল নাছিল। সেই কাৰণে তেওঁ ছাত্ৰাবাসত থকা বামুণ-গোসাঁইৰ ল'ৰাবিলাকৰ ভাত ৰান্ধি পঢ়া-খৰচ উলিয়াইছিল।'

ছাত্ৰাৱস্থাত সাহিত্য সৰ্চ্চা :

সৰু কালৰেপৰা চুটি গল্প লিখাৰ প্ৰতি গোসাঁইৰ ধাউতি দেখা গৈছিল। কলেজিয়েট স্কুলত পঢ়া সময়তে তেওঁ চুটি গল্প লিখি কেইবাটাও পুৰস্কাৰ পাইছিল। কালিৰাম বৰ্মণ ডাঙৰীয়াই কয়—'আমাৰ ছাত্ৰাবাসত 'সুনীতি সঞ্চাৰিণী' নামেৰে এখন সভা আছিল। এই সভা প্ৰত্যেক মাহৰ শেহৰটো দেওবাৰে বহিছিল। তাত ৰচনা পাঠ, কবিতা পাঠ, আবৃত্তি, বক্তৃতা আদি হৈছিল। সাহিত্য-চৰ্চ্চাৰ কাৰণে গোসাঁইদেৱে 'অঙ্কুৰ' নামেৰে এখনি মাহেকীয়া হাতে-লিখা আলোচনী উলিয়াইছিল। সেই বয়সত তেওঁক আমি সকলোৱে, বিশেষকৈ গৌৰীকান্ত তালুকদাৰ আৰু মই—এই দুজনে প্ৰবন্ধ-পাতি লিখি আৰু গোটাই দি সহায় কৰিছিলোঁ। এই 'অঙ্কুৰ'তেই গোসাঁইদেৱৰ সাহিত্য-সেৱাৰ অঙ্কুৰে দেখা দিছিল।

হাইস্কুলৰ তলৰ শ্ৰেণীত পঢ়ি থকা কালতেই গোসাঁইদেৱৰ গল্প 'জোনাকী' কাকতত সত্যনাথ বৰা ডাঙৰীয়াই প্ৰকাশ কৰিছিল। এই গল্পই আছিল তেওঁৰ ছপা হৈ ওলোৱা প্ৰথম ৰচনা।

'সুনীতি সঞ্চাৰিণী' সভাই আনৰ বৰ বেছিকৈ নহলেও গোসাঁই দেৱৰ প্ৰভূত উপকাৰ সাধিলে। সেই সভাৰ যিবোৰ নীতি-নিয়ম আছিল, ছাত্ৰসকলে সেইবোৰ মানি চলিব লাগিছিল। পিছে সভা-সমিতিত বান্ধি লোৱা নিয়ম-নীতি কেইজন সভ্যই মানি চলে? বিশেষকৈ ছাত্ৰ-সভাৰ ধূমপান বৰ্জ্জন কৰিবলৈ লোৱা প্ৰস্তাৱ জানো

সকলো সভ্যই মানি চলে ? গোসাঁইদেৱে কিন্তু 'সুনীতি-সঞ্চাৰিণী' সভাৰ নিয়ম-কানুনবোৰ আখৰে-আখৰে মানি চলিবলৈ যত্ন কৰিছিল। তাৰ ফলত তেওঁ সৰুৰেপৰা বৰ সংযত, পৰিপাটি আৰু নিয়মীয়া হৈ উঠিছিল।

ছাত্ৰাবাসত গোসাঁইদেৱৰ এবাৰ মেলেৰিয়া জ্বৰ হৈছিল। ডাক্তৰৰ ঔষধেও বহু দিনলৈকে গুণ দিয়া নাছিল। গোসাঁইদেৱে তেতিয়াৰ-পৰা নিয়মিতৰূপে পুৱা-গধূলি ব্যায়াম অভ্যাস কৰে আৰু বাছি খাবলৈ লয়। তাৰ ফলত কিছু দিনৰ ভিতৰতে তেওঁ আৰোগ্য লাভ কৰে। এই ব্যায়াম-অভ্যাসে গোসাঁইদেৱৰ সুঠাম শৰীৰ-গঠনতো যথেষ্ট সহায় কৰিছিল।

যদিও 'সুনীতি-সঞ্চাৰিণী সভা' ছাত্ৰাবাসৰ ছাত্ৰসকলৰ কাৰণেই প্ৰতিষ্ঠিত হৈছিল, তথাপি তাত সাহিত্যত ৰাপ থকা বাহিৰৰ দুই এজন ছাত্ৰয়ো যোগদান কৰিছিল। তেনে এজন ছাত্ৰ আছিল উজান বজাৰৰ ৰঘুনাথ চৌধাৰী (পিছত বিহগী কবি ৰঘুনাথ চৌধাৰী)। চৌধাৰীৰ শুৱলা কবিতা শুনিবলৈ সভাৰ সদস্যসকল উৎকণ্ঠিত হৈ থাকিছিল আৰু তেওঁক কবিতা লিখিবলৈ উৎসাহ দিছিল। এইদৰে গোসাঁইৰ গল্প আৰু চৌধাৰীৰ কবিতা আছিল 'সুনীতি-সঞ্চাৰিণী সভা'ৰ উল্লেখযোগ্য আকৰ্ষণ আৰু সাহিত্যিক অৰিহণা।'

ছাত্ৰাবাসত আমোদজনক ঘটনা : *

ছাত্ৰাবাসত মাজে-সময়ে ভোজ হয়। বিশেষকৈ দীঘলীয়া বন্ধৰ আগদিনা। এদিনাখন কলেজিয়েট ছাত্ৰাবাসতো তেনে এটা ভোজ হৈছিল ! তেতিয়াৰ দিনত আঠ অনা পইচাতে এটা ডাঙৰ ৰৌ মাছ পোৱা গৈছিল। সেইদৰে চাউল আছিল টকাত ওঠৰ সেৰ। খাহী

* কালিৰাম বৰ্মণ উকিল ডাঙৰীয়াৰপৰা প্ৰাপ্ত

একোটাৰ দাম গুৱাহাটী নগৰত আঠ-ন টকাই বেছি। ভোজৰ আয়োজন ডাঙৰকৈয়ে হৈছিল।

খাবলৈ প্ৰস্তুত হোৱাৰ এঘণ্টামান আগেয়ে পুষ্পৰাম উজিৰ (পিচত পুলিচ ইন্‌স্পেক্টৰ) আৰু কেইজনমান দুষ্ট বুদ্ধিৰ ল'ৰাই ঘন গাখীৰেৰে গোল্মত আমোল-মোলাই যোৱাকৈ ঘোঁটা ভাং তৈয়াৰ কৰিছিল। গোসাঁইদেৱে তেতিয়ালৈকে ঘোঁটা ভাং কি তাক সমূলি নাজানিছিল। নামটোও শুনা নাছিল। দুজনমান ল'ৰাই নিজে আগে খাই দেখুৱাই বাটিয়ে বাটিয়ে ঘোঁটা ভাং সকলোকে খুৱালে। গোসাঁইদেৱে আৰু তেওঁৰ বন্ধুসকলেও তাহানিৰ ভীমে নাজানি বিষ লাড়ু খোৱাৰ দৰে ঘোঁটা ভাং হেপাহ পলুৱাই খালে।

এঘণ্টামানৰ পাছত সকলোৰে নিচা লাগিল। তাৰে ভিতৰত গৌৰীকান্ত তালুকদাৰ, বিষ্ণুৰাম মেধি, অমৃতলাল দাস (পিছত ৰায়চাহাব) আৰু কালিৰাম বৰ্ম্মণৰ নিচা ভালকৈয়ে লাগিল। গোসাঁইদেৱৰো নলগা নহয়; তেওঁৰো লাগিল। পিছে বৰকৈ লগাৰ আগতে গম পাই তেওঁ এটা বুদ্ধি কৰিলে। কথা বিষম হব যেন দেখি তেওঁ ছাত্ৰাবাসৰ অধীক্ষক শ্ৰদ্ধাচৰণ চৌধুৰী ডাঙৰীয়াৰ ওচৰলৈ গৈ নিজৰ আৰু লগৰীয়াসকলৰ দোষৰ কথা স্বীকাৰ কৰি সকলোৰে হৈ ক্ষমা খুজিলে। চৌধুৰীয়ে মুখেৰে একো নামাতিলে।

ভাঙৰ নিচাত সকলোৱে যেয়ে যাৰে বিচনা পায় তাতে লাং খাই পৰি থাকিল। কাৰো ভোজ খোৱা নহ'ল। ৰন্ধা ভাত-আঞ্জা ৰন্ধায়ে থাকিল। পিছদিনা সেইবোৰ কাউৰী-কুকুৰৰ মহৎ ভোজ হ'ল।

ৰাতি পুৱালত কথাটো সদৰী হ'ল। ছাত্ৰসকলৰ তেতিয়া সকলোৰে মুখ শুকাল। ভয়ত তৎমৎ হেৰাল। সকলোৱে ভাবিলে অধীক্ষকে নিশ্চয় ঘটনাটো জানিছে আৰু সেই অপৰাধৰ শাস্তি কি হয় কোনে জানে? গতিকে সকলোৱে ফুচফুচাই আলাপ কৰি ছাত্ৰাবাস এৰিবলৈকে একৰকম স্থিৰ কৰিলে।

এনে সময়ত গোসাঁই ওলালহি। তেওঁ আলোচনাত ভাগ ললে।

তেওঁ কিন্তু নিৰুদ্বেগ। তাকে দেখি সকলোৱে একমুখে কলে—গহীন হলে নচলিব। এতিয়া উপায়? আমি হলে খেদা খোৱাৰ আগতে নিজৰ মান ৰক্ষা কৰি ওলাই যোৱাই ভাল বুলি ভাবিছো।

গোসাঁয়ে এটি হাঁহি মাৰি সকলো কথা কৈ লগৰীয়াসকলক অভয় দিলে। বিপদে শাম কাটিলে। সকলো প্ৰকৃতিস্থ হ'ল। সকলোৱে গোসাঁইৰ বুদ্ধি বখানিলে।

ছাত্ৰাৱস্থাত দেশৰ হকে ঃ

১৯০৫ চনত বঙ্গ-ভঙ্গ ৰহিত কৰিবৰ কাৰণে বঙ্গদেশত তেতিয়াৰ দেশনেতা ছাৰ সুৰেন্দ্ৰনাথ বানাৰ্জিৰ নেতৃত্বত বঙালীসকলে তুমুল আন্দোলন চলায়। সেই আন্দোলনৰ ঢৌৱে আমাৰ অসমকো ছুইছিলহি। বঙ্গদেশৰ এটা অংশ কাটি আনি অসমৰ লগত সাঙুৰি পূৰ্ববঙ্গ আৰু আসাম নামে এখন স্বকীয়া প্ৰদেশ গঠন কৰা হৈছিল। তাতে অসমেও জিকাৰ খাই উঠিছিল। বিদেশী-বৰ্জন সেই আন্দোলনৰে এটা কৰ্মপন্থা আছিল। অসমৰ স্কুল-কলেজৰ ছাত্ৰবোৰেও বিদেশী-বৰ্জন আন্দোলনত যোগ দিছিল। সেই আন্দোলন চলাবৰ কাৰণে ধনৰ প্ৰয়োজন হ'ল। তেতিয়া 'আসাম ভেলী ট্ৰেডিং কোম্পানী' বুলি বিখ্যাত ব্যৱসায় অনুষ্ঠান এটাত গোবিন্দ লাহিৰী নামেৰে এজন উৎসাহী ভদ্ৰলোক আছিল। তেওঁ ছাত্ৰসকলক গোপনে লগ ধৰি আন্দোলনৰ আৱশ্যকতা আৰু উদ্দেশ্য বুজাই দিছিল আৰু তাৰ কাৰণে অৰ্থ-সংগ্ৰহ কৰিবলৈ উদগাইছিল। কিন্তু সেই সময়ত যি কোনো ৰাজ-নৈতিক আন্দোলনকে মানুহে বৰকৈ ভয় কৰিছিল। গতিকে তাৰ কাৰণে অৰ্থ-দান বা অৰ্থ-সংগ্ৰহ সহজ কাম নাছিল। আন্দোলনৰ নামত মানুহে পইচা এটাও দিবলৈ সাহ নকৰিছিল।

ছাত্ৰসকলে তেতিয়া ধন তুলিবৰ কাৰণে এটা অভিনৱ উপায় উদ্ভাৱন কৰিলে। তেওঁলোকে স্থিৰ কৰিলে যে ধন সংগ্ৰহৰ কাৰণে

তেওঁলোকে সপ্তাহত দুদিনকৈ প্ৰত্যেকে স্বেচ্ছাই জাহাজঘাট আৰু ৰেল ষ্টেচনলৈ গৈ মাল-কঢ়িওৱা মুটিয়াৰ কাম কৰিব। সেই সিদ্ধান্ত সকলোৱে গ্ৰহণ কৰিলে আৰু সেইমতে কামো হবলৈ ধৰিলে। অৱশ্যে সকলো ল'ৰা নগ'ল। কেইজনমানে হলে ভাত দেহেকেহে খাটিলে। সেই খটা কেইজনৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামীও আছিল এজন। কাৰণ তেওঁ সদায় কোনো কাম কৰিবলৈ ললে তাক অতিশয় নিষ্ঠা আৰু আগ্ৰহেৰে কৰিছিল আৰু তাত সফলকাম নোহোৱাকৈ নেৰিছিল।

এদিনাখন এটা টিনৰ ট্ৰাঙ্ক নিয়াৰ ভাৰ পৰিছিল গোসাঁই আৰু কালিৰাম বৰ্মণৰ ওপৰত। ট্ৰাঙ্কটো আছিল বৰ গধুৰ। দুয়ো কোনোমতে দাণ্ডি তুলি লৈ থৰক-বৰক কৰি নদীৰ পাৰত থকা চাহাবৰ বঙলাৰ ফালে যাবলৈ ধৰিলে। বৰ্মণ আগত, গোসাঁই পাছত। গোসাঁই আছিল অলপ ওখ, বৰ্মণ চাপৰ। গতিকে স্বাভাৱিকতে বৰ্মণৰ ফালে ভৰ বেছি পৰিছিল। কেইখোজমান গৈ—উঃ নোৱাৰো, নোৱাৰো বুলি বৰ্মণে আপত্তি কৰিবলৈ ধৰিলে। তেতিয়া গোসাঁইয়ে হেনো বৰ্মণৰ পিঠিত লাহেকৈ চাপৰ এটা মাৰি কৈছিল—এইখিনি কষ্টকে সহিব নোৱাৰা যদি দেশৰ কাৰণে মৰিবা কেনেকৈ? —তেতিয়া দুয়ো অতি কষ্টৰে কোনোমতে বাকচটো চাহাবৰ বঙলালৈ নিলে। এইদৰে ভালেখিনি পইচা গোটোৱা হৈছিল আৰু তাক সৎ কামত খটোৱা হৈছিল বুলি জনা যায়।

গোসাঁইদেৱে কুস্তী আৰু ব্যায়ামো অভ্যাস কৰিছিল বুলি আগতে উল্লেখ কৰা হৈছে। সেই সময়ত সমনীয়া ছাত্ৰসকলৰ ভিতৰত গছত উঠাত আৰু সাঁতোৰাত সবাতকৈ পৈণত আছিল বিষ্ণুৰাম মেধি। তেওঁ আকৌ কেতিয়াবা কেতিয়াবা গোটেই গাতে পেক সানি লৈ ব্ৰহ্মপুত্ৰৰ দাঁতিত ব'দত বহি থাকিছিল। তাকে কৰাৰ উদ্দেশ্য আছিল হেনো নিজক কষ্টসহিষ্ণু কৰা। তেওঁলোকৰ ভিতৰৰ কিছুমান ল'ৰাই তেতিয়া আকৌ বিদেশী খেল বুলি বিদেশী বৰ্জনৰ নামতে ফুটবল ক্ৰিকেট আদি খেল নেখেলিছিল। তাৰ পৰিবৰ্তে তেওঁলোকে ধোপ-



ছাত্ৰাৱস্থাত শৰৎচন্দ্ৰ গোস্বামী (১২ পৃঃ)

খেলা, নাও-খেলা, হাফোলা দিয়া, হাডু-ডুডু প্ৰভৃতি দেশীয় খেলা খেলিছিল। গোসাঁই পাকৈত আছিল নাও বোৱাত। তেওঁ কেতিয়াবা গুৰিয়াল হৈ ব্ৰহ্মপুত্ৰৰ মাজেদি নাও বাই লৈ গৈছিল। এদিন তেনেকৈ নাও বাই যাওঁতে ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ ডকা-চাকনৈয়াত পৰি নাও বুৰিব ধৰিছিল। পাৰ পাই তেওঁ লগৰীয়াসকলক কৈছিল—'এইবাৰে বাৰ আৰু দ্বিতীয় বাৰ এইদৰে টুলুঙা নাৱেৰে ব্ৰহ্মপুত্ৰত খেলা কৰিবলৈ কেতিয়াও নাহোঁ।

প্ৰৱেশিকা পৰীক্ষাৰ অন্তত:

প্ৰৱেশিকা (এণ্ট্ৰেন্স) পৰীক্ষা হৈ যোৱাত ছাত্ৰাবাসৰ সকলো পৰীক্ষাৰ্থী ঘৰলৈ যাবলৈ ওলাল। বাকী ছাত্ৰবোৰে তেওঁলোকক ৰীতি-মতে বিদায় দিবলৈ সভা-সমিতি পাতিলে। প্ৰীতি-ভোজনৰো আয়োজন কৰিলে! উলহ-মালহ, ৰং-তামচাৰ মাজেদি এইবোৰ কাৰ্য্য হৈ গ'ল! দূৰৰ ল'ৰা বুলি নলবাৰীৰ ফালৰ লবাকেইজন আগেয়ে যাবলৈ ওলাল। তেওঁলোকে আনবিলাক সহপাঠীৰপৰা বিদায় ললে। এই সময়তে এটা ঘটনা ঘটিল। গোসাঁইদেৱৰ এজন সহপাঠী আছিল—নাম চন্দ্ৰমোহন ঠাকুৰীয়া। তেওঁ গোসাঁইৰ লগত সদায় পঢ়াত প্ৰতিযোগিতা চলাইছিল আৰু সদায়ে পৰাস্ত হৈছিল। সেই কাৰণে সদায় তেওঁ গোসাঁইক ঈৰ্ষাৰ চকুৰে চাইছিল। আনকি, হোৱাই-নোহোৱাই গোসাঁইৰ বিৰুদ্ধে সুবিধা পালেই বটিবলৈও এৰা নাছিল। গোসাঁয়ে সাধাৰণতে এইবোৰ কথালৈ মন-কাণ নিদি আচল বিষয়ত অৰ্থাৎ নিজৰ পঢ়া শুনাত ঠিক থাকিবলৈ যত্নপৰ হৈছিল।

ঘৰলৈ আহিবলৈ ওলাই গোসাঁই সিদিনা আন ল'ৰাৰ ওচৰলৈ যোৱাৰ দৰে ঠাকুৰীয়াৰ ওচৰলৈও বিদায় লবলৈ গ'ল। ঠাকুৰীয়াৰ লগত আৰু কেইবাজনো ল'ৰা আছিল। গোসাঁইক দেখিয়েই ঠাকুৰীয়াই পোনেই গোসাঁইৰ পিনে পিঠি দিলে। গোসাঁয়ে কিন্তু হাঁহিমুখে মধুৰ-

ভাৱে বিদায় সম্ভাষণ জনালে। তাকে শুনি ঠাকুৰীয়া অতিষ্ঠ হৈ উঠিল আৰু গোসাঁইক নানা অকথ্য কথাৰে গালি পাৰিলে। অন্য লগৰীয়া-সকলে তেওঁৰ আচৰণ দেখি বৰ দুখ আৰু লাজ পালে। গোসাঁয়ে কিন্তু প্ৰত্যুত্তৰত হাঁহিমুখে কলে মই মোৰ কৰ্ত্তব্য কৰিলো। তুমি তোমাৰ কৰ্ত্তব্য নকৰি দুখ পালে মই কি কৰিম ভাই ? ইয়াকে কৈ তেওঁ ওলাই আহিল। লগৰীয়াবোৰে গোসাঁইৰ ধৈৰ্য্য আৰু শিষ্টাচাৰ দেখি বিস্ময় মানিলে।

প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল আৰু বিবাহ :

পৰীক্ষা দি উঠি বন্ধু-বান্ধৱসকলৰ সৈতে গোসাঁইদেৱ নলবাৰী সত্ৰৰ ঘৰ পালেহি। গোসাঁই-বামুণৰ ল'ৰাই সৰুতে বিয়া কৰোৱা তেতিয়াৰ সমাজৰ বদ্ধমূল ৰীতি আছিল। সেইদেখি উপযুক্ত দৰা ওলালেই কন্যাদায়গ্ৰস্তসকলে ছোৱালী দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সুদৰ্শন স্বাস্থ্যৱান যুৱক গোস্বামীদেৱৰ ক্ষেত্ৰতো সেই একে কথা হৈছিল। তেওঁকো ধৰিবলৈ বহুতে হেতাওপৰা লগাইছিল।

কামৰূপৰ সেই সময়ৰ এগৰাকী সুপ্ৰসিদ্ধ পণ্ডিত, গৌৰীপুৰ ৰাজ-টোলৰ অধ্যাপক তাৰানাথ গোস্বামীদেৱে বছৰচেৰেক পূৰ্ব্বে কামৰূপ জাতীয় উন্নতিসাধিনী সভা নামে এখন সভা পাতিছিল। তাৰ দুই এটা বৈঠকত শৰৎচন্দ্ৰ গোস্বামী, কালিৰাম বৰ্মণ, গোৰীকান্ত তালুকদাৰ প্ৰভৃতি উদীয়মান শিক্ষিত যুৱকসকলে উৎসাহেৰে যোগদান কৰিছিল। পিছে কেতিয়াবা 'কাকো পৰে, তালো সৰে।' সেইবাৰ সেই সভাৰ বাৰ্ষিক অধিবেশন নলবাৰী সত্ৰত অনুষ্ঠিত হৈছিল। তাত উত্তৰ গুৱাহাটীৰ ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই সভাপতিত্ব কৰাৰ কথা আছিল। সময়ৰ মূৰত বিশেষ কাৰণত তেওঁ আহিব নোৱাৰি খবৰ দিয়াত ওচৰৰে গণ্যমান্য সম্ভ্ৰান্ত লোক উত্তমচন্দ্ৰ বৰুৱাক সেই সন্মান যচা হৈছিল। তেওঁকো নোপোৱাত হাজো দেৱালয়ৰ দলৈ

পণ্ডিত নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্যাকে তাৎকালিকভাৱে পাই সভাপতিৰ আসনত অধিষ্ঠিত কৰা হ'ল। সেই সভাতে পৰীক্ষা দি অহা ছাত্ৰ-সকলে গাঁও সংগঠনৰ আঁচনি হাতত লৈছিল আৰু ঘৰত নীৰৱে নিষ্কৰ্মা হৈ বহি নাথাকি গাঁৱে-ভূঁয়ে সভা-সমিতি পাতি সমাজক নানা বিষয়ত সচেতন কৰি তুলিবলৈ সংকল্প গ্ৰহণ কৰিছিল। আচলতে হাজোৰ দলৈডাঙৰীয়া গৈছিল গোস্বামীক দৰা ধৰিবলৈ। তেওঁ গোস্বামী-দেৱৰ ব্যৱহাৰ, ভাষণ আৰু সাংগঠনিক শক্তি দেখি তেনেই মুগ্ধ হ'ল। দূৰৈৰ গঙ্গা যেন তেওঁ হাততে পালে। সভাভঙ্গৰ পাছত উদ্দেশ্য সিদ্ধিৰ কাৰণে তেওঁ দেহেকেহে লাগি গ'ল।

ইয়াৰ কিছু দিনৰ পাছত খবৰ আহিল গোসাইদেৱ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত কৃতিত্বেৰে উত্তীৰ্ণ হৈছে আৰু তিনিটা বিষয়ত সোণ-ৰূপৰ পদক তিনিটা পোৱাৰ উপৰি তেওঁ প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰিছে। খবৰটো ৰাষ্ট্ৰ হোৱাৰ লগে লগে চাৰিওফালে উথপথপ, উলহ-মালহ লাগি পৰিল ; এতিয়া বিয়াখন আগে পতা যায় নে কলেজত নাম লগোৱা যায়। বিয়াৰো কিন্তু তলে তলে প্ৰায় সকলো যা-যোগাৰ হৈ উঠিছিল।

প্ৰৱেশিকা পৰীক্ষাৰ পাছতে গোসাঁইৰ যাতে বিয়াখন পাতিব পাৰি তাৰ কাৰণে গোসাঁইৰ পঢ়াশলীয়া ছাত্ৰাবাসৰ অধীক্ষকৰ আৰু স্থানীয় অভিভাৱক শ্ৰদ্ধাচৰণ চৌধুৰী আৰু ছায়াৰাম শইকীয়া বুলি আন এগৰাকী গুৰুস্থানীয় লোকে উঠিপৰি লাগিছল। তিৰোতাসকলৰ ভিতৰত যিসকলে বিয়া পাতিবলৈ বৰকৈ হেঁচা দিছিল তেওঁলোকৰ ভিতৰত ঘাই আছিল গোসাঁইৰ বিধবা পেহীয়েক হাজোৰ দলৈদেৱৰ সম্বন্ধীয়া বৌয়েক চন্দ্ৰকান্তি দেৱী। গোসাঁইৰ মাকো লৰালৰিকৈ বিয়া পতাৰ সিমান পক্ষপাতী নাছিল। শেষত সকলোৰে ইচ্ছাৰ প্ৰতি সঁহাৰি জনাবলৈ হলেও গোসাঁয়ে বিয়াত সন্মতি দিবলগীয়া হ'ল। সেইমতে ১৯০৪ চনতে আঠঘৰীয়াৰ বিখ্যাত পঞ্চৰত্ন ভট্টাচাৰ্য্যৰ ঘৰৰ জীয়ৰী ভুবনেশ্বৰী দেৱীৰ লগত যথাবিহিতভাৱে তেওঁৰ বিয়া হয়। তেওঁৰ শহুৰেক পণ্ডিত নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য

হাজো দেৱালয়ৰ দলৈ হোৱাৰ উপৰিও সমগ্ৰ হাজো অঞ্চলৰে এজন প্ৰসিদ্ধ আৰু প্ৰতিভাশালী লোক আছিল। অৰ্থৰ ফালেদি সিমান আঢ্যৱন্ত নহলেও সমাজত তেওঁৰ কথা কোনেও অমান্য কৰিব নোৱাৰিছিল।

কটন কলেজত এফ. এ. আৰু কলিকতাত বি. এ.

প্ৰতিযোগিতামূলক বৃত্তিধাৰী গোস্বামীদেৱে বিয়াৰ পাছতেই এফ. এ. পঢ়িবলৈ কটন কলেজলৈ ঢাপলি মেলিলে। মনোযোগেৰে পঢ়ি তেওঁ ১৯০৬ চনত গুৱাহাটী কটন কলেজৰপৰা এফ. এ. পাছ কৰে। এই পৰীক্ষাতো তেওঁ অসমীয়া পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি বৃত্তি আৰু স্বৰ্ণপদক লাভ কৰে। এফ. এ. পৰীক্ষা দি উঠি তেওঁ যি অৱসৰ পাইছিল সেই সময়তে 'পানিপথ' নামে এখনি উপন্যাস লিখে। সেই বিষয়ে পিছত আলচ কৰা হব।

যথাসময়ত গোসাঁইদেৱে বি. এ. পঢ়িবৰ কাৰণে কলিকতালৈ যাত্ৰা কৰে। তাত তেওঁ তেতিয়াৰ মেট্ৰোপলিটান, এতিয়াৰ বিদ্যাসাগৰ কলেজৰ বি. এ. শ্ৰেণীত নাম লগায় বি এ. ত শৰৎচন্দ্ৰই দৰ্শন আৰু সংস্কৃতত 'অনাৰ্ছ' পঢ়িছিল; কিন্তু পৰীক্ষাৰ সময়ত হোৱা আকস্মিক অসুস্থতাৰ হেতুকে তেওঁ ডাক্তৰৰ পৰামৰ্শ মতে 'অনাৰ্ছ' এৰি দি উকাভাৱেই বি এ পৰীক্ষা দিব'ল বাধ্য হয়। তাতো তেওঁ সুখ্যাতিৰে উত্তীৰ্ণ হৈ 'বিশ্ববিদ্যালয় বঁটা' (ইউনিভাৰ্ছিটি প্ৰাইজ) লাভ কৰে। এইদৰে তেওঁ ১৯০৮ চনত বি. এ পাছ কৰে আৰু ঘৰলৈ উভতি আহি শান্তি বিয়া কৰায়।

এম. এ অধ্যয়নৰ প্ৰয়াস আৰু কৰ্ম-জীৱনৰ পাতনি

গতানুগতিকভাৱে শাস্তি-বিয়া কৰালে যদিও বি. এ. 'অনাৰ্চ' কোৰ্চত পৰীক্ষা দিব নোৱাৰি গোসাঁইৰ মনে শান্তি পোৱা নাছিল। তেওঁৰ মন ক্ষুব্ধ আৰু ক্ষুণ্ণ হৈ আছিল। যদিও হাতত অৰ্থ-সম্বল নথকা সত্ত্বেও তেওঁ এম. এ. পঢ়িবলৈ মনত বল বান্ধিলে। সেই উদ্দেশ্যে তেওঁ কলিকতালৈ যাওনা হ'ল। তেতিয়া তেওঁৰ হাতত আছিল ৰূপ পঞ্চাশ টকা মাত্ৰ; তাকো তেওঁ দদায়েক অধ্যাপক এজনৰপৰা ধাৰলৈ নিছিল। ইয়াৰ উপৰি সানেকুছি গাঁৱৰ অভয়ৰাম চৌধুৰী নামৰ উদাৰ আঢ্যৱন্ত লোক এজনে তেওঁক মাহে পঞ্চাশ টকাকৈ বিনা সুতে টকা ধাৰে দি থাকিবলৈ গান্ধ লৈছিল আৰু সেইমতে তেওঁৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি আছিল।

এইদৰে কিছুদিন চলাৰ পিছত তেওঁ কলিকতাৰ বিখ্যাত 'নগেন্দ্ৰ প্ৰিন্টিং ওৱাৰ্কছ'ত এটা কাম যোগাৰ কৰি লয় আৰু এম.এ. পঢ়িবলৈ ধৰে। তেওঁ সংস্কৃতৰ এম.এ. শাখাত নাম লগাইছিল। ছপাখানাত কাম লৈ নিজে টকা আৰ্জিবলৈ সমৰ্থ হোৱাত তেওঁ অভয়ৰাম চৌধুৰীলৈ ধন্যবাদ দি টকা আৰু কিছু দিনলৈ পঠাব নালাগে বুলি সকলো পৰিস্থিতি বুজাই চিঠি লিখিছিল। সেই চিঠি পাই চৌধুৰীয়ে টকা পঠিয়াবলৈ এৰিছিল যদিও গোসাঁইক সঘনে চিঠিৰে উৎসাহ দি আছিল। গোসাঁয়ে চাকৰিত প্ৰৱেশ কৰিয়ে এই ধাৰ পৰিশোধ কৰে।

ইমান যত্ন আৰু আগ্ৰহ থকাতো কিন্তু গোসাঁইদেৱৰ এম. এ. পঢ়া সম্পূৰ্ণ নহ'ল। তেখেতে পৰিস্থিতিৰ পাকত পৰি সিমানতে অধ্যয়ন সামৰি কৰ্ম-জীৱন আৰম্ভ কৰিবলগীয়া হ'ল।

সেই সময়ত পূৰ্ববঙ্গ আৰু অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ আছিল মিষ্টাৰ (পাছত ছাৰ) ছাৰ্প চাহাব। গোসাঁইদেৱে বি. এ. পাছ কৰা খবৰ পোৱাৰ পাছতে এম. এ. পঢ়িবৰ কাৰণে মাহে পঞ্চাশ টকাৰ স্নাতকোত্তৰ বৃত্তি (Post-graduate Scholarship) এটা দিবৰ কাৰণে ডাইৰেক্টৰ ছাৰ্প চাহাবলৈ তেওঁৰ কৃতিত্ব, মেধা, স্বভাৱ-চৰিত্ৰ আদিৰ আৱশ্যকীয় প্ৰমাণপত্ৰ সহ আবেদন কৰিছিল। তেতিয়াৰ অসমৰ শিক্ষা বিভাগত বি. এ. পাছ কৰা মানুহ বৰ কম আছিল আৰু অসমীয়া মানুহ প্ৰায় নাছিলেই। তেওঁ গোসাঁইদেৱৰ বৃত্তিৰ আবেদন মঞ্জুৰ নকৰি তেওঁক শিক্ষা বিভাগত উপযুক্ত নিযুক্তি দিবলৈহে পাৰিলে। সেইমতে মাহে পয়সত্তৰ টকা দৰমহা যাচি ডেপুটী ইন্‌স্পেক্টৰৰ কাম এটাত তেওঁক নিযুক্ত কৰিব খুজিলে।

গোসাঁইদেৱে ছাৰ্প চাহাবৰ তেনে অভাৱনীয় চিঠি এখন পাই কিংকৰ্তব্যবিমূঢ় হ'ল। তেওঁ তাৰবাৰ্তাযোগে সেই বিষয়ে ককায়েক প্ৰতাপ চন্দ্ৰ গোস্বামীৰ মতামত আৰু নিৰ্দেশ বিচাৰিলে। ককায়েকে জনালে, প্ৰাৰম্ভিক দৰমহা যদি এশ টকা হয়, তেনেহলে চাকৰিটো গ্ৰহণ কৰাই উচিত হব।

সেই অনুসাৰে গোসাঁইদেৱে ছাৰ্প চাহাবলৈ উত্তৰ পঠিয়ালে। তেতিয়া ছাৰ্প চাহাবে চৰকাৰৰ মঞ্জুৰি লৈ মাহে এশ টকা দৰমহাত গোসাঁইদেৱক ডেপুটী ইন্‌স্পেক্টৰৰ কামত নিয়োগ কৰিলে আৰু নগাৱঁলৈ পঠিয়ালে। নগাৱঁত কেইমাহমান থকাৰ পিছত চাহাবে সন্তুষ্ট হৈ গোসাঁইক মঙ্গলদৈলৈ বদলি কৰি সেই মহকুমাৰ প্ৰাথমিক শিক্ষাৰ যাৱতীয় সম্পূৰ্ণ দায়িত্ব তেওঁৰ ওপৰত অৰ্পণ কৰিলে।

মঙ্গলদৈত ডি. আই. হিচাপে :

গোস্বামীদেৱৰ কৰ্মময় জীৱন মঙ্গলদৈতে আৰম্ভ হয়। তেওঁ মঙ্গলদৈলৈ প্ৰথমে অকলে গৈছিল। তাত থকামেলাৰ সুবিধা কৰি

কিছুদিন পিছত পত্নীক নিবলৈ বুলি নলবাৰীলৈ আহে এই কাৰ্য্যত তেওঁ এটা সমস্যাৰ সন্মুখীন হবলগীয়া হৈছিল। তেওঁৰ পত্নী ভুবনেশ্বৰী দেৱী একেই আঠঘৰীয়াৰ পঞ্চবত্ন ভট্টাচাৰ্য্যৰ ঘৰৰ জীয়াৰী তাতে আকৌ নলবৰীয়া সত্ৰীয়া গোসাঁই পৰিয়ালৰ বোৱাৰী। গতিকে বাহিৰলৈ যোৱাত এনেকুৱা এটা বাধা। ইফালে গোসাঁই হ'ল কলিকতাত শিক্ষা লাভ কৰা মুকলি জগতৰ আভাস পোৱা নবা ধৰণৰ শিক্ষিত ডেকা। গতিকে গোসাঁয়ে যেতিয়া পত্নীক মঙ্গলদৈলৈ নিয়াৰ প্ৰস্তাৱ উত্থাপন কৰিলে তেতিয়া ঘৰৰ সকলো মানুহ পোনেই দাং খাই উঠিল। নানাজনে নানা কথা কৈ গোসাঁইদেৱক এই কাৰ্য্যৰপৰা বিৰত হবলৈ কলে। ফলত সেই যাত্ৰাত তেওঁৰ পত্নীক মঙ্গলদৈলৈ নিয়া নহ'ল।

তাৰে কেইমাহমান পিছত এদিন খা-খবৰ নিদিয়াকৈ গোসাঁই নলবাৰীৰ ঘৰত ভোলালগৈ। উদ্দেশ্য পত্নীক কৰ্মস্থলীলৈ নিয়া। এই যাত্ৰাত পূৰ্বে সেই বিষয়ৰ বা-বতৰা একো নোপোৱা হেতুকে ওচৰ-চুবুৰীয়া বা ইষ্ট-কুটুম্বই আহি হকাবধা কৰিবলৈ সুযোগ নাপালে। গোসাঁয়ে কাৰো পৰামৰ্শ নোলোৱাকৈয়ে মাকৰ অনুমতি আৰু আশীৰ্বাদ মাত্ৰ লভি পত্নীক লগত লৈ মঙ্গলদৈলৈ যাত্ৰা কৰিলে।

আগতে কৈ অহা হৈছে যে ১৯০১ চনত গুৱাহাটীলৈ ৰেলপথ আৰম্ভ হয়। গোস্বামীয়ে নতুন ৰেল-গাড়ীত তুলি গৃহিণীক নলবাৰীৰপৰা বাইহাটা পৰ্য্যন্ত নিলে আৰু তাৰপৰা একুৰি পাঁচ মাইল বাট ডুয়ো গৰুগাড়ীত উঠি মঙ্গলদৈলৈ গ'ল। এই বাটখিনি যাওঁতে তেওঁৰ হেনো বাৰ ঘণ্টা সময় লাগিছিল। বাটত কইনা চোৱা মানুহে তেওঁলোকক আমনি নকৰাকৈ নাছিল। ছিপাঝাৰত হেনো তেওঁৰ গুণমুগ্ধ লোকসকলে গাড়ী ৰখাই ৰাতি সিধা খুৱাই পুৱা পঠাব খুজিছিল। গোসাঁয়ে ইচ্ছা নকৰাত তেওঁলোকে ডাক বঙলাতে গোসাঁই-গোসাঁনীক দৈ, গুড় আৰু মালভোগ কলেৰে সৈতে কোমল চাউলৰ জলপান খুৱাই পঠায়। গোসাঁয়ে তেওঁৰ দিন-লেখাত এই ভ্ৰমণৰ টোকা লিখি ৰাখিছিল। তেওঁলোকে সন্ধ্যা সময়ত গৰুৰ-গাড়ীৰে গৈ মঙ্গলদৈ পাইছিল।

মঙ্গলদৈত থকা কালছোৱাত গোসাঁই সকলোৰে বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল। তেওঁৰ হাঁহি-মুখ আৰু সজ আচৰণত সকলো বৰ সন্তুষ্ট হৈছিল। অৱস্থাৰ হীন-ডেৰিলৈ নাচাই তেওঁ সৰু-বৰ সকলোৰে লগত মধুৰ ব্যৱহাৰ কৰিছিল।

পত্নীৰ শিক্ষা:

বিয়াৰ পূৰ্বে গোসাঁনীয়ে মাক-দেউতাকৰ ঘৰত লেখা-পঢ়া সমূলি শিকা নাছিল ঘৰুৱা কাম-বনো একো শিকাৰ প্ৰয়োজন বোধ কৰা নাছিল। তাৰ কাৰণ সমাজৰ প্ৰথামতে সেই সময়ত সম্ভ্ৰান্ত মানুহৰ ছোৱালীয়ে স্কুলত পঢ়া নিষিদ্ধ আছিল আৰু গৃহস্থালিৰ ঘৰুৱা কাম-কাজ কৰাটোও একৰকম মান-গৌৰৱৰ হানিকৰ বুলি ভবা হৈছিল। তাৰ উপৰি গোসাঁনীৰ পিতৃ-গৃহত চাকৰ-চাকৰণী আৰু হজুৱা-বনুৱা বহুত আছিল। তাৰে ফলত সৰু কালত গোসাঁনীয়ে কোনো কাম কৰিব বা শিকিবলগীয়া নহৈছিল মাক-বাপেকৰ ঘৰত যি আছিল শহুৰেক-শাহুৱেকৰ ঘৰতো তেওঁ সেই একে অৱস্থাকে পাইছিলহি। গতিকে বিয়াৰ পাছত মঙ্গলদৈলৈ অহাত তেওঁৰ লেখা পঢ়াত বাহিৰেও ঘৰুৱা কাম-বন আদি শিকোৱাৰ সকলো দায়িত্ব পৰিছিল গোসাঁইদেৱৰ ওপৰতে।

মঙ্গলদৈলৈ আনি গোসাঁয়ে প্ৰথমে তিনি মাহমান গোসাঁনীক আৱস্থুণিৰেপৰা এজাণপতীয়াকৈ লেখা-পঢ়া শিকাবলৈ লয়। সেইখিনি সময়ৰ ভিতৰতে তেওঁ অসমীয়া লিখিব আৰু পঢ়িব পৰা হৈ উঠে। গোসাঁয়ে তেতিয়া তেওঁৰ কাৰণে এটা কাপোৰ চিলাই কৰা কল আনি দিয়ে আৰু নিজেই কিতাপ পঢ়ি পঢ়ি চিলাই সম্পৰ্কে প্ৰাথমিক কথাবোৰ গোসাঁনীক শিকায়। এইদৰে ৰন্ধা-বঢ়া, দিয়া-থোৱা সকলো শিক্ষাকে গোসাঁইদেৱে পত্নীক শিকাই অলপ দিনৰ ভিতৰতে সকলো বিষয়তে তেওঁক এগৰাকী পাকৈত গৃহিণীত পৰিণত কৰে। নকলেও

শৰৎচন্দ্ৰ গোস্বামী আৰু তেওঁৰ পত্নী ভুবনেশ্বৰী দেৱী (২০ পৃঃ)

হব যে পঢ়াশলীয়া জীৱনতে ৰন্ধা বঢ়া আদি সকলো কাম গোসাঁয়ে নিজহাতে কৰি স্বাৱলম্বী হবলৈ শিকিছিল।

মঙ্গলদৈৰ বাতিখোৱা সম্প্ৰদায়ৰ বিষয়ে ঃ

মঙ্গলদৈত বাতিখোৱা সম্প্ৰদায় বুলি এটা ভকতীয়া সম্প্ৰদায় আছে। বহুতে এওঁলোকক বৰখেলীয়া মহন্ত বোলে। সম্ভৱতঃ সম্প্ৰদায়টোৰ গুৰুত্ব বুজাবলৈয়ে তেনেকৈ কোৱা হয়। বাতিৰ ভিতৰত গোপনে গোপনে তেওঁলোকৰ পূজা-সেৱা সকলো শেষ হয়, সাধাৰণ লোকে সেই পূজা সেৱাৰ একো ভূ-ভা নাপায়। সেই সময়ত এই সম্প্ৰদায়টোৰ বিষয়ে অসমৰ খুব কম লোকেহে জানিছিল। সম্প্ৰদায়ভুক্ত ভকতসকলৰ বাহিৰে আনে তেওঁলোকৰ পূজা বিধি-ব্যৱহাৰৰ কথা একো গম নাপাইছিল।

এই সম্প্ৰদায়টোৰ বিষয়ে জানিবলৈ গোসাঁইৰ মনত বৰ ঔৎসুক্য ওপজাত তেওঁ এজন বৰখেলীয়া মহন্তৰ ওচৰ চাপিল। গোসাঁইৰ আচৰণত মুগ্ধ হৈ দিনদিয়েক ভকত মহন্ত তেওঁৰ বন্ধু হৈ পৰিল। গোসাঁয়ে তেওঁলোকৰপৰা সম্প্ৰদায়টোৰ বহুত গুপ্ত ৰহস্যৰ সম্ভেদ ললে আৰু পিছত সেইবোৰ সম্পৰ্কে একাধিক মূল্যৱান প্ৰবন্ধ লিখিলে।

শিক্ষকৰ কেন্দ্ৰসভা ঃ

মঙ্গলদৈ মহকুমাত ডেপুটী ইন্‌স্পেক্টৰ হৈ থাকোঁতে কেৱল স্কুল পৰিদৰ্শন আৰু স্কুলৰ শিক্ষাৰ যত্ন লৈয়েই গোসাঁইদেৱ ক্ষান্ত থকা নাছিল। পৰিদৰ্শন কৰোঁতে শিক্ষকসকলৰ মাজত একতা আৰু মিলা-প্ৰীতিৰ অভাৱ তেওঁ বৰকৈ অনুভৱ কৰিছিল। গতিকে তেওঁলোকৰ মাজত সহযোগিতা আৰু মিলাপ্ৰীতি স্থাপনৰ উদ্দেশ্যে পোনতে তেওঁ চাৰ্কোল মিটিং বা কেন্দ্ৰসভা নামৰ কিছুমান অনুষ্ঠানৰ সৃষ্টি কৰিলে।

এই চাৰ্কোলবোৰ আছিল ছবডেপুটী চাৰ্কোলৰ দৰে মহকুমাটোৰ কেইটা-মান আঞ্চলিক বিভাগ। শিক্ষকসকল গোট খোৱাৰ সুবিধাৰ অৰ্থে এই চাৰ্কোলবোৰৰ সৃষ্টি হৈছিল। তাৰ কোনো এখন স্কুলক কেন্দ্ৰ কৰি এই চাৰ্কোলবোৰ গঠন কৰা হয়। মাহৰ পহিলা বা শেষ তাৰিখে পূৰ্বনিৰ্দ্দিষ্টমতে সেই স্কুলত চাৰ্কোলটোৰ শিক্ষকসকল গোট খাই সভা পাতি নিজৰ নিজৰ অভাৱ-অভিযোগবোৰ আলোচনা কৰে। শিক্ষক-সকলৰ কোনো কোনোৱে খেমেলীয়া গল্প, কবিতা আদিও লিখি নি তাত পাঠ কৰে। খেনোৱে শিক্ষাৰ প্ৰণালী সম্পৰ্কে বক্তৃতা দিয়ে। এই বিষয়ে ১৯০৯-১০ চনত শিক্ষাসংক্ৰান্ত প্ৰতিবেদনত সেই সময়ৰ মহকুমা-ধিপতি আৰু লোকেলবোৰ্ডৰ চেয়াৰমেন মিষ্টাৰ আৰ. ফ্ৰিল্ড চাহাবে এইদৰে লিখিছিল। *

'× × তেওঁ (শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীয়ে) নিজৰ কৰ্ত্তব্যত যথোচিত মনোযোগ দিছে আৰু কামৰ দ্বাৰা উৎসাহ-উদ্যমৰ পৰিচয় দিব পাৰিছে। তেওঁ অলপতে এটা নতুন পদ্ধতি পাতি উলিয়াইছে। তাৰ দ্বাৰা মহকুমাটো কিছুমান চাৰ্কোলত বিভক্ত কৰা হৈছে। তাত তেওঁ একোটা চাৰ্কোল বা অঞ্চলৰ সৰ্ব্বশ্ৰেষ্ঠ অৰ্হতাসম্পন্ন শিক্ষকজনক

* He (Shrijut Sarat Chandra Gaswami) has taken great interest in his work and has shown much activity and energy. He has recently started a system by which the subdivision is divided up into circles and the most deserving Pandit in the circle is given certain powers over the remaining Pandits in the matter of granting casual leave etc. The Pandits of each circle also meet at regular intervals to discuss educational matters. The system has also been introduced of making the Gaonburas & Mauzadars responsible for the upkeep of the School buildings. This ought both to save money and rouse an interest in the villagers.

Sd. R. Friled
S. D. O. & Chairman, Local Board, Mangaldoi
21.5.1910

কিছুমান দায়িত্ব আৰু ক্ষমতা দিছে, যেনে, আন শিক্ষকসকলৰ নৈমিত্তিক (কেজুৱেল) ছুটি মঞ্জুৰি। চাৰ্কোলৰ শিক্ষকসকলে নিৰ্দিষ্ট দিনত (কোনো-এখন স্কুলত) গোট খায় আৰু শিক্ষাদান সংক্ৰান্ত সমস্যাবোৰ আলোচনা কৰে। স্কুলঘৰবোৰৰ তত্ত্বাৱধান লবলৈ মৌজাদাৰ আৰু গাওঁবুঢ়া-সকলকো দায়বদ্ধ কৰা হৈছে। এইবোৰ কাৰ্য্যই অৰ্থব্যয় সঙ্কোচত সহায় কৰিব আৰু গণ্যমান্য ব্যক্তিসকলৰ মাজতো উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰিব

স্বাঃ আৰ ফ্ৰিল্ড

মহকুমাধিপতি আৰু চেয়াৰমেন, মঙ্গলদৈ

২১।৫।১৯১০

উক্ত ধৰণৰ কেন্দ্ৰসভা গোস্বামীদেৱে স্কুল ইন্‌স্পেক্টৰ হোৱাৰ পাছত সমগ্ৰ অসমতে স্থাপন কৰাইছিল। এই কেন্দ্ৰসভাবোৰ আজিও ন-ন ৰূপত চলি আছে। এই উৰহী গছৰ গুৰি কিন্তু লয় কেইজনে ?

আচৰণৰ বিশেষত্বমূলক এটি ঘটনা ঃ

গোস্বামীদেৱতকৈ বয়সত জ্যেষ্ঠ আৰু গোসাঁইক অনুজৰ দৰে জ্ঞান কৰা হেড্ মাষ্টৰ ৰমণীকান্ত বৰুৱাদেৱে গোসাঁইৰ বিষয়ে কৈছিল — "গত ১৯১০ চনত যেতিয়া গোসাঁই মঙ্গলদৈৰ ডেপুটী ইন্‌স্পেক্টৰ হৈ আছিল, তেতিয়া মই তাৰ চৰকাৰী হাইস্কুলৰ হেড্ মাষ্টাৰ আছিলো। সেই চনৰ আগষ্ট মাহত মোৰ একমাত্ৰ সৰু ভাইটোৱে নিজে নিজে গুলী কৰি আত্মঘাতী হয়। ঘটনাটো মোৰ চিপাঝাৰৰ ঘৰত ঘটিছিল। মই মঙ্গলদৈত ঘটনাৰ খবৰ পোৱা মাত্ৰকে থানালৈ গৈ দুজন পুলিচ কৰ্মচাৰী লগত লৈ ঘটনাস্থলীলৈ আহিলো। এই খবৰ পাই তেখেত মোৰ পাছে পাছে আহি আমাৰ ছিপাঝাৰৰ ঘৰ পালেহি। কাৰণ তেখেতৰ আশঙ্কা হৈছিল কিজানি মূয়ো এই আকস্মিক দুৰ্ঘটনাত মনৰ গতি ঠিক ৰাখিব নোৱাৰি নিজে নিজৰ অনিষ্ট কৰো। বাস্তৱিকতে

মই বৰপেৰা ঘূৰি গৈ মঙ্গলদৈ নোপোৱালৈকে তেখেতে মোৰ গা-ৰখীয়াৰ দৰে মোৰ লগে লগে লাগি আছিল।"

আচৰণৰ এনে বিশেষত্বৰ কাৰণেই গোসাঁইদেৱ য'তে আছিল ত'তে জনপ্ৰিয় আৰু শ্ৰদ্ধাভাজন হৈ পৰিছিল।

দিল্লীৰ দৰবাৰৰ সময়ত:

১৯১১ চনত ভাৰতৰ সকলো ঠাইতে সম্ৰাট পঞ্চম জৰ্জৰ সিংহাসন আৰোহণ উপলক্ষে দৰবাৰ উৎসৱ পালন কৰা হৈছিল। ঘাইকৈ দিল্লী নগৰত ইয়াক বিশেষ উলহ-মালহ আৰু জাকজমকেৰে অনুষ্ঠিত কৰা হৈছিল। গোসাঁইদেৱে মঙ্গলদৈত সেই উৎসৱ পালনত আগভাগ লয়। এই উৎসৱতেই পোন-প্ৰথমে গোস্বামীদেৱৰ সংগঠন শক্তিৰ পৰিচয় ৰাইজ আৰু বড়াঘৰৰ চকুত ধৰা পৰে। মঙ্গলদৈ চহৰত হোৱা এই উৎসৱ চাবলৈ দূৰ-দূৰণিৰ গঞা ৰাইজৰো সোঁত বৈছিল। এই বিষয়ে সেই সময়ৰ মহকুমাধিপতি মিঃ ফ্ৰিল্ডে ১৯১১ চনৰ ১৪ ডিচেম্বৰৰ এখন চিঠিত গোসাঁইলৈ লিখিছিল। *

"দৰবাৰ উৎসৱত আপুনি আয়োজন কৰা নানা তৰহৰ আমোদ-প্ৰমোদ আমি কিমান যে উপভোগ কৰিলো—সেই বিষয়ে মই এইমাত্ৰ ৰত্নেশ্বৰ বাবুলৈ চিঠি এখনত লিখি জনাইছো। সেইবোৰৰ ভিতৰত বিশেষকৈ আতচবাজী আৰু থিয়েটাৰ অতিশয় চমৎকাৰ

---

* I have just written a note to Ratneswar Babu telling him how much we had all enjoyed the various convocation entertainments you had provided. The fireworks and theatre were so particularly good that I feel we ought to thank you specially for your share of the work. Would you please tell your colleagues in the sub-committes how pleased we and all our guests from the north have been.

Sd. R. Friled.
14.12.1911

হৈছিল। ইমানেই ভাল হৈছিল যে মোৰ মনটোৱে সেই বিষয়ে আপোনাক ধন্যবাদ জনাবলৈ উৎপিচাই আছে। অনুগ্ৰহ কৰি আপুনি আপোনাৰ শাখা-সমিতিবোৰৰ সহকৰ্মীসকলক কব যে আমি আৰু আমাৰ উত্তৰ অঞ্চলৰ ভালহীসকলে সকলোৱে এইবোৰ অতিশয় আনন্দৰে উপভোগ কৰিছো'

ঢাকা বি. টি. ট্ৰেইনিং কলেজত :

মঙ্গলদৈত ২/৩ বছৰ চাকৰি কৰাৰ পাছত ১৯১১ চনত গোসাঁইদেৱ ঢাকাৰ বি. টি কলেজলৈ প্ৰশিক্ষণ লবলৈ যাবলগীয়া হয়। সেই সময়ত তেওঁৰ পত্নী সন্তান-সম্ভৱা আছিল। সেইবাবে তেওঁ তেওঁক নি নলবাৰীৰ নিজ ঘৰত থৈ আহিছিল। ঢাকাত থকা সময়তেই তেওঁৰ প্ৰথম সন্তান প্ৰতিভাদেৱীৰ নলবাৰীত জন্ম হয়।

১৯১২ চনত গোসাঁইদেৱে ঢাকাত বি. টি. পৰীক্ষা দিয়ে আৰু সুখ্যাতিৰে উত্তীৰ্ণ হয়। এই পৰীক্ষাত তেওঁ উত্তীৰ্ণ হোৱা ছাত্ৰসকলৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পায় বি. টি. পৰীক্ষাত অসমীয়া পৰীক্ষাৰ্থীয়ে প্ৰথম হৈ প্ৰথম শ্ৰেণীত স্থান লাভ কৰা এয়ে প্ৰথম আছিল। তাৰ বাবে গোস্বামীয়ে বিশ্ববিদ্যালয়ৰ স্বৰ্ণ পদক আৰু পুৰস্কাৰ লাভ কৰে।

অকল সেয়ে নহয়। বি. টি পঢ়ি থাকোঁতে তেওঁ শাৰীৰিক ব্যায়াম শিক্ষাদানৰো প্ৰশিক্ষণ লৈছিল বি. টি. কলেজৰ প্ৰদৰ্শনীত তেওঁ ব্যায়াম শিক্ষা প্ৰদানতো সুখ্যাতিৰে স্বৰ্ণ পদক লাভ কৰিছিল।

এছিষ্টেণ্ট ইন্‌স্পেক্টৰ পদত, যোৰহাটত :

সুনাম সুখ্যাতিৰে ঢাকাত বি. টি. পাছ কৰি অহাৰ পাছত গোস্বামীয়ে আগৰ ডেপুটী ইন্‌স্পেক্টৰ কামত মঙ্গলদৈত অতি অলপ

দিন মাত্ৰ আছিল। শীঘ্ৰেই তেওঁক সেই কামতে যোৰহাটলৈ বদলি কৰা হয় আৰু তাৰে অতি অলপ দিনৰ ভিতৰতে তেওঁৰ সহকাৰী ইন্‌স্পেক্টৰ পদলৈ পদোন্নতি হয়। এনে উন্নতিত তেওঁৰ সমনীয়া আৰু সমকক্ষ কৰ্মচাৰীসকলৰ অনেকৰে অন্তৰ্দাহ হৈছিল। কাৰণ সহকৰ্মী ডেপুটী ইন্‌স্পেক্টৰসকলৰ ভিতৰত তেওঁ আছিল বয়সত সবাতকৈ সৰু আৰু তেওঁৰ চাকৰিৰ কালো আছিল নিচেই কম। কিছু দিনৰ পিছতেই কিন্তু সেইসকলেও তেওঁৰ যোগ্যতা আৰু কৰ্মকুশলতা মুক্তকণ্ঠে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল উল্লেখযোগ্য এই যে বিভিন্ন দায়িত্বৰ বিভিন্ন চাকৰিত প্ৰায় ওঠৰ বছৰ কাল তেওঁ যোৰহাটতে আছিল। গতিকে যোৰহাটৰ সেই কালছোৱাৰ অনেক উন্নতিমূলক কামত তেওঁৰ সুনিপুণ হাতৰ চিন আজিও অঙ্কিত হৈ আছে।

যোৰহাট আছিল শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰধান কৰ্মক্ষেত্ৰ। এছিষ্টেণ্ট ইন্‌স্পেক্টৰ পদত নিযুক্ত হোৱাৰ পিছতে তেওঁৰ ওপৰত উজনি অসমৰ হাইস্কুলসমূহৰ টুৰ্ণামেণ্ট খেলাখন সুচাৰুৰূপে পৰিচালনা কৰাৰ গধুৰ দায়িত্ব পৰেহি। সেই দায়িত্ব তেওঁ নিয়াৰিকৈ সম্পন্ন কৰে। তাতেই তেওঁৰ কাৰ্যদক্ষতা আৰু সংগঠনী শক্তিৰ পৰিচয় দেখ দেখ হৈ পৰে। কবলৈ গলে ইয়ো আছিল তেওঁৰ কাৰণে এটা পৰীক্ষামূলক ঘটনাহে।

১৯১২।১৩ চনৰ কথা। ইয়াৰ আগতে নানা আহুকাল আৰু বেমেজালিৰ কাৰণে অনেক বছৰ ধৰি টুৰ্ণামেণ্ট খেলা হোৱা নাছিল। তাৰ ঘাই কাৰণ আছিল এই যে কেতিয়াবা খেলা চলি থাকোঁতেই ছাত্ৰসকলৰ মাজত দলাদলিৰ সৃষ্টি হৈ হাই-কাজিয়া, আনকি মৰামৰি পৰ্যান্ত হৈছিল। সেই কাৰণে ডাইৰেক্টৰ কানিংহাম চাহাবে টুৰ্ণামেণ্ট খেলা বন্ধ কৰি দিছিল। অৱশ্যে তাৰ কাৰণে তেওঁ চিন্তিত নহৈ থকা নাছিল। কেনেকৈ খেলাখন পুনঃ সুশৃঙ্খলভাৱে পতা যায় সেয়ে তেওঁক কেতিয়াবা উদ্বিগ্ন কৰি তুলিছিল।

এনে পৰিস্থিতিত সেই বিষয়ে তেওঁ এদিন কথা প্ৰসঙ্গত নতুন

এ. ইন্‌স্পেক্টৰ গোস্বামীৰ পৰামৰ্শ বিচাৰিলে। গোসাঁই আছিল সদায় সকলো কামতে আশাবাদী। তেওঁ পোনেই কলে যে যত্ন সহকাৰে পৰিচালনা কৰিলে 'টুৰ্ণামেণ্ট' সুচাৰুৰূপে চলাব নোৱাৰাৰ কাৰণ একো নাই, লাগিলে তেওঁ নিজে তাৰ দায়িত্ব গ্ৰহণ কৰিবলৈও সাজু আছে বুলি কলে। মনৰ চিন্তা আৰু উদ্বিগ্নতাৰ মাজত গোসাঁইদেৱৰ এনে মাভৈ বাণী শুনি চাহাবে হাততে স্বৰ্গ চুকি পোৱাৰ দৰে পালে। তেওঁ তেতিয়াই আলচ কৰি চাই লিখিতভাৱে তাৰ পৰিচালনাৰ সৰ্বভাৰ গোসাঁইৰ ওপৰত ন্যস্ত কৰিলে। ঈশ্বৰৰ ইচ্ছাত আৰু গোসাঁইৰ অহোপুৰুষাৰ্থত খেলা অতিশয় সুচাৰুৰূপে সমাধা হ'ল। এই টুৰ্ণামেণ্ট খেলাৰ সুদক্ষ পৰিচালনা গোস্বামীৰ কৰ্মজীৱনৰ অন্যতম কীৰ্তিস্তম্ভ

টুৰ্ণামেণ্টৰ সময়ত ৰহস্যজনক ঘটনা :

স্কুল টুৰ্ণামেণ্ট চলি থকা সময়ত এটা আমোদজনক ঘটনা ঘটিছিল। তেতিয়া স্কুল ইন্‌স্পেক্টৰ আছিল মিষ্টাৰ জি এ. স্মল। স্মল চাহাবে কান্দুৰাম চকীদাৰ বুলি চকীদাৰ এটাক চাহখোৱা পিয়লা-পিৰিচবোৰ ধুই-পখালি, ঘঁহি-পিহি পৰিষ্কাৰ কৰিবলৈ দিছিল। তেনেবোৰ কামৰ অভ্যাস আৰু অভিজ্ঞতা নথকা হেতুকে সি সেইবোৰ পৰিষ্কাৰ কৰিবলৈ গৈ ছাই আৰু বালিৰে ঘঁহি বহুতৰে স্বাভাৱিক উজ্জ্বলতা নষ্ট কৰিছিল আৰু দুটা নে এটা পিয়লাৰ নৈনুও ভাঙিছিল। তাতে খং উঠি স্মল চাহাবে জোতাৰে তাক এটা গোৰ মাৰে। সি তেতিয়া লাজ, অপমান আৰু সমাজৰ দণ্ডৰ ভয়ত তেনেই মৰাৰ তুল্য হয়।

কথাটো ইকাণ সিকাণ সহস্ৰকাণ হ'ল। তেতিয়া বিলাতী চাহাবৰ লাথি খোৱা বুলি ওজৰ-চুবুৰীয়াই আৰু তাৰ গঞা সমাজে তাক এঘৰীয়া কৰে। এই বিপদত সি গৈ গোসাঁইদেৱৰ আশ্ৰয়

লৈ তেওঁৰ উপদেশ বিচাৰিলে। গোসাঁয়ে তেতিয়া মধ্যস্থতা কৰি স্মল চাহাবক তেওঁৰ ভুলৰ কথা বুজাই দিলে আৰু তেওঁক কৈ-মেলি গঞাক জা-জলপান খুৱাই, নাম-কীৰ্ত্তন কৰি উদ্ধাৰ হবৰ কাৰণে যি টকাৰ প্ৰয়োজন হৈছিল সেইখিনিও আদায় কৰি দিছিল। ইয়াৰ উপৰি গোসাঁইৰ বুজনিত প্ৰত্যয় মানিয়ে স্মল চাহাবে কান্দুৰামৰ হাতত ধৰি মাফ খুজিছিল।

স্কুল পৰিদৰ্শনৰ ৰহস্যপূৰ্ণ অভিজ্ঞতা:

এছিষ্টেণ্ট ইন্‌স্পেক্টৰ আৰু পিছত ইন্‌স্পেক্টৰ হিচাপে গোসাঁইৰ দীঘলীয়া কৰ্ম-জীৱনত লাভ কৰা অনেক ৰহস্যময় ঘটনা আছে। সেইবোৰ শুনাত উপভোগ্য কাহিনী যেন লাগে। তাৰে দুই এটা উল্লেখ কৰা যাওক।

(১) এসময়ৰ বিখ্যাত জাতীয়তাবাদী হেড্‌মাষ্টাৰ বৰপেটাৰ গিৰীশ ৰায়চৌধুৰীয়ে কৈছিল— 'গোসাঁয়ে এছিষ্টেণ্ট ইন্‌স্পেক্টৰ কাম কৰি থকা সময়ত এদিন চাঁদাগুৰি প্ৰায়মাৰী স্কুল চাবলৈ গৈছিল। চাঁদাগুৰি ধুবুৰী মহকুমাৰ বঙাইগাওঁ ষ্টেচনৰপৰা উত্তৰে আঢৈ মাইলমান দূৰত। তেতিয়া ধুবুৰী মহকুমাৰ ডিপুটী ইন্‌স্পেক্টৰ আছিল এজন বয়সীয়া মুছলমান মানুহ। ইমানবোৰ অভিজ্ঞ লোক থাকোঁতে ফুকলীয়া ডেকা ল'ৰা এটা এছিষ্টেণ্ট ইন্‌স্পেক্টৰ হোৱাত তেওঁ ক্ষুব্ধ হৈছিল। সেই কাৰণে তেওঁ নিজে নগৈ আমাক পঠিয়ালে। মই তেতিয়া তাৰ স্কুল ছাব-ইন্‌স্পেক্টৰ।

"বঙাইগাওঁ বঙলাৰপৰা ৰাতিপুৱা গোসাঁইদেৱ আৰু মই স্কুল চাবলৈ গলো। কছাৰী গাঁৱৰ স্কুল। শিক্ষকজনো কছাৰী। ল'ৰাৰ সংখ্যা কম। শিক্ষাদান আশানুৰূপ হোৱা নাই। কোনোবা এটা শ্ৰেণীৰ ল'ৰাবোৰক অঙ্ক কৰিবলৈ দিয়া হ'ল। বেছিভাগ ছাত্ৰই নোৱাৰিলে। শিক্ষকক বুজাই দিবলৈ কোৱা হ'ল। শিক্ষকেও কৰি

কৰি গৈ মাজতে কিবা এটা ভুল কৰিলে তেতিয়া ততালিকে গোসাঁইদেৱে ছাত্ৰ আৰু ৰেকৰ্বোৰ্ডৰ মাজত ভুলটো আঁৰ কৰি থিয় হ'ল: আৰু শুধৰাই দি ল'বাবোৰক চাবলৈ দি তাৰপৰা আঁতৰি আহিল। আন কোনো সাধাৰণ স্তৰৰ পৰিদৰ্শক হলে জ্বলি-পকি শিক্ষকক যথেচ্ছা তিৰস্কাৰ কৰিলেহেঁতেন। গোসাঁইদেৱৰ ধৈৰ্য্য, শিক্ষক-সকলৰ প্ৰতি সহানুভূতি আৰু সহৃদয়তা দেখি সকলো মুগ্ধ হ'ল। শিক্ষকজনৰো সন্মান ৰক্ষা পৰিল আমিও শিক্ষা পালো।" গোস্বামীৰ স্কুল পৰিদৰ্শনৰ ই আছিল এটা নমুনা।

(১) অন্য এদিনৰ ঘটনাটো আছিল এনেকুৱা—আব্দুল ৰহমান বুলি এজন আদহীয়া ভদ্ৰলোক আছিল তেতিয়া যোৰহাটৰ ডেপুটী ইন্‌স্পেক্টৰ। আগ-জাননী দি গোসাঁই আৰু তেওঁ দুয়ো এদিন স্কুল পৰিদৰ্শন কৰিবলৈ বুলি যাত্ৰা কৰিলে।

গোসাঁই তেতিয়া যোৰহাটত নতুন মানুহ। তেওঁৰ নাম মাজুলীৰ গোসাঁই-ভকত সকলোৰে মাজত বাৰুকৈয়ে সদৰী হৈ পৰিছিল। গতিকে গোসাঁই যাব বুলি শুনি তেওঁলোকে তাত তেওঁৰ কাৰণে ধূপ-ধুনা জ্বলাই কলপুলি পুতি তেওঁক আদৰি নিবৰ উদ্দেশ্যে বাট চাই আছিল।

যথাসময়ত দুয়ো গৈ ওলাল। তেতিয়া গোসাঁইৰ মুখমণ্ডলত সুন্দৰ ডাড়ি-গোঁফ আছিল। ৰহমান আছিল নিমজকৈ খুৰোৱা মুখেৰে এজন সুন্দৰ দৰ্শন লোক। মাজুলীৰ শুদ্ধ-সাত্বিক গোসাঁই-ভকতসকলে জালকে জকাই বুলি তামোল-পাণ আৰু গামোচাৰ শৰাইৰে ৰহমানকে আদৰিলে। পাছত কথাটো ফাদিল হোৱাতহে সকলোৱে বৰকৈ আফ্‌চোচ্ কৰিছিল। তাৰে ফল স্বৰূপে উভতি আহি ঘৰ পোৱাৰ দুই-তিনি দিনৰ ভিতৰতে গোসাঁনীৰ বকনি সহিব নোৱাৰি গোসাঁয়েও ডাড়ি-গোঁফ চিকুণকৈ খুৰাই ৰহমান হবলৈ বাধ্য হৈছিল।

যোৰহাট নৰ্মাল স্কুলত :

সকলোৰে শিক্ষা আৰম্ভ হয় প্ৰাইমাৰী স্কুলত। গতিকে প্ৰাইমাৰী স্কুলবোৰ গঢ়ি তুলিবলৈ লোৱাটো ৰক্তাঘৰীয়া শিক্ষাসংক্ৰান্ত কামৰ প্ৰথম পদক্ষেপ। তেতিয়াৰ শিক্ষা বিভাগৰ কৰ্তৃপক্ষয়ো সেই উদ্দেশ্যে শিক্ষকক প্ৰশিক্ষণ দিয়া যোৰহাট নৰ্মাল স্কুলখন-কৈ গঢ় দি হাতত উপযুক্ত শিক্ষক প্ৰস্তুত কৰিবলৈ মনস্থ কৰিছিল। কিন্তু ভালকৈ গমি-পিতি চাই সকলোৱে দেখিলে যে উপযুক্ত ছুপাৰিণ্টেণ্ডেণ্ট এজনৰ অভাৱত সেই কাম আশানুৰূপ হৈ নুঠিব। গতিকে প্ৰথম কাম হ'ল উপযুক্ত ছুপাৰিণ্টেণ্ডেণ্ট এজন নিযুক্ত কৰা। এই প্ৰসঙ্গত গোসাঁইৰ নামেই সকলোৰে মনত প্ৰথমে আহিল। কিয়নো তেওঁ সেই সময়ত বিজয় গৌৰৱেৰে প্ৰথম শ্ৰেণীত প্ৰথম স্থান অধিকাৰ কৰি ঢাকাত বি.টি. পাছ কৰি আহিছে। তদুপৰি নানান ক্ষেত্ৰৰ কাৰ্যদক্ষতালৈ লক্ষ্য কৰি তেওঁৰ ওপৰত সকলোৰে অটল বিশ্বাস জন্মিছে। এইবোৰৰ উপৰিও তেওঁ আছিল তেতিয়া এজন উদীয়মান কৰ্মঠ যুৱক। সাত-পাঁচ বিবেচনা কৰি কৰ্তৃপক্ষই ১৯১৫ ইংৰাজী চনৰ দুই জানুৱাৰীৰ-পৰা তেওঁক যোৰহাট নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট পদত নিযুক্ত কৰিলে। চাকৰি জীৱনৰ সমধিক কাল তেওঁ এই কামতে কটাইছিল।

ছুপাৰিণ্টেণ্ডেণ্ট হিচাপে গোস্বামীয়ে স্কুলখনক নিজৰ মনঃপুত কৰি গঢ়ি তুলিবলৈ দেহেকেহে খাটিছিল। কবলৈ গলে সেয়ে তেওঁৰ কেতিয়াবা কেতিয়াবা হৈ পৰিছিল দিনৰ কাম আৰু ৰাতিৰ সপোন। সেই কাৰণে আজিও সেই অনুষ্ঠানটিক সকলোৱে গোসাঁইদেৱৰ হাতে-গঢ়া অনুষ্ঠান বুলি স্বীকাৰ কৰে। সেয়েহে বাগ্মীবৰ নীলমণি ফুকন ডাঙৰীয়াই গোসাঁইৰ পৰলোকত লিখিছিল—গোসাঁইদেৱৰ হাতৰ কামে কিদৰে শিপাব পাৰে যোৰহাট নৰ্মাল স্কুল আৰু অসম সাহিত্য সভাই তাৰ নিদৰ্শন। এই দুয়োটা অনুষ্ঠান কুমাৰৰ হাতৰ মাটিলডাই ধুনীয়া বাচনৰ গঢ় লোৱাৰ দৰে তেওঁৰ হাতত বিশেষ গঢ় লোৱা বস্তু। এই দুই

অনুষ্ঠানত শৰৎ চন্দ্ৰই যি পোহৰ চালিছিল তাৰ উজ্জ্বলতা আজি সমানে প্ৰকাশ পোৱা নাই যদিও, তাৰ আভা কোনো কালে লোপ পাব নোৱাৰে।'

যোৰহাট নৰ্মাল স্কুলৰ নতুন গঢ় ঃ

শৰৎচন্দ্ৰ গোস্বামী যোৰহাট নৰ্মাল স্কুললৈ অহাৰ লগে লগে স্কুলে নতুন গঢ় ললে। ই এখন ডাঙৰ স্কুলেই নহয়, ডাঙৰ অনুষ্ঠান হৈ পৰিল। আগৰ ঘৰ-বাৰীয়ে নোজোৰা হ'ল। ইফালে ছাত্ৰসকলক পঢ়ুৱাবলৈ উপযুক্ত পাঠ্য পুথিৰো অভাৱ। গতিকে ঘৰ সজোৱাৰেপৰা উপযুক্ত পাঠ্য পুথি যুগুত কৰালৈকে সকলো ভাৰ পৰিল গোসাঁইৰ ওপৰত। এইবোৰ কামত প্ৰথম ছবছৰ তেওঁৰ ইমান খাটনি হৈছিল যে তেওঁ দিনে-ৰাতি আন কথা ভাবিবলৈকে অৱসৰ পোৱা নাছিল। ছবছৰৰ হাড়ভঙা কঠোৰ পৰিশ্ৰমৰ ফলতহে তেওঁ স্কুল ঘৰ আৰু সঁজুলি, পাঠ্যৰ ক্ৰম আৰু পাঠ্য নিৰ্বাচন, শিক্ষাবিধি, মনোবিজ্ঞান, সাহিত্য, ভূগোল আৰু বুৰঞ্জীৰ টোকা আদি ঠিক কৰি লব পাৰিছিল।

স্কুলত ছাত্ৰক শিক্ষাদান দিলেই শিক্ষকৰ কৰ্তব্যৰ ওৰ নপৰে। ছাত্ৰৰ পঢ়া-শুনাৰ উপৰি স্বাস্থ্য আৰু কৰ্মশক্তিও উন্নত পৰ্য্যায়ৰ হব লাগে—তাকে কৰাই আছিল তেওঁৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। সেয়েহে তেওঁৰ পৰিচালনা আৰু কাৰ্য্য-প্ৰণালীয়ে নৰ্মাল স্কুলখনৰ প্ৰতি যোৰহাট নগৰবাসীৰ মন বিশেষভাৱে আকৰ্ষণ কৰিছিল।

গোসাঁইদেৱে নৰ্মাল স্কুলৰ ছাত্ৰসকলক অকল স্কুলৰ শিক্ষা দিয়েই ক্ষান্ত থকা নাছিল ; তেওঁলোক যাতে ভৱিষ্যতে উপযুক্ত শিক্ষক আৰু লগে লগে দেশৰ আৰু সমাজৰ কামত আগবঢ়ুৱা হৈ গাঁৱৰ জাকতজিলিকা হব পাৰে তাৰ বাবে শিক্ষাৰ সকলো দিশতে যত্ন লৈছিল। নৰ্মাল স্কুলৰ ল'ৰাবোৰৰ মন যাতে আধুনিক লাহ-বিলাহৰ ফালে নগৈ স্বাৱলম্বনৰ ফালে ঢাল খায়, তাৰ বাবে তেওঁ সদায় চোকা

দৃষ্টি ৰাখিছিল। তেওঁলোকক নিয়মানুবৰ্ত্তী আৰু কৰ্তব্যপৰায়ণ কৰি তুলিবৰ কাৰণে তেওঁ সৰ্বতোপ্ৰকাৰে যত্নবান হৈছিল। গোঁসাইৰ দিনৰ নৰ্মাল স্কুলৰ ছাত্ৰই ছাত্ৰাবাসত কোনো ল'ৰাৰ অসুখ-বিসুখ হলেতো পাল পাতি শুশ্ৰূষা কৰিছিলেই, নগৰৰ কোনো লোকৰ ঘৰতো টান নৰিয়া হলে তালৈকে গৈ ৰোগীৰ সেৱা শুশ্ৰূষা কৰিছিল। নৰ্মাল স্কুলৰ ছাত্ৰৰ সেৱাৰ প্ৰবৃত্তি ইমান প্ৰবল হৈ পৰিছিল যে স্কুলৰ পৰা দুই-তিনি মাইল দূৰৰ সৰ্বাইবন্ধা, বৰাভেটা প্ৰভৃতি ঠাইতো ৰোগীৰ আলপৈচান ধৰি জাৰৰ দিনৰ দীঘল ৰাতি আনন্দেৰে কটাইছিল। কোনো নিৰাশ্ৰয় লোকৰ শৱ-সৎকাৰ কৰিবলৈ হলে নগৰবাসায়ে নৰ্মাল স্কুলৰ ছাত্ৰৰ সহায় বিচাৰিছিল আৰু ছাত্ৰসকলেও বংমনে সংকীৰ্তন কৰি মৰা-শ কঢ়িয়াই নি খৰি দিয়া কাৰ্য্য সম্পাদন কৰিছিল। আশ্ৰয়হীন লোকক হাস্পতালত ৰখাই পাল পাতি পৰ দিয়াৰ নজিৰো আছে। নগৰৰ কোনো লোকে বিয়া-সবাহত সহায় বিচাৰিলে নৰ্মাল স্কুলৰ ছাত্ৰই হেলাৰঙে সহায় কৰিছিল। নগৰলৈ কোনো গণ্যমান্য ব্যক্তিৰ আগমন উপলক্ষে পথত তোৰণ সজাবলৈ হলে নৰ্মাল স্কুলৰ ল'ৰাইহে কৰিছিল। ছাত্ৰসকলৰ এনেবোৰ জনহিতকৰ কামৰ আদৰ্শ গ্ৰহণ গোসাঁইদেৱৰ শিক্ষা আৰু উদগনিৰ প্ৰভাৱতে হৈছিল।

নৰ্মাল স্কুলত বছৰি ডাঙৰকৈ সৰস্বতী পূজা পতা হয়। দুপৰীয়া নৰ্মাল স্কুলৰ সৰস্বতী পূজাত নগৰৰ প্ৰায় হাজাৰ-বাৰ শ ল'ৰাই ভোজন কৰে। এইবোৰ ল'ৰাৰ বেছিভাগেই আছিল ওচৰ-পাঁজৰৰ স্কুলৰ ছাত্ৰ আৰু বহুতো আছিল স্কুলত নপঢ়া ল'ৰা

এবাৰ নৰ্মাল স্কুলৰ ছাত্ৰবোৰেই এখন ভাওনা কৰিছিল। সেই ভাওনা চাবলৈ ৰাতি নৰ্মাল স্কুলৰ চোতালত নগৰৰ মানুহ তেনেই উপচি পৰিছিল। অনেক ভাল ভাল মানুহে ল'ৰা-তিৰোতাৰে সৈতে নৰ্মাল স্কুলৰ ল'ৰাৰ ভাওনা চাবলৈ গোটেই ৰাতি উজাগৰে কটাইছিল আৰু সকলোৱে নৰ্মাল স্কুলৰ ল'ৰাৰ দিহা-পোহা আৰু ভাওনাৰ কৃতিত্ব শতমুখে প্ৰশংসা কৰিছিল। এই আটাইবোৰবো গুৰিত আছিল

চুপাৰিণ্টেণ্ডেণ্ট শৰৎচন্দ্ৰ গোস্বামী। কোনো এজন লোকেই সেই কথা নজনাকৈ নাছিল। বিশেষ উল্লেখযোগ্য কথা এই যে এনে প্ৰথৰ সকলো কাৰ্য্যৰ গুৰিত থাকি গোস্বামীদেৱে সেইবোৰ পৰিচালনা কৰি আছিল যদিও সেই সময়ত তেওঁৰ পত্নী বাত ৰেমাৰত শয্যাশায়ী হৈ আছিল। ঘৰত কগ্না সহধৰ্মিনীৰ শুশ্ৰূষা বাহিৰত হৰেক ৰকম কামৰ ভিৰ, তেনেস্থলতো তেওঁ ধৈৰ্য্য ধৰি সকলো কাম নিয়াৰিকৈ চলাই নিব পাৰিছিল। পাৰিবাৰিক অশান্তিৰ হেতুকে আন নালাগে স্কুলৰ এদিনলৈকেও পলমকৈ যোৱা বা স্কুলৰ কামৰ সামান্য ত্ৰুটী কৰা বুলি তেওঁৰ কোনো শত্ৰুৱেও কব নোৱাৰে। উপস্থিত বুদ্ধি, ধৈৰ্য্য আৰু মনৰ প্ৰফুল্লতা আছিল শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ চৰিত্ৰৰ সৰ্বাধিক অনুকৰণীয় গুণ।

বুদ্ধি আৰু ব্যক্তিত্বৰ নমুনা ঃ

আজীৱন গোসাঁইদেৱ শিক্ষা বিভাগৰ চৰকাৰী চাকৰিয়াল আছিল। সেই সময় আছিল ইংৰাজ শাসনৰ দিন। ৰজাঘৰ আৰু ৰাইজৰ মাজত সঘনে তীব্ৰ বিৰোধ উপস্থিত হৈছিল। এই ব্যক্তিগত স্বাৰ্থৰ মাজত থাকিও একালে উপৰিস্থ কৰ্মচাৰীৰ মন যোগাই সুনাম আৰ্জি, আনফালে দেশহিতকৰ কাৰ্য্য আৰু অনুষ্ঠানৰ লগতো সুৰ মিলাই চলিব পৰাটোৱেই আছিল তেওঁৰ চৰিত্ৰৰ বিশেষত্ব।

এই কৃতিত্বৰ অন্তৰালত দুটা গুণ লুকাই আছে। এটা হ'ল কৰ্তব্যনিষ্ঠা, আনটো দূৰদৃষ্টি। এই দুয়োটা গুণে তেওঁৰ ব্যক্তিত্ব গঠনত সহায় কৰিছিল। নৰ্মাল স্কুলত কাম কৰা সময়ৰ এটা সৰু ঘটনাই তাৰ এটা দৃষ্টান্ত দাঙি ধৰে।

গোস্বামী তেতিয়া যোৰহাট নৰ্মাল স্কুলৰ গুৰিয়াল। নৰ্মাল স্কুলখন গঢ়ি তুলিবলৈ লৈ তেওঁ শিক্ষা বিভাগৰ কৰ্তৃপক্ষৰ লগত এনেদৰে বুজা-বঢ়া কৰি লৈছিল যে শিক্ষাদান আৰু শাসনৰ দায়িত্ব

তেওঁ সম্পূৰ্ণৰূপে বহন কৰিব কিন্তু সেই উদ্দেশ্য সাধনৰ কাৰণে উপযুক্ত শিক্ষক নিয়োগৰ ক্ষেত্ৰত তেওঁক কিছু স্বাধীনতা দিব লাগিব।

সেইমতে তেওঁ এবাৰ নামনি অসমৰ এজন তীক্ষ্ণধী পুৰণি ছাত্ৰক শিক্ষক নিযুক্ত কৰিছিল। ছাত্ৰসকলৰ মাজত এই শিক্ষকজনক চিনি পোৱা আৰু বেয়া পোৱা ছাত্ৰও আছিল। তেওঁলোকে লগ হৈ বিৰোধিতা কৰি শিক্ষকজন গৈ শ্ৰেণীত প্ৰৱেশ কৰাৰ লগে লগে বাহিৰলৈ ওলাই গ'ল। কম সংখ্যক কেইজনমান ছাত্ৰ মাথোন শ্ৰেণীত থাকিল। ঘটনাটোৰ খবৰ পাই ছুপাৰিণ্টেণ্ডেণ্ট গোস্বামী ডাঙৰীয়া ততালিকে নিজৰ প্ৰকোষ্ঠৰপৰা ওলাই গৈ শ্ৰেণীত সোমাল আৰু বাহিৰলৈ যোৱা ল'ৰাবোৰক শ্ৰেণীলৈ মাতি পঠিয়ালে। ছাত্ৰবোৰ গৈ শ্ৰেণীত সোমোৱাত তেওঁ অইন একো নৌকৈ গহীন হৈ ইয়াকে মাত্ৰ কলে—মই এই ঘটনা বিচাৰ কৰিব খোজা নাই। মই আজি তোমালোকক ইয়াকে মাত্ৰ সুধিব খোজোঁ—তোমালোকৰ বাৰু মোৰ ওপৰত আস্থা, মোৰ ওপৰত বিশ্বাস আছে নে নাই?

সকলোৱে একেমুখে কলে—আছে।

—তেনেহলে মই কওঁ, তোমালোকে মনোযোগ দি পঢ়িবলৈ লোৱা। এসপ্তাহ পঢ়ি উঠি তোমালোকৰ যদি কাৰবাৰ শিক্ষকজনৰ শিক্ষাদান, আচৰণ আদি সম্পৰ্কে কিবা ওজৰ-আপত্তি থাকে, তেনেহলে মোক কবা, মই ব্যৱস্থা লম। কাৰণ, এই স্কুলখন মোৰ নিজৰ স্কুল। মোৰ ওপৰত ইয়াৰ উন্নতিৰ সম্পূৰ্ণ দায়িত্ব আছে। স্কুলখনতকৈ মই কোনো ব্যক্তিকে অধিক ভাল পাব নোৱাৰো। স্কুলৰ স্বাৰ্থ মোৰ কাৰণে সকলোৰে ওপৰত।

শেষত গোসাঁইদেৱৰ দিহা-ভাৰসাত সকলো ঠিক হৈ গ'ল। সকলোৱে সহযোগ কৰিলে। ফলত শিক্ষকজনো থাকিল, স্কুলো নিয়াৰিকৈ চলিবলৈ ধৰিলে। এনেকুৱাই আছিল গোস্বামীৰ বুদ্ধি, আত্মবিশ্বাস আৰু ব্যক্তিত্ব।

অসম শিক্ষক সন্মিলন :

শৰৎচন্দ্ৰ গোস্বামীদেৱকে 'অসম শিক্ষক সন্মিলন'ৰো জন্মদাতা বুলিব পাৰি। তেওঁ নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট হৈ থকা সময়ত দুজন লোক তেওঁৰ অতি বিশ্বাসী আৰু প্ৰীতিভাজন হৈ পৰিছিল : হৰিনাৰায়ণ দত্তবৰুৱা আৰু আদ্যনাথ শৰ্মা। আদ্যনাথ শৰ্মা আছিল ছাত্ৰ আৰু হৰিনাৰায়ণ দত্তবৰুৱা ছাত্ৰকল্প। তেওঁলোক দুজনক সোঁ-হাতৰূপে লৈ তেওঁ অনেক জনহিতকৰ কামত আগবাঢ়িছিল। তেওঁ-লোকৰ সহায়তে নৰ্মাল স্কুলৰ ন-পুৰণি ছাত্ৰৰ সন্মিলন পতা হৈছিল। কিছুদিন পিছত ই্য়ে ৰূপান্তৰিত হৈ 'অসম শিক্ষক সন্মিলন' নাম পায়। এই সন্মিলনৰ সংহতিবদ্ধ যত্নতেই প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ দৰমহা আঠ টকাৰপৰা বাৰ টকা হয়। অকল সেয়ে নহয়, গৱৰ্ণমেণ্ট ছাত্ৰবৃত্তিৰ আৰু মাইনৰ স্কুলৰ শিক্ষকৰ প্ৰাৰম্ভিক দৰমহা ত্ৰিশ টকা আৰু হাইস্কুলৰ অসমীয়া শিক্ষকৰ দৰমহা চল্লিশ টকা হোৱাৰ গুৰিতো আছিল এই সন্মিলনেই। কোৱা বাহুল্য, তেতিয়াৰ দিনত তাকেই যথেষ্ট বুলি গণ্য কৰা হৈছিল।

নৰ্মাল স্কুল চলোৱা সময়ৰ দুটা স্মৰণীয় ঘটনা :

১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত যোৰহাটত এদিন এটা বৰ ডাঙৰ শোভাযাত্ৰা বাহিৰ হৈছিল। স্বাধীনতা আন্দোলনৰ সেই বিৰাট বিপ্লৱী সমদলটো নগৰৰ সোঁমাজৰ আলি বাটেদি আগ-বাঢ়ি গৈ আছিল। ইফালে সমদলৰ গতিৰোধ কৰি জনতাক ছত্ৰভঙ্গ দিয়াবলৈ বুলি জিলাৰ পুলিচ চাহাব নিজে সশস্ত্ৰ ফৌজ লৈ নিৰ্দিষ্ট স্থানত খাপ লৈ আছিল। পুলিচে সমদলকাৰীসকলক নৰ্মাল স্কুলৰ সন্মুখতে আগভেটি ধৰিবলৈ স্থিৰ কৰিলে। বিপৰীত ফালৰপৰা সমদলকাৰীসকল সদৰ্পে বিজয় ধ্বনি দি আগবাঢ়ি আছিল। তাকে

দেখি পৰিণতি বিষম হ'ব বুলি আশঙ্কা কৰি গোসাঁইদেৱে ঘৰৰপৰা ওলাই আহি ছুয়োদলৰ মাজত থিয় হ'লগৈ। তেওঁক ছুয়োপক্ষৰ লোকে চিনি পায়। তেওঁ দেখিলে পুলিচ বাহিনী সমদল ভাঙিবলৈ দৃঢ়প্ৰতিজ্ঞ আৰু সমদলকাৰীসকলো আগবাঢ়ি যাবলৈ কৃতসঙ্কল্প। গতিকে মুহূৰ্ত্তেকৰ ভিতৰতে মাৰাত্মক সংঘৰ্ষ অনিবাৰ্য্য। অৱস্থা বিষম বুজি গোসাঁইদেৱে লৰালৰিকৈ গৈ পুলিচ চাহাবক লগ ধৰি তাৰপৰা পুলিচ ফৌজ আঁতৰাই নিবলৈ অনুৰোধ কৰিলে আৰু সমদলকাৰী-সকলে কাৰো একো অনিষ্ট নকৰে বুলি নিজে গা-পাতি দায়িত্ব ললে। তেতিয়া পুলিচ চাহাবে গিৰিপ্ গিৰিপ্ 'মাৰ্চ' কৰাই ফৌজ আঁতৰাই নিলে। সমদলকাৰীসকল আলিবাটেদি শোভা-যাত্ৰা কৰি সভাস্থলীলৈ গৈ থাকিল। ক'ৰবাত কিবা দুৰ্ঘটনা ঘটে বুলি গোসাঁই সমদলকাৰী-সকলৰ লগে লগে বহুত দূৰলৈকে গ'ল। তেওঁ তাকে নকৰা হলে সেইদিনা নিশ্চয় সংঘৰ্ষ হৈ বহুতৰে অনিষ্ট হ'লহেঁতেন। নৰ্ম্মাল স্কুলৰ ছাত্ৰসকলো যে তাত লিপ্ত নহ'লহেঁতেন, কোনে জানে?

সেই একে চনৰে আৰু এটা ঘটনা স্বৰাজ আন্দোলনৰ সময়ৰে। আকাশে-বতাহে কেৱল আন্দোলনৰে কথা। মহাত্মা গান্ধী সেই সময়ত অসমলৈ আহিছিল। চাৰিওফালে দলদোপ-হেন্দোলদোপ। সকলোৰে মুখত মহাত্মা গান্ধীৰ কথা, স্বৰাজ আন্দোলনৰ কাহিনী, বিলাতী বস্ত্ৰ-দাহৰ গৰম গৰম আলাপ-আলোচনা।

সেইদিনা দিনৰ দহ বজাত ৰেলেৰে মহাত্মা গান্ধী যোৰহাট পাবগৈ। ছুই বজাত ৰাজহুৱা সভা। তাতে তেওঁ ভাষণ দিব। ছাত্ৰবোৰ যে দহ বজাত ৰেল ষ্টেচনলৈ মহাত্মা গান্ধীক দৰ্শন কৰিবলৈ যাব, সি নিশ্চিত। তেওঁলোকক স্কুলত বন্ধ কৰি ৰখাও টান হ'ব। গোসাঁয়ে কাকো নোসোধাকৈ ৰাতিপুৱা জানৰ্মা দি সকলোকে জনাই দিলে যে সেইদিনা স্কুল ১১-৩০ বজাত বহিব আৰু ভেৰ বজাত ছুটী হ'ব। অপ্ৰত্যাশিতভাৱে এনে আদেশ শুনি ছাত্ৰসকল আনন্দত উৎফুল্লিত হ'ল। বাইজৰ লগত গৈ তেওঁলোকে মহাত্মা গান্ধীক ৰেল-ষ্টেচনত

আদৰিলে আৰু আবেলি স্কুল ছুটীৰ পাছত বাজহুৱা সভাত তেখেতৰ ভাষণো শুনিলে। মিটিংবো হ'ল, চাউলো সিজিল। বুদ্ধি আৰু প্ৰশাসনীয় দক্ষতাৰ ইও এটি উদাহৰণ।

'প্ৰভাত' আলোচনী :

সাহিত্য চৰ্চা আছিল শৰৎচন্দ্ৰ গোস্বামীৰ এটা সহজাত নিচা। হাইস্কুলত পঢ়া কালত 'সুনীতি-সঞ্চাৰিণী সভা'ৰ জৰিয়তে কৰা সাহিত্য চৰ্চাৰ কথা আগতে উল্লেখ কৰা হৈছে। ডেপুটী ইন্‌স্পেক্টৰ হৈ মঙ্গলদৈত কাম কৰা সময়তো প্ৰাইমাৰী স্কুলৰ পণ্ডিতসকলৰ কেন্দ্ৰসভাত কেনেকৈ তেওঁলোকৰ মাজত গল্প-প্ৰবন্ধ-কবিতা পঢ়াৰ সুযোগ উলিয়াই দিছিল সেই কথাও আগতে কৈ অহা হৈছে। নৰ্মাল স্কুলতো তেওঁ ছাত্ৰসকলৰ সাহিত্য চৰ্চাৰ কাৰণে তিনিমহীয়া আলোচনী এখন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰি দিছিল। আলোচনীখনৰ নাম আছিল 'প্ৰভাত'। 'প্ৰভাত' প্ৰকাশনৰ লগত নৰ্মাল স্কুলৰ 'জ্ঞানদায়িনী' আৰু 'ধৰ্মালোচনী সভা' নামৰ দুখন সভাৰ ওতপ্ৰোত সম্বন্ধ আছে।

প্ৰতি শনিবাৰে আবেলি জ্ঞানদায়িনী আৰু দেওবাৰে পুৱা ধৰ্মালোচনী সভা বহিছিল। জ্ঞানদায়িনী সভাৰ নামকৰণ কৰিছিল সেই সময়ৰ নৰ্মাল স্কুলৰ সংস্কৃত শিক্ষক পণ্ডিত কনকচন্দ্ৰ শৰ্মা কাব্যতীৰ্থ ডাঙৰীয়াই। এই সভা দুখনত গোসাঁইদেৱ নিয়মীয়াভাৱে উপস্থিত আছিল আৰু তেৱেঁই অন্তৰালৰপৰা তাৰ সূত্ৰ ধৰিছিল। তালৈ মাজেসময়ে নগৰৰ কৃতবিদ্য লোকসকলকো দুই এবাৰকৈ নিমন্ত্ৰণ কৰি আনি কোনো বিশেষ বিষয়ত তেওঁলোকৰ ভাষণ শুনাৰ ব্যৱস্থা কৰা হৈছিল। দূৰৰপৰা কোনো জ্ঞানী-মানী লোক যোৰহাটলৈ আহিলে তেওঁ নৰ্মাল স্কুলৰ এই দুখন সভাৰ যিকোনো এখনত বক্তৃতা নিদিয়াকৈ যাব নোৱাৰিছিল। ইয়াৰ সুযোগ নগৰবাসী যোৰহটীয়া বাইজেও উপভোগ কৰিছিল। জ্ঞানদায়িনী সভাৰপৰাই নৰ্মাল স্কুলৰ তিনিমহীয়া

আলোচনী 'প্ৰভাত' প্ৰকাশ হৈছিল। তাৰ উপৰি 'ছাত্ৰ' নামৰ হাতেলিখা মাহেকীয়া কাকত এখনিও ছাত্ৰসকলে সেই সময়ত উলিয়াইছিল। এই সকলোবে উৎসাহ আৰু পৰামৰ্শদাতা আছিল শৰৎচন্দ্ৰ গোস্বামী।

বিশেষ উল্লেখযোগ্য কথা এই যে স্কুল-কলেজৰ ছাত্ৰৰ উদ্যোগত ছপা হৈ ওলোৱা অসমীয়া আলোচনীবোৰৰ ভিতৰত 'প্ৰভাত' আছিল প্ৰথম। 'প্ৰভাত' আলোচনীৰ নামটোৰ লগতো এটা করুণ কাহিনী জড়িত হৈ আছে।

নৰ্মাল স্কুলৰপৰা আলোচনী এখন প্ৰকাশ কৰাৰ উদ্যম চলি থাকোঁতে গোসাঁইৰ দ্বিতীয় সন্তান, প্ৰথম আৰু একমাত্ৰ পুত্ৰ, শিশু প্ৰভাতে সন্নিপাত জ্বৰত ইহধাম ত্যাগ কৰে। তেতিয়া নৰ্মাল স্কুলৰ ছাত্ৰসকলে শোকাভিভূত হৈ গোসাঁই-গোসাঁনীৰ অনুমতিক্ৰমে তেওঁলোকৰ নৱ সাহিত্য-উদ্যম আলোচনীখনৰ নাম দিয়ে 'প্ৰভাত'। 'প্ৰভাত' কাকতখনৰ প্ৰতি সেই হেতুকেও গোস্বামী ডাঙৰীয়াৰ এটা বিশেষ আকৰ্ষণ আছিল।

গোস্বামীৰ মতে নৰ্মাল স্কুলৰ ইতিবৃত্ত :

অসমত নৰ্মাল স্কুল স্থাপন সম্পৰ্কে এটি চমু টোকা দি শৰৎ চন্দ্ৰ গোস্বামীদেৱে ১৮৬০ শকৰ (ইং ১৯৩৮ চনৰ) প্ৰথম সংখ্যা (২০শ খণ্ড) কাকতত এইদৰে লিখিছিল—।

(১)

সকলো অনুষ্ঠানৰে একোটা বুৰঞ্জী আছে। আমাৰ এই স্কুলৰো আছে। তাকে চমুকৈ কব খুজিছো।

এই স্কুল স্থাপনৰ ৬০ বছৰ হ'ল (১৮৭৮ চনত স্থাপিত)। বৃটিচ অধিকাৰলৈ অহাৰপৰা ১৮৭৪ খৃষ্টাব্দলৈ (শিক্ষাসংক্ৰান্ত বিষয়ত)

আসাম দেশ বঙ্গদেশৰ চামিল হৈ আছিল। গতিকে বঙ্গদেশৰ আমোলা-বিষয়া সকলেই অসম দেশ শাসন কৰিছিল। ১৮৬৬ খৃষ্টাব্দত অসমত তিনিখন নৰ্মাল স্কুল স্থাপন হয়। সেই সময়ত অসম আৰু ৰাজশাহী বিভাগ এজন ইনস্পেক্টৰৰ তলত আছিল, আৰু চিভিল চাৰ্জিচৰ ভৰ্জ এডৱাৰ্ড পোটাৰ নামেৰে এজন চাহাব আছিল এই পদত। এই বিভাগৰ নাম আছিল উত্তৰ-পূৰ বিভাগ। তেতিয়াৰ বঙ্গ আৰু অসম দেশৰ ডাইৰেক্টৰ চাহাবৰ নাম আছিল ডব্লিউ এচ্. এট্‌কিন্‌চন।

(১)

১৮৬৬-৬৭ খৃষ্টাব্দৰ শিক্ষা বিভাগৰ ৰিপোৰ্টত এই বিষয়ে লিখা আছে—ভাৰত গৱৰ্ণমেণ্টৰ আদেশমতে ১৮৬৬ ইংৰাজী চনৰ মে' মাহত গুৱাহাটী, তেজপুৰ আৰু শিৱসাগৰত তিনিখন নৰ্মাল স্কুল স্থাপন কৰা হয়। অসমৰ গাঁৱলীয়া স্কুলৰ শিক্ষকসকলৰ অৱস্থাৰ উন্নতি কৰা এই স্কুল কেইখনৰ উদ্দেশ্য।......এই স্কুলৰ প্ৰত্যেক ছাত্ৰ-শিক্ষকে নৰ্মাল স্কুলত পঢ়ি থকা কালছোৱাত চাৰি টকাকৈ বৃত্তি পায়। নৰ্মাল স্কুললৈ অহাৰ আগেয়ে এই ছাত্ৰ-শিক্ষকে কোনো এখন গাঁৱৰ বাসিন্দাসকলৰ লগত এই বন্দবস্ত কৰি আহে যে, কোনো নিৰ্দ্ধাৰিত দৰমহা লৈ কোনো নিৰ্দিষ্ট সংখ্যক বছৰলৈ তেওঁ সেই গাঁৱৰ স্কুলত শিক্ষক হৈ থাকিব; আৰু গাঁৱৰ মানুহেও তেওঁক লিখি দিয়ে যে তেওঁলোকে তেওঁক তেওঁলোকৰ 'গুৰু-মহাশয়' কৰি লব, আৰু তেওঁৰ স্কুললৈ ছাত্ৰক পঢ়িবলৈ পঠাব। *

1st Feb, 1866

* In May, 1866, under orders from the Government of India in the Financial Deptt. No. 291 dated 25th January, 1856, three Normal Schools were established in Assam at Gauhati, Tezpur and Sibsagar. The object of these three schools is to improve the indigenous village school teachers in Assam......Each pupil and teacher receives a stipend of Rs. 4 per mensem during his stay at the Normal School. Before admission he enters into an agreement to work for a term of years at some village school on a certain salary, while the villagers enter into another agreement to receive him as their 'Guru-mahasaya' and to send their children to the Pathsala.

কি কাৰণত উল্লেখ নাই কিন্তু তেজপুৰৰ স্কুলখন স্থাপন হোৱাৰ অলপ দিনৰ পাছতে ১৮৬৮ চনৰ আগ ভাগতে নগাঁৱলৈ নিয়া হয়। তাৰ কেইবছৰমান পাছত নগাঁৱৰপৰা আনি পুনৰ আকৌ তেজপুৰতে এই স্কুল পতা হয়।

(৩)

১৯০১ খৃষ্টাব্দলৈ অসমৰ সমতল ভাগৰ কাৰণে এই তিনিখন নৰ্মাল স্কুল থাকে। প্ৰথমতে তিনিওখনতে গুৰু-শ্ৰেণী মাত্ৰ আছিল। আৰম্ভণিৰেপৰা গুৱাহাটী নৰ্মাল স্কুলত ছাত্ৰসংখ্যা বেছি আছিল। খ্যাতনামা ভূদেৱ মুখোপাধ্যায় ১৮৬৭ কি ১৮৬৮ খৃষ্টাব্দত অসম আৰু ৰাজশাহী বিভাগৰ স্কুল ইন্‌স্পেক্টৰ হয়; আৰু তেওঁৰ পৰামৰ্শমতে তেতিয়াৰ পৰা গুৱাহাটী স্কুল ডাঙৰ কৰি তাত বেলেগ ত্ৰৈবাৰ্ষিক শ্ৰেণী খোলা হয়। তেজপুৰ আৰু শিৱসাগৰ স্কুলত গুৰুবাৰ্ষিক শ্ৰেণীহে মাত্ৰ থাকে। তেতিয়াৰপৰা গুৱাহাটী (আৰু তাৰ পাছত যোৰহাট) নৰ্মাল স্কুলৰ লগত গুৰুবাৰ্ষিক শ্ৰেণী সদায় লাগি আছিল।

১৯০১ চনত শিৱসাগৰ আৰু তেজপুৰৰ স্কুল দুখন চৰকাৰে তুলি দিলে। সেই সময়ত ফুলাৰ চাহাব (Sir Bamphylde Fuller) অসমৰ চীফ কমিছনাৰ। তেওঁৰ দিনত শিক্ষা বিভাগৰ বহুতো পৰিবৰ্ত্তন ঘটে। বোধকৰো অসমৰ সকলো 'শিক্ষকৰ ট্ৰেইনিং একেখন স্কুলতে একেদৰে দিয়াৰ উদ্দেশ্যে এই কাম কৰা হৈছিল।

গুৱাহাটী নৰ্মাল স্কুলৰ ত্ৰৈবাৰ্ষিক বিভাগত কিন্তু তেতিয়া বঙালী ভাষাতহে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। চীফ কমিছনাৰ ফুলাৰ আৰু ডাইৰেক্টৰ সাৰ্প (Sir Henry Sharp) চাহাবৰ সিদ্ধান্তমতে ১৯০৫ চনৰপৰা অসমীয়াত শিক্ষাদান কৰা হয়, আৰু এই বছৰতে তিনি বছৰৰ পাঠ্য কমাই আনি সুকীয়া পাঠ্যক্ৰম কৰা হয়।

(৪)

গুৱাহাটী স্কুলখন প্ৰথমতে পাণবজাৰৰ খেৰী বঙলা ঘৰ এটাত বহিছিল। × × এই খেৰী ঘৰত ১২/১৪ বছৰ স্কুল বহে। তাৰ পাছত বৰ্তমান গুৱাহাটী কলেজিয়েট স্কুলৰ যি ঘৰ আছে তাৰে পশ্চিম অংশ (Western wing) নৰ্মাল স্কুল কৰি বন্ধা হয়; আৰু ১৯০৬ চনলৈ এই ঘৰতে এই স্কুল থাকে। এতিয়াৰ কলেজিয়েট স্কুলৰ পুবৰ ফালৰ ডাঙৰ ঘৰ আৰু পশ্চিম ফালৰ ডাঙৰ ঘৰ লগ লগাই আৰু এটা পুবা-পশ্চিমা দীঘল ঘৰ আছে। নৰ্মাল স্কুল পশ্চিমৰ ফাললৈ আগৰ লগে লগে ইয়াতে চৰকাৰী মজলীয়া স্কুল এখন স্থাপিত হয়। এই স্কুলেই নৰ্মাল স্কুলৰ প্ৰেক্‌টিছিং স্কুল আছিল।

নৰ্মাল স্কুলত অসমীয়া ভাষা চলোৱাৰ সময়তে তাৰ 'কোৰ্চ' ছুবছৰীয়া কৰা হ'ল, আৰু লগতে গুৱাহাটীৰপৰা আনি ১৯০৬ চনৰ অক্টোবৰ মাহত এই স্কুল যোৰহাটত পতা হ'ল। স্কুলাৰ চাহাবে যোৰহাট নগৰখন নতুনকৈ পাতিবৰ মন কৰিছিল। সেই কাৰণে ইয়াত আৱশ্যকীয় স্কুল, অফিচ আদি নতুনকৈ পাতিছিল।

পূৰ্বে অসমত ডাইৰেক্টৰ চাহাবৰ বাহিৰে ইন্‌স্পেক্টৰ নাছিল। ১৯০৫ চনত অসমত ইন্‌স্পেক্টৰ হয়। তেওঁৰো অফিচ যোৰহাটতে পাতা হ'ল। × × যোৰহাটলৈ নৰ্মাল স্কুল অনাৰ লগতে সুৰমা উপত্যকাৰ কাৰণেও শিলচৰত নতুনকৈ এখন নৰ্মাল স্কুল পাতা হ'ল।

(৫)

× × স্কুলাৰ চাহাব আৰু ছাৰ্প চাহাবে যোৰহাট আৰু শিলচৰৰ নৰ্মাল স্কুল দুখন বৰ ধুনীয়াকৈ বন্ধালে। × × স্কুলৰ হোষ্টেল যি বন্ধা হ'ল, তেতিয়াৰ দিনত তাতকৈ ভাল হোষ্টেল ক'তো নাছিল।

নতুন ঘৰলৈ আহি নৰ্মাল স্কুল চকুত লগা হৈ উঠিল। কিন্তু আমা কাৰণত যোৰহাট স্কুলৰপৰা যিমান সুফল আশা কৰা হৈছিল তিমান

পোৱা নগ'ল। ইফালে ছুপাৰিণ্টেণ্ডেণ্ট ৰায়বাহাদুৰ অঘোৰনাথ অধিকাৰীৰ কাৰ্য্যদক্ষতাৰ গুণত শিলচৰ স্কুলৰ ঘৰ-দুৱাৰ, বস্তু-বাহানি নানা প্ৰকাৰে উন্নত হবলৈ ধৰিলে।

অৱশেষত ১৯১৫ চনৰপৰা ক্ৰমে ক্ৰমে নানা প্ৰকাৰে বাধা অতিক্ৰম কৰি আৰু মহাসমৰৰ কাৰণে গবৰ্ণমেণ্টে ব্যয় সঙ্কোচ কৰাতো, যোৰহাট স্কুলৰ ঘৰ, বোৰ্ডিং আদি বঢ়াব পাৰা হ'ল; আৰু ইয়াৰ লগত তিনিখন প্ৰেক্‌টিচিং স্কুল স্থাপন কৰা হ'ল। ১নং স্কুলখন ১৯১৯ চনৰ জুলাই মাহত খোল হয় আৰু ২নং আৰু ৩নং স্কুল দুখন ১৯২০ চনৰ জানুৱাৰী মাহৰপৰা আৰম্ভ হয়। × ×

এয়ে আছিল 'প্ৰভাত' আলোচনীত যোৰহাট নৰ্মাল স্কুল, তথা অসমত নৰ্মাল স্কুল স্থাপনৰ বিষয়ে গোসাঁয়ে নিজৰ কথাত লিখা চমু ইতিবৃত্ত। উপযুক্ত শিক্ষক প্ৰস্তুত কৰি জাতি গঢ়িবলৈ লোৱা এই অনুষ্ঠানটোত তেওঁ জীৱনৰ মূল্যবান বাৰটি বছৰ কটাইছিল।

শিক্ষাদান সন্দৰ্ভত :

শিক্ষক হিচাপে শিক্ষাদানৰ ক্ষেত্ৰত গোসাঁইদেৱৰ নিপুণতা তেওঁৰ ছাত্ৰসকলৰ মাজত আজিও প্ৰশংসামুখৰ হৈ আছে ছাত্ৰক কোনো এটা বিষয় শিকাবলৈ হলে সেই বিষয়ে তেওঁ খৰচি মাৰি পঢ়ি-শুনি তাৰ চমুটোকা প্ৰস্তুত কৰি লৈছিল। তেওঁৰ 'শিক্ষাবিচাৰ' পুথিৰ অনেক অংশ এনেকুৱা টোকাৰেই সমষ্টি। এই পদ্ধতি পৰৱৰ্ত্তী কালত ড° বিৰিঞ্চিকুমাৰ বৰুৱা প্ৰমুখ্যে একাধিক কৃতী অধ্যাপকেও গ্ৰহণ কৰা দেখা গৈছিল। সেইসকলৰ ৰচিত অনেক পুথি তেনে অধ্যৱসায়ৰে ফল।

পৰিদৰ্শক হিচাপে কাম কৰোঁতেও গোসাঁইদেৱে সদায় শিক্ষকসকলৰ যি বিষয় যিজনে শিকায় তেওঁক সেই বিষয়ে সদায় ঘৰত ভালকৈ পঢ়ি আহিবলৈ পৰামৰ্শ দিছিল। তেওঁ কৈছিল যে তেনে নকৰিলে শিক্ষকে

নিজকো ফাকি দিয়ে, ছাত্ৰকো প্ৰবঞ্চনা কৰে। ভালকৈ জনা হলেও শিক্ষকে শিক্ষাদানৰ পাঠটো ঘৰত এবাৰ চাই যোৱা উচিত।

গোসাঁইৰ মতে ভাল শিক্ষক হ'ব লাগিলে ছাত্ৰৰ প্ৰতি শিক্ষকৰ সহানুভূতি থকা উচিত। ছাত্ৰৰ অন্তৰত প্ৰৱেশ কৰি ছাত্ৰৰ মনৰ ভাব শিক্ষকে বুজিব পাৰিব লাগে। শিক্ষা দিওঁতে শিক্ষকে এই কথা পাহৰিব নালাগে যে তেওঁৰপৰা ছাত্ৰই যি ধৰণৰ শিক্ষা পায়, পিছত ছাত্ৰই সেই শিক্ষকৰ দায়িত্ব পালেও ছাত্ৰসকলক তেনে শিক্ষাহে দিব পাৰিব। প্ৰসঙ্গক্ৰমে এইখিনিতে উল্লেখ কৰিব পাৰি যে কটন কলেজৰ স্বনামধন্য ভূতপূৰ্ব অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় আৰু শৰৎচন্দ্ৰ গোস্বামী কলিকতাত একেজন অধ্যাপকৰ তলত সংস্কৃত সাহিত্য অধ্যয়ন কৰিছিল। গতিকে অভিজ্ঞতা থকাসকলে কয় যে দুয়োৰে শিক্ষাদানৰ প্ৰণালী অবিকল একে ধৰণৰ আছিল।

নিজে শিক্ষকতা সম্বন্ধে কিতাপ লিখাৰ উপৰি গোসাঁইদেৱে নৰ্মাল স্কুলৰ 'প্ৰভাত' কাকতত 'শিক্ষক' 'কোমল আৰু কঠোৰ শিক্ষা' ইত্যাদি শিতানত শিক্ষাদান সম্পৰ্কীয় কিছুমান মূল্যবান প্ৰবন্ধ লিখিছিল।

পৰিদৰ্শক আৰু শিক্ষকৰ সম্বন্ধ বিচাৰ কৰি তেওঁ এঠাইত লিখিছে 'ওপৰৱালা বিষয়াই যি কয় শিক্ষকে তাক সম্মানেৰে শুনিব লাগে। এনে কি ভুল কলেও প্ৰতিবাদ কৰিব নালাগে। পাছত লাহে লাহে তেওঁৰ ভুলটো ঘূৰাভাৱে ওপৰৱালাৰ চকুত পেলাব লাগে। পৰিদৰ্শকসকলেও ভবা উচিত যে তেওঁলোক একোজন ভ্ৰাম্যমাণ আদৰ্শ শিক্ষক। শিক্ষকক গালি-গালাজ আৰু কঢ় ব্যৱহাৰ কৰিবলৈ তেওঁলোকৰ ন্যায্য অধিকাৰ নাই। বিশেষকৈ ছাত্ৰৰ আগত তেনেদৰৰ ব্যৱহাৰে অতি নীচ ভাব আৰু অভদ্ৰতাৰ সাক্ষি দাঙি ধৰে।

শিক্ষকৰ বিষয়জ্ঞান সম্পৰ্কে অভিমত দি তেওঁ কৈছিল যে শিক্ষকে যি বিষয় যিমানখিনি শিকাবলগীয়া হয় তাৰ দহ গুণমান নিজে জানিলেহে সেইখিনি ছাত্ৰক খৰচি মাৰি শিকাব পাৰে। সেই-দেখি সকলো বিষয় খুঁচৰি মাৰি কাৰ্য্য-কাৰণৰ সম্বন্ধ বিচাৰ কৰি

বিষয়টো সম্পূৰ্ণকৈ আগেয়ে নিজে বুজি লৈ ছাত্ৰক বুজাবলৈ আগ-বাঢ়িব লাগে।

আকৌ কেতিয়াবা অনেক শিক্ষকে নিজে যিমান জানে সোপাকে ছাত্ৰক পঢ়াবলৈ বিচাৰে। সেইটো অনাভিজ্ঞতাৰ ফল। ল'ৰাই যিমানখিনি শিক্ষা বা জ্ঞান গ্ৰহণ কৰিব পাৰে সিমানখিনিহে পঢ়াবলৈ বিচাৰিব লাগে। তাকে সাধাৰণ কথাত কোৱা হয় ধাতু বুজি ফল খুৱোৱা।

শিক্ষা প্ৰণালীৰ মূল কথা দুটা বুলিব পাৰি। (১) শিক্ষকে সুন্দৰমতে প্ৰশ্ন কৰিব জানিব লাগে আৰু (২) বৰ্ণনা শক্তি বা সাধু-কথা কোৱা শক্তি থাকিব লাগে।

'বেতৰ আগত বিদ্যা'—এই কথা আগৰ শিক্ষকসকলে মানিছিল। আজিকালি সেই দিন উঠি গ'ল। আজি-কালি নানা কথাৰ মাজেদি শিক্ষণীয় বিষয়টো সহজ আৰু ৰসাল কৰি দিবলৈ শিক্ষকে যত্ন কৰিব লাগে। এই প্ৰসঙ্গত গোসাঁইদেৱৰ লিখা 'কোমল আৰু কঠোৰ শিক্ষা' নামৰ প্ৰবন্ধটো পঠনীয়। উদাহৰণেৰে সৈতে তেওঁ তাত আজিকালিৰ কোমল শিক্ষা-প্ৰণালীৰ সুন্দৰ বিশ্লেষণ কৰিছে। তেওঁ কয়—'পাঠ মনোৰঞ্জক আৰু সহজ কৰিবলৈ যাওঁতে কতিয়াবা কেতিয়াবা তাক অতি কোমল কৰি তোলা হয়। আগৰ দিনৰ অতি কঠোৰ প্ৰণালীৰ দৰে আজি কালিৰ অতি কোমল প্ৰণালীও একে কাৰণতে গৰ্হিত।

দুটামান উদাহৰণ দিলে কথাটো বুজাত সহজ হব। এদিন আমাৰ পাঠ দি থাকোঁতে ডাঙৰ ল'ৰা এটাৰ পেঞ্চিলডাল ভাগি গ'ল। শিক্ষকে ছুৰী কটাৰী এখন বিচাৰি আনি পেঞ্চিলডাল কাটি দিলে। আন এদিন টোকা কাগজেৰে আন এজন ছাত্ৰ-শিক্ষকে ছাত্ৰহঁতৰ আখৰ নিজে টুকি দিলে। শ্ৰুতলিপি পাঠৰ সময়ত বহীত মাৰ্জিন শিক্ষকে নিজ হাতে ঠিক কৰি দিয়া, আখৰ এটা চেৱা হলে শিক্ষকে নিজে লিখি দিয়া—এইবোৰ বোধকৰো আজিকালি সকলো শিক্ষকে কৰি থাকে। ইয়াৰ ফল হল এয়ে যে, ছাত্ৰসকলক লাহে

লাহে নিজক এৰি শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকে। ক্ৰমাৎ এনে হয়, কোনো এটা টান কথা পালেই তাক শিক্ষকে বুজাই দিব বুলি থৈ দিয়ে। এইদৰে চলোঁতে চলোঁতে ছাত্ৰৰ নিজৰ উদ্ভাৱনী শক্তি আৰু নিজত্ব লোপ পায়গৈ; আৰু ওপৰৰ শ্ৰেণীত আগ্ৰহবিহীন মনোযোগ, মানসিক ক্ষিপ্ৰকাৰিতাৰ অভাৱ, অলপ চিন্তা কৰি বুজিবলগীয়া বিষয়ত অপ্ৰাসঙ্গিক আৰু নিৰ্বোধ প্ৰশ্নৰ উত্থাপন—এনেকুৱা নিৰুৎসাহজনক কথাই শিক্ষকক বাধা দিয়ে! × × ×'

সাধনাৰ মাজেদিহে সিদ্ধি লাভ হয়—এয়ে আছিল শৰৎচন্দ্ৰ গোস্বামীৰ জীৱনৰ মূল আদৰ্শ। সেয়েহে ছাত্ৰ কালত সকলোকে তেওঁ কৃচ্ছ্ৰ সাধনা কৰিবলৈ উপদেশ দিছিল। তেওঁ কৈছিল—'ছাত্ৰ জীৱনত কৃচ্ছ্ৰ সাধনাৰ যথেষ্ট সুযোগ পোৱা যায়। এটা ঘটনাৰ কথা কৈ উপদেশ দিওঁ। কেইবছৰমান আগতে যোৰহাটৰ ডাঙৰ ফিল্ডখনত চাহাব ভলণ্টিয়াৰবিলাকৰ কুচ-কাৱাজ হৈছিল, প্ৰায় এসপ্তাহ। সেই কেইটা দিন দবাপিটা বৰষুণ। ফিল্ডখনৰ কথাই নাই গোটেই নগৰখনতে আঁঠুৱনীয়া বোকা। যোৰহাট যি দেখিছে, সেয়ে জানে যে ফিল্ডখনৰ চাৰিওফালে চাহাবলোকৰ দুমহলা বঙলাবোৰ। কিন্তু যিবিলাক চাহাবে এই কুচ কাৱাজত যোগ দিছিল, তাঁহাতৰ আটায়ে বৰষুণ বা বোকাৰ নিমিত্তে ফিল্ডত তৰা তামোঘৰত থাকিবলৈ এৰি কোনো বঙলা বা শুকান ঠাইৰ আশ্ৰয় নিবিচাৰিলে। আলিটো পাৰ হৈয়েই যিঠাইত নিজৰ সুসজ্জিত বিলাস-ভৱন পাব পাৰি সেই স্থলতো তেওঁবিলাকে পানী-বোকাতহে লেটি লৈ সেই কেইদিন থাকিল আৰু তাতে যি যোগাৰ হৈছিল, তাকেহে খালে। এই জাতিৰ মানুহে পৃথিৱী ভোগ নকৰি আমি কৰিমনে?

'কৃচ্ছ্ৰ সাধনা সেইদেখি আমাক লাগে। বিপদৰ সন্মুখ হৈ তাৰ লগত হতাহতি কৰাতহে মনুষ্যত্বৰ বিকাশ হয়। মনটোক অসুবিধা, অসুচলৰ আগত দমিব দিব নালাগে। শৰীৰৰ কষ্ট হ'ব বুলি ভাবি কোনোটো কামত পিছ হুঁহকিব নালাগে। তেহে আমাৰ মনুষ্যোচিত চৰিত্ৰ গঠিত হ'ব।

এইবিলাক কাৰণতে ভাৰতৰ প্ৰাচীন দিনত ছাত্ৰ জীৱনৰ নাম আছিল ব্ৰহ্মচৰ্য্য আশ্ৰম। কৃষ্ণাৰ্জুনেও গুৰু-গৃহত থকা কালত খৰি লুৰি, গৰু চৰাই ভাত খাইছিল। দশৰথৰ দৰে ৰজাৰ পুত্ৰ হৈও ৰাম-লক্ষ্মণে নিজৰ বাহুবল মাত্ৰ সম্বল কৰি বিশ্বামিত্ৰৰ লগত ৰাক্ষস বধিবলৈ গৈছিল। দিলীপৰ দৰে চক্ৰৱৰ্ত্তী ৰজায়ো মুনিৰ আশ্ৰমত সস্ত্ৰীক গৰু পালন কৰি তপস্যা কৰিছিল। এই আদৰ্শৰ পুনৰুদ্বোধনৰ আৱশ্যক।'

নৰ্মাল স্কুলৰ প্ৰেকটিচিং স্কুল কেইখনত গোস্বামীদেৱে নতুন নতুন পদ্ধতিত শিক্ষাদান কৰাৰ কাৰ্য্যও পৰীক্ষা নকৰাকৈ নাছিল ; বিশেষকৈ এক শ্ৰেণীত সেই কাম চলাইছিল। বহু শ্ৰেণীৰ শিক্ষা প্ৰণালীও এইডোখৰ কালতে তেওঁ ব্যৱহাৰ কৰি চায়।

তেওঁ 'বহুশ্ৰেণী শিক্ষাপ্ৰণালী' বুলি এখন পুথিও ৰচনা কৰিছিল। তাৰ পাতনিত কোৱা আছে—'নৰ্মাল প্ৰেকটিচিং স্কুলত এই প্ৰণালীৰে কাম কৰি বিশেষৰূপে কৃতকাৰ্য্য হোৱা দেখা গৈছে। মোৰ গৌৰৱ কৰিবলৈ নহয়, নৰ্মাল আৰু প্ৰেকটিচিং স্কুলৰ শিক্ষকসকলৰ সন্তোষৰ অৰ্থে, আৰু নতুনকৈ এই ক্ৰমত কাম কৰিব খোজা শিক্ষকসকলৰ উৎসাহৰ অৰ্থে তলত এই বিষয়ে কেইজনমান ডাঙৰ ডাঙৰ বিষয়াৰ মন্তব্য তুলি দিলো -

গৱৰ্ণমেণ্ট অব ইণ্ডিয়াৰ এডুকেচন কমিছনাৰ চাহাব মিষ্টাৰ (পিছত ছাৰ) লিটল্ হেইল্ছে এই স্কুল চাই লিখিছে— 'মই এতিয়ালৈকে পৰিদৰ্শন কৰা প্ৰশিক্ষণ বিদ্যালয়বোৰৰ ভিতৰত এইখন এখন শ্ৰেষ্ঠ শৃঙ্খলাবদ্ধ বিদ্যালয়। × × প্ৰশিক্ষণৰ আটোমটোকাৰী পদ্ধতি দেখিও মই মুগ্ধ হৈছো। এই বিদ্যালয়খন অসমৰ শিক্ষাৰ ক্ষেত্ৰত এক অমূল্য সম্পদ। *

* It is one of the best organized training schools that I have visited. × × I was also impressed by the comprehensive nature of the provision made for practice. × × × The school is a great asset to education in Assam. L.H.

এবাৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ মিষ্টাৰ কানিংহাম চাহাবে মন্তব্য কৰিছিল—'এইবাৰ মই ডেল্টন পদ্ধতিৰ সহায়ত উন্নত কৰা, বহুশ্ৰেণীৰ শিক্ষাদান সংক্ৰান্ত আহুকাল দূৰ কৰিবৰ কাৰণে কৰা যত্ন দেখি বিশেষভাৱে আকৃষ্ট হৈছো' মই দেখিছো, পৰীক্ষাটো বহুপৰিমাণে কৃতকাৰ্য্য হৈছে। * ¹

সেই সময়ৰ স্কুল ইন্‌স্পেক্টৰ মিষ্টাৰ জি.এ. স্মল চাহাবৰ এই বিষয়ৰ মন্তব্য আৰু বেছি স্পষ্ট আৰু উৎসাহজনক। তেওঁ লিখিছিল—'ডেল্টন প্ৰথাৰ পৰিশোধিত ৰূপত ইয়াত কৰা শিক্ষাদানৰ পৰীক্ষা সম্পূৰ্ণ কৃতকাৰ্য্য হৈছে। × × তেনেকুৱা প্ৰণালীত যদি সমগ্ৰ উপত্যকাতে শিক্ষাদান কৰিব পৰা যায় তেনেহলে আমাৰ গাঁওনিবাসী শিক্ষকসকলৰ কাম বহুত পৰিমাণে উজু হব। * ²

অসমৰ তদানীন্তন গবৰ্ণৰ ছাৰ জন কাৰ চাহাবে ১৯২৪ চনত লিখিছিল—'প্ৰশিক্ষণ বিদ্যালয় কেইখনত ডেল্টন প্ৰণালীৰ সহায়ত পৰীক্ষামূলকভাৱে শিক্ষা দিবলৈ লোৱা হৈছে; সি বৰ আকৰ্ষণীয় হৈছে আৰু তাৰপৰা মূল্যৱান ফল লাভ হব বুলি আশা কৰা যায়। *' ³

প্ৰেক্‌টিচিং স্কুলত ছাত্ৰই পঢ়াৰ উপৰিও হাতৰ কাম কৰা, খেলা, বাঁহী, হাৰমোনিয়াম আদি বাদ্যৰ সুৰৰ তালে তালে কচৰৎ কৰা আদি

---

* ¹ On the present occasion I was particularly impressed in the attempt to solve or to help in solving the plural class difficulty by means of an adoption of the Dalton Plan. So far I can see the experiment is proving a great success.

* ² The modified Dalton work being done here is most successful. × × × If similar method can be introduced throughout the Division, the work of our village school teachers will be very considerably simplified.—G.A. Small.

* ³ The experiment with Dalton Plan in the Practising Schools is very interesting and may have important results. —S. J. Car.

কাম ইয়াত শিকোৱা হয়। শিক্ষক উপস্থিত নাথাকিলেও নিয়মানুবৰ্ত্তিতাবে কাম চলে।

শিক্ষাদানৰ কাৰণে পাঠ্য পুথি ৰচনা

শিক্ষা-সংক্ৰান্ত কামত লাগি থাকি প্ৰয়োজন বুজি গোসাঁইদেৱে পাঠ্য পুথি ৰচনাত নিজে মন দিবলগীয়া হৈছিল আৰু যোগ্য শিক্ষক-সকলকো তেনে কামৰ কাৰণে উদগনি দিছিল। নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্টৰ কামত যোগ দিয়াৰ পাছত তেওঁ এই কামত দুগুণ উৎসাহেৰে আগবাঢ়িছিল। এই বিষয়ে এজন অন্তৰঙ্গ বন্ধুৱে তেওঁক এদিন কৈছিল যে পাঠ্য পুথি ৰচনা নকৰি সাহিত্য ৰচনাত মন দিয়া হলে তেওঁ বেছি নাম কৰিব পাৰিলেহেঁতেন। উত্তৰত গোসাঁয়ে কৈছিল উপযুক্ত পাঠ্য পুথিৰ অভাৱত আমাৰ স্কুল-কালেজৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষকসকলেও কি দুৰ্ভাগ্য ভুগিব লাগে তাক বাহিৰৰ লোকে কি বুজিব? আনৰ কাৰণে সি যেন বন্ধ্যাৰ প্ৰসব-বেদনা।—কথাষাৰ মন কৰিবলগীয়া। শিক্ষকতাত নিৰত আছিল কাৰণেই পদ্মনাথ গোহাঞিবৰুৱাদেৱেও প্ৰয়োজনৰ তাড়না উপলব্ধি কৰি পাঠ্য পুথি ৰচনাৰ গুৰু দায়িত্ব হাতত লবলৈ বাধ্য হৈছিল।

গোস্বামীদেৱে নিজে 'মগাসমৰ', 'ভূগোল পাঠ' আদি পাঠ্য পুথি ৰচনা কৰিছিল। তেওঁৰপৰা উৎসাহ-উদ্দীপনা লাভ কৰি হৰিনাৰায়ণ দত্তবৰুৱাই ৰচনা কৰিছিল 'ইংলণ্ডৰ বুৰঞ্জী' আৰু 'ভূগোল প্ৰবেশ' নামৰ দুখন আৰু প্ৰাণনাথ বুজৰবৰুৱাই 'ঘন পৰিমিতি' নামৰ এখন পাঠ্য পুথি। এই আপাহতে বুজৰবৰুৱাই হল এণ্ড ষ্টিভেন্সন প্ৰণীত কেইখণ্ড জ্যামিতি অসমীয়ালৈ অনুবাদ কৰিছিল।

চলন্ত পুথি-ভঁৰাল ঃ

সক কালত গঞা সমাজত ভাওৰ-দীঘল হৈছিল কাৰণে গাঁওবাসী ৰাইজৰ শৈক্ষিক দুৰৱস্থাৰ কথা গোসাঁয়ে মৰ্মে-মৰ্মে উপলব্ধি কৰিব পাৰিছিল। সেয়েহে গাঁও-ভূঁইত পঢ়ুৱৈ সমাজ গঢ়ি তুলিবৰ কাৰণে তেওঁ ছেগ বুজি যত্নবান হৈছিল। সেই কাম তেওঁ নৰ্মাল স্কুলৰ শিক্ষকতাত নিৰত থাকিও কেনেকৈ বুদ্ধিৰে সম্পন্ন কৰিছিল তলত তাৰে এটা নিদৰ্শন দাঙি ধৰা হ'ল।

১৯২৬ চনত অসমৰ গবৰ্ণৰ ছাৰ জন হেন্‌ৰি কাৰ এবাৰ ভ্ৰমণত যোৰহাটলৈ আহিছিল। ভ্ৰমণৰ কামৰ লগতে তেওঁ নৰ্মাল স্কুলখনো পৰিদৰ্শন কৰিবলৈ গ'ল। সেই সময়তে চল চাই কঠীয়া পাৰি গোস্বামীয়ে কথা-প্ৰসঙ্গত তেওঁৰ পৰিকল্পিত চলন্ত পুথি-ভঁৰালৰ আঁচনি এটা লাট চাহাবৰ আগত দাঙি ধৰিলে। তাতে আঁচনিটোৰ সম্ভাব্য সুফলৰ কথা গবৰ্ণৰ বাহাদুৰৰ মনত লগাত তেখেতে তেতিয়াই আঁচনিটো প্ৰশংসা কৰিলে আৰু তাক সোনকালে কাৰ্য্যকৰী কৰিব লাগে বুলি কৈ পাঁচ হাজাৰ টকাৰ মঞ্জুৰিও প্ৰদান কৰিলে।

গোস্বামীয়ে বন্ধু-বান্ধৱৰ লগত আলচ কৰি সেই টকাৰে ভাল ভাল কিতাপ কিছুমান কিনি সুন্দৰকৈ ২৬টা সক সক কাঠৰ বাকচত সেইবোৰ ভৰোৱালে আৰু বন্ধত নৰ্মাল স্কুলৰ ছাত্ৰবোৰ ঘৰলৈ যাওঁতে সেই বাকচবোৰ (প্ৰতি মহকুমাতে স্কুলৰ সংখ্যাৰ পৰিমাণে দুটা বা এটাকৈ) তেওঁলোকৰ হাতত অসম উপত্যকাৰ স্থানীয় ডেপুটি ইন্‌স্পেক্টৰসকললৈ পঠোৱাৰ ব্যৱস্থা কৰিলে। লগতে এই নিৰ্দ্দেশ জাৰি কৰা হ'ল যে তেওঁলোকে বাকচটো বা বাকচ দুটা প্ৰথমে কেন্দ্ৰসভাৰ সম্পাদকক দিব। কেন্দ্ৰসভাৰ মাহেকীয়া বৈঠকলৈ আহোঁতে শিক্ষকসকলে তাৰপৰা কিতাপ নি পঢ়িব আৰু পোন্ধৰ দিনৰ পাছত কেন্দ্ৰত ঘূৰাই দিব। এইদৰে সেই কেন্দ্ৰত কিতাপবোৰ পঢ়া হলে সম্পাদকে স্কুলৰ চকীদাৰৰ হতুৱাই ওচৰৰ আন এখন কেন্দ্ৰসভাৰ সম্পাদকলৈ পঠাব। এইদৰে গোটেই বছৰ জুৰি বাকচবোৰ ঘূৰিব।

আটাইবোৰ কেন্দ্ৰৰ পঢ়া হলে শেষৰ কেন্দ্ৰসভাৰ স্কুলৰ পুথি-ভঁৰালত বাকচটোৰ পুথিবোৰ স্থায়ীভাৱে জমা হব (অৱশ্যে ফাটি-ছিটি গৈ যি থাকে)।

শিক্ষাবিভাগৰ সংশ্লিষ্ট সকলো শিক্ষকে আৰু উপৰিস্থ বিষয়াই চৰকাৰী নিৰ্দ্দেশমতে এই আঁচনিৰ কাৰ্য্যত ৰংমনে সহযোগ কৰিছিল। ই সেই সময়ত গাওঁবাসী শিক্ষকসকলৰ মাজত এটি নৱজাগৰণৰ সৃষ্টি কৰিছিল।

উপৰোক্ত ব্যৱস্থামতে বহুদিন ধৰি চলন্ত পুথি-ভঁৰালৰ কাম নিয়াৰিকৈ চলি আছিল। পিছত সম্ভৱতঃ উদ্যোগী লোকৰ অভাৱত আজিকালি সেই পদ্ধতি বন্ধ হৈছে এই পুথি-ভঁৰালৰপৰা শিক্ষকৰ জৰিয়তে পুথি নি সাধাৰণ শিক্ষা পোৱা গঞা লোকেও উৎসাহেৰে পঢ়াত লাগিছিল। চলন্ত পুথি ভঁৰাল গঞা সমাজৰ মুখৰোচক আলোচনাৰ বিষয়-বস্তু হৈ পৰিছিল।

অতুল কথামালা :

অসমীয়া সাহিত্যত শিশু-সাহিত্যৰ অভাৱ সকলোৰে জনাজাত কথা। অসমৰ প্ৰাইমাৰী আৰু মজলীয়া স্কুলবোৰত পঢ়াবৰ কাৰণে বিজ্ঞান আৰু সাধাৰণজ্ঞানৰ উপযুক্ত পাঠ্য পুথি সেই সময়ত সমূলি নাছিল। তাকে দেখি সেই অভাৱ পূৰণৰ উদ্দেশ্যে গোস্বামীদেৱে ডাইৰেক্টৰ কানিংহাম চাহাবৰ ওচৰত এলানি পুস্তিকা প্ৰণয়নৰ প্ৰস্তাৱ দাঙি ধৰিলে। ডাইৰেক্টৰে প্ৰস্তাৱৰ আঁচনিত প্ৰত্যয় মানি চৰকাৰৰপৰা সেই উদ্দেশ্যে তিনি হাজাৰ টকাৰ এটি মঞ্জুৰি দিয়ালে আৰু পুস্তিকা যুগুত কৰাবৰ কাৰণে তলত দিয়া সদস্যসকলৰে সৈতে এখন সমিতি গঠন কৰি দিলে :—

১। মিঃ জি. এ. স্মল (স্কুল ইন্‌স্পেক্টৰ)

২। শৰৎচন্দ্ৰ গোস্বামী

৩। প্ৰাণনাথ বুজৰবৰুৱা
৪। ৰায়বাহাদুৰ অঘোৰনাথ অধিকাৰী
৫। ক্ষীৰোদ চন্দ্ৰ পুৰকায়স্থ

'বিজ্ঞান প্ৰবেশিকা' নাম দি এই সমিতিয়ে পোনতে তিনিখন কিতাপ যুগুত কৰিলে। এই কিতাপ অক্সফোৰ্ড ইউনিভাৰ্ছিটি প্ৰেছে চৰকাৰৰপৰা নিৰূপিত অৰ্থসাহায্য লৈ প্ৰকাশ কৰিলে। এবছৰ কি দুবছৰৰ ভিতৰতে চৰকাৰে প্ৰকাশকৰপৰা অগ্ৰিম সাহায্যৰূপে দিয়া টকাখিনি আগৰ বন্দৱস্তমতে ঘূৰাই পালে।

এনে সময়তে ইন্‌স্পেক্টৰ স্মল চাহাব ডাইৰেক্টৰ হ'ল। তেওঁ তেতিয়া বিজ্ঞান প্ৰবেশিকাৰ লাভৰ অংশ গ্ৰন্থকাৰসকলক দিবৰ কাৰণে আদেশ দিলে। কিন্তু গোসাঁইদেৱে বাস্তৱ দৃষ্টি-ভঙ্গীৰে ভৱিষ্যৎ চিন্তা কৰি ঠাৱৰ কৰিলে যে শিশু সাহিত্য প্ৰচাৰৰ কাৰণে এটা আছুতীয়া পুঁজি নহলে এই কাম সুকলমে চলি থাকিব নোৱাৰে আৰু সদায় চৰকাৰৰ সাহায্যৰ ওপৰত নিৰ্ভৰ কৰি চলাও উচিত নহয়। তেখেতে নিজে গ্ৰন্থকাৰসকলৰ ওচৰ চাপি তেওঁলোকৰ প্ৰত্যেকৰে লাভৰ অংশটো ত্যাগ কৰিবলৈ মান্তি কৰালে। এইদৰে ৰাহি হোৱা ধনৰ ক্ষুদ্ৰ পুঁজিৰে 'অতুল কথামালা ফাণ্ড' নাম দি এটা পুঁজি কৰা হ'ল আৰু সবাৰে ইচ্ছা আৰু পৰামৰ্শ অনুসৰি গোসাঁইদেৱ তাৰ পৰিচালক হ'ল।

'অতুল কথামালা' নামটোৰ লগত এটি কৰুণ কাহিনী জড়িত আছে। গোসাঁইদেৱৰ বৰ-জোঁৱাই (তেতিয়াৰ কটন কলেজৰ অধ্যাপক আৰু পিছত শিক্ষা বিভাগৰ ডাইৰেক্টৰ) উমাকান্ত গোস্বামীদেৱে গোস্বামী ডাঙৰীয়াৰ বৰজীয়েক প্ৰতিভা দেৱীক বিয়া কৰাইছিল। তেওঁলোকৰ বৈবাহিক মিলনৰ ফলত ওপজা প্ৰথম পুত্ৰৰ নাম আছিল 'অতুল'। শিশু সাহিত্য ৰচনাৰ ফাণ্ড যুগুত হোৱাৰ অলপ দিন আগতে শিশুটিৰ হঠাৎ লোকান্তৰ ঘটে। তেতিয়া শিশু অতুলৰ বয়স আছিল মাত্ৰ ৩॥ বছৰ। শিশুটিৰ মৃত্যু-শোকে আটাইকে অভিভূত কৰে।

সেই শোক কিঞ্চিৎ পাতলাবৰ উদ্দেশ্যে গ্ৰন্থকাৰসকলে আৰু ফাণ্ডৰ লগত জড়িত সকলো লোকে সৰ্বসম্মতিক্ৰমে ফাণ্ডটোৰ নাম ৰাখিলে 'অতুল কথামালা ফাণ্ড' আৰু সেই ফাণ্ডৰ ধনেৰে প্ৰকাশ কৰা কিতাপবোৰৰ নাম দিলে— 'অতুল কথামালা চিৰিজ'।

গোসাঁইদেৱৰ জীৱিত কালত এই ফাণ্ডৰ ধনেৰে ৬।৭ খন মনোগ্ৰাহী শিশু সাহিত্য প্ৰকাশ পাইছিল। ফাণ্ডৰ ধনেৰে বাছনিত উঠা প্ৰত্যেক পুথিৰ এবাৰত এহেজাৰখনকৈ ছপা কৰি তাৰে এশখন গ্ৰন্থকাৰক বিনামূল্যে দিয়া হৈছিল আৰু বাকী নখন কিতাপ লাভ নোলোৱাকৈ কম দামত বিক্ৰী কৰা হৈছিল। ফাণ্ডৰ নিৰ্দ্দিষ্ট নিয়ম অনুযায়ী একোখন কিতাপ সাধাৰণতে এবাৰতকৈ অধিক বাৰ ছপা কৰা নহৈছিল। সমিতিয়ে নিৰ্বাচিত পুথি এবাৰ মাত্ৰ ছপোৱাটোৱেই আছিল নিয়ম। কিতাপখনে পঢ়ুৱৈ সমাজৰ আদৰ পালে তাৰ পাছৰ সংস্কৰণবিলাক গ্ৰন্থকাৰে নিজে প্ৰকাশ কৰাৰ অধিকাৰ আছিল। এই ফাণ্ডৰ পৰিচালনাৰ ভাৰ শেষত শিক্ষা বিভাগৰ ডাইৰেক্টৰৰ ওপৰৰ ন্যস্ত কৰা হৈছিল।

যোৰহাট নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট হৈ কাম কৰি থকা সুদীৰ্ঘ বাৰ বছৰ কালৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামীদেৱ আৰু অনেক যুগমীয়া প্ৰতিষ্ঠান গঢ়াত লিপ্ত আছিল। সেইসমূহৰ ঘাইটো আছিল 'অসম সাহিত্য সভা'। সেই বিষয়ে পৃথক অধ্যায়ত আলচ কৰা হব।

স্কুল ইন্‌স্পেক্টৰ পদত:

১৯২৮ চনত শৰৎচন্দ্ৰ গোস্বামী অসম উপত্যকাৰ স্কুল ইন্‌স্পেক্টৰ পদত নিযুক্ত হয়। সেই কামত তেওঁৰ ব্যক্তিত্ব লোক-সমাজত এনেভাৱে অনুভূত হৈছিল যে তেওঁ সেই কাম ত্যাগ কৰাৰ অনেক দিন পিছলৈকেও স্কুল ইন্‌স্পেক্টৰ বুলিলে সৰ্বসাধাৰণে শৰৎচন্দ্ৰ গোস্বামী বুলিয়ে জানিছিল। স্কুল ইন্‌স্পেক্টৰ হিচাপে গোসাঁয়ে গাঁও-ভুঁইত ব্যাপকভাৱে

স্কুল ইন্‌স্পেক্টর শরৎচন্দ্র গোস্বামী (৫২ পৃঃ)

শিক্ষাবিস্তাৰৰ কাৰণে, বিশেষকৈ অসমৰ দাঁতি-কাষৰীয়া পাৰ্বত্য অঞ্চলৰ নগাভূমি, গাৰোপাহাৰ আদিৰ) বাসিন্দাসকলৰ মাজত শিক্ষা বিস্তাৰৰ অৰ্থে দেহেকেহে চেষ্টা কৰিছিল। অসমৰ আশে-পাশে থকা এই জনজাতিসমূহক বাদ দি অসমীয়া জাতি তিষ্ঠিব নোৱাৰে, আৰু অসমীয়া মানুহৰ লগত সম্বন্ধ ত্যাগ কৰি এই জনজাতিসমূহৰ লোকেও শিক্ষা, সভ্যতা আদিৰ পোহৰ সম্যকভাৱে পাব নোৱাৰে, গোসাঁয়ে এই কথা মৰ্মে-মৰ্মে উপলব্ধি কৰিছিল আৰু সেইবাবেই পৰ্বতীয়া জাতিসমূহৰ মাজতো যাতে অসমীয়া ভাষা-শিক্ষা প্ৰচাৰ হয় তাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল।

অকল পাহাৰীয়া জাতিসমূহৰ মাজতেই নহয়, মিছিং, কাৰ্বি, লালুং, বৰো আদি দাঁতিকাষৰীয়া সকলো জাতি-উপজাতিৰ মাজত অসমীয়া ভাষা প্ৰচাৰ হোৱাটো সকলোৰে কাৰণে হিতকৰ হ'ব বুলি তেওঁ বিবেচনা কৰিছিল। সেই সময়ত সেই ঠাইবোৰত কম-বেছি পৰিমাণে আমেৰিকান মিছনেৰীসকলে খৃষ্টান ধৰ্ম আৰু ইংৰাজী ভাষা প্ৰচাৰ কৰিবলৈ প্ৰাণপনে যত্ন কৰিছিল গোসাঁইদেৱৰ দৃঢ় ধাৰণা আছিল যে এই জনজাতীয় লোকসকলৰ জাতীয় কল্যাণ সাধিবলৈ হলে অসমীয়া ভাষা, সভ্যতা, সংস্কৃতি আদিৰপৰা তেওঁলোকক বিচ্ছিন্ন ৰাখিলে নচলিব : তাকে কৰিলে তেওঁলোক সাগৰৰ মাজৰ দ্বীপৰ দৰে বিচ্ছিন্ন হৈ থাকিব। গতিকে অসমৰ লগত সম্বন্ধ ৰাখি চলাটোৱে হ'ব তেওঁলোকৰ কাৰণে সৰ্বতোভাৱে মঙ্গলজনক কাম। এনে মনোবৃত্তিৰে কাম কৰিবলৈ আৰম্ভ কৰাত তেওঁ মাজে সময়ে ওপৰৱালাসকলৰো অনেকৰ লগত অনেক বাদ-বিতণ্ডা আৰু লেখনী-যুদ্ধ কৰিবলগীয়া হৈছিল।

এই পৰ্বতীয়া জাতিসমূহৰ ভাষাৰ নিজৰ আখৰ নাই। সেইবাবে তেওঁলোকৰ মাত-কথাবোৰ লিপিবদ্ধ কৰিবলৈ কোনো এক প্ৰকাৰৰ আখৰৰ প্ৰয়োজন হবই হ'ব। মিছনেৰীসকলে আগৰেপৰা সেইবোৰ ঠাইত সোমাই ৰোমান আখৰ ব্যৱহাৰ কৰি ইংৰাজী মাত-কথাৰ সহায়ত ইহঁতিলাকৰ মাজত পাশ্চাত্য সভ্যতাৰ প্ৰতি অনুৰাগ বঢ়াবলৈ যত্ন কৰি

আছে। ইয়াৰ বিৰুদ্ধে গৈ অসমীয়া ভাষা প্ৰচাৰ কৰিবলৈ হলে যুঁজ দিবলগীয়া হোৱাটো স্বাভাৱিক কথা যথাৰ্থতে গোসাঁইদেৱে অনেক ঠাইত এনে যুঁজত অৱতীৰ্ণ হবলগীয়া হৈছিল।

এবাৰ তেওঁ তলতীয়া কৰ্মচাৰী হৈও কাৰ্বি (মিকিৰ) ভাষাৰ লিপি সম্বন্ধে আলোচনা কৰি ডাইৰেক্টৰ স্কুল চাহাবলৈ যুক্তি সহকাৰে চোকা চিঠি লিখিবলগীয়া হৈছিল। তেওঁ লিখিছিল 'বেভাৰেও হটনে কাৰ্বি (মিকিৰ) ভাষাৰ নিৰ্মলতা সম্বন্ধে এটা অতিৰঞ্জিত বৰ্ণনা দিছে। × × × মূল কথাটো হৈছে কাৰ্বি ছাত্ৰবোৰে দুটা ভাষাৰ আখৰ শিকা উচিত হব, নে মাত্ৰ এটাৰ? যদি এটাৰ, তেনেহলে মোৰ বোধেৰে ৰোমান আখৰতকৈ অসমীয়া আখৰক প্ৰাধান্য দিব লাগে।'

স্কুলত কাৰ্বি ভাষাৰ প্ৰচলন সম্বন্ধে তেওঁৰ মত আছিল—'পাহাৰৰ ওপৰত থকা কাৰ্বি ছাত্ৰবোৰক প্ৰথম খণ্ডত দুবছৰলৈ কাৰ্বি ভাষা শিকাব লাগে আৰু প্ৰথম মান শ্ৰেণীৰপৰা অসমীয়াত শিকাব লাগে। প্ৰাইমাৰী স্কুলৰ তলৰ শ্ৰেণীৰ দুবছৰলৈ কাৰ্বি ভাষাত শিক্ষা দিয়াৰ উদ্দেশ্য ছাত্ৰবোৰৰ স্কুলৰ প্ৰতি ধাউতি জন্মোৱা; অৰ্থাৎ সিহঁতক স্কুলমুখী (School-minded) কৰা।'

সেই পৰামৰ্শমতে তেতিয়া কাৰ্বি আলং জিলাত অসমীয়া ভাষাৰ প্ৰচলন হৈছিল। গোসাঁয়ে চৰকাৰলৈ লিখা-লিখি কৰি কাৰ্বি স্কুলত চলাবৰ কাৰণে কাশীনাথ বৰ্মণৰ 'অতুল পাঠ' নামৰ পাঠ্য কিতাপ— প্ৰথম, দ্বিতীয় আৰু তৃতীয় মানৰ কাৰণে ক্ৰমে প্ৰথম, দ্বিতীয়, আৰু তৃতীয় ভাগ—কাৰ্বি আলংৰ স্কুল ছাব ইনস্পেক্টৰ ইংটি ডাঙৰীয়াৰ হতুৱাই কাৰ্বি ভাষালৈ অনুবাদ কৰাই কাৰ্বি স্কুলবোৰত চলাইছিল।

নগা পাহাৰৰ স্কুলবোৰত কি ভাষাৰ যোগেদি শিক্ষা-দানৰ ব্যৱস্থা কৰিব লাগে সেই বিষয়ে তেওঁ স্পষ্টকৈ কৈছিল—মোৰ নিজৰ মত এই—আঙ্গামি, আও, লোটা আৰু চেমা-এই চাৰিটা নগা ফৈদৰ ভিতৰত তেওঁলোকৰ নিজ নিজ ভাষাত প্ৰাইমাৰী শিক্ষা দিবলৈ ব্যৱস্থা কৰিব লাগে। আঙ্গামি নগাৰ সংখ্যা ৪৫ হাজাৰ আৰু

আও নগাৰ সংখ্যা ৩০ হাজাৰ। সেই গতিকে তেওঁলোকক মজলীয়া থাপতো নিজৰ ভাষা ব্যৱহাৰ কৰিবলৈ দিব পাৰি।

'দেখা গৈছে যে, নগা ভদ্ৰলোকসকলৰ ইচ্ছা, ইংৰাজীতেহে হাই-স্কুলত নগা ল'ৰাবোৰক শিক্ষা দিব লাগে। এইটো মানি লব পাৰি।

আঙ্গামি আৰু আও মেট্ৰিকুলেচনতো প্ৰাদেশিক ভাষা বুলি মানি লব লাগে। অন্যান্য নগাসকলৰ কাৰণে আদিৰেপৰা অসমীয়াত শিক্ষা দিবলৈ ব্যৱস্থা কৰাটো উত্তম পন্থা হব। অৱশ্যে মোৰ এই মতৰ বিৰুদ্ধবাদী লোক যে ওলাব, তাক মই ভালকৈ জানো। তথাপি নগাসকলৰ ভালৰ কাৰণে শিক্ষা বিষয়ত যিটো বিশুদ্ধ পন্থা বুলি মই ভাবোঁ তাকেই সকলোৰে আগত দাঙি ধৰিছো। আঙ্গামি আৰু আওনগা ভাষাত উপযুক্ত কিতাপ লিখাব লাগে।

নগা পাহাৰতো ইংৰাজীতে শিক্ষা হব লাগে বুলি এসময়ত এটা আন্দোলন চলিছিল। বহুত শিক্ষিত ভদ্ৰলোকে মিছনেৰীসকলৰ প্ৰৰোচনাত তাকে সমৰ্থন কৰিছিল। ডাইৰেক্টৰ স্মল চাহাবে গোসাঁই-দেৱৰ মত সোধাত তেওঁ লিখিছিল— 'কোনেও আসৈ মাতিব নোৱাৰে যে ভৈয়ামৰ কছাৰী, ৰাভা, মিছিং, কাৰ্বি, লালুং আদি জাতিসকলৰ দৰে নগাসকলো অসমীয়া ভাষা-ভাষী। সেই কাৰণে মোৰ বোধেৰে নগাসকলৰ হিতৰ কাৰণেই নগা ছাত্ৰবোৰক অসমীয়া ভাষা শিক্ষা দিব লাগে। ওৱেলচ আৰু স্কটলেণ্ডৰ মানুহে নাইবা আমেৰিকাৰ ইংৰাজী কোৱা মানুহে ইংৰাজীক শিক্ষাৰ বাহন কৰি লোৱা যি কথা নগা-সকলে অসমীয়া ব্যৱহাৰ কৰা তাতোকৈ আৱশ্যকীয় কথা। × × যিসকল নগাই এতিয়া অসমীয়া কয়, তেওঁলোকৰ মাজত অসমীয়াৰ পৰিবৰ্তে এদিন ইংৰাজী প্ৰচলন হব বুলি ভবাটো এটা নিৰৰ্থক সপোন।

নগাসকলৰ কাৰণে মেট্ৰিক্‌লেচনত অসমীয়া ভাষা শিক্ষা দিবৰ কাৰণে গোসাঁইদেৱে কলিকতা বিশ্ববিদ্যালয় আৰু শিক্ষা বিভাগৰ ডাইৰেক্টৰৰ লগত বহুত লিখা-লিখি কৰিবলগীয়া হৈছিল। পৰ্বতীয়া জাতিবোৰৰ লগত অসমীয়া ভাষা আৰু অসমীয়া লোকৰ সম্বন্ধ

কোনেকুৱা হোৱা উচিত, সেই কথা বুজাবলৈ-পৈ তেওঁ এখন চিঠিত সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ্-চেন্সেলাৰ ড' শ্যামাপ্ৰসাদ মুখাৰ্জীৰ কোৱা কথাৰ উদ্ধৃতি দি কৈছিল—'ব্যক্তিগতভাৱে মই ভাবোঁ এই পৰ্বতীয়া জাতিসমূহক তেওঁলোকৰ নিজৰ ভাষা আৰু সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰিবলৈ সৰ্বতোভাৱে সহায় কৰিব লাগে; সেইটো সঁচা, কিন্তু লগে লগে তেওঁলোকক অসমৰ বাসিন্দাসকলৰ লগত মিলাপ্ৰীতিৰে অসমৰ বহল জাতীয় জীৱনৰ অংশ লবলৈও সকলো প্ৰকাৰে সা-সুবিধা দিয়া উচিত। মই তেওঁলোকক ৰাজনৈতিক-ভাৱে পৃথক হৈ থাকি উন্নতি কৰাটো বাঞ্ছা নকৰো। মই কিয় অইন কোনেও তেওঁলোকক চিন্তা, চাল-চলন আৰু কাৰ্য্যত ভাৰতীয় হৈ থকাত বাহিৰে অন্য হোৱাটো বাঞ্ছা নকৰে।' *

ডাইৰেক্টৰ, ইন্স্পেক্টৰ আদি শিক্ষাবিভাগৰ গুৰিয়াল কৰ্মচাৰী-সকলৰ তেতিয়া প্ৰধান কৰ্তব্য আছিল পৰিদৰ্শন। অফিচৰ নথি-পত্ৰ ঘাঁটি থকাতকৈও পৰিদৰ্শনৰ সহায়ত নিজ চকুৰে চাই আৰু শুনি-বুজি সিদ্ধান্ত দিয়া কাম তেওঁলোকে অধিক পছন্দ কৰিছিল। এই খিনিতে দুটামান আমোদজনক পৰিদৰ্শনৰ কথা উল্লেখ কৰা যাওক। পৰিদৰ্শনকেইটা গোস্বামী স্কুল ইন্স্পেক্টৰ হৈ থকাকালৰ ঘটনা।

১৯৩১ চন মানৰ কথা। এদিন যোৰহাট চৰকাৰী হাইস্কুল পৰিদৰ্শন কৰিবলৈ গৈছিল শিক্ষা বিভাগৰ ডাইৰেক্টৰ স্মল চাহাব। লগত ইন্স্পেক্টৰ শৰৎচন্দ্ৰ গোস্বামী। হাইস্কুলৰ হেড্ মাষ্টাৰ আছিল মেহিৰুদ্দিন আহমদ। তিনিও লগ লাগিল। চাহাব গৈ পোনেই

* I personally feel while everything possible should be done to encourage these tribes to preserve and develop their own language and culture, we should also attempt to provide for them a full scope for their participation along with other residents of Assam, in the wider national life of the province. I donot want them to develop as a separate entity politically nor does anyone wish that they should be anything but Indian in thought, outlook and activity.

ক্লাছ হেডেৰত লোমাল। তেনে পৰিদৰ্শনৰ সময়ত শিক্ষকসকলে সাধাৰণতে বুদ্ধি কৰি ইংৰাজী আৰু গণিতত চোকা ল'ৰাবোৰক আগ-শাৰীত বহুৱাই থয়, যাতে পোনেই সিহঁতক প্ৰশ্ন সুধিলে উত্তৰ দিব পাৰে। সেই দিনাও সেয়ে ঘটিছিল। স্মল চাহাবে আগশাৰীত বহি থকা জীৱন গোস্বামী নামৰ চোকা ছাত্ৰ একজনৰ কিতাপবোৰত হাত দিয়েই সংস্কৃত পাঠ্যখন ওপৰতে পাই সিদিনাৰ পাঠটো পঢ়িবলৈ কলে। ইফালে জীৱন গোস্বামীয়ে তেতিয়ালৈকে সংস্কৃতৰ আখৰকে ভালকৈ পঢ়িবলৈ শিকা নাছিল। ইংৰাজী আৰু গণিতত কিন্তু তেওঁ চোকা। তেওঁ কিতাপখন মেলি ফৰ্‌ফৰাই মাতি গ'ল। স্পষ্ট স্পষ্টকৈ সংস্কৃত পঢ়ি যোৱা দেখি স্মল চাহাবে পোনেই 'গুড্, গুড্; ভেৰি গুড্ (good, good, very good) আদি মন্তব্য দি গুচি গ'ল।

ইন্‌স্পেক্টৰ গোস্বামীয়ে ল'ৰাটোৰ ওচৰত থিয় হৈ পাঠত নজৰ দি আছিল। স্মল চাহাব যোৱাৰ পাছত তেওঁ ল'ৰাজনক হেড্-মাষ্টাৰৰ অফিচলৈ মতাই নি কাণখনত লাহেকৈ ধৰি কলে আজি কি পঢ়িছিলা? সেইটো জানো পাঠ আছিল?— শ্ৰেণীৰ চোকা ল'ৰা জীৱন গোস্বামীক তেওঁ ভালকৈ চিনি পায় আৰু মৰম কৰে। গতিকে তেনেকৈ কাণত ধৰি সুধিলে।

জীৱন গোস্বামীয়ে নো কয় কি?— ছাৰ, সেই সংস্কৃত পাঠটো মাত্ৰ মোৰ মুখস্থ আছিল। গতিকে কিতাপ ক'ত খুলিছো তালৈ নাচাই তাকেই মাতি গলো। নহলে এইন পাঠৰ সংস্কৃত আখৰবোৰ মই ভালকৈ চিনি নাপাওঁ: পঢ়িব নোৱাৰো।

হেড্‌মাষ্টাৰ জেছিকদ্দিন চাহাবেও কলে এবা, ময়ো ভাবিছিলো — ই কিবা ভুল পঢ়িছে হবলা। পিছে, সংস্কৃত ভাষা চাহাবেও নাজানে, ময়ো নাজানো। চাহাবৰ 'ভেৰি গুড্' মন্তব্য পিছে ঠিক নহ'ল। ই দুইই ওপৰতে শলাগনি ললে।

ইন্‌স্পেক্টৰ গোস্বামী ডাঙৰীয়াৰ এটা বিশেষত্ব আছিল এই যে

তেওঁ গণিত, ভূগোল, সংস্কৃত, বুৰঞ্জী -সকলো বিষয় সমানে জানিছিল। সিদিনা স্মল চাহাবে 'ভেৰি গুড্' বোলাৰ পাছত তেওঁ পাঠৰ ভুলটো শ্ৰেণীতে ধৰি দিয়া হলে পৰিস্থিতি বিষম হ'লহেঁতেন। *

তেনেকৈ আৰু এদিন ইন্‌স্পেক্টৰ গোস্বামীৰে সৈতে ডাইৰেক্টৰ স্মল চাহাব যোৰহাট চৰকাৰী হাইস্কুললৈ যাওক। স্কুলঘৰৰ পকা ভেটিত উঠিয়েই তেওঁলোকে খাৰঘৰীয়া বুলি এজন অসমীয়া পঢ়োৱা শিক্ষকক লগ পালে। শিক্ষকজন আছিল নৈষ্ঠিক ভকত মানুহ। মূৰত তেওঁৰ খোপা বন্ধা চুলি আৰু পৰিধানত থুৰিয়াই পিন্ধা চুৰিয়া। স্কুললৈ অহা-যোৱাৰ সময়ত পিন্ধা তেওঁৰ চোলা-চুৰিয়া সাজ পৃথক। সেই সাজ কাপোৰ বাহিৰতে সলাই থৈহে তেওঁ ঘৰ সোমায়।

খাৰঘৰীয়াই বাৰাণ্ডাতে ডাইৰেক্টৰ চাহাবক দেখি নমস্কাৰ কৰি পিছুৱাই গ'ল। চাহাবে প্ৰতিনমস্কাৰ দি কৰমৰ্দ্দন কৰিবলৈ আগুৱাই চোঁচা ললে। চাহাবৰ কৰমৰ্দ্দন এৰাবলৈ খাৰঘৰীয়া পিছুৱাই গৈ আছে। আৰু অলপ পিছুৱাই গলে খাৰঘীয়া ওখ পকা বাৰাণ্ডাৰপৰা তললৈ বাগৰি পৰিব। তাকে লক্ষ্য কৰি ইন্‌স্পেক্টৰ গোস্বামীয়ে গৈ চাহাবৰ আগত থিয় হৈ কলে—চাহাব, খাৰঘৰীয়াৰ হাত ময়লা হৈ আছে, গতিকে তেওঁ আপোনাৰ লগত কৰমৰ্দ্দন কৰিব খোজা নাই।

তাকে কৰাত দুয়ো কুল ৰক্ষা পৰিল। নহলে হয়তো কি অঘটন ঘটিলহেঁতেন কোনে জানে?

অইন এটা পৰিদৰ্শনৰ কথা। এইবাৰ ইন্‌স্পেক্টৰ গোস্বামী গৈছিল গুৱাহাটীৰ কামৰূপ একাডেমী পৰিদৰ্শন কৰিবলৈ। তাত তেতিয়া এজন নতুনকৈ এম. এ. পাছ কৰা বঙালী ভদ্ৰলোক শিক্ষক হিচাপে নিযুক্ত হৈছিল। গোসাঁইদেৱে স্কুলৰ দীঘল বাৰাণ্ডাৰে গৈ থাকি এঠাইত সম্পূৰ্ণ এটা পিৰিয়ড বাৰাণ্ডাত থিয় হৈ ভাৰপৰাই

* দিবীপ ৰায়চৌধুৰীৰ লগত এছিষ্টেন্ট ইন্‌স্পেক্টৰ হিচাপে গোসাঁইৰ ধুবুৰী চাপাঁগুৰি প্ৰাইমাৰী স্কুল পৰিদৰ্শনৰ পূৰ্বোক্ত আমোদজনক ঘটনা এই প্ৰসঙ্গত স্মৰণীয়। ২৮—২৯ পৃষ্ঠাত চাওক।

শিক্ষকৰ পঢ়োৱা ৰীতি পৰিদৰ্শন কৰিলে তাৰ পাছত অ'ত ত'ত শ্ৰেণীত সোমাই ছাত্ৰক ছুই-এটা প্ৰশ্ন কৰি পৰিদৰ্শন তেওঁ শেষ কৰিলে। পৰিদৰ্শনৰ অন্তত তেওঁ সেই ডেকা বঙালী শিক্ষকজনক তেওঁৰ ওচৰলৈ মতাই আনি আছুতীয়াকৈ লৈ কৈছিল আপুনি কলেজৰ লেকচাৰাৰ পদৰ কাৰণে চেষ্টা কৰা নাইনে? যদি নাই কৰা তেন্তে কৰা উচিত। আপুনি স্কুলৰ কাৰণে উপযোগী নহয়। স্কুলত লাগে নিজে কমকৈ কোৱা আৰু ছাত্ৰৰপৰা বেছিকৈ আদায় কৰা মানুহ। আজিৰপৰা তাকে কৰিবলৈ যত্ন কৰিব। বক্তৃতা পৰিহাৰ কৰিব। আপোনাৰ অনৰ্গল বক্তৃতা শুনি শেষৰ বেঞ্চিৰ ছুই-এটা ল'ৰা টোপনিত পৰিব খুজিছিল: আপুনি বোধকৰো গম নাপায়।

শিক্ষকজনে সিদিনাৰপৰা বক্তৃতা দিয়া অভ্যাস এৰিলে।

গোস্বামীদেৱে নৰ্মাল পাছ শিক্ষকৰ কাম বেয়া দেখিলে অতিশয় বিৰক্ত হৈ পৰিছিল। এদিন এখন স্কুল চাই এজনৰ পঢ়োৱা প্ৰণালী আৰু কাম-কাজত অসন্তুষ্ট হৈ তেওঁক অফিচলৈ মাতি আনি কঢ়স্বৰে সুধিছিল—তুমি কোন চনত নৰ্মাল স্কুলত পঢ়িছিলা? পাছ কৰিছিলা নে ফেইল মাৰিছিলা?

শিক্ষকজনে পাছ কৰিছিল বুলি কোৱাত তেওঁ অধৈৰ্য্য হৈ কৈছিল— তোমাৰ চাৰ্টিফিকেটখন মোক ঘূৰাই দিবা। সেইখন মই পুৰি পেলাম। তুমি নৰ্মাল স্কুলৰ বদনাম আনিলা।

গোস্বামীৰ স্কুল পৰিদৰ্শন আৰু চাকৰি দিয়াৰ আৰু অনেক উপভোগ্য কাহিনী আছে। যোগ্য ব্যক্তিকহে শিক্ষকতাত নিযুক্ত কৰিবলৈ তেওঁ কিন্তু সদায় সচেষ্ট আছিল।

শিক্ষা বিভাগৰ বিশেষজ্ঞ বিষয়া : (Special Officer).

নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট পদত সুদীৰ্ঘ বাৰ বছৰ কাল থকাৰ পাছত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়া আসাম প্ৰাইমাৰী শিক্ষা বিলৰ

খচৰা তৈয়াৰ কৰা আৰু অন্যান্য অনেক কামত বিশ্বজ্ঞান অসম চৰকাৰৰ শিক্ষা বিষয়ৰ বিশেষজ্ঞ বিষয়া নিযুক্ত হৈছিল। তেওঁ সেই পদবী আৰু দায়িত্বত এবাৰধৰাকৈ এবাৰ দুবাৰ নহয়, তিনিবাৰ নিয়োজিত হৈছিল। আনকি চাকৰিৰপৰা অৱসৰ লোৱাৰ পিছতো গবৰ্ণমেণ্টে তেওঁক সেই বাব দি তেওঁৰ অভিজ্ঞতালব্ধ বিশেষ জ্ঞান কাৰ্য্যক্ষেত্ৰত ব্যৱহাৰ কৰিছিল। চাকৰিৰ লগত সংশ্লিষ্ট কৰ্ত্তব্য নিয়াৰিকৈ কৰি থকা সময়তো তেওঁ নিজৰ কাম চলাই লৈ আসমৰ শিক্ষা সংক্ৰান্ত সমস্যা-বোৰলৈ বিশেষ মনোযোগ দিছিল আৰু সেই বিষয়ে নিজৰ সুচিন্তিত অভিমত প্ৰকাশ কৰি 'কলিকতা ৰিভিউ', 'মডাৰ্ণ ৰিভিউ' আদি আলোচনীবোৰত প্ৰবন্ধ লিখিছিল।

স্কুল ইন্‌স্পেক্টৰৰ চাকৰিত থকা সময়ত চৰকাৰে তেওঁক শিক্ষা বিভাগৰ বিশেষজ্ঞ বিষয়াৰ বাব দি নিব খোজাত তেওঁৰ মনৰ প্ৰতিক্ৰিয়া কেনে হৈছিল তাক তেওঁ নিজহাতে লিখি এবা 'মোৰ জীৱনৰ লক্ষ্য' (Aims of my life) বোলা এটি টোকাত এইদৰে লিপিবদ্ধ কৰা আছে—মোক প্ৰাইমাৰী শিক্ষা বিষয়া কৰি বদলি কৰিব বুলি এটা গুজব উঠিছে। বদলি কৰাত মোৰ আপত্তি নাই। কিন্তু মোৰ এটা ধাৰণা হৈছে চৰকাৰৰ আচলতে মোৰ দ্বাৰা কোনো বিশেষ গুৰুত্বপূৰ্ণ কাম কৰোৱাৰ উদ্দেশ্য নহয়, মোক কেৱল স্কুল ইন্‌স্পেক্টৰ পদৰপৰা দূৰীভূত কৰাটোহে আচল লক্ষ্য; কাৰণ এতিয়ালৈকে মই চৰকাৰে মধে-মধে দিয়া সকলো নিৰ্দ্দেশ মানি কাম কৰিব পৰা নাই। ব্যক্তিগতভাৱে তেনে বদলি মোৰ কাৰণে নিৰৰ্থক। কথাটো শুনা মই সেই বিষয়ে নিৰ্বিকাৰ। কিন্তু চৰকাৰে যদি প্ৰাইমাৰী শিক্ষা সম্পৰ্কে কাম কৰিবলৈ মোক প্ৰয়োজনীয় সা-সুবিধা একো নিদিয়ে তেনেহলে মোৰ মনেৰে মই মোৰ জাতিটোৰ কাৰণে, অসমীয়া লোকৰ হিতৰ কাৰণে ইন্‌স্পেক্টৰ হৈ থকাই ভাল; কাৰণ মোৰ বোধেৰে অসমীয়া-সকল যেন বৰ্ত্তমান সময়ত পৰিত্যক্ত আৰু নিৰাশ্ৰয় দৰে হৈ পৰিছে।

মহকুমি হলে দুই টকা বেছি পাম ; কিন্তু মোৰ জীৱনৰ এই অৱস্থাত কেই-শমান টকা কোনো কথাৰ কথা নহয়।' এছ চি. গোস্বামী।২১।৮।৪১ *

অসমৰ প্ৰাইমাৰী শিক্ষাৰ সমস্যা সম্পৰ্কে তেওঁৰ নিজৰ মতবোৰ বহুদিন পিছত ১৯৩৭ চনৰ নবেম্বৰ মাহৰ 'কলিকতা ৰিভিউ' কাকতত প্ৰকাশ হৈ ওলাইছিল। তেনেবোৰ মত আৰু আলোচনাৰ মূল্য আজিও উৰলি যোৱা নাই। তাৰে দুই-চাৰিটা তলত উল্লেখ কৰা হ'ল।

সেই সময়ৰ প্ৰাইমাৰী শিক্ষাৰ দ্বৈত শাসনলৈ আঙুলিয়াই দি তেওঁ কৈছিল—একালে লোকেলবোৰ্ড বা মিউনিচিপেলিটি, আনফালে শিক্ষা বিভাগ—এই দুই দুৰ্বলীয়া শাসনে প্ৰাইমাৰী শিক্ষাত বহুখিনি অন্তৰায় ঘটাইছে। দুই ম'হৰ যুঁজত উকৰাৰ মৰণ হোৱাৰ দৰে দুই শাসনৰ তলত শিক্ষা বিস্তাৰত বস্তুতঃ বাধা জন্মিবও লাগিছিল, কিন্তু তেনেকুৱা বাধা বা কাজিয়া দেখাদেখিকৈ উপস্থিত নোহোৱাৰ গুৰিত আছে শিক্ষাৰ প্ৰতি সকলোৰে বিপুল ধাউতি। এক শাসনৰ তললৈ নিয়াটোৱেই এনে অসুবিধাৰপৰা হাত সাৰিবৰ একমাত্ৰ উপায়। প্ৰাইমাৰী শিক্ষা হয় স্থানীয় বোৰ্ডৰ হাতত ৰাখি শিক্ষা বিষয়ত শিক্ষা বিভাগৰ বিষয়াৰ দ্বাৰা নামমাত্ৰ পৰিদৰ্শন কৰোৱাৰ ব্যৱস্থা কৰিব লাগে, নহলে, শিক্ষা বিভাগৰ হাততেই সম্পূৰ্ণকৈ ৰাখিব লাগে।

* There has been a talk to transfer me as Primary Education Officer. I do not mind the transfer. But I feel Govt do not want any serious work done, only want me to get out of Inspectorship, as I have not yet been able to do all their biddings. Personally the transfer is of no meaning to me. I am indifferent. But if Govt do not give me facility to work for Primary Education, I feel that I should better stay as Inspector for the good of my people—the Assamese. so forlorn & helpless now. On transfer I get more money. But a few hundred rupees at this stage of my life is not of much consequence to me.

S. C. Goswami
21.8.41

'মোৰ বোধেৰে প্ৰত্যেক মহকুমাতে প্ৰাইমাৰী শিক্ষা বিস্তাৰত সকলো প্ৰকাৰে চকু দিবলৈ সক সক পৃথক শিক্ষা সমিতি (এডুকেচন বোৰ্ড) কৰি দিব লাগে। প্ৰাইমাৰী স্কুলৰ ইন্‌স্পেক্টৰসকল অৰ্থাৎ ছাব-ইন্‌স্পেক্টৰসকল এই সমিতিৰ (বোৰ্ডৰ) তলৰ চাকৰিয়াল হব লাগে। এতিয়া এনেকুৱা কৰ্মচাৰীসকল চৰকাৰী চাকৰিয়াল; আৰু সেইবাবে তেওঁলোকে প্ৰাইমাৰী শিক্ষাৰ যাৱতীয় কাম চলোৱা লোকেল-বোৰ্ড-বোৰৰ কৰ্মচাৰীসকলে কটাহি নকৰে। প্ৰত্যেক মহকুমাৰ ভিতৰতে একোজনকৈ চৰকাৰী ইন্‌স্পেক্টৰ থাকিব লাগে। তেওঁ বোৰ্ডৰ স্কুলবোৰ চাই সকলোবোৰতে যাতে একে মান (ষ্টেণ্ডাৰ্ড) ৰাখি চলা হৈছে তালৈ চকু দিব আৰু শিক্ষকৰ কাৰণে তোলা বা দিয়া টকা যাতে উচিত ভাৱে ব্যয় হয় সেই বিষয়ে তত্ত্বাৱধান লব। পণ্ডিত নিয়োগ কৰা, বদলি কৰা, চাকৰিৰপৰা খেদা, দণ্ড দিয়া, স্কুলৰ সাজ-সৰঞ্জাম অনা ইত্যাদি কামত-তেওঁ কোনো প্ৰকাৰে হস্তক্ষেপ নকৰিব। এইবোৰ কাম সমিতিয়ে (বোৰ্ডে) কৰিব।

'প্ৰাইমাৰী স্কুল ক'ত কিমানখন হব লাগে, কেনেকুৱাকৈ কি অৱস্থাত প্ৰাইমাৰী স্কুলৰ সংখ্যা বঢ়াব বা টুটাব লাগে—সেয়ে হৈছে দ্বিতীয় সমস্যা। আমাৰ প্ৰাইমাৰী স্কুলবোৰ কেনেকৈ হৈ আহিল তাৰ ইতিহাস খেলিমেলিপূৰ্ণ। য'তে দুই এজন শিক্ষিত আৰু প্ৰতিপত্তিশালী মানুহ আছে তাতেই প্ৰাইমাৰী স্কুল এখন স্থাপন কৰি লৈ লোকেলবোৰ্ডক ধৰি গ্ৰাহ্য কৰোৱা হয়। তাৰ ফলত য'ত স্কুল আছে ত'তেই হয়তো ওচৰা-উচৰিকৈ কেইবাখনো স্কুল গঢ়ি উঠিছে, অথচ য'ত ক্ষমতাপন্ন মানুহ নাই, অথচ স্কুলৰ খুব আৱশ্যক তাত এখনো নাই। কাজে কাজেই শিক্ষাৰ পোহৰ য'ত পৰা নাই তাত পোহৰ দিবলৈ কোনো বন্দৱস্ত নাই। এই অৱস্থাত, স্কুলবোৰৰ সংখ্যা, অৱশ্যকতা আদি পৰীক্ষা কৰি য'ত ওচৰা-উচৰিকৈ কেইবাখনো প্ৰাইমাৰী স্কুল আছে, সেইবোৰ একেলগ কৰি স্কুলৰ সংখ্যা কমাই স্কুল নথকা ঠাইত স্কুল পাতি দিব লাগে। অৱশ্যে এই কামত বহুতৰ বিৰক্তিভাজন হব লাগিব, তাত সন্দেহ নাই।

'ইয়াৰ পিছতে আৰু এটা সমস্যা আছি পৰে। সেয়ে হৈছে ছাত্ৰৰ উপস্থিতিৰ গড়। আমাৰ দেশৰ বেছিভাগ ল'ৰাই স্কুলত নপঢ়ে। যিকেইজনে পঢ়িবলৈ আৰম্ভ কৰে সিহঁতৰো অনেকে প্ৰাইমাৰী স্কুলৰ শিক্ষা (কোৰ্চ) শেষ কৰিবলৈ নাপায়। স্কুললৈ যাবলৈ ধৰা শতকৰা ৭০ জন ল'ৰাই প্ৰাইমাৰী শেষ নকৰে। ফলত শিক্ষক আৰু বাইজৰ অনেক চেষ্টা বিফলে যায়। স্কুল এৰা ল'ৰাবোৰ অশিক্ষিত হৈ থাকে। ইফালে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচাৰ কৰাৰ পথতো দুৰ্লঙ্ঘ্য অন্তৰায় আছে। এনে অৱস্থাত এটা উপায় আছে। ল'ৰা স্কুলত দিবলৈ সকলো অভিভাবকক বাধ্য কৰাব নালাগে; কিন্তু যিসকলে স্কুলত এবাৰ ল'ৰাৰ নাম লগাই দিয়ে, তেওঁলোকক এনেভাৱে বুজাই-বৰাই মান্তি কৰাব লাগে যাতে ল'ৰাই প্ৰাইমাৰী পৰীক্ষা পাছ নকৰালৈকে তেওঁলোকে সিহঁতক নেকৰায়। ইয়াৰ কাৰণে সাধাৰণ ৰকমৰ কিবা এটা আইন কৰি লোৱাও বোধকৰো ভাল হব।

'শিক্ষাদানতো আমাৰ স্কুলবোৰত এটা বিশেষ অসুবিধা আছে। একোজন শিক্ষকে একে সময়তে কেইবাটাও শ্ৰেণী চলাব আৰু পঢ়াব লাগে। ট্ৰেইনিং নথকা শিক্ষকৰপৰা এনে অৱস্থাত বৰ বেছি আশা কৰা টান হৈ পৰে। গতিকে বহুশ্ৰেণী শিক্ষা-প্ৰণালীত শিক্ষকক ট্ৰেইনিং দিয়াবলৈ যত্ন কৰিব লাগে।

'নতুন স্কুল সোপাসোপে বঢ়াই দিয়াতকৈ ভাল শিক্ষকৰ সংখ্যা বঢ়োৱাটোলৈহে বেছি লক্ষ্য ৰখা আৰু সেই বিষয়ত খৰচ কৰা উচিত হব। তাৰ মানে যে স্কুলৰ সংখ্যা একেবাৰে বঢ়াব নালাগে এনে নহয়; অন্ততঃ প্ৰত্যেক গাঁৱতে একোখনকৈ স্কুল হওক, মোৰ এয়ে অভিলাষ।

'স্কুলবোৰৰ অৱস্থা ভাল কৰাটোও অন্য এটা সমস্যা। লোকেল-বোৰ্ডবোৰে তাৰ কাৰণে বিশেষ যত্ন নকৰিলে নহব। গাঁৱৰ মূৰত আটাইতকৈ অযত্নত থকা ঘৰটোৱেই আমাৰ স্কুল ঘৰ। ই বৰ পৰিতাপৰ কথা। এনেকুৱা স্কুল ঘৰলৈ ছাত্ৰৰ কি শ্ৰদ্ধা বা আগ্ৰহ হব পাৰে?

'ৰেকাৰ্ড ৰিপোৰ্টৰপৰা পোৱা যায় যে আমাৰ অলপ শিক্ষা পোৱা মানুহবোৰেও দিন গৈ থকাৰ লগে লগে সেইখিনি পাহৰি পেলায় আৰু অশিক্ষিতৰ শাৰীত উঠে। ইয়াৰ একমাত্ৰ কাৰণ এই যে স্কুল এৰাৰ লগে লগে আমাৰ ল'ৰাই কিতাপ নাইবা কোনোপ্ৰকাৰৰ লেখা-পঢ়াৰ লগত সম্বন্ধ নাৰাখে; কাৰণ পঢ়িবলৈ কিতাপ নাইবা কাকত নাই। যি দুই-এখন কিতাপ বা বাতৰি কাকত আছে সিও হয়টো বেছি মূল্যৰ নাইবা নীৰস। গতিকে কম মূল্যৰ আৰু বিবিধ বিষয়ৰ আমোদজনক পুস্তিকা আৰু বাতৰি কাকত প্ৰকাশ—শিক্ষা বিস্তাৰৰ অন্য এটা উপায়। চলন্ত পুথি-ভঁৰাল আৰু উপযুক্ত ঠাইত গাঁৱলীয়া পুথি-ভঁৰাল স্থাপনে এই সমস্যাৰ বহুখিনি সমাধান কৰিব পাৰে।'

কোৱা বাহুল্য যে গোসাঁইদেৱে উল্লেখ কৰা চলন্ত পুথি-ভঁৰাল তেওঁৱেই প্ৰথমে শিক্ষকসকলৰ মাজত উলিয়াইছিল আৰু বহুদিনলৈ ই গাঁৱে-ভূঞে সকলো মানুহৰ মনত এটা আলোড়নৰ সৃষ্টি কৰিছিল। তেনেকৈ ওপৰত উল্লিখিত বহুশ্ৰেণীৰ শিক্ষা-প্ৰণালীও মূলতঃ তেওঁৰে উদ্ভাৱনা।

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ উদ্যোগ:

অসমৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপন শৰৎচন্দ্ৰ গোস্বামীৰ জীৱনৰ শেষ উদ্যম আছিল। ই আছিল বহুতৰে দৰে তেওঁৰো জীৱনৰ বহুদিনীয়া এটা সঞ্চিত সপোন চাকৰিৰপৰা অৱসৰ পাই তেওঁ পোনতে জয়ন্তী আলোচনীত গুৱাহাটী বিশ্ববিদ্যালয় শিতানত একাদিক্ৰমে এলানি প্ৰবন্ধ লিখিছিল। অসম বিশ্ববিদ্যালয় সম্পৰ্কে বহুতেই সেই সময়ত নিজ নিজ অভিমত আৰু পৰিকল্পনা কাকতে-পত্ৰই দাঙি ধৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে আনকি বিশ্ববিদ্যালয়ৰ পৰিকল্পিত গৃহ-নিৰ্মাণ চিত্ৰ পৰ্যন্ত অংকন কৰিছিল। সেই বিষয়ে গোসাঁইৰ নিজা মত আছিল এই যে অসম বিশ্ববিদ্যালয় অসমৰ

কাৰণেই হব লাগিব। সেইবুলি কলিকতা বিশ্ববিদ্যালয়ৰ লগত সম্বন্ধ বিচ্ছেদ কৰা তেওঁৰ লক্ষ্য নাছিল। তেওঁৰ মতে অসম বিশ্ববিদ্যালয় আৰু কলিকতা বিশ্ববিদ্যালয় এখন আনখনৰ পৰিপূৰক হিচাপে থাকিব। বিজ্ঞান বিষয়ৰ গৱেষণা কলিকতা বিশ্ববিদ্যালয়ত সুন্দৰভাৱে হৈ আছে। তাৰ বাবে আৱশ্যকীয় সা-সঁজুলিও তাত আছে। গতিকে তাতেই হৈ থাকক। অসমত ভাষা-বিজ্ঞান, ঐতিহাসিক অনুসন্ধান, উদ্ভিদ বিদ্যাৰ গৱেষণা চৰ্চা আদিৰ সুন্দৰ সুবিধা আছে। গতিকে অসম বিশ্ববিদ্যালয়ত এইবোৰ বিষয়ৰ গৱেষণা চলাব লাগে। অসম বিশ্ববিদ্যালয়ত অসমীয়া জাতিৰ ভাষা, কৃষ্টি, সভ্যতা, সংস্কৃতি আদিৰ বৈশিষ্ট্য প্ৰতিপন্ন কৰি সেইবোৰৰ সংৰক্ষণ আৰু উন্নতিৰ কাৰণে যত্ন লব লাগে। সেই কাৰণেই অসমত প্ৰতিষ্ঠা কৰিব খোজা বিশ্ববিদ্যালয়ৰ তেওঁ নাম দিছিল 'গুৱাহাটী বিশ্ববিদ্যালয়'। সেয়ে নহৈ 'অসম বিশ্ববিদ্যালয়' নাম হ'লে তাত শ্ৰীহট্টীয়ো (তেতিয়া শ্ৰীহট্ট অসমতে আছিল) শ্ৰীহট্টৰ ভাষা, কৃষ্টি, ইতিহাস আদি চৰ্চাৰ কাৰণে দাবী-দাওৱা কৰিব পাৰে—এয়ে আছিল তেওঁৰ আশংকা আৰু এয়ে আছিল তেওঁৰ পৰিকল্পিত অসম বিশ্ববিদ্যালয়ৰ থূলমূল আঁচনি।

১৯৪৪ চনত অসম বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে আন্দোলনৰ যি প্ৰবল জোৱাৰ উঠিছিল তাৰ গুৰিয়াল আৰু গতিনিৰ্দেশকসকলৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামী আছিল অন্যতম। তেওঁক প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ট্ৰাষ্ট বোৰ্ডৰ সম্পাদক নিযুক্ত কৰা হৈছিল। সেই চনৰে ২৯ ডিচেম্বৰত গুৱাহাটীত বহা ইউনিভাৰ্চিটি কনভেনচনখনৰ আহ্বায়ক-সচিব (চেক্ৰেটাৰী) আছিল তেওঁ নিজে। পিছে বিধাতাৰ নিকৰুণ বিধানত তেওঁ তাত উপস্থিত হবলৈকে নাপালে: ইয়াকে কয়—'আলচা কাৰ্য্য নহয় সিদ্ধি, বাটত আছে কণা বিধি।' তেওঁ ইতিমধ্যে স্বৰ্গী হ'ল।

গোস্বামীদেৱৰ আকস্মিক মৃত্যু:

সেই বছৰতে (১৯৪৪ চন) উদয়পুৰত 'হিষ্টৰিকেল ৰেকৰ্ডছ কমিছন'ৰ বৈঠক বহিছিল। অসম চৰকাৰে শৰৎচন্দ্ৰ গোস্বামীক

তাত অসমৰ প্ৰতিনিধিৰ কৰিবলৈ দায়িত্ব দিছিল। তদনুসাৰে তেওঁ নবেম্বৰ মাহৰ ২৭ তাৰিখে উদয়পুৰলৈ যাত্ৰা কৰে। লগত গৈছিল তেওঁৰ সহধৰ্মিণী ভুবনেশ্বৰী দেৱী, এটা পুৰাণ লগুৱা আৰু জনাৰ্দ্দন দেৱালয়ৰ দলৈ গোপাল চন্দ্ৰ শৰ্মা। এই যাত্ৰাত দক্ষিণ আৰু পশ্চিম ভাৰতৰ কেইখনমান বিখ্যাত তীৰ্থস্থান দৰ্শন কৰাটোও আছিল তেওঁলোকৰ উদ্দেশ্য।

তেওঁলোক যাওঁতে বাটত কলিকতাত দুদিন আৰু দিল্লীত তিনি দিন থাকি যায়। তাৰ পাছত সন্মিলনৰ নিৰ্দ্দিষ্ট দিনলৈ যথেষ্ট সময় থকা দেখি তেওঁলোকে জয়পুৰ আৰু আজমীৰত সোমাই সেইবোৰ ঠাই দৰ্শন কৰে।

আজমীৰৰপৰা ত্ৰিশ মাইল দূৰত পুৰাণ-প্ৰসিদ্ধ পুষ্কৰ হ্ৰদ। গোসাঁইদেৱে তাত স্নান-তৰ্পণ কৰি নিয়মানুসাৰে চৈধ্য পুৰুষৰ পিণ্ড দান কৰে। সেই সুযোগতে তেওঁ তেওঁৰ মৃত ইষ্ট-মিত্ৰ, আত্মীয় স্বজন, বন্ধু-বান্ধৱ, চাকৰ-বাকৰ, যাৰে নাম মনত পৰিছিল তেওঁৰ নামেই খৰচ ভৰি পিণ্ড দান কৰিছিল।

ইয়াৰ পাছত, ওচৰ-পাঁজৰৰ ঠাইবোৰ চোৱা হ'লত তেওঁলোকে উদয়পুৰৰ ঐতিহাসিক সন্মিলনলৈ যাত্ৰা কৰিলে। এই সন্মিলনত গোসাঁইদেৱে 'উমানন্দ দেৱালয়লৈ বাদছাহ আউৰঙ্গজেবৰ ভূমিদান' শিতানৰ এটি প্ৰবন্ধ পাঠ কৰে। প্ৰবন্ধটোৱে শ্ৰোতাৰ ঔৎসুক্য জগাই প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল।

উদয়পুৰ সন্মিলন শেষ কৰি ১৩ ডিচেম্বৰ তাৰিখে গোসাঁইদেৱ দলেবলে আহি দিল্লীত উপস্থিত হয়। দিল্লীত তেওঁলোকক কেইবা ঠাইতো কেইবাজনেও আলহী থাকিবলৈ নিমন্ত্ৰণ কৰিছিল।

প্ৰসঙ্গক্ৰমে ইয়াতে উল্লেখ কৰিব পাৰি যে গোস্বামী ডাঙৰীয়া আৰু ইন্‌স্পেক্টৰ (পিছত ডাইৰেক্টৰ) স্মল চাহাব দুয়ো স্কাউটৰ নায়ক আছিল আৰু দুয়ো ছাত্ৰসকলৰ মাজত স্কাউটিঙৰ প্ৰশিক্ষণ দিছিল। সেইদেখি উদয়পুৰলৈ যাওঁতে দিল্লীৰ স্কাউটসকলেও আতিথ্যদান কৰিবলৈ



স্কাউটিগুত শরৎচন্দ্র গোস্বামী (৬৬ পৃঃ)

গোস্বামী আৰু তেওঁৰ সঙ্গীসকলক বৰকৈ ধৰিছিল, আৰু এবাৰ নোৱাৰি তেওঁলোকেও স্কাউটসকলৰ অনুৰোধ ৰক্ষা কৰিছিল। উভতি আহোঁতে এইবাৰো তেওঁলোকে যাত্ৰীসকলৰ চাৰিজনীয়া দলটোক তেওঁলোকৰে অতিথি হবলৈ সনির্বন্ধ অনুৰোধ কৰিছিল; কিন্তু ৰেল-ষ্টেচনৰপৰা তেওঁলোকৰ কাৰণে নির্দ্দিষ্ট কৰি থোৱা থকা-ঠাই কিছু দূৰ হোৱা কাৰণে এইবাৰ তেওঁলোক তালৈ যাবলৈ সন্মত নহ'ল।

ইফালে সেই একে সময়তে হৰিজন সেৱক সঙ্ঘৰ সভাপতি ঠক্কৰ বাপাই বিৰলা ভৱনৰ অতিথি শালাত (গেষ্ট হাউছত) তেওঁ-লোকৰ কাৰণে আটোমটোকাৰি দুটা কোঠালি আচুতীয়া কৰি ৰাখিছিল। কিন্তু সেই আলহী-ঘৰো আছিল ৰেল-ষ্টেচনৰপৰা যথেষ্ট দূৰত। সেই কাৰণে তেওঁলোক তালৈকো নগ'ল।

সেই সময়ত দিল্লীত থকা গোসাঁইদেৱৰ আত্মীয় দুলাল চন্দ্ৰ বৰুৱাই তেখেতৰ ঘৰত আলহী হবলৈও গোসাঁইদেৱক বৰকৈ খাতি পঠিয়াইছিল। শেষত গোসাঁই এইবোৰ ক'লৈকো নগৈ পোনে-পোনে ষ্টেচনৰ ওচৰতে থকা হোটেল এটাত উঠিলগৈ।

পিছদিনা পুৱা খবৰ পাই দুলাল বৰুৱা নিজে তেওঁলোকক বিচাৰি হোটেলত ওলালহি আৰু তেওঁলোকক তেওঁৰ ঘৰলৈ নোযোৱা কাৰণে খং কৰিলে। নিৰুপায় হৈ হোটেল এৰি তেওঁলোক সেই দিনাই বৰুৱাৰ ঘৰলৈ যাবলৈ বাধ্য হ'ল। বৰুৱাৰ তালৈ পোনে পোনে নোযোৱাৰ আই কাৰণ আছিল, উদয়পুৰতে গোসাঁনীৰ দুখুৱা জ্বৰ আৰু কাহ হৈছিল। সেই অসুখ তেতিয়াও ভাল হোৱা নাছিল। এনে অৱস্থাত দলেবলে গৈ আনক আমনি দিয়া উচিত নহয় বুলি ভাবি গোসাঁয়ে বৰুৱাৰ ঘৰলৈ যোৱাৰ ভাব পৰিহাৰ কৰিছিল; কিন্তু শেষত বৰুৱাদেৱৰ আগ্ৰহাতিশয্য দেখি নগৈ নোৱাৰিলে।

১৯৪৪ চনৰ ১৪ ডিচেম্বৰৰ দিনা গৈ তেওঁলোক দুলাল বৰুৱাৰ ঘৰত আলহী হ'ল; আৰু নিজৰ ঘৰত থকাদি মহা আৰামত থাকিবলৈ ললে। ১৫ তাৰিখে গোসাঁইদেৱে দিল্লীৰ স্কাউটবিলাকৰ অনুৰোধ

উপেক্ষা কৰিব নোৱাৰি তেওঁলোকৰ এখন সভাত গৈ আনুষ্ঠানিকভাৱে 'বেঁজ' বিলাইছিল, আৰু সেই ব্যক্তিয়েই তেওঁলোকে মঞ্চস্থ কৰা এখন থিয়েটাৰো চাবলৈ গৈছিল।

পিছ দিনাখন, ১৬ তাৰিখে খবৰ পোৱা গ'ল যে ১৯ তাৰিখৰ আগতে তেওঁলোকে ছাওৱালৈ ৰেলৰ টিকট নাপায়। গতিকে সেই তাৰিখলৈকে তেওঁলোক তাতে থাকিবলগীয়া হ'ল।

১৭ ডিচেম্বৰৰ দিনা ৰাতিপুৱা পাঁচ বজাতেই উঠি গোসাঁইদেৱে দলৰ এলাহাবাদলৈ যাবৰ কাৰণে পা-পইচা দি পঠালে। তাৰ পাছত আন দিনাৰ দৰে সিদিনাও তেওঁ আঠমান বজাতেই গা-পা ধুই, চাহ-জলপান খাই উঠিল। লগত নিয়া লগুৱাটোৰ হাতত অকণমান কিবা ঘা হোৱাৰ কাৰণে তেওঁ তালৈ নেৰি নিজেই তিওৱা চুৰিয়া চেপি ৰ'দত মেলি দিলে। এনেতে তেওঁ বাওঁ হাতখন অলপ জিন্ জিনোৱা যেন অনুভৱ কৰিলে।

হাত-ভৰি জিন্‌জিনোৱা একো অস্বাভাৱিক নহয়। সময়ে সময়ে সকলোৰে তেনেকুৱা হয়। তাৰ বাবে চিন্তা কৰিবলগীয়া একো নাই। গোসাঁইদেৱেও তালৈ একো ভ্ৰূক্ষেপ নকৰিলে। তেওঁ ভিতৰলৈ সাজ সলাবলৈ গ'ল। সদায় তেওঁ স্নান কৰে, সিদিনাও কৰিলে।

তাৰ ক্ষন্তেক পাছতেই 'গাটো বেয়া লাগিছে' বুলি তেওঁ পত্নী আৰু ছুলাল বৰুৱাক তুৰন্তে ওচৰলৈ মাতিলে। ছুয়ো আহিল আৰু ততালিকে তেওঁক বিচনাত শুৱাই দিলে। বৰুৱাই তেতিয়াই তৎক্ষণাৎ এজন ডাক্তৰ বিচাৰি গ'ল। উভতি আহিবলৈ নৌ পাওঁতেই সেইখিনি সময়ৰ ভিতৰতে গোসাঁয়ে গোসাঁনীৰ ফালে সজল দৃষ্টি নিক্ষেপ কৰি ওঁঠত এটি ক্ষীণ হাঁহিৰে গোসাঁনীক বিদায় সম্ভাষণ শুনালে। ডাক্তৰ লগত লৈ ঘূৰি আহি বৰুৱাই গোসাঁইদেৱৰ মুখৰ মাত মাতালে। বিচনাত শুৱাই দিয়াৰপৰা প্ৰায় আধাঘণ্টা মানলৈ তেওঁৰ মাত-কথা ঠিক আছিল। তাৰ পাছত ক্ৰমে মাত বন্ধ হৈ আহিল আৰু শৰীৰৰ অৱস্থা 'মোহোৰা' হ'ল।



শেষ শয়নত শৰৎচন্দ্ৰ গোস্বামী

বৰুৱাৰ সৰহ হুৰাহুৰা লাগিল। ততালিকে চাৰিওফালে টেলিগ্ৰাম কৰা হ'ল। শিলঙত থকা জোঁৱায়েক গকুল গোস্বামীলৈ আৰু চিমলাত থকা ভতিজাক প্ৰমোদ গোস্বামীলৈ প্ৰথমে টেলিগ্ৰাম কৰা হ'ল।

গোসাঁনীৰ কথামতে দুলাল বৰুৱাই আৰু দুজন ডাক্তৰ আৰু এজনী নাৰ্চ আনালে। খবৰ পাই হৰিজন সভাৰ চেক্ৰেটাৰী শ্যামলাল আৰু দিল্লীৰ স্কাউট মাষ্টৰ ভাটনগৰ গোসাঁইক চাবলৈ আহি আছিল। শ্যামলালৰ মুখে ডাক্তৰ বিধান ৰায় সেই সময়ত দিল্লীত থকা বুলি শুনি তেখেতলৈও মানুহ পঠোৱা হ'ল। ডাক্তৰ ৰায় আহিল। তেখেতক দেখা পাই সেই সময়ত সকলোৰে মুখত আশাৰ আভা বিৰিঙি পৰিছিল। কিন্তু বিধাতাৰ বিধানক বাধা দিবৰ সাধ্য আছে কাৰ? অনেক যত্ন কৰিও ডাক্তৰসকলে গোসাঁইদেৱৰ চেতনা ঘূৰাই আনিব নোৱাৰিলে। এইদৰে অজ্ঞান অৱস্থাতে পৰি থাকি সকলোকে কন্দুৱাই গোসাঁইদেৱে ১৯৪৪ চনৰ ১৯ ডিচেম্বৰৰ নিশা আঠ বজাত মৃত্যু-দেৱতাৰ শীতল কোলাত চিৰশান্তি লাভ কৰিলে।

হৰিজন সভাৰ ঠক্কৰ বাপা সেই সময়ত চিমলাত আছিল। প্ৰমোদ গোস্বামী ১৯ তাৰিখে চিমলাৰপৰা [illegible] আহি কোনোমতে গোসাঁইদেৱক দেখিছিল। গকুল গোস্বামী সেই দিনাই শিলঙৰপৰা ওলাল যদিও তেওঁ তেওঁক দেখিবলৈ নাপালে।

গোসাঁইদেৱৰ মৃত্যু সম্বন্ধে এটা আচৰিত কথা এইটো যে তেওঁ দিন নিৰ্দ্ধাৰণ কৰি নিমন্ত্ৰণি দি যোৱাৰ দৰে ঠিক তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিনাই গুৱাহাটী ইউনিভাৰ্চিটিৰ কনভোকেচনৰো দিন পৰিছিল আৰু তদনুযায়ী তেওঁ নিমন্ত্ৰণ কৰি যোৱা কনভোকেচনৰ আৰম্ভণিতে গোটেইে তেওঁৰ পুণ্য স্মৃতিৰ তৰ্পণ কৰিবলৈ পাইছিল।

অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি, কামৰূপ সংস্কৃত সঞ্জীৱনী সভা আদি অনুষ্ঠানৰ সম্পৰ্কত

যোৰহাট সাহিত্য সভা :

১৯১২ চনৰ জানুৱাৰী মাহত শৰৎচন্দ্ৰ গোস্বামী যোৰহাটত ডেপুটী ইন্‌স্পেক্টৰ হিচাপে কামত যোগদান কৰিলেগৈ। তেওঁ তাত তেওঁৰ লগ-সমনীয়া বন্ধু কেইবাজনো পালে প্ৰধ'নকৈ কুলধৰ চলিহা আৰু দুৰ্গেশ্বৰ শৰ্মাক। বয়সত তেওঁতকৈ অলপ ডাঙৰ হলেও চন্দ্ৰধৰ বৰুৱা আৰু দেৱেশ্বৰ চলিহাৰ লগতো সাহিত্য আলোচনাৰ মাজেদি তেওঁৰ বিশেষ বন্ধুত্ব গঢ় লৈ উঠিল। ক্ৰমে ক্ৰমে তেওঁৰ দেৱেন্দ্ৰনাথ বেজবৰুৱাৰ লগতো সাহিত্য চৰ্চ্চাৰ সূত্ৰেই ঘনিষ্ঠ সম্পৰ্ক ঘটিল।

সেই সময়ত উজনি-নামনিৰ ভাষা লৈ 'বাঁহী' আৰু 'আসাম বান্ধৱ' আলোচনী দুখনৰ মাজত থৈয়া-নথৈয়া লেখনী-যুদ্ধ লাগি আছিল। সেয়ে গোটেই দেশখনতে এটা অবাঞ্চনীয় উত্তপ্ত পৰিবেশৰ সৃষ্টি কৰিছিল। গোস্বামীয়ে সেই বিষয়ে নিজে লিখিছে—'মোৰ সদায় ইচ্ছা আছিল যে আমি এখন সাহিত্য সভা পাতি অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সবিশেষ যত্ন কৰো; আৰু উজনীয়া-ঢেকেৰী ভাষাৰ মাজত হোৱা বিবাদটো মাৰি 'তেতিয়াৰ অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰো : × × × এইদৰে এখন বলী আৰু কামিলা সভা পাতি অসমীয়া ভাষাৰ সংকীৰ্ণতা দূৰ কৰি তাক অকল অসম উপত্যকাৰে

নহয়, পৰ্বতীয়া জিলা কেইখনৰো সৰ্বজনগ্ৰাহ্য ভাষা কৰি তুলিবলৈ মোৰ মনটোত বৰ ব্যাকুলতা আছিছিল। বন্ধুসকলক ইয়াৰ বোৰ কথা কোৱা নাছিলো। কিন্তু এখন সভা পাতিব লাগে, এনে কথা কলো। আলোচনাও কৰিলো।' *

গোস্বামীয়ে তেনে এটা বিষয় তেওঁৰ বন্ধুসকলৰ লগত আলচ কৰোঁতে তেওঁলোকৰ দুই-এজনে পোনাতে অঃ ভাঃ উঃ সা (অসমীয়া ভাষা-উন্নতি সাধিনী) সভাখনকে ভাল কৰি তুলি লবলৈ পৰামৰ্শ দিছিল। তেওঁ কিন্তু অঃ ভাঃ উঃ সা সভাৰ কাৰ্য্য-প্ৰণালী পৰীক্ষা কৰি চাই তাক মানোমত নাপালে। তাৰ থাই কাৰণ—ভাষা সম্পৰ্কত এই সভা আছিল পৰম্পৰাগতভাৱে গোড়া ধৰণৰ আৰু নিকাপন্থী। সাতে-সতৰে বহুত আলোচনা-বিলোচনাৰ অন্তত এখন স্থকীয়া সাহিত্য সভা পতাটোৱেই স্থিৰ হ'ল। গোস্বামীদেৱৰ ভাষাত কবলৈ হলে— এনেকৈয়ে আমি পোনতে যোৰহাটত এখন যোৰহাট সাহিত্য সভা পাতিবৰ দিহা কৰিলো। সম্পাদক হিচাপে মৱেই সকলো লেঠা গাত লৈ যোৰহাট সাহিত্য সভাৰ প্ৰথম অধিবেশন আৰম্ভ কৰিলো। × × যিমানদূৰ মনত পৰিছে—যোৰহাটৰ এই প্ৰথম সাহিত্য সভাত ৺দেৱীচৰণ বৰুৱা আছিল সভাপতি। দেৱীচৰণ বৰুৱা এক কথাৰ মানুহ আছিল। কাকো হিংসা-কুচুট নকৰিছিল। অনাহকতে কোনো মানুহৰ লগত সংশ্ৰৱ নাৰাখিছিল। অথচ তেখেতৰ মনত বিশ্বাস উৎপাদন কৰিব পাৰিলে সকলো ভাল কামত তেখেতে সহায় কৰিছিল। মিটিংখন হৈছিল বিষ্ণুৰাম হলত। মই 'কিবাকিবি বিষয়ৰ ৰচনা' নাম দি সেই সময়ৰ অসমীয়া ভাষা আৰু লেখকসকলক মৃদু ব্যঙ্গ কৰি এটা প্ৰবন্ধ পাঠ কৰিছিলো। তাত যোৰহাটৰ গণ্যমান্য সকলোবিলাক লোক উপস্থিত আছিল। শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱাই মোৰ ৰচনাৰ আচল উদ্দেশ্যটো উপলব্ধি কৰি ৰচনাখনৰ ভাল প্ৰশংসা কৰিছিল। ইবিলাকেও ভাল বুলিছিল।

---

* অসম সাহিত্য সভা পত্ৰিকা ; ২য় ৪থ সংখ্যা ; ১৮৭৪ শক

'সেই দিনাবেপৰা যোৰহাট সাহিত্য সভা স্থাপিত হ'ল, আৰু মাহে মাহে এই সভাৰ অধিবেশন বহিবলৈ আৰম্ভ কৰিলে।' মোৰ মনত আছে, প্ৰথম যোৰহাট সাহিত্য সভা বহাৰ দিনা গধূলি মোৰ ঘৰত পাঠা এটা মাৰি ভাত খাইছিলো। আড্ডাখন গধীৰ হৈছিল। আমি পাঁচ জনমান খাবলগীয়া হৈছিল। যোৱা সকল আছিল— শ্ৰীযুত কুমুদেশ্বৰ চলিহা, ৺ দেবেশ্বৰ চলিহা শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা আৰু এজন-দুজন। এতিয়া মই নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট। এতিকে ১৯১৫ ইংৰাজী চনৰ এপ্ৰিল মে' মাহ হব।

'ইয়াৰ পাছত যোৰহাট সাহিত্য সভা বেছ বল দি উঠিল। মই University Extention Lectures অৰ দৰে কেই ছিবিজমান বক্তৃতা (Lectures) বন্দবস্ত কৰিলো। ইয়াত শ্ৰীদুৰ্গেশ্বৰ শৰ্মাই সৰল জ্যোতিষ, শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱাই 'ভূতত্ত্ব', শ্ৰীগোলোকচন্দ্ৰ বৰুৱাই 'এড়ি, মুগা, পাট' আৰু মই 'শিক্ষা-বিচাৰ'—এই বিষয়কেইটা ক্ৰমিক হিচাবত ব্যাখ্যা কৰিছিলো। মোৰ বক্তৃতাকেইটা পাছত 'শিক্ষা-বিচাৰ' নাম দি ছপালো। ইকেইজন বন্ধুৱে এতিয়াও একো কৰা নাই। মই সকলোটিকে কৈ আছো।

'যোৰহাট সাহিত্য সভাৰ কাম কেইমাহমান চলাৰ পাছত (১৯১৫ চনৰ জুলাই মাহত *) তেতিয়াৰ অসম উপত্যকাৰ কমিচনাৰ কৰ্ণেল গৰ্ডনৰ (Col. P. R. T. Gurdon) সভাপতিত্বত যোৰহাটত বহুতো স্থল-শিল্পাদিত উৎসাহ-অনুপ্ৰেৰণা যোগাবৰ উদ্দেশ্যে চৰকাৰ পক্ষৰপৰা এখন মুকলি সভা আৰু বাণিজ্যিক পৰ্য্যায়ৰ প্ৰদৰ্শনী পাতে। সেই সভালৈ নিমন্ত্ৰণ পাই সেই সময়ৰ অসমৰ প্ৰায় সকলো গণ্য-মান্য লোকেই আহিছিল।'

এই আপাহতে 'অসম সাহিত্য সভা স্থাপনৰ পূৰ্বকথা' শিৰোনামত সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকাই লিখিছে— 'সেই উপলক্ষে যোৰহাটলৈ যোৱা অসমৰ বিভিন্ন স্থানৰ মুখিয়াল লোকসকলে বিক্ৰমাম

* ড° মহেশ্বৰ নেওগৰ Annals of Asam Sahitya Sabha, পৃষ্ঠা ৬

হলত সেইটোৱেই প্ৰথম অসমীয়া সাহিত্য সভা...... পাতিবলৈ কুকং-কাবাং কৰিছিল। মেঘে গাজিলে, কিন্তু বৰষুণ নহ'ল। সেই চনতে গুৱাহাটীৰ অ. ভা: উ: সা: সভাৰ এক বৈঠকত অধ্যাপক পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়ে 'অসম সাহিত্য সম্মিলন' এখন গঠন কৰি তাৰপৰা "বঙ্গীয় সাহিত্য সম্মিলন"লৈ প্ৰতিনিধি পঠোৱৰ বাবেও এটা প্ৰস্তাৱ দিছিল। পিছে, বাইকৈ প্ৰধান সাহিত্যিকসকলৰ বিৰো-ধিতাত সেই প্ৰস্তাৱো ফুটুকাৰ ফেন হৈ উৰি গ'ল।' *

এই বিষয়ে বহ্নুকান্ত বৰকাকতীদেৱে কৈছে – '১৯১৫ খৃষ্টাব্দৰ জুলাই মাহত "মই কটন কলেজৰ প্ৰথম বাৰ্ষিকত ভৰ্ত্তি হওঁ। তাৰ অলপ আগতে কটন কলেজৰ সংস্কৃতৰ প্ৰফেছৰ পদ্মনাথ ভট্টাচাৰ্য্য মহাশয়ৰ অনুগ্ৰহত ১৯১৫ খৃষ্টাব্দত বৰ্দ্ধমানৰ বঙ্গীয় সাহিত্য সম্মিলনলৈ 'ময়ো হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰনাথ শৰ্মা আৰু সৰ্বেশ্বৰ কটকীৰে সৈতে ছাক কমচেকন' টিকতত ডেলিগেট হিচাবে যাবলৈ সুবিধা পাওঁ। সেই বৰ্দ্ধমান সাহিত্য সম্মিলন দৰ্শনৰ ফলত মই, চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকা ৰায়চৌধুৰী—এই তিনিজনৰ যুটীয়া যত্নৰ ফলতে অসম সাহিত্য সম্মিলনকো জন্ম হ'ল বুলিব লাগে। আমাৰ কল্পনা-গৰ্ভস্থ অসম সাহিত্য সভা শিৱসাগৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত ১৯১৭ চনত ভূমিষ্ঠ হ'ল।' (বহ্নুকান্ত বৰকাকতী গদ্যসম্ভাৰ—আত্মবাণী)

অসম সাহিত্য সভা স্থাপনৰ কাৰণে চাৰিওকালে সেই সময়ত কেনে এটা পৰিবেশৰ সৃষ্টি হৈছিল আৰু তাত শৰৎচন্দ্ৰ গোস্বামীদেৱে কি অংশ গ্ৰহণ কৰিছিল তাৰে এটি আভাস দিবৰ কাৰণেহে উপৰোক্ত কথাখিনি দাঙি ধৰা হ'ল। কমিছনাৰ গৰ্ডন চাহাবৰ উপস্থিতিৰ সুযোগ লৈ শিল্প-প্ৰদৰ্শনীৰ লগত পতা সভাখনৰ আলমত অসমীয়া সাহিত্য সভা এখন অনুষ্ঠিত কৰাৰ পৰিকল্পনা কাৰ্য্যত পৰিণত কৰিব পৰা নগল যদিও গোস্বামীদেৱে কিন্তু এই সুযোগতে যোৰহাট সাহিত্য সভাৰ প্ৰথম বিশেষ অধিবেশনৰ আয়োজন নকৰাকৈ নাথাকিল।' 'তেওঁৰ নিজৰ কথাতে ক'বলৈ হলে

* অসম সাহিত্য সভা ৰূপৰেখা পৃষ্ঠা-১৪

'সেই সুযোগ লৈ যোৰহাট সাহিত্য সভাৰ এটা বিশেষ অধিবেশন পাতিলো। সভাপতি হৈছিল ৺ ফণিধৰ চলিহা। তেখেত তেতিয়া ৰায় বাহাদুৰ হৈছেনে নাই মনত নাই। সম্ভৱতঃ হোৱা নাই। তাত শ্ৰীযুত ঘনকান্ত বৰুৱাদেৱে 'চালাম ৰহস্য' নাম দি এটা বিতোপন ব্যঙ্গ প্ৰবন্ধ পঢ়িছিল। অসমীয়াত তেনে প্ৰবন্ধ ৰব বিৰল। × × সেই সভাত দ্বিতীয় প্ৰবন্ধ পঢ়িছিল শ্ৰীযুত মোক্ষনাথ ফুকন বি.এ. দেৱে। এওঁৰ প্ৰবন্ধটোৰ নাম মনত নাই। বিষয়, জাতীয় উন্নতিৰ দৰে কথা। এওঁ প্ৰবন্ধটোত সকলো সঁচা আৰু হৃদয়গ্ৰাহী কথাকে লেখিছিল। কিন্তু তাৰ ভাষা হৈছিল অতি স্পষ্টবাদী—কড়া আৰু কটু। তাতে সভাসদ সকলৰ অনেক জিকাৰ খাই উঠিল। মই সভাৰ আহ্বানকৰ্ত্তা হিচাপে বঙা-মঙা পৰিলো। মুখত পানী নাই। এনে অৱস্থাত মাননীয় আব্দুল মজিদ চাহাব বক্তৃতা দিবলৈ উঠিল। মজিদ চাহাবৰ নাম আশাকৰো আৰু বহু দিনলৈ অসমীয়া মানুহে নাপাহৰিব। বিদ্বান, ক্ষমতাৱন্ত, ডাঙৰ কৰ্মচাৰী। প্ৰায় চীফ কমিছনাৰৰ সমান। ধনী, মানী—কিন্তু নিৰহঙ্কাৰ, সবল, সকলোৰে হিত কামনা কৰোতা। এনে মানুহ এতিয়া বিৰল হ'ল। মজিদ চাহাবে প্ৰায় এক ঘণ্টা কাল বক্তৃতা দিলে। বহুত কথা কলে। ফুকনৰ বক্তৃতাৰ সাৰ-কথা ভাল বুলিলে। ভাষাক এনেকুৱাভাৱে নিন্দা কৰিলে যে ফুকনো ক্ষুণ্ণ নহ'ল। মুঠতে, তেখেতৰ বক্তৃতাই ফুকনৰ প্ৰবন্ধৰ জাল কাটিলে। বৰং সভাসদসকলক তৃপ্ত কৰিলে। পাছত আৰু এজনে কথা কোৱাত, চলিহা ডাঙৰীয়াই ভাল বক্তৃতা এটা দি সভা শেষ কৰিলে।'

অসম সাহিত্য সভা স্থাপনৰ উদযোগ আৰু অসম ছাত্ৰ সন্মিলন ঃ

সেই বছৰতে (১৯১৫ চন) ডিব্ৰুগড়ত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সভাপতিত্বত 'আসাম এছোচিয়েচন'ৰ বাৰ্ষিক অধিবেশন বহিছিল। সেই অধিবেশনৰ অন্তত সেই সভা-মণ্ডপতে ৩০ ডিচেম্বৰ তাৰিখে ৰায়বাহাদুৰ

ৰুণীধৰ চলিহাৰ সভাপতিত্বত অসমীয়া সাহিত্যৰ এখন অভিনৰ্ত্তন বহিছিল। উক্ত সভাত নবীনচন্দ্ৰ বৰদলৈ, সত্যনাথ বৰা, বেণুধৰ ৰাজখোৱা পদ্মনাথ বৰুৱা (গোহাঞি বৰুৱা), তফজ্জল হুছেইন হাজৰিকা, দুৰ্গানাথ চাংকাকতী প্ৰভৃতি বহুত গণ্যমান্য লোকেও অসমীয়া সাহিত্যৰ বিষয়ে অসম সাহিত্য সভা এখন পতাৰ প্ৰয়োজন সম্পৰ্কে একোটি বক্তৃতা দিছিল। কিন্তু সি সিমানতে শাম কাটিলে। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাদেৱে কোৱাৰ দৰে—'সিও গালৌ বালৌ খোলাকটিৰ তাল হ'ল।' (অসম সাহিত্য সভাৰ ৰূপৰেখা)। মুঠতে ১৯১৫-১৬ চনত অসমত অসমীয়া ভাষা-সাহিত্য চৰ্চ্চাৰ কাৰণে এখন উমৈহতীয়া সাহিত্যানুষ্ঠান গঢ়ি তুলিবলৈ নানা ঠাইত নানা জনে নানা ধৰণে চেষ্টা কৰিছিল। *

১৯১৬ চনত গঙ্গাগোবিন্দ ফুকন ভাণ্ডাৰীয়াৰ সভাপতিত্বত 'অসম এছোচিয়েচনৰ বাৰ্ষিক অধিবেশন গুৱাহাটীত বহিছিল। উজানবজাৰৰ লতাশিল খেলমাটিত সজোৱা সুশোভন সভামণ্ডপত এই সভা অনুষ্ঠিত হৈছিল। চন্দ্ৰনাথ শৰ্মা, পদ্মধৰ চলিহা, অম্বিকানাথ বৰা, সৰ্বেশ্বৰ শৰ্মাকটকী, উমেশ চন্দ্ৰ চৌধাৰী, দেৱচন্দ্ৰ তালুকদাৰ প্ৰমুখ্যে উদ্যোগী যুৱ-নেতাসকলৰ আশাশুধীয়া চেষ্টাত সেই একে সভামণ্ডপতেই এই সুযোগতে 'অসমীয়া ছাত্ৰৰ সাহিত্য সম্মিলন' এখন পাতিবলৈ স্থিৰ কৰা হয়। পিছত অৱশ্যে সম্মিলনৰ কৰ্মপৰিসৰ বঢ়াবৰ কাৰণে সেই অধিবেশনতে প্ৰস্তাৱ গ্ৰহণ কৰি তাৰ নামকৰণ কৰা হয়—'অসম ছাত্ৰ সম্মিলন'। সকলোবোৰ স্কুল-কলেজৰ ছাত্ৰ-প্ৰতিনিধিৰ উপৰিও অসমৰ সেই সময়ৰ নবীন-প্ৰবীণ প্ৰায়বোৰ সাহিত্যিকেই তাত সমবেত হৈছিল। শৰৎচন্দ্ৰ গোস্বামীদেৱে এই বিষয়ে লিখিছে—

* বিংশ শতিকাৰ প্ৰথম দশকতে (১৯০৩ চন) অসমত 'আসাম এছোচিয়েচন' নামে এটা ৰাজনৈতিক অনুষ্ঠান গঢ় লৈ উঠিছিল। অসমৰ ৰাজনৈতিক দিশৰ সৰ্বাঙ্গীন উন্নতি সাধন এই অনুষ্ঠানৰ মূখ্য উদ্দেশ্য আছিল। ইয়াৰ গুৰিয়াল আৰু প্ৰথম সম্পাদক আছিল মাণিকচন্দ্ৰ বৰুৱা আৰু 'গৌৰীপুৰৰ ৰাজা' প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰৰ সভাপতিত্বত ইয়াৰ প্ৰথম অধিবেশন বহিছিল ডিব্ৰুগড়ত, ১৯০৫ চনত। বহুদিনলৈ ই মহাপৰাক্ৰমে চলি আছিল আৰু ই আনকি ভাৰতীয় কংগ্ৰেছ মহাসভালৈও প্ৰতিনিধি পঠিয়াইছিল।

'প্ৰথমবাৰৰ ছাত্ৰ সন্মিলন গুৱাহাটীত বহে'। শ্ৰীযুত পদ্মধৰ চলিহা আৰু ৺চন্দ্ৰনাথ শৰ্মা মুখিয়াল। ছাত্ৰ সন্মিলনৰ প্ৰথম উদ্যোক্তাসকলে এই সন্মিলনৰ নাম দিছিল—'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' আৰু মোক সভাপতি হবলৈ মাতিছিল। তেতিয়া মই হৈছোঁ ডেকা মানুহ। আগ '১৮৩৭ বছৰ শ্ৰীযুত ফুলধৰ' চলিহাৰ লগত পৰামৰ্শ কৰিলো মই সভাপতি হব নে নহয়। মই অনাৱশ্যকভাৱে আগবাঢ়ি হৈ চোৱা কোনো স্বভাৱৰ মানুহ নাছিলো আৰু এতিয়াও নহওঁ। আৰু আমাৰ Generation অৰ ডেকাসকলৰ নীতিও আছিল yield to your superiors.। সেইহে পিছে আমি দুয়ো আলচ কৰি শ্ৰীযুত পদ্মধৰ চলিহাই লেখিলো যে আমাৰ ডেকা অৰগৰ কোনো এজনক সভাপতি নকৰাত কৰি লক্ষ্মীনাথ বেজবৰুৱাক সভাপতি কৰিলে ভাল হব। বিদেশত থাকি চিৰকাল অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰি থকা আনন্দজনক সম্বৰ্দ্ধনা জনোৱাও হব। ছাত্ৰসকল মান্তি হ'ল। পাছত ছাত্ৰ সন্মিলন-সাহিত্য সন্মিলন হৈ পাথাকিল। দুই-তিনি বছৰ মানলৈ যদিও সাহিত্যৰ উন্নতিৰ চেষ্টাই তেওঁলোকৰ মুখ্য কাম হৈ থাকিছিল।' (অসম সাহিত্য সভা পত্ৰিকা, ২য়-৩য় সংখ্যা; ১৮৭৪ শক)।

এইদৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত ১৯১৬ চনত 'আসাম এছোচিয়েচন'ৰ সভামণ্ডপতে অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশন বিপুল জাকজমকেৰে সম্পন্ন হৈ গ'ল। যুৱ-ছাত্ৰসকলৰ এনে কৃতকাৰ্য্যতা দেখি ডেকা সাহিত্যিকসকল উৎসাহিত হ'ল। তেওঁলোকবো পুনৰ গা উঠিল। ড° মহেশ্বৰ নেওগে Annals of Asam Sahitya Sabha পুথিত লিখামতে গুৱাহাটীৰ জনদিয়েক লেখক আৰু কবিয়ে চহৰৰ আৰু বাহিৰৰো সাহিত্যিক কিছুমানক নিমন্ত্ৰণ কৰি আনি অধ্যাপক সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত নদৌ অসম সাহিত্য সভা এখন পতা সম্পৰ্কে আলচ কৰিবলৈ এখন সৰু অথচ গাম্ভীৰ্য্যপূৰ্ণ আলোচনা চক্ৰ পাতিলে। চক্ৰৰ বৈঠক বহিছিল সেই সময়ৰ এজন ডেকা উকীলৰ (গৌৰীকান্ত তালুকদাৰৰ) উকীলখানাত।

ইং ১৯১৭ চনৰ কথা। ইয়াৰ আহ্বায়ক আছিল অম্বিকাগিৰী ৰায়-চৌধুৰী আৰু আৰু সভাপতিত্ব কৰিছিল অধ্যাপক (পিছত ডক্টৰ) সূৰ্য্য-কুমাৰ ভূঞাদেৱে। তাত দৃঢ়তাৰে সিদ্ধান্ত লোৱা হ'ল যে বিকল্পবাদী কেইজনমানৰ হেঁচাবলৈ কোনোৰূপ নকৰি পিছৰ বছৰ 'অসম এছোচিয়েচন'ৰ লগতে অসম সাহিত্য সভা পাতিবই লাগিব।

'এই উদ্দেশ্য আন ঠাইৰ সাহিত্যিকসকলৰ লগত পৰামৰ্শ কৰি আৰু শিৱসাগৰৰ লগতো যোগাযোগ কৰি সদৌ অসমৰ সাহিত্যিক-সকলৰ সভা এখনৰ প্ৰথম অধিবেশন পাতিবলৈ সেই মেলতে এখন তদৰ্থ সমিতি গঠন কৰি দিয়া হয়। সেই সমিতিৰ ভাৰ দিয়া হয় 'অসমৰ পিট' চন্দ্ৰনাথ শৰ্মাক।* শিৱসাগৰৰ 'অসম এছোচিয়েচন'ৰ সদস্যসকলৰ উপৰি তাৰ সাহিত্যিকসকললৈও প্ৰস্তাৱৰ প্ৰতিলিপি আৰু আলোচনা, সিদ্ধান্ত আদিৰ বিতং বতৰা পঠোৱা হৈছিল।

তেনে এটা গোহাৰি গৈ পোৱাৰ আগতে কিন্তু শিৱসাগৰত সেই বিষয় লৈ এটা আলোড়ন আৰু জাগৰণৰ সৃষ্টি হৈছিল। ১৯১৭ চনৰ ২৮ ছেপ্তেম্বৰ তাৰিখে বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত বহা এখন স্থানীয় সভাত সেইবাৰ তাত বহুৱাবলৈ স্থিৰ কৰা 'অসম এছোচিয়েচন'ৰ লগতে সদৌ অসম সাহিত্য সভা এখন পাতিবলৈও তাত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সাহিত্য সভা পাতিবলৈ গুৱাহাটীত হোৱা আলোচনাটোৰ বিষয়ে শৰৎ চন্দ্ৰ গোস্বামীয়ে কৈছে –

'১৯১৫ কি ১৯১৬ চনত গুৱাহাটীত শ্ৰীমান গৌৰীকান্ত তালুকদাৰ, শ্ৰীযুত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু কিছুমানে লগ লাগি গোটেই অসমৰ কাৰণে সাহিত্য সভা এখন পাতিবৰ প্ৰস্তাৱ কৰিছিল। তেতিয়া শ্ৰীযুত সত্যনাথ বৰা ডাঙৰীয়া গুৱাহাটীৰ সাহিত্য ক্ষেত্ৰত নেতা। সকলোৱে তেখেতক মান আৰু সংকাৰ কৰে। কিন্তু সমগ্ৰ অসমৰ কাৰণে সাহিত্য সভা এখন পতা বিষয়টোত তেখেতৰ মত নাছিল। এই সম্পৰ্কে মই তেখেতৰ লগত পাছতো কথা পাতিছিলো। লোক

* অসম সাহিত্য সভাৰ ৰূপৰেখা—১৫ পৃষ্ঠা

তেখেতে মৰম আৰু বিশ্বাস কৰিছিল। মোক কৈছিল যে উজনি-নামনি ভাষাৰ খৰিয়াল লাগিব বুলি তেখেতে বৰ আশঙ্কা কৰিছিল। তাৰ অলপ আগতে 'বাঁহী' আৰু 'আসাম-বান্ধৱ'ৰ প্ৰবল যুদ্ধ। এই বিবাদে অলপ শাম কাটিছে। তেখেত অতি শান্তিপ্ৰিয় মানুহ আছিল। হাই-হুল্লি অলপো সহ্য কৰিব নুখুজিছিল। ইয়াৰ বাহিৰে তেখেতে স্বীকাৰ কৰিছিল যে পাৰিলে অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাঙ্গীন উন্নতি কৰিবলৈ সঙ্ঘবদ্ধ হৈ চেষ্টা কৰা ভাল।'

অসম সাহিত্য সভাৰ শুভাৰম্ভ আৰু প্ৰধান সম্পাদকৰ দায়িত্বত গোস্বামী :

এইদৰে দেখা যায় অসম সাহিত্য সভা স্থাপন হোৱাৰ পূৰ্বে অসমৰ নানা ঠাইত বিশেষকৈ যোৰহাট, গুৱাহাটী, ডিব্ৰুগড় আৰু শিৱসাগৰত তাৰ কাৰণে বাককৈয়ে আলোড়নৰ সৃষ্টি হৈছিল। সকলোৰে উমৈহতীয়া চেষ্টা আৰু হাবিয়াহৰ ফল স্বৰূপে ১৯১৭ চনৰ বৰদিনৰ বন্ধত অসম সাহিত্য সভাই শিৱসাগৰত জন্ম লাভ কৰিলে। গোস্বামীদেৱে ইয়াৰ কাৰণে কিদৰে কি কৰিছিল তাৰ বিতং বিৱৰণ নিজেই তলত লিখাৰ দৰে দি থৈ গৈছে।

"১৯১৭ চনৰ বৰদিনৰ বন্ধত 'আসাম এছোচিয়েচন'ৰ 'কনফাৰেঞ্চ' বহাৰ কথা। সভাপতি শ্ৰীযুত সত্যনাথ বৰা। ঠাই শিৱসাগৰ। তাতেই আমি প্ৰথম অসম সাহিত্য সম্মিলন পাতিবলৈ স্থিৰ কৰিলো। আমি মানে শ্ৰীযুত কুলধৰ চলিহা আৰু মই।

চলিহা শিৱসাগৰৰ মানুহ। তেওঁ তেতিয়া যদিও যোৰহাটত থাকে, শিৱসাগৰৰ লগত তেওঁৰ যথেষ্ট সংযোগ চলি আছিল। তেওঁ শিৱসাগৰলৈ গৈ এখন অভ্যৰ্থনা সমিতি পাতি আহিল। সভাপতি হ'ল ৺ গুঞ্জানন বৰুৱা বি. এল. আৰু সম্পাদক ৺লক্ষ্মীকান্ত বৰুৱা বি. এল.। আমি দুয়ো পৰামৰ্শ কৰি শিৱসাগৰত অভ্যৰ্থনা সভাৰ হতুৱাই শ্ৰীযুত

পদ্মনাথ গোহাঞিবৰুৱাক সভাপতি কৰি মতালো। নিমন্ত্ৰণ পত্ৰও চাৰিওফালে দিয়ালো। ডিচেম্বৰৰ ২৭ তাৰিখে (সম্ভৱতঃ) দিন কৰিলো *। সেই সময়ত মই যোৰহাটৰ ভৰাজানত নিজা এটা খেৰী ঘৰ কৰি থাকো। মোৰ পাছৰ ফালে শ্ৰীযুত কুলধৰ চলিহা থাকে। আমি দুয়ো সদায় পৰামৰ্শ কৰো। নিয়মাৱলী প্ৰস্তুত কৰিলো। চলিহাই কোনো কথাৰ details অলৈ যাব নোখোজে। দিহা দিলেই তেওঁ ভাৱে কাম হ'ল বুলি। অৱশ্যে এনে মনোভাবৰো মূল্য আছে। যিহক, নিয়ম কৰি তাক লিখো কৰি লৈ আমি দুয়ো শিৱসাগৰলৈ যাত্ৰা কৰিলো'।

'শেষত কিন্তু মই যাওঁতে দুদিনমান পলম কৰিবলগীয়া হ'ল। চলিহা আগতে গ'ল। গুৱাহাটীৰ পৰা দাদা (পণ্ডিত শ্ৰীপ্ৰতাপ চন্দ্ৰ গোস্বামী), শ্ৰীযুত বিষ্ণুৰাম মেধি, শ্ৰীযুত গৌৰীকান্ত তালুকদাৰ আৰু কোনোবা এজন শিৱসাগৰলৈ যাবলৈ গৈ যোৰহাটত সোমাল। তেওঁলোকে যোৰহাটত ৩।৪ দিন মান থাকিবৰ ইচ্ছা প্ৰকাশ কৰিলত ময়ো থাকিবলৈ বাধ্য হলো। তেওঁলোক থকা দিন কেইটাতে মই 'কীৰ্তনত সাহিত্য-সৌষ্ঠৱ' বুলি প্ৰবন্ধ এটা লিখিলো। এই প্ৰবন্ধ সাহিত্য সম্মিলনত পঢ়া হৈছিল। পাছত ১৯৩৯ কি ১৯৪০ ইং চনত সাহিত্য সভা পত্ৰিকাত এই প্ৰবন্ধ প্ৰকাশ হৈছিল।

'আসাম এছোচিয়েচনৰ ফালৰপৰা অভ্যাগত প্ৰতিনিধিসকলক সোধপোছ কৰিবলৈ বিশেষ যোগাৰ কৰিছিল। তাৰ ভাগ আমিও পালো। দাদা, মেধি, তালুকদাৰ, মই—আমি একেলগে থাকিলো।

'ইয়াতে সেই সময়ত সভা সম্মিলন আদিত উপস্থিত হবলৈ মানুহে কিমান যো-জা কৰিছিল তাৰে কথা অলপ কওঁ।

'গণ্যমান্য ইংৰাজী জনা লোকমাত্ৰেই ক'লা গৰম কাপোৰৰ কোট-পেণ্টলুন বা চোগা-ছাপকন পিন্ধিছিল। বিশেষ ফেচন কৰিব খোজা বা চাহাব যেন গোস্বোৱা কেইজনে পূৰা ইংৰাজী পোছাক পিন্ধিছিল।

* ডিচেম্বৰৰ ২৬ আৰু ২৭ তাৰিখে মুকলি সভা (Annals of Asam Sahitya Sabha by Dr. Maheswar Neog ; Page 8)

ইবিলাক মানুহেও পাৰ্বামানে মুগা আৰু পাটৰ চাপকন পিন্ধি গৈছিল। মোৰ বিশ্বাস দূৰ মনত পৰে, মই জনা মানুহৰ ভিতৰত, কেৱল দাদাইহে সাধাৰণ ধুতি-চোলা-পাগুৰি পিন্ধি সন্মিলনলৈ গৈছিল তেওঁৰো এযোৰা ক'লা মালপাকাৰ চোগা-চাপকন আছিল। কিন্তু তাৰ দুই-এক বছৰৰপৰাই পিন্ধিব এৰিছিল আৰু পোছাকবোৰা তেওঁৰ আত্মীয় সখি পণ্ডিত ভাবানাথ কাব্যবিনোদক দিছিল। কেতিয়াৰ দিনৰ ভদ্ৰতাৰ চিন কোট-পেণ্ট ন্দুন। সভা-সমিতিৰ পোচাকো তেনে। মই এযোৰ ক'লা কোট-পেণ্ট পিন্ধি গৈছিলো।

'সাহিত্য সন্মিলন বহিল। গোহাঞিবৰুৱাই সভাপতিত্ব কৰিলে। তেওঁৰ অভিভাষণ-খন দীঘল হৈছিল, কিন্তু মানুহে ক'ণ পাতি শুনিলে। তাৰ পাছত দুটামান প্ৰবন্ধ পাঠ হ'ল। মোৰ প্ৰবন্ধটো মই তেনেকৈ কপাইছিলো। কাৰণ পৰ্ধলি হ'ল। সত্যনাথ বৰা ডাঙৰীয়াই কলে প্ৰবন্ধটো বৰ ভাল হৈছিল; বেলেগ এখন সভা কৰি পঢ়িলেও ভাল।

'সেইদিনা বাতি বিষয়বাছনি সভা বহিল। তাত আমি কৰি দিয়া নিয়মবোৰৰ আলোচনা হ'ল। আলোচনাৰ অন্তত সেইবোৰ গৃহীত হ'ল।

'সেই সভাৰ সম্পাদক পাতিলে মোক। ইয়াতে কৈ থওঁ যে General Secretary ৰ এতিয়া প্ৰচলিত অসমীয়া প্ৰতিশব্দ 'প্ৰধান সম্পাদক' পোনতে ময়েহে ব্যৱহাৰ কৰো। সহকাৰী সম্পাদক বোধকৰো পোনতে শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী হৈছিল। এতিয়া ঠিক মনত নাই। *

'সাহিত্য সভা পাতিবলৈ টকাৰ কথা ওলাল। ওলোৱা মাত্ৰকতে ডাঃ হৰিকৃষ্ণ দাসে খপহৰ কৰি দহ টকাৰ নোট এখন সভাত উলিয়াই দিলে। মোৰ যিমানদূৰ মনত পৰিছে, ডাঃ হৰিকৃষ্ণ দাসৰ এই দহ

* 'অসম সাহিত্য সভাৰ ৰূপৰেখা'ত লিখিছে সাহিত্য সভাৰ প্ৰথম সহকাৰী সম্পাদক আছিল—বেণুধৰ শৰ্মা। (সম্পাদক)।

টকাই সাহিত্য সভালৈ হৃষ্টচিত্তে দিয়া প্ৰথম দান। সাহিত্য সভা শেষ হবৰ দিনা গধূলি মই যোৰহাটলৈ আহিলো। তেতিয়া শিৱসাগৰলৈ ৰেল হৈছে। দাদা আৰু তেওঁৰ লগৰীয়াসকল দুই তিন দিন থাকিল।

'যোৰহাটলৈ ফিৰিবৰ দিনাৰ এটা কথা মনত আছে। ডাঃ ৰায়বাহাদুৰ সূৰ্য্যকুমাৰ ভূঞাদেৱে সেই সময়ত এম. এ. পাছ কৰি উঠি যোৰহাটৰ মিছনেৰি স্কুলত মাষ্টৰী কৰে। তেওঁ এতিয়াৰ দাস কোম্পানীৰ সমুখৰ সৰু ঘৰ এটা ভাৰা কৰি থাকে। আমি ৰাতি ১২।১ মান বজাত যোৰহাটৰ ষ্টেচন পাওঁ। ষ্টেচনত কুলি নাই। আমাৰ বিচনা-পত্ৰ আছে। কি কৰো? দুয়ো লগ লাগি দুয়োৰো মাল-পত্ৰখিনি সাজি কৰি ললো আৰু ভূঞা থকা ঠাইলৈ কঢ়িয়াই আনিলো। তাতে মোৰ বস্তুখিনি পৃথক কৰি লৈ মই ঘৰলৈ গলো। তেতিয়াও মই যোৰহাটৰ তৰাজানৰ ঘৰটোতে আছিলো।

'এই কথা লেখিলো—কাৰণ মনত পৰিল আৰু আমি যে ডেকা কালত তেনেই আনৰ ওপৰত নিৰ্ভৰ কৰা নাছিলো, তাৰো ই এটা সৰু নিদৰ্শন।"

এইদৰে বুৰঞ্জীয়ে গৰকা পুৰণি ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰ নগৰত ১৯১৭ চনৰ ২৬, ২৭ ডিচেম্বৰ তাৰিখে অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন বহিল। তেতিয়ালৈকে সি 'সদৌ অসম সাহিত্য সন্মিলনী' বুলিহে পৰিচিত আছিল। প্ৰথম অধিবেশনতে শৰৎচন্দ্ৰ গোস্বামীক সভাৰ প্ৰধান সম্পাদক নিৰ্বাচন কৰা হয়। আদৰণী সমিতিৰ সভাপতি আছিল 'ভ্ৰমৰঙ্গ' নাটকৰ অন্যতম নাট্যকাৰ গুণানন বৰুৱা। উল্লেখযোগ্য এই যে সেইবাৰৰ বৰদিনৰ বন্ধত একেটা মণ্ডপতে অগাপিছাকৈ দুগৰাকী সাহিত্যিকে দুখন বিভিন্ন সভাত সভাপতিত্ব কৰিলে: 'আসাম এছোচিয়েচন'ৰ সভাত সত্যনাথ বৰাই আৰু 'সদৌ অসম সাহিত্য সন্মিলনী'ত গোহাঞিবৰুৱাই। আদৰণী সমিতিৰ সম্পাদক আছিল কবি লক্ষ্মীকান্ত বৰুৱা উকীল আৰু সমিতিৰ আন আন বিশিষ্ট সভ্যসকলৰ ভিতৰত আছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, সিদ্ধেশ্বৰ গোহাঞি,

ৰাধিকানাথ শৰ্মা প্ৰভৃতি গণ্যমান্য লোকসকল। সাহিত্য সভা উপলক্ষে ২৬ ডিচেম্বৰৰ নিশা শিৱসাগৰৰ নাট্য মন্দিৰত গোহাঞিবৰুৱাৰ 'জয়মতী' নাট অভিনীত হৈছিল। তাত গদাধৰৰ ভাও লৈছিল ইন্দ্ৰেশ্বৰ বৰঠাকুৰে, জয়মতীৰ ভাও লৈছিল পদ্মধৰ চলিহাই আৰু লেচাইৰ ভাৱত নামিছিল পাৰ্বতীপ্ৰসাদ বৰুৱা।

অসম সাহিত্য সভা সম্পৰ্কে আৰু এটা উল্লেখযোগ্য কথা আছিল এই যে চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ নোহোৱা পৰ্য্যন্ত য'তে কৃষ্ণ ত'তে বৃন্দাবন বোলাৰ দৰে য'ত প্ৰধান সম্পাদক বাস কৰিছিল ত'তে সাহিত্য সভাৰো কাৰ্য্যালয় হৈছিল। তাৰ ফলত সাহিত্য সভাৰ কাৰ্য্যালয় লৰি ফুৰিছিল আৰু সাহিত্য সভা আছিল অঘৰী। তদনুযায়ী প্ৰথম অধিবেশনত তেতিয়াৰ যোৰহাট নিবাসী, নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাৰ লগে লগে সভাৰ ঘৰ, কৰ্মশালা বা কাৰ্যালয় হৈ পৰিছিল যোৰহাটত। এই নীতিমতে পিছৰ বছৰত প্ৰধান সম্পাদক গোহাঞিবৰুৱা হোৱাত কাৰ্য্যালয় তেজপুৰলৈ আৰু তাৰ পিছৰ বছৰত সত্যনাথ বৰা হোৱাত কাৰ্য্যালয় গুৱাহাটীলৈ স্থানান্তৰিত হৈছিল।

গোস্বামী ডাঙৰীয়া ১৯১৭-১৮ চনত আৰু তাৰ পাছত একেৰাহে ১৯২০ চনৰপৰা ১৯২৭ চনলৈ ক্ৰমে শিৱসাগৰ, তেজপুৰ, যোৰহাট, ডিব্ৰুগড়, গুৱাহাটী, নগাঁও আৰু ধুবুৰী অধিবেশন পৰ্য্যন্ত প্ৰধান সম্পাদকৰ দায়িত্বত আছিল।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰা যায়। সেয়ে হৈছে, কবলৈ গলে ১৯৪৪ চনৰ শিৱসাগৰ অধিবেশন পৰ্য্যন্ত বাৰ্ষিক অধিবেশন হৈ যোৱাৰ পাছত সাহিত্য সভাৰ প্ৰধান সম্পাদকেই সভাৰ সৰ্বেসৰ্বাৰ দৰে আছিল ; কাৰণ, মূল অধিবেশনৰ মুকলি সভাত সভাপতিস্ব কৰি অভিভাষণ পাঠ কৰা আৰু সভাখন সুসম্পন্ন কৰি দিয়াতেই সভাপতিৰ কৰ্তব্যৰ ওৰ পৰিছিল। গোটেই আগন্তুক বছৰটোৰ কাম চলাইছিল প্ৰধান সম্পাদকে। গতিকে সেই সময়ত প্ৰধান সম্পাদকৰ পদটো ইমান গৌৰৱপূৰ্ণ আৰু সম্মানজনক আছিল যে মুকলি সভাত



বাওঁ হাতৰপৰা বহি—ঘনকান্ত বৰুৱা, ভৱতচন্দ্ৰ চলিহা, মহম্মদ আলি, নীলমণি ফুকন, শৰৎচন্দ্ৰ গোস্বামী, সুপ্ৰভা গোস্বামী (মাইচানা), জি. এ. স্মস, আতাউৰ ৰহমান, নদীয়াবিহাৰী দাস, দেৱেন্দ্ৰনাথ বেজবৰুৱা, ৰায়চাহাৰ গোলাপচন্দ্ৰ বৰুৱা, পণ্ডিত লক্ষ্মীনাথ শৰ্ম্মা।

থিয় হৈ প্ৰথম শাৰী—১। ? ২ মথুৰ বৰুৱা, ৩। দেৱানন্দ শৰ্ম্মা ৪। ? ৫। ৰামেশ্বৰ বৰুৱা, ৬। সৰ্বানন্দ দাস ৭ গোপালচন্দ্ৰ গোস্বামী ৮। ভাৰত দাস ৯ ? ১০। ? ১১ ? ১২ ? ১৩। প্ৰফুল্ল চেটাৰ্জী ১৪ ? ১৫। ?

থিয় হৈ শেষৰ শাৰী- ১ কমলচন্দ্ৰ দাস বাওঁফালৰ ১ম জন) ১ কৃত্তিৰাম দাস (সোঁফালৰ ১ম জন)

সভাপতিৰূপে আসন অলঙ্কৃত কৰি যোৱা প্ৰাক্তন সভাপতিয়েও যথাবিহিতভাৱে নিৰ্বাচিত হৈ প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিবলৈ সঙ্কুচিত নহৈছিল। ১৯১৮-১৯ চনত এটা বছৰৰ কাৰণে গোহাঞিবৰুৱাদেৱেই তাৰ এটা নিদৰ্শন দাঙি ধৰিছিল।

চন্দ্ৰকান্ত সন্দিকৈ হল স্থাপন :

গোস্বামী ডাঙৰীয়া প্ৰধান সম্পাদকৰ দায়িত্বত থকাৰ ভিতৰতে অসম সাহিত্য সভাই নিৰূপিত গঢ় লৈ উঠে। তেওঁৰ দিনতেই সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় স্থাপিত হয়। চন্দ্ৰকান্ত সন্দিকৈ হল (পিছত ভৱন) স্থাপন, চন্দ্ৰকান্ত অভিধান প্ৰণয়ন, চন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড, কমলাদেৱী শিশু-সাহিত্য ট্ৰাষ্ট ফাণ্ড আৰু দক্ষিণপাট সত্ৰৰ শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফাণ্ড একে সময়তে (১৯১৩-১৫ চনত) এই তিনিওটা ট্ৰাষ্ট ফাণ্ড গঠন আদিত শৰৎচন্দ্ৰ গোস্বামীৰ ব্যক্তিগত অৱিহণা আছিল একক আৰু অনবদ্য ধৰণৰ। এনেবোৰ কামত আত্মনিয়োগ কৰি তেওঁ অন্তৰত তৃপ্তি আৰু গৌৰৱবোধ কৰিছিল। তেওঁ কেতিয়াবা এই অনুভূতি প্ৰকাশো কৰিছিল। চন্দ্ৰকান্ত সন্দিকৈ ভৱন সম্পৰ্কে তেওঁ লিখিছে—

'চন্দ্ৰকান্ত সন্দিকৈ হল মোৰ নিজৰ হাতে সজা। সেই সময়ত পুৱা, গোধূলি, বন্ধ, হাফ আদিত যি সময় পাইছিলো সকলোখিনি সময় মই এই কামতে দিছিলো। ইয়াৰ খৰচ-পত্ৰ, লো, ইটা, চিমেণ্ট ইত্যাদি সকলো মোৰ নিজ হাতেৰে অনা-নিয়া হৈছিল।

'এই ঘৰটো ভাল বস্তুৰে মজবুত কৰি বন্ধোৱা হৈছিল। ১৯৪৩ খৃষ্টাব্দৰ আগষ্টত যি ভূঁইকপে যোৰহাটৰ সমস্ত পকীঘৰৰ অল্প-বিস্তৰ ক্ষতি কৰিলে সেই ভূঁইকঁপতো চন্দ্ৰকান্ত সন্দিকৈ হলৰ একো ক্ষতি নহ'ল। ই মোৰ পক্ষে বৰ সন্তোষৰ কথা। ঘৰটোৰ প্লেনও মোৰ। মূধৰ খিৰিকিৰ ওপৰৰ কেমিকেল গ্লাচবোৰ গিৰ্জা ঘৰৰ দৰে আৰু তাৰ ৰং সন্দিকৈ ডাঙৰীয়াৰ ইচ্ছামতে দিয়া।'

সাহিত্য সভা সম্পৰ্কেও ঠিক তেনে ভাবৰ কথা তেওঁ সাহিত্য সভাৰ কথা বোলা দীঘল প্ৰবন্ধ এটাৰ অ'ত ত'ত লিখি থৈ গৈছে।

প্ৰধান সম্পাদক হিচাপে কাম কৰা কালছোৱাত গোস্বামীক কোনে কেনেকৈ সহায় কৰিছিল তাৰে স্বীকৃতি এইদৰে লিখি থৈ গৈছে—

'যোৰহাটত মই সম্পাদক হৈ থকা কালত অৰ্থাৎ ১৯১৮ ইংৰাজী চন আৰু ১৯১১ ইং চনৰপৰা ১৯১৭ চনলৈ তলত লেখা বন্ধু কেইজন সহকাৰী সম্পাদক আছিল। শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী, শ্ৰীযুত দেৱেশ্বৰ শৰ্মা গৱৰ্ণমেণ্ট প্লীডাৰ—এওঁক কেন্দুগুৰীয়া দেৱেশ্বৰ শৰ্মাৰপৰা পৃথক বুজাবলৈ গৱৰ্ণমেণ্ট প্লীডাৰ বোলা হৈছিল শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা, শ্ৰীযুত হৰিনাৰায়ণ দত্তবৰুৱা আৰু শ্ৰীআদ্যনাথ শৰ্মা।

এওঁলোকৰ প্ৰতিজনে অতি নিস্বাৰ্থভাৱে মোক সকলো কামত বিশেষ সহায় কৰিছিল। ৰায়বাহাদুৰ সন্দিকৈ ডাঙৰীয়াৰপৰা দান পাবৰ সময়ৰপৰা আৰু তাৰ পূৰ্বৰপৰা কাম-কাজ বহুত বেছি হোৱাত শ্ৰীযুত দেৱেশ্বৰ শৰ্মাই সভাৰ হিচাব আদি বৰ পৰিপাটিকৈ ৰাখি বহুতো কাম কৰিছিল।

শ্ৰীযুত পূৰ্ণানন্দ শৰ্মা মোৰ দিনত সহকাৰী সম্পাদক আছিল নে নাই মনত নাই কিন্তু তেওঁৰপৰা সভাৰ কাজত আৰু লেখা-পঢ়া কৰাত বহুতো সহায় পাইছিলো। শ্ৰীযুত শৰ্মাদেৱে পাঠক উপাধি লেখে। সাহিত্য সভাৰ কাৰ্য্যবিবৰণী তেৱেঁ প্ৰায় লেখে দেখি আমি তেওঁক 'লেখক' বুলিও ধেমালি কৰিছিলো।

শ্ৰীযুত বৰুৱা দত্তবৰুৱা আৰু আদ্য শৰ্মাই মোক গুৰুজনৰ নিচিনা শ্ৰদ্ধা ভক্তি কৰিছিল আৰু মানিছিল। শ্ৰীযুত হৰিনাথ পাঠক, শ্ৰীযুত দেৱেশ্বৰ শৰ্মা আৰু শ্ৰীযুত পূৰ্ণ শৰ্মাও অনুজৰ নিচিনা আছিল আৰু যোৰ-হাটৰ গোটেইছোৱৰ কাল সেইদৰে ব্যৱহাৰ কৰিছিল। মোৰ ইবিলাক স্মৃতি বৰ আনন্দৰ।'

চন্দ্ৰ কান্ত অভিধান :

প্ৰধান সম্পাদক হিচাপে সাহিত্য সভাৰ কিছুমান কামৰ আঁচনি দাঙি ধৰি সেইবোৰৰ গোটাচেৰেক কামত ৰূপায়িত কৰিবলৈ দেহে-কেহে যত্ন কৰিছিল। চন্দ্ৰকান্ত অভিধান প্ৰণয়ন তাৰে অন্যতম। এই অভিধান প্ৰণয়নৰ বিভং আঁচনি আৰু তাৰ ৰূপায়ণ সম্পৰ্কে তেওঁ নিজে 'সাহিত্য সভাৰ কথা'ত বিৱৰি লিখিছে। তেওঁ লিখামতে 'চন্দ্ৰকান্ত অভিধান' তৈয়াৰ কৰাত এই কেইজন মানুহে খাটিছিল। শ্ৰীযুত কোহিৰাম দাস—সৰ্থেবাৰী. ৺কন্দ্ৰকান্ত গোস্বামী—নগাওঁ আৰু শ্ৰীযুত নকুল চন্দ্ৰ ভূঞা—যোৰহাট। × × ×কোহিৰাম বাবুৱে 'ম' পৰ্য্যন্ত অভিধান লেখি উলিয়ায়। × × শ্ৰীযুত দেৱানন্দ ভৰালীয়ে 'হ' আখৰটো লেখে। × × মোৰ তত্বাৱধানত 'ছ' আখৰ বাদে অভিধানৰ বাকীখিনি কাম হৈছিল। × × পাতনি লেখিলে শ্ৰীযুত দেৱানন্দ চলিহাই। তাত সকলো কথা কিয় নেলেখিলে তাক তেওঁহে জানে। 'চন্দ্ৰকান্ত অভিধান'ৰ পাতনিত বা আন ক'তো মোৰ নামৰ কথাও নাই, কোহিৰাম বাবুৰ নাম পৰ্য্যন্ত উল্লেখ নহ'ল। × × এই বিষয় লৈ পাছত কাগজে-পত্ৰই বহুত লেখা-লেখি হৈছিল।

এই সম্পৰ্কে কোহিৰাম দাসে তেওঁৰ আত্মজীৱনীত লিখিছে - অভিধানৰ পাতনিত মোৰ সহকৰ্মী আৰু সভাৰ সম্পাদক শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ কোনো উল্লেখ পোৱা নাযায়। অভিধানৰ দ্বিতীয় তাঙৰণত এই ত্ৰুটী গুচোৱা হব বুলি কথা দিছে।

'কোহিৰাম বাবুনো কোন আৰু তেওঁক কি সূত্ৰে কেনেকৈ 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়নৰ কামত নিযুক্ত কৰা হৈছিল সেই বিষয়ে গোস্বামীদেৱে লিখিছে—'চন্দ্ৰকান্ত সন্দিকৈ হল' হোৱাৰ লগে লগে 'চন্দ্ৰকান্ত অভিধান' লেখোৱাৰ চিন্তা কৰা হ'ল। পোনতে ৰায়চাহাব দুৰ্গাধৰ বৰকটকীক এই কাম দিয়া হ'ল তেখেতে অলপ দিন চেষ্টা কৰি এই কাম এৰি দিলে, আৰু নিজে প্ৰকাশকৰ ব্যৱসায় কৰিব

বুলি কলিকতালৈ গ'ল। তেতিয়া মানুহ বিচাৰি স্থিৰ হ'ল শ্ৰীযুত কোহিৰাম দাস বি. এ. দেৱক এই কামৰ কাৰণে আনিব লাগে।

'শ্ৰীযুত কোহিৰাম দাসে ১৯০৫/০৬ চনত ভালকৰি বি. এ. পাছ কৰে * তেওঁ বৰ মেধাবী মানুহ। দৈৱ-দুৰ্বিপাকত তেওঁ কোনো ভাল চাকৰি নাপালে। তেতিয়া ঘৰতে বহি আছে। মই তেওঁক ভালকৰি চিনি নাপাওঁ; তেওঁৰ গুণ আৰু বিদ্যাৰ কথাহে জানো। শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত দেৱানন্দ ভৰালী, শ্ৰীযুত কুলধৰ চলিহা আদিয়ে তেওঁক ভালকৰি জানে। গতিকে তেওঁক অনা হ'ল। × × কাম দেখি মোৰ দৃঢ় বিশ্বাস হ'ল যে কোহিৰাম বাবু ব্যতিৰেকে তেতিয়া আন কোনো এজন অসমীয়া মানুহ নাছিল যি এনে বৃহৎ কামটো ইমান ভালকৰি কৰিব পাৰিলেহেঁতেন। × × যিহক, যি 'চন্দ্ৰকান্ত অভিধান' ছপা হৈ ওলাল, সি কোহিৰাম বাবুৰে লেখা সম্পূৰ্ণ অভিধান নহয়। × × পাছৰ কালত অভিধান ছপাবৰ সময়ত কোহিৰাম বাবুৰে লেখা বহুত শব্দ, প্ৰয়োগ, ব্যাখ্যা আদি কাটি দিয়া হ'ল।' তথাপি সবাৰো উমৈহতীয়া চেষ্টাত 'চন্দ্ৰকান্ত অভিধান' ছপা হৈ ওলাল

প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়ে গোসাঁইদেৱে সাহিত্য সভাখন যাতে স্থায়ী হয় তাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। সেইবাবে যাইকৈ তেওঁৰ যত্নতে অলপ দিনৰ ভিতৰতে অসম সাহিত্য সভাৰ শাখা সভা, স্বীকৃত সভা আদিবোৰ গোটেই অসমতে বিয়পি পৰিছিল। গোসাঁই আছিল সেই সময়ত গোৱাহাটী নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট। উল্লেখযোগ্য কথা এই যে চৰকাৰী আৰু লোকেল-বোৰ্ডসমূহৰ সহায় নোপোৱাকৈকে সভাৰ যাবতীয় কামৰ কাৰণে যিমান-খিনি ডাক খৰচ, কাকত কলমৰ খৰচ আদি লাগিছিল, সেই সকলো-খিনি গোসাঁইদেৱে নিজে বহন কৰিছিল আৰু সম্পাদক হিচাবে

* আচলতে ১৯০৩ চনত কোহিৰাম দাসে বি. এ পাছ কৰে।

(সম্পাদক)

সন্মিলনলৈ যোৱা-অহা খৰচ সাহিত্য সভাৰ পুঁজিৰপৰা লোৱা নাছিল।

সাহিত্য সভাৰ দ্বিতীয় অধিবেশন বহিছিল গোৱালপাৰাত—১৯১৮ চনৰ বৰদিনৰ বন্ধত। সভাপতি আছিল সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা; অৱশ্যে সেই সময়ত তেখেতে সেই উপাধি পোৱা নাছিল।

যোৰহাটৰপৰা সেই সন্মিলনলৈ কেইবাজনো মানুহ গৈছিল। সভাপতি বৰুৱা, কুলধৰ চলিহা আৰু গোসাঁই—এই আটাইকেইজন গুৱাহাটীৰপৰা একেলগে গৈছিল। গুৱাহাটীৰপৰা সত্যনাথ বৰা ডাঙৰীয়াও তেওঁলোকৰ সঙ্গী হৈছিল।

গোসাঁই সেইবাৰ এবাৰ নোৱৰা বান্ধত পৰিহে সন্মিলনলৈ গৈছিল। কাৰণ সেই সময়ত তেওঁৰ পত্নীৰ শয্যাগত নৰিয়া। ঘৰত কোনো বয়সীয়া লোকো নাছিল। তেতিয়া তেওঁৰ দ্বিতীয়া কন্যা মাইচানাৰ (শ্ৰীমতী সুপ্ৰভা গোস্বামীৰ) বয়স মাথোন ডেৰ বছৰমান হব। গতিকে বেমাৰীৰ পৰিচৰ্য্যা কৰে কোনে? এটা চাকৰ আছিল, নাম মাণিক। সকলোৱে তেওঁক মাণিক-কা বুলি মাতিছিল। তাক প্ৰকৃততে চাকৰ বুলিলে নুশুৱায়। কাৰণ, গোসাঁইৰ ঘৰত সি প্ৰায় মালিকৰ দৰেই আছিল। গতিকে তেওঁৰ ওপৰতেই ঘৰখনৰ ভাৰ থৈ আৰু নৰ্মাল স্কুলৰ শিক্ষক আৰু ছাত্ৰসকলক খা-খবৰ লৈ থাকিবলৈ কৈ গোসাঁইদেৱ সন্মিলনলৈ গ'ল।

বেমাৰী গৃহিণীক ৰোগ-শয্যাত এৰি সেইবাৰ সন্মিলনলৈ যোৱা কামত দুটা কথাই গোসাঁইদেৱৰ মনত শক্তি যোগাইছিল। প্ৰথম তেওঁৰ পত্নীৰ অনুৰোধ, দ্বিতীয় তেওঁৰ বন্ধু চলিহাদেৱৰ একাষাৰ কথা। চলিহাদেৱে তেওঁক কৈছিল 'ৰাজহুৱা কাম কৰিব লাগিলে নিজৰ ল'ৰা-তিৰোতালৈ চালে কেনেকৈ হব? কৰ্ত্তব্যক আগ কৰি ওলাওক।'

সেইবাৰৰ সভাত প্ৰশ্ন উঠিছিল সভাৰ অফিচ ক'ত হ'ব? বহুত আলোচনাৰ অন্তত স্থিৰ হ'ল যে সেই বছৰলৈ (তৃতীয় বছৰ ১৯১৯) অফিচ হব তেজপুৰত আৰু সভাৰ প্ৰধান সম্পাদক হ'ব

পদ্মনাথ গোহাঞিবৰুৱা। গোস্বামীয়ে এবাৰ নোৱাৰা বৰুৱা আছুকালৰ কাৰণে প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিব নোৱাৰিলে।

দ্বিতীয় দিনাৰ সভাত সাহিত্য সভাৰ ধন ভঁৰাল স্থাপন আৰু এটা ন্যাসৰক্ষী সমিতি (Board of trustees) গঠনৰ আলোচনা হ'ল। ফলত এই সমিতিৰ (Board of trustees) অৰ মেম্বৰ হ'ল চন্দ্ৰধৰ বৰুৱা, কুলধৰ চলিহা আৰু শৰৎচন্দ্ৰ গোস্বামী। গোস্বামী হ'ল তাৰ সম্পাদক। এইদৰে সকলো কাম হৈ গ'ল।

প্ৰথম দিনাৰ মুকলি সভাতেই দান-বৰঙণিৰপৰা ছশ টকা উঠিছিল। আগৰ হাতত থকা টকাৰে কাম চলি থাকিবলৈ দি এই ছশ টকা সভাৰ পুঁজিত জমা ৰাখিবলৈ স্থিৰ হ'ল। গোসাঁইদেৱে এই টকা নি প্ৰথমে ক'তো খটাব পৰা নাছিল। কাৰণ, সেই সময়ত আজি-কালিৰ দৰে বেঙ্ক আদি নাছিল। কেইমাহমানৰ পাছত ন্যাসৰক্ষক তিনিওজনে আলোচনা কৰি তাৰে কিছু টকা যোৰহাট থিয়েটাৰক আৰু বাকীখিনি 'প্ৰভাত কোম্পানী'ক ধাৰে দিছিল। যথাসময়ত যোৰহাট থিয়েটাৰ আৰু প্ৰভাত কোম্পানীয়ে সুত সহ সেই ধাৰ পৰিশোধ কৰে।

১৯১৯ চনৰ বৰদিনৰ বন্ধত সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন বহিছিল বৰপেটাত। সভাপতি আছিল ৰায়বাহাদুৰ কালিৰাম মেধি। কিবা এবাৰ নোৱৰা কাৰণত গোসাঁই সেইবাৰ অধিবেশনত উপস্থিত থাকিব পৰা নাছিল। আগতে কোৱা হৈছে যে তেৱেঁই সাহিত্য সভাৰ টকা-কড়িৰ 'ট্ৰাষ্ট ফাণ্ড'ৰ সম্পাদক আছিল। সেই কাৰণে তেওঁ বৰপেটা অধিবেশনত পাঠ কৰিবৰ কাৰণে 'ট্ৰাষ্ট ফাণ্ড' সম্পৰ্কে এটা বছৰেকীয়া প্ৰতিবেদন লিখি পঠাইছিল। কিন্তু তেওঁৰ প্ৰতিবেদন গৈ পোৱাৰ আগতে সভাত 'ট্ৰাষ্ট ফাণ্ড' সম্বন্ধীয় আলোচনা ওলাল। সম্পাদকৰ প্ৰতিবেদন নাপাই দুই এজন লোকে গোসাঁইদেৱক আক্ৰমণ কৰি দুই-চাৰি আষাৰ কথা নোকোৱাকৈ নাথাকিল। কিন্তু সেইবোৰৰ প্ৰতিবাদ কৰিছিল গোপীনাথ বৰদলৈদেৱে। কাৰণ, বৰদলৈদেৱে

গোস্বামীৰ ওপৰত যথেষ্ট আস্থা ৰাখিছিল আৰু তালৈকে জানিছিল যে গোসাঁইদেৱে কেতিয়াও ৰাজহুৱা ধনৰ অপব্যৱহাৰ নকৰে। বাদানুবাদ চলি থাকোঁতেই গোসাঁইদেৱে পঠিওৱা প্ৰতিবেদন পালেগৈ। সভাপতিয়ে সেইখন পঢ়ি শুনালত যিসকল লোকে আনন্দ পাইছিল, তাৰ ভিতৰত বেছি আনন্দ পাইছিল ৰবদলৈ ভাণ্ডৰীয়াই। তেওঁৰ কথা আখৰে আখৰে ফলিয়ালে। প্ৰতিপক্ষ জঁয় পৰিল। পাছত এই কথা বোলে গোসাঁইদেৱে প্ৰথমে তেওঁৰ দাদাক পণ্ডিত প্ৰতাপ গোসাঁইৰ মুখে শুনিছিল। পিছত কালিৰাম মেধি ডাঙৰীয়ায়ো কৈছিল হেনো

তাৰ পিছৰ বাৰ সন্মিলন বহিল তেজপুৰত (১৯২০ চন)। সভাপতি আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামী। গোসাঁইদেৱৰ নামটোও অৱশ্যে সভাপতি পদৰ বাবে প্ৰস্তাৱিত হৈছিল। কিন্তু পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ লগত প্ৰতিযোগিতা কৰিবলৈ ইচ্ছা নকৰি গোসাঁইদেৱে নিজৰ নামটো তুলি লবলৈ অনুৰোধ কৰি চিঠি লিখিছিল। পিছে চিঠি গৈ যথাসময়ত নোপোৱাত নিৰ্বাচন হৈয়ে গ'ল আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী অলপ ব্যৱধানৰ ভোটত জিকিল। সেই সন্মিলনতো গোসাঁইদেৱ উপস্থিত নাছিল। তাৰ কাৰণ টকাৰ অভাৱ বুলি তেওঁ লিখি থৈ গৈছে। ইচ্ছা কৰা হলে তেওঁ টকা আনৰপৰা সহজে ধাৰে লব পাৰিলেহেঁতেন; কিন্তু ধাৰ কৰা আৰু নিজৰ অভাৱৰ কথা আনক কোৱা—এই দুটা কাম তেওঁ সদায় ঘিণাইছিল আৰু পাৰ্য্যমানে পৰিহাৰ কৰিছিল

তেজপুৰ সন্মিলনে গোসাঁইদেৱৰ অনুপস্থিতিতো তেওঁকেই সম্পাদক নিৰ্বাচন কৰিলে আৰু সাহিত্য সভাৰ মূল কাৰ্য্যালয় ইবাৰ যোৰহাটলৈ গ'ল। তেতিয়াৰেপৰা আজিকোপতি সাহিত্য সভাৰ মূল কাৰ্য্যালয় যোৰহাটতে আছে।

সেই সম্বন্ধে গোসাঁইদেৱে লিখি থৈ গৈছে—'পৰৱৰ্ত্তী সময়ত যোৰহাটৰপৰা সাহিত্য সভাৰ অফিচ সলনি কৰিবলৈ বহুতো চেষ্টা হৈছিল। মই সেই চেষ্টাৰ সদায় বিৰোধিতা কৰিছো। তাতে অনেকে

কৈছিল যে যোৰহাটৰ গা-গদ্য ডাঙৰীয়া কেইজনমানে সাহিত্য সভাৰ সকলো ক্ষমতা নিজৰ হাতত ৰাখিবলৈ চেষ্টা কৰে, অথচ কাম হব নিদিয়ে। প্ৰকৃততে সেইটো কথা নহয়।

'মোৰ ধাৰণাত সভা এখন 'ৰিচাৰ্চ ইনষ্টিটিউট' (Research Institute), যদিও তাৰ গঠন-প্ৰণালী গণতান্ত্ৰিক। 'ৰিচাৰ্চ ইনষ্টিটিউট' নালাগে, যিকোনো অনুষ্ঠানেই কিবা কাম কৰিব খুজিলে, তাৰ স্থায়ী এখন অফিচ ঘৰ, লাইব্ৰেৰী আদি লাগে। 'হেড্ কোৱাৰ্টাৰ্চ' (Head Quarters) স্থায়ী নহলে এইবিলাক একো হব নোৱাৰে। এইবিলাক হলেহে আন কাম হাতত লব পাৰি। যোৰহাটত নানা প্ৰবন্ধ কৰি এটা ভাল ঘৰ আৰু ভাল মাটি এডোখৰ পোৱা হৈছে। তাত সাহিত্য সভাৰ লাইব্ৰেৰীও ভাল হৈ উঠিছে। আন ঠাইলৈ অফিচ গলে এইবোৰ সুবিধা নাথাকে। অফিচ অহা-যোৱা কৰা খেলিমেলিতে কিছুদিন সময়ো মিছাতে যায় আৰু মূল্যবান ৰেকৰ্ডবোৰো হেৰোৱাৰ ভয় থাকে। এইবোৰ কাৰণত সাহিত্য সভাৰ অফিচ নানা ঠাইলৈ নিয়াৰ মই সদায় বিৰোধী আছিলো। এতিয়াও মই এই কথাৰ বিৰোধী। সাহিত্য সভাৰ অফিচ যোৰহাটতে থাকিব লাগে।'

লোকেলবোৰ্ড আৰু মিউনিচিপালটিৰপৰা সাহায্য লাভ ঃ

লাহে লাহে সাহিত্য সভাৰ ঘৰ-দুৱাৰ চকী-মেজ আদি সকলো হ'ল। এতিয়া বছৰে বছৰে অ'ৰ ত'ৰপৰা কিছু টকা অনাৰ ব্যৱস্থা হলে সভাৰ যাবতীয় কাম চলোৱাত সুবিধা হয়। এই উদ্দেশে গোসাঁইদেৱে প্ৰথমতে লোকেলবোৰ্ড আৰু মিউনিচিপালিটিবোৰ'ল হাত মেলিলে। সাহিত্য সভালৈ প্ৰথম দান বৰঙণি দিছিল শিৱসাগৰ লোকেলবোৰ্ডৰ চেয়াৰমেন তাৰাপ্ৰসাদ চলিহাদেৱে আৰু শেষত দিছিল গুৱাহাটী লোকেলবোৰ্ডৰ চেয়াৰমেন দেশভক্ত তৰুণৰাম ফুকনে। ফুকনৰপৰা টকা আনিবলৈ গোসাঁয়ে ভালকৈয়ে যুঁজিবলগীয়া হৈছিল।

বহুত তৰ্কৰ পিছত ফুকনে শেষত কিবা এটা কথাত গোসাঁইৰ ওপৰত সন্তুষ্ট হৈ কৈছিল-'তোমাৰ বেচ ধৈৰ্য্য আছে। লাগি থাকিব পাৰা। বাৰু তোমাৰ সাহিত্য সভাক মই এই বছৰলৈ পঞ্চাশ টকা দিম।' ইয়াৰ বহুদিন পিছলৈকেও কিন্তু গুৱাহাটী বোৰ্ডে সাহিত্য সভাৰ এই টকা দি আছিল।

এইদৰে গোসাঁই প্ৰধান সম্পাদক হৈ থকা সময়ত চন্দ্ৰকান্ত সন্দিকৈ হলৰ দ্বাৰ-উদ্‌ঘাটন উৎসৱলৈ সেই সময়ৰ গৱৰ্ণৰ ছাৰ জন কাৰক নিমন্ত্ৰণ কৰি নি সাহিত্য সভাৰ কাৰণে প্ৰথম চৰকাৰী সাহায্য লাভৰ বাট মুকলি কৰি দিছিল। ইং ১৯১৫ চনৰ কথা।

অসম সাহিত্য সভাৰ অধিবেশনবোৰৰ ভিতৰত অন্ততঃ গোসাঁইৰ জীৱনৰ কালৰপৰা চালে নগাওঁ অধিবেশন আৰু গোৱালপাৰা অধিবেশনৰ স্পষ্ট বিশেষত্ব আছে। গোৱালপাৰা অধিবেশনৰ কথা আগতে কৈ অহা হৈছে। নগাওঁ অধিবেশন বহিছিল ১৯২৫ চনত। ই সভাৰ সপ্তম অধিবেশন।

গোসাঁইৰ হাতত সাহিত্য সভাৰ অৱস্থা দিনক দিনে ভালৰ ফালে অহা দেখি তেওঁৰ সমকক্ষ বন্ধু দুই এজনৰ অন্তৰ্দাহ উপস্থিত হৈছিল। তেওঁলোকে গোসাঁইক কেনেকৈ সাহিত্য সভাৰ গুৰিয়াল গুচাই দিব পাৰে তাৰ উপায় যত্নেৰে চান্দি আছিল। যোৰহাটৰ পৰা সভাৰ মূল অফিচ তুলি নিব পাৰিলে সেইটো হব পাৰে। কিন্তু সভাৰ স্থায়ী ঘৰ নিৰ্মাণ হোৱাত সেইটো একৰকম অসম্ভৱ কাম হ'ল। তথাপি তেওঁক যেই-সেই উপায়ে সভাৰপৰা বিচ্ছিন্ন কৰিবই লাগিব এয়ে আছিল তেওঁলোকৰ সংকল্প আৰু গুপুত আলচ। কোনেও হলে এনে এটা কথা সাহ কৰি মূল সভাত উত্থাপন নকৰে।

এই অভিসন্ধিৰ গম পাই গোসাঁয়ে নিজেই মূল সভাত সম্পাদকৰ দায়িত্ব ত্যাগ কৰিব'ল প্ৰস্তাৱ উত্থাপন কৰিলে এনে আকস্মিক কাৰ্য্যত বহুত লোক আচৰিত হ'ল। কোনো কোনোৱে উঠি তৎক্ষণাৎ তেনে কাৰ্য্য একোপধ্যে হব নোৱাৰে বুলি ঘোৰ আপত্তি কৰিলে।

আচৰিত কথা এই যে যিসকলে গোসাঁইৰ অনুপস্থিতিত তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল—তেওঁলোকৰে এজনে উঠি কথা বিষম যেন দেখি গোসাঁয়েই সম্পাদক থাকিব লাগে বুলি বক্তৃতা যুৰি দিলে। যুক্তিও দৰ্শালে। গোসাঁইৰ গুণৰো প্ৰশংসা কৰিলে। সৰ্বসম্মতিক্ৰমে তেতিয়া গোসাঁয়েই আকৌ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল। প্ৰতিপক্ষ জব্দ পৰিল। এই সন্মিলনত সভাপতি আছিল ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ। বৰদলৈয়ে তেতিয়া মুকলি সভাতেই গোসাঁইক মৰমতে আকোঁৱালি ধৰিছিলহি। তেওঁ সভাপতিৰ আসনৰপৰাই সকলোৰে আগতে গোসাঁইৰ বিস্তৰ প্ৰশংসা কৰিছিল। গোসাঁইৰ কাৰণে সেই দিনটো এটা স্বৰ্গীয় আনন্দৰ দিন আছিল বুলি তেওঁ নিজে লিখি থৈ গৈছে। গোসাঁইৰ জীৱনীৰ লগত সাহিত্য সভাৰো ইতিবৃত্ত এইদৰেই জড়িত হৈ আছে।

'অসম সাহিত্য সভাৰ কাৰণে প্ৰধান সম্পাদক হিচাবে ইমানবোৰ কাম কৰাৰ উপৰি ছাত্ৰ কালৰপৰাই গোস্বামীৰ সাহিত্য ক্ষেত্ৰতো যথেষ্ট নাম আছিল। তেওঁ সেই সময়া আলোচনীবোৰত চুটি গল্পৰ বাহিৰেও পুৰাতাত্ত্বিক বিষয়ৰ ভালেমান মূল্যবান প্ৰবন্ধ লিখিছিল। বুজন ধৰণৰ প্ৰকাশিত গ্ৰন্থও সেই সময়ত তেওঁৰ—পাঠ্য পুথিত বাদেও—৫/৬ খন আছিল। তথাপি সাহিত্য সভাৰ সভাপতিৰ আসন তেওঁ অলঙ্কৃত কৰিবলৈ নাপালে। সোঁয়েহে আৰু একাধিক যোগ্য লোকৰ ক্ষেত্ৰত হোৱাৰ দৰে সাহিত সভাৰ কাৰণেই ই এটা দুৰ্ভাগ্যজনক ক্ষতি। তেওঁ যে সেই সন্মান লবলৈ ইচ্ছুক নাছিল তেনেও নহয়; কেৱল থাজে-খোপে খোৱাৰ সুযোগ নিমিলিল। বস্তুতঃ এবাৰৰ কাৰণে হালেও তেওঁৰ নাম সেই পদৰ কাৰণে উত্থাপিত আৰু প্ৰস্তাৱিত হৈছিল। আৰু এটা কথা। সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ প্ৰাক্তন সভাপতি এগৰাকীয়েও ইতিপূৰ্বে সাগৌৰৱে গ্ৰহণ কৰি যোৱা সম্পাদকীয় দায়িত্বও তেওঁ সুখ্যাতিৰে সম্পন্ন কৰি সাহিত্য সভাখন সাত-আঠ বছৰ চলাই আছিল। সম্পাদকৰ দায়িত্বত থকা

এই সুদীৰ্ঘ কালছোৱাত তেওঁৰ নাম সভাপতি পদৰ কাৰণে প্ৰস্তাৱিত হোৱাৰ প্ৰশ্নও উঠে। আৰু পিছত স্কুল ইন্‌স্পেক্টৰ হৈ থকা সময়ত তেওঁ ইচ্ছা কৰিয়ে সেই সন্মান গ্ৰহণ কৰাৰপৰা বিৰত হৈছিল, কাৰণ তেওঁ নিজে লিখি থৈ যোৱা মতে সেই সময়ত সাহিত্য সভাৰ শাখা সভাবোৰ হয় তেওঁ এসময়ত নৰ্মাল স্কুলত পঢ়ুৱা ছাত্ৰ, নহলে তেওঁৰে তলতীয়া কৰ্মচাৰী বা চাকৰি-প্ৰাৰ্থী লোকেৰে ভৰি আছিল। তেনে পৰিস্থিতিত তেওঁৰ সভাপতি নিৰ্বাচন প্ৰকৃত সাহিত্য-গুণৰ বিচাৰত পতা মুকলি নিৰ্বাচন নহব। সেই বিষয়ে তেওঁৰ নিজা মন্তব্য হৈছে—'এনেবোৰ সন্মান যে মোক নালাগে এনে নহয় কিন্তু মোৰ মানুহজনৰ প্ৰকৃত মূল্য আৰু সাহিত্যিক মৰ্য্যাদাক আদৰ কৰি দিলেহে লাগে।'

কামৰূপ অনুসন্ধান সমিতি, বাজ্যিক সংগ্ৰহালয় আৰু নাৰায়ণী হান্দিকৈ ভৱন:

কামৰূপ অনুসন্ধান সমিতি, ৰাজ্যিক সংগ্ৰহালয় (মিউজিয়াম) আৰু কটন কলেজ পুথি-ভঁৰালৰ লগত সংলগ্ন হৈ থকা নাৰায়ণী হান্দিকৈ ভৱনৰ সংস্থাপনতেই হওক বা এই অনুষ্ঠান কেইটাৰ শ্ৰীবৃদ্ধি সাধনতেই হওক শৰৎচন্দ্ৰ গোস্বামীদেৱৰ অবিহণা এলাপেচা বিধৰ নাছিল। এই আটাইকেইটা অনুষ্ঠান সাহিত্য-সংস্কৃতি আৰু ঐতিহাসিক অধ্যয়ন সম্পৃক্ত। গোসাঁইদেৱৰ মনৰ প্ৰবৃত্তিৰ লগত এই কেইটি অনুষ্ঠানৰ বিষয়-বস্তুৰ নিগূঢ় সম্বন্ধ আছে। সেয়েহে তেওঁ সুদূৰ যোৰহাটত থাকিও গুৱাহাটীত থকা এই অনুষ্ঠানকেইটিৰ শ্ৰীবৃদ্ধিৰ কাৰণে সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ আগবঢ়াই আছিল।

অসমৰ অতীত বুৰঞ্জীৰ তথ্যপাতি সংগ্ৰহ কৰি সেই সমলবোৰৰ তত্ত্বাৱধান লবৰ কাৰণে কামৰূপ অনুসন্ধান সমিতিৰ জন্ম হয়

৯১২ চনৰ ৭ এপ্ৰিলত।* বাহিৰৰ লোকে সহজে বুজিব পৰাকৈ ইয়াক বোলা হৈছিল 'ডি আসাম ৰিছাৰ্চ ছোচাইটি'। সমিতিৰ তথ্যৰ একৈশ বছৰ পিছত 'ডি জাৰ্ণেল অব্ ডি আছাম ৰিছাৰ্চ চোচাইটি' বুলি এখন ইংৰাজী ত্ৰৈমাসিক মুখপত্ৰ প্ৰকাশ কৰা হৈছিল আৰু তাৰ প্ৰথম সংখ্যা ওলাইছিল ১৯৩৩ চনৰ এপ্ৰিল মাহত। ৰায়বাহাদুৰ কনকলাল বৰুৱা আছিল তাৰ প্ৰথম সম্পাদক। এই আলোচনীয়ে সমিতিৰ কাৰ্য্যকলাপ আৰু নতুনকৈ আবিষ্কৃত হোৱা ফলি-মোহৰ পুথি-পাঁজিকে ধৰি নানান ঐতিহাসিক তথ্যপাতিৰ বিবৰণ আজিকোপতি দাঙি ধৰি আছে। পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য, বিদ্যাবিনোদ হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, কালিৰাম মেধি, সূৰ্য্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি, সৰ্বেশ্বৰ কটকী, ৰাজমোহন নাথ, প্ৰবোধ চন্দ্ৰ সেন, শৰৎচন্দ্ৰ গোস্বামী ডিম্বেশ্বৰ নেওগ প্ৰভৃতি লোকসকলৰ বাহিৰেও গেত মিলচ, গৰ্ডন আদি প্ৰশাসনত নিবত থকা বিখ্যাত চাহাবসকলেও সহযোগ কৰিছিল আৰু মূল্যবান প্ৰবন্ধৰ যোগান ধৰিছিল।

শৰৎচন্দ্ৰ গোস্বামী কামৰূপ অনুসন্ধান সমিতিৰ লগত তাৰ জন্ম লগ্নৰেপৰা জড়িত আছিল। সমিতিৰ ১৯১৪ চনৰ ৫ ডিচেম্বৰত প্ৰকাশ কৰা 'প্ৰস্পেক্টাচ' মতে আৰম্ভণিতে সমিতিৰ সদস্য সংখ্যা আছিল ৫৫ জন। তাৰে ৪১ জন আছিল অসমৰে আৰু ৭ জন অসমৰ বাহিৰৰ লোক। বাহিৰৰ কেইজনৰ ভিতৰত সমিতিৰ ৰংপুৰ শাখাৰ সচিব আৰু ৰংপুৰ সাহিত্য পৰিষদৰো সম্পাদক বাবু সুৰেন্দ্ৰ চন্দ্ৰ ৰায়চৌধুৰী আৰু জমিদাৰ খান চৌধুৰী মৌলবী আমানতুল্লা আহমদৰ নাম বিশেষ উল্লেখযোগ্য। এই দুগৰাকী সদস্যই সমিতিৰ লগত জড়িত হৈ সমিতিক বাহিৰৰ পৰাই নানা ধৰণে সহায় কৰি আছিল।

অসমত তেনে এখন সমিতি গঢ়াৰ ভাৱ-চিন্তাই ঠাই পাইছিল পোনতে দুগৰাকী পণ্ডিতৰ মনত। তেওঁলোক আছিল কটন কলেজৰ

* The Journal of Assam Research Society; Vol I, April 1933, No. 1.

অধ্যাপক পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ আৰু কামাখ্যা সংস্কৃত টোলৰ গুৰু মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য কবিৰত্ন। তেওঁলোকৰ সেই চিন্তাই ১৯১২ চনত উত্তৰবঙ্গ সাহিত্য সম্মেলনৰ কামাখ্যা ধামত বহা অধিবেশনত বিশেষ ৰূপ পৰিগ্ৰহ কৰিছিল। পৰিষদৰ মূল সভাত তেনে এটি সমিতি স্থাপনৰ প্ৰস্তাৱ দাঙি ধৰিছিল কোচবিহাৰৰ উপৰোক্ত খানচৌধুৰী আমানতুল্লা আহমেদে। ৰংপুৰৰ ৰায়বাহাদুৰ মৃত্যুঞ্জয় চৌধুৰীয়ে সেই প্ৰস্তাৱ সমৰ্থন কৰাত সি সৰ্বসম্মতিক্ৰমে গৃহীত হয়। সমিতিৰ প্ৰথম সম্পাদক আৰু কোষাধ্যক্ষ আছিল বাবু কালীচৰণ পাল উকীল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সমিতিৰ মেৰুদণ্ডৰ দৰে কাম কৰিছিল। সৌভাগ্যক্ৰমে অগ্নিৰ লগত বায়ু সংযোগ হোৱাৰ দৰে হৈ পাচঁগৰাকী বলবন্ত মহৎ লোকে আৰম্ভণিৰেপৰা এই অনুষ্ঠানটোৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁলোক আছিল, (১) চীফ কমিছনাৰ ছাৰ আৰ্চডেল আৰ্ল; (২) কোচবিহাৰৰ মহাৰাজ জিতেন্দ্ৰনাৰায়ণ ভূপ বাহাদুৰ; (৩) বিহাৰ আৰু উৰিষ্যাৰ এক্সিকিউটিভ কাউন্সিলৰ প্ৰথমতনা সদস্য; (৪) আছাম ভেলীৰ কমিছনাৰ লেফ্‌টেনেণ্ট কৰ্ণেল পি-আৰ. টি গৰ্ডন আৰু (৫) গৌৰীপুৰৰ ৰজা প্ৰভাতনাৰায়ণ বৰুৱা বাহাদুৰ। এই সদাশয় লোকসকলৰ নাম সমিতিৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব।

আৰম্ভণিৰেপৰা সমিতি স্থাপনৰ লগত জড়িত থকা সদস্যসকলৰ ভিতৰত যাই যাইসকল হ'ল—যেনে, মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য কবিৰত্ন, অধ্যাপক পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, বাবু কালীচৰণ সেন, অধ্যাপক লক্ষ্মীনাৰায়ণ চেটাৰ্জী, খানবাহাদুৰ মৌঃ মুহিবুদ্দিন আহমদ, অসম উপত্যকা সংমণ্ডলৰ এছিষ্টেণ্ট স্কুল-ইনস্পেক্টৰ শৰৎচন্দ্ৰ গোস্বামী, গৌৰীকান্ত তালুকদাৰ, কামৰূপ জিলাৰ স্কুলসমূহৰ ডেপুটী ইন্‌স্পেক্টৰ হৰেন্দ্ৰ নাৰায়ণ দত্ত, অসম বান্ধৱৰ সম্পাদক পণ্ডিত তাৰানাথ কাব্যবিনোদ, পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী, কাৰ্জন হলৰ লাইব্ৰেৰীয়ান বাবু গোপালকৃষ্ণ দে, তেজপুৰৰ ৰজনী কুমাৰ দাস,

উত্তমচন্দ্ৰ বৰুৱা মৌজাদাৰ, তাৰিণীচৰণ শৰ্মা (কামাখ্যাৰ পাণ্ডা, সত্ৰৰ গোস্বামী, সোনাৰাম চৌধুৰী, লক্ষ্মণৰাম চৌধুৰী (পাতুৰী মৌজাৰ মৌজাদাৰ), বাবু সুৰেন্দ্ৰ চন্দ্ৰ ৰায়চৌধুৰী, খানচৌধুৰী মোঃ আমানুল্লা আহমদ প্ৰভৃতি।

সমিতিৰ কাৰ্য্যনিৰ্বাহক সভাৰ ৪।৫।৪০ তাৰিখৰ বৈঠকত শৰৎচন্দ্ৰ গোস্বামীক সমিতিৰ মুখপত্ৰ দি জাৰ্নেল অব দি আছাম ৰিছাৰ্চ ছোচাইটিৰ সম্পাদক নিৰ্বাচন কৰা হয়। এই আলোচনীখনিৰ সুপৰিচালনাৰ কাৰণে গোস্বামীক মুখ্য সম্পাদকৰ বাব দি তেওঁক সহায় কৰিবলৈ আৰু চাৰিজন সদস্যৰে এখন সম্পাদনা সমিতি গঠন কৰি দিয়া হৈছিল। এই চাৰিগৰাকী সদস্য আছিল (১) ৰাজমোহন নাথ, বি, ই, (২) কালিৰাম মেধি এম. এ. (৩) অধ্যাপক উমাকান্ত গোস্বামী এম. এ. বি. এল আৰু (৪) অধ্যাপক দিবাকৰ গোস্বামী এম এ. বি. এল। এই আলোচনীত শৰৎচন্দ্ৰ গোস্বামীয়ে তলত নাম দিয়া ধৰণৰ প্ৰবন্ধ লিখিছিল, যেনে (১) Assam as a Field of Research. (Ist Vol of 1941), (2) The Bhatheli Festivals (Jany to April 1943), (3) An Unknown King of Kamrupa (July Oct/43) ইত্যাদি।

পিছলৈ সমিতিৰ কাৰ্য্যক্ষেত্ৰৰ পৰিসৰ আৰু অলপ বহল কৰি লবলৈ বুলি সমিতিয়ে তাৰ লগত পুৰাতত্ত্ব বিভাগ এটা যোগ দি এটা প্ৰাদেশিক সংগ্ৰাহলয় (মিউজিয়াম) স্থাপনৰ প্ৰস্তাৱ দাঙি ধৰিছিল। তাৰ উদ্যোক্তাসকলৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামী আছিল অন্যতম। যথাসময়ত অসম চৰকাৰে এই প্ৰস্তাৱ আৰু উদ্যমৰ মূল্য উপলব্ধি কৰি তাত হয়ভৰ দিয়ে আৰু গুৱাহাটীৰ দীঘলী পুখুৰীৰ দক্ষিণ পাৰত অসম ৰাজ্যিক সংগ্ৰহালয় স্থাপন কৰিবলৈ লয়। তেতিয়া কামৰূপ অনুসন্ধান সমিতি তাৰে এটা গৱেষণা কেন্দ্ৰ হিচাপে স্বকীয়া অনুষ্ঠানৰূপে বৰ্ত্তি থাকে।

ইয়াৰ প্ৰায় লগে লগেই যুগপৎ এই যুগ্ম অনুষ্ঠান দুটাৰ কামৰ লগত বজিতা খোৱাকৈ তাৰে অনতিদূৰত কটন মহাবিদ্যালয়ৰ পুথি

উজনিৰ দলীপতে 'মাধাৱনী সন্দিকৈ ভৱন' নামৰ আৰু এটা অনুষ্ঠান গঢ় লৈ উঠিল'। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিষয়ৰ 'ইও' এটা গৱেষণা মন্দিৰ। দানবীৰ ৰাধাকান্ত সন্দিকৈদেৱৰ অৰ্থসাহাৰ্যত স্থাপিত হোৱা ই তেওঁলোকৰ পত্নী মাধাৱনী সন্দিকৈৰ নামৰ স্মৃতি-ভৱন। ৰায়বাহাদুৰ অধ্যাপক ড: সূৰ্য্যকুমাৰ ভূঞাৰ অহোপুৰুষাৰ্থত ই ৰূপ লৈ উঠিছিল যদিও ইয়াৰ প্ৰতিষ্ঠাৰ বাবে যোৰহাট নিবাসী দানবীৰ সন্দিকৈদেৱক গোপনতে যুক্তিসহকাৰে উদগনি দি আগবঢ়াই দিয়াত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ পৰোক্ষ আৰু প্ৰত্যক্ষ অৰিহণা কম নাছিল। * কবলৈ গলে সেই কাম 'ইয়াতে থাকিলে টিপা, গড়গাওঁ পালেগৈ শিপা' বোলাৰ দৰে হৈছিল। কাৰণ সন্দিকৈদেৱে সেইৰ যি দুই-এজন তেওঁৰ অন্তৰঙ্গ বন্ধুৰ বিশ্বাসত বাধি তেওঁলোকৰ দিহা-পৰামৰ্শমতে দানৰ যাবতীয় অৰ্থব্যয়ৰ যুগমীয়া কামবোৰ কৰিবলৈ হাতত লৈছিল—গোস্বামী আছিল সেই কেইজনাৰ অন্যতম। সকলো বিষয়তে গোস্বামীৰ গুণৰত তেওঁৰ আস্থা আছিল গভীৰ আৰু অপৰিসীম। চন্দ্ৰকান্ত সন্দিকৈ ভৱন স্থাপন, চন্দ্ৰকান্ত অভিধান ৰচনা আদিৰ ইতিহাসেই তাৰ সাক্ষী। কোৱা বাহুল্য যে এনে আস্থা আৰু প্ৰীতিৰ বশবৰ্ত্তী হৈয়ে চন্দ্ৰকান্ত অভিধান ৰচনাৰ সময়ত সন্দিকৈদেৱে কেতিয়াবা নিজেও আহি গোস্বামীৰ লগতে শব্দ-সংগ্ৰহ, অৰ্থ পৰীক্ষা আদিত ভাগ লৈ আনন্দ লভিছিল। সিমানেই নহয়, তেওঁৰ তেতিয়াৰ যুৱক পুত্ৰ সুপণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱেও মুখ্য সংগ্ৰাহক কোহিৰাম দাসৰ লগত তাকেই কৰিছিল। অনুষ্ঠান আৰু সংশ্লিষ্ট ব্যক্তিসকলৰ কাৰণে ই কম গৌৰৱ আৰু আনন্দৰ কথা নহয়। একপ্ৰকাৰে ইও গোস্বামীৰে কৃতিত্বৰ পৰিচায়ক।

কামৰূপ সংস্কৃত সঞ্জীৱনী সভা :

নলবাৰীত কামৰূপ সংস্কৃত সঞ্জীৱনী সভা স্থাপন শৰৎচন্দ্ৰ গোস্বামীৰ জীৱনৰ অন্য এটি কৃতিত্ব। সংস্কৃত ভাষাৰ জ্ঞান, ভাৰতীয় ভাষা সাহিত্য,

* এই পুঁথিৰ উপৰিলিখিত সামৰণিৰ কথা প্ৰসঙ্গত প্ৰাসঙ্গিক টিপ্পনী প্ৰতিলিপি দ্ৰষ্টব্য।

কাৰ্য্য আদিৰ অধ্যয়নত কেনে অপৰিহাৰ্য্য তাক নকলেও হয়। দিনক দিনে কামৰূপত, তথা অসমত ই ক্ৰমে অধিক অৱহেলিত হৈ অহা দেখি ইয়াৰ অধ্যয়ন, অধ্যাপনা আৰু চৰ্চ্চাৰ প্ৰয়োজনৰ গুৰুত্ব অন্তৰত দৃঢ়কৈ অনুভৱ কৰি আৰু হাতেলেখা অসংখ্য সাঁচিপতীয়া সংস্কৃত পুথি নানা ঠাইত সিঁচৰতি হৈ পৰি থকাৰ কথা নিজে জানিব পাৰি 'কামৰূপ সংস্কৃত সঞ্জীৱনী সভা' নামে এটি অনুষ্ঠান গঢ়িবলৈ তেওঁ পোনতে নলবাৰী আৰু তাৰ ওচৰ-পাঁজৰৰ ভালেকিজন সংস্কৃত পণ্ডিতৰ লগত আলচ কৰিছিল। এই কাৰ্য্যত তেওঁৰ প্ৰধান সহায়ক আৰু উপদেষ্টা আছিল তেওঁৰ শ্ৰদ্ধেয় ককাইদেৱেক পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী। দুয়ো ককাই-ভায়েকেই কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ প্ৰথম মেৰুদণ্ড আছিল বুলিব পাৰি। ইয়াৰ আদি অৱস্থাৰ অন্যতম উদ্যোক্তা আছিল গুৱালকুছি দৰ্শন বিদ্যালয় নামৰ সংস্কৃত টোলৰ প্ৰথম অধ্যাপক লক্ষ্মীনাথ শঙ্কতীৰ্থ। তেওঁলোক আটাইৰে উমৈহতীয়া চেষ্টাত নলবাৰীত এই অনুষ্ঠান স্থাপিত হয়। ইয়াক প্ৰকাৰান্তৰে পুৰাতত্ত্ব অনুসন্ধানৰেই এটি বিশিষ্ট অঙ্গ বা বিভাগ বুলিব পাৰি। এই সভাই পোনতে তৎকাল পৰ্য্যন্ত বিচাৰি পোৱা হাতেলেখা সংস্কৃত পুথিবোৰৰ এখন সংক্ষিপ্ত তালিকা তৈয়াৰ কৰিছিল। তাৰপৰাই পুৰণি কামৰূপ ৰাজ্যত সংস্কৃত চৰ্চ্চাৰ পৰিসৰ আৰু গুৰুত্ব অনুমান কৰিব পাৰি। তাত সংগৃহীত পুথিবোৰৰ বিৱৰণ এইদৰে দিয়া হৈছিল, যেনে (১) ধৰ্মদেৱ প্ৰণীত ধৰ্মোদয়। ই এখন নাটক। (২) কবিচন্দ্ৰ শৰ্ম্মা প্ৰণীত—কামকুমাৰহৰণম্। ইও এখনি সংস্কৃত নাটক। (৩) বাগীশ প্ৰণীত—নীতিলতাঙ্কুৰ। ই এখনি ৰাজনীতিৰ গ্ৰন্থ। ইত্যাদি এই বিষয়ে গোসাঁইদেৱে ১৯২৬ চনৰ জানুৱাৰী মাহৰ 'কামৰূপ অনুসন্ধান সমিতি'ৰ (Some Sanskrit Manuscripts found in Kamrup) শীৰ্ষক প্ৰবন্ধ ইংৰাজীত লিখি তালৈ অসমৰ বাহিৰৰ গৱেষকৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

গোসাঁইদেৱৰ যত্নতে এই সভাৰ জৰীয়তে ১৯৩৪ চনত নলবাৰীত পুৰণি সংস্কৃত পুথি প্ৰদৰ্শনী এখন পতা হৈছিল আৰু তালৈ অসমৰ

গৱৰ্ণৰ বাহাদুৰক নিমন্ত্ৰণ কৰা হৈছিল। ইয়াতে উল্লেখ কৰা প্ৰায় যে বৃটিছ শাসনৰ সেই কাল ছোৱাৰ মানুহৰ এটা বদ্ধমূল ধাৰণা আছিল যে লাট চাহাবৰ দৰে ব্যক্তিৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিলে যিকোনো অনুষ্ঠানৰে মান-মৰ্য্যাদা আৰু গাম্ভীৰ্য্য বাঢ়ে আৰু অনুষ্ঠানটোৱে এটা নতুন প্ৰেৰণা পায়। চন্দ্ৰকান্ত সন্দিকৈ ডাঙৰৰ দুৱাৰ মুকলি কৰা উৎসৱলৈ তেতিয়াৰ লাট বাহাদুৰ হাৰকোৰ্ট বাটলাক নিমন্ত্ৰণ কৰি নিয়াৰ যাই উদ্দেশ্যও গোসাঁইদেৱৰ মনত সেয়ে আছিল আৰু যথাৰ্থতে তেওঁৰ সেই উদ্দেশ্য বাৰুকৈয়ে পূৰণ হৈছিল: কাৰ্য্য-নিৰ্বাহক সভাৰ প্ৰস্তাৱ মতে যাহেকত চৰকাৰী সাহায্য এহেজাৰ খোজাৰ ঠাইত গোস্বামীয়ে ছল চাই কঠিয়া পাৰি পাচ হাজাৰ খুজি চাৰি হাজাৰ পাইছিল: এহেজাৰ ৰেকাৰিং গ্ৰেণ্ট আৰু তিনি হাজাৰ সেই বছৰলৈ। কাম দেখুৱাব পাৰিলে আৰু টকা পোৱা হ'ব বুলি আশাও পাইছিল।

নলবাৰীত কামৰূপ সংস্কৃত সঞ্জীৱনী সভা, সংস্কৃত বোৰ্ড, সংস্কৃত কলেজ আদি প্ৰাচ্য বিদ্যাৰ অনুষ্ঠানবোৰ কেনেকৈ হ'বলৈ পালে তাৰো উল্লেখযোগ্য ইতিহাস আছে। উচ্চপদস্থ চৰকাৰী চাকৰিয়াল হৈ নলবাৰীবাসৰা দূৰত থাকিবলগীয়া হৈছিল যদিও শৰৎচন্দ্ৰ গোস্বামী দেৱে নেপথ্যত থাকিয়ে এইবোৰৰ প্ৰতিষ্ঠা, পৰিচালনা আদিৰ সূত্ৰ ধৰি আছিল।

সেই সময়ত কামৰূপত সংস্কৃতৰ চৰ্চা ক্ৰমে হ্ৰাস পাই অহা দেখি মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যদেৱ তাৰ উৎকৰ্ষ সাধনৰ কাৰণে চিন্তিত হৈ পৰিছিল। ঠিক এনে সময়তে নলবাৰীবাসৰা অনতিদূৰৰ গুৱাকুছিৰ বিদ্যাদত্ত কবিৰাজৰ পুত্ৰ লক্ষ্মীনাথ পঞ্চতীৰ্থই নৱদ্বীপত ভিন ভিন বিষয়ৰ পাঁচটা তীৰ্থ উপাধি লাভ কৰি সুখ্যাতিৰে পঞ্চতীৰ্থ হৈ ঘৰ পাইছিলহি। তেওঁ ঘৰ পাই গুৱাকুছি দৰ্শন বিদ্যালয় নামেৰে এখন সংস্কৃত টোল স্থাপন কৰি তাতে অধ্যাপনা আৰম্ভ কৰিছিল। অসমৰ অনেক ঠাইত সংস্কৃত টোল আছে, উপযুক্ত পণ্ডিতো আছে, অথচ

সংগঠনৰ অভাৱত কোনো এটা স্বীকৃতিপ্ৰাপ্ত সংস্কৃত বোৰ্ড গঠন নোহোৱা হেতুকে অসমৰ টোলবোৰৰ ছাত্ৰই কলিকতা, ঢাকা, নৱদ্বীপ আদিৰ বোৰ্ডৰ তলত পৰীক্ষা দি উপাধি লব লাগিছিল। তাকে দেখি গোসাঁইদেৱে কামৰূপৰ সকলো সংস্কৃত পণ্ডিতে মিলি নলবাৰীত কামৰূপ সংস্কৃত সঞ্জীৱনী সভা নামে সভা এখন স্থাপন কৰিবলৈ লাগে। দূৰকলীয়া, দূৰত থাকিও শৰৎচন্দ্ৰ গোস্বামীদেৱে সেই বিষয়ে আৱশ্যকীয় সকলো দিহা-ভাৱনা দি থাকিল।

এইখিনিতে উল্লেখ কৰা যায় যে অনুষ্ঠানটোৰ নামকৰণ কৰিছিল লক্ষ্মীনাথ পাককতীৰ্থই আৰু তেৱেঁই ইয়াৰ প্ৰতিষ্ঠাতা সম্পাদক আছিল। ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি আছিল স্বয়ং মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য। উদ্যোক্তাসকলৰ ভিতৰত পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী আছিল অন্যতম মহামহোপাধ্যায় স্বৰ্গী হোৱাত সৰ্বসন্মতিক্ৰমে তেখেতেই তাৰ স্থায়ী সভাপতিৰ দায়িত্ব বহন কৰিবলগীয়া হৈছিল। *

কামৰূপ-সংস্কৃত সঞ্জীৱনী সভাৰ যত্ন আৰু তদাৰকতে ক্ৰমে ক্ৰমে আসাম সংস্কৃত বোৰ্ড, নলবাৰী সংস্কৃত কলেজ আদি অনুষ্ঠানবোৰ গঢ় লৈ উঠে। সেই সময়ত নলবাৰী গৰ্ডন হাইস্কুলৰ হেড্মাষ্টৰ আছিল নাট্যাচাৰ্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। তেখেতেও এই অনুষ্ঠানবোৰৰ প্ৰতিষ্ঠা আৰু পৰিচালনাত বৰ সহায় কৰা নাছিল। তাৰেই ফলত আসাম সংস্কৃত বোৰ্ডে বঙ্গীয় বোৰ্ডৰ উপাধি তীৰ্থৰ ঠাইত শাস্ত্ৰী উপাধিৰ সৃষ্টি কৰিলে। তদনুসাৰী বিভিন্ন বিষয় আৰু শাস্ত্ৰৰ জ্ঞান-ভিত্তিক বিভিন্ন বিষয়ৰ শাস্ত্ৰী উপাধিৰ উদ্ভৱ হ'ল: যেনে, ব্যাকৰণ শাস্ত্ৰী, কাব্য শাস্ত্ৰী, স্মৃতি শাস্ত্ৰী ইত্যাদি।

অসমত কমলী, ভাৰতী, বাগীশ, বক্তাবতী আদি পাণ্ডিত্যসূচক বিষয়ৰ পুৰণি উপাধিৰ প্ৰচলন আছিল। সংস্কৃত সঞ্জীৱনী সভাই উপযুক্ততাৰ বিচাৰ কৰি তেনেবোৰ উপাধিৰ প্ৰদান আৰু প্ৰচলনো

---

* পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাৰত্ন, বিদ্যাবিশাৰদ, ধৰ্মভূষণৰ 'জীৱন স্মৃতি আৰু কামৰূপী সমাজ।'

গাৰ্হস্থ্য জীৱনৰ মাতৃ-শ্ৰাদ্ধৰ সময়ত শৰৎচন্দ্ৰ গোস্বামী আৰু তেওঁৰ কন্যাযেক পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী (১০১ পৃঃ)

ব্যৱহাৰ কৰিছিল। সভাই প্ৰদান কৰা উপাধি দুই প্ৰকাৰৰ আছিল: (১) যোগ্য ব্যক্তিক সন্মানৰ স্বীকৃতি স্বৰূপে বিনা পৰীক্ষাই অৰ্পণ কৰা আৰু (২) পৰীক্ষাৰ ফল স্বৰূপে যোগ্যতাৰ প্ৰমাণ কৰি। বেলেগ বেলেগ বিষয়ত বেলেগ বেলেগ উপাধি দিয়াৰ নিয়ম আছিল, যেনে, কাব্যভাৰতী, সাহিত্যৰত্ন, ভাগৱতবাগীশ, স্মৃতিবাগীশ ইত্যাদি। সন্মানসূচক তেনে উপাধি অনেকে অযাচিতেই লাভ কৰিছিল, যেনে চন্দ্ৰধৰ বৰুৱাদেৱে সাহিত্যৰত্ন; কুলবিলৰ প্ৰসিদ্ধ কবিৰাজ পদ্মধৰ গোস্বামীদেৱে ভিষকশিৰোমণি ইত্যাদি।

ব্যক্তিগত অনুসন্ধানৰ দ্বাৰা সংস্কৃত শিক্ষাৰ তৎকালীন অৱস্থাৰ মূল্যায়ন কৰি উপযুক্ত ব্যৱস্থা লবলৈ অসম চৰকাৰে শিক্ষা বিভাগৰ ডিৰেক্টৰ তেতিয়াৰ ডাইৰেক্টৰ কানিংহাম চাহাবক নলবাৰীলৈ পঠাইছিল। তেখেতে আহি সংস্কৃত পণ্ডিতসকলৰ লগত, বিশেষকৈ পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীৰ লগত এইবোৰৰ পুংখানুপুংখ আলোচনা কৰি আৱশ্যকীয় বিধান গ্ৰহণ কৰিছিল। কোৱা বাহুল্য যে এই সকলোবোৰৰ গুৰিত আছিল শৰৎচন্দ্ৰ গোস্বামী। তেখেতে আনকি ডাইৰেক্টৰ কানিংহাম চাহাবৰ সঙ্গী-সহায়ক হৈ নলবাৰীলৈ গৈ চাহাবক ইংৰাজীতে সংস্কৃত পণ্ডিতসকলৰ যুক্তিপূৰ্ণ বক্তব্যবোৰ বুজাই দি অনুষ্ঠান গঢ়াত সহায় কৰিছিল।

কামৰূপ সংস্কৃত সঞ্জীৱনী সভা স্থাপনৰ আৰু এটা উদ্দেশ্য আছিল আমাৰ দেশৰ খ্যাতনামা পণ্ডিতসকলৰ দ্বাৰা ৰচিত বিবিধ বিষয়ৰ সংস্কৃত পুথিবোৰ সংগ্ৰহ কৰি সেইবোৰ সযত্নে সংৰক্ষণ কৰা বা কৰোৱা। 'ৰাজনীতি,' 'বৃত্তমালা,' 'প্ৰয়োগতত্ত্ব' আৰু 'নীতি-লতাঙ্কুৰ' এই চাৰিখন দুষ্প্ৰাপ্য পুথি সংগ্ৰহৰ গৌৰৱো গোস্বামীৰে প্ৰাপ্য। তেওঁৰ অশেষ যত্ন আৰু তদাৰকতে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে 'নীতি-লতাঙ্কুৰ' আৰু মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য কবিৰত্নৰ দুৰ্মূল্য গ্ৰন্থ 'বৃত্তমঞ্জৰী' প্ৰকাশ কৰিবলৈ লৈছিল। কবি কৰ্ণপূৰ বিৰচিত সংস্কৃত 'বৃত্তমালা'খন নিজে ব্যয় বহন কৰি শুদ্ধ সংস্কৃত ভাষাত নিজে

লিখা ভূমিকা এটাৰে সৈতে শৰৎচন্দ্ৰ গোস্বামীদেৱে কামৰূপ সঞ্জীৱনী সভাৰ নামত প্ৰকাশ কৰিছিল। ইয়ে তেওঁৰ সংস্কৃত ভাষাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু অনুৰাগৰ উপৰি সেই ভাষাৰ ওপৰত থকা দখলৰো প্ৰমাণ দাঙি ধৰে।

নলবাৰী মহাবিদ্যালয় আৰু নলবাৰী সংস্কৃত মহাবিদ্যালয় স্থাপনত :

নলবাৰী মহাবিদ্যালয় আৰু নলবাৰী সংস্কৃত মহাবিদ্যালয় স্থাপনতো গোস্বামীদেৱে কম খাটনি খটা নাছিল। তেওঁ অভিজ্ঞতাৰপৰা ভাল-কৈ উপলব্ধি কৰিছিল যে যিকোনো অনুষ্ঠানৰে সুপ্ৰতিষ্ঠা নিৰ্ভৰ কৰে তাৰ গুৰিয়াল কৰ্মকৰ্তা পৰিচালকজনৰ ওপৰত। গতিকে অধ্যক্ষ নিৰ্বাচনত দুয়োটি অনুষ্ঠানৰ ক্ষেত্ৰতে তেওঁ গভীৰ মনোযোগ দিছিল। উপযুক্ত 'অধ্যক্ষৰ সন্ধানত তেওঁ নিজে কলিকতালৈ গৈ তাত বহুতৰ লগত আলচ কৰি তাৰপৰা অধ্যয়নৰত পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীক বহুপ্ৰবন্ধে আনি সংস্কৃত মহাবিদালয়ৰ অধ্যক্ষৰ দায়িত্ব দিছিল। আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী সংস্কৃত মহাবিদ্যালয়ৰ আৰু সাহিত্যিক ত্ৰৈলোকানাথ গোস্বামী নলবাৰী মহাবিদালয়ৰ প্ৰথম অধ্যক্ষ। আজিও দুয়োখন মহাবিদ্যালয় এই স্বনামধন্য পণ্ডিত দুগৰাকীৰ কীৰ্তিস্তম্ভ।

সাহিত্যক্ষেত্ৰত শৰৎচন্দ্ৰ

সাহিত্য চৰ্চ্চা :

শৰৎচন্দ্ৰ গোস্বামীদেৱে সাহিত্য-চৰ্চ্চা শিশু কালৰপৰাই আৰম্ভ কৰিছিল- সেই বিষয়ে আগতে উল্লেখ কৰা হৈছে। তেওঁ সেই চৰ্চ্চা, সেই অভ্যাস সমস্ত জীৱনতে অব্যাহত ৰাখিছিল। বস্তুতঃ সাহিত্য-চৰ্চ্চাৰ কথা বাদ দিলে গোস্বামীৰো জীৱন আন আন দহজনৰ জীৱনৰ দৰে গতানুগতিক জীৱন হৈ পৰে। সেই চৰ্চ্চা কেনেকৈ আৰম্ভ কৰি ওৰে জীৱন অব্যাহত ৰাখিছিল সেই বিষয়ে অাক কিছু আভাস দিয়া সমীচীন হ'ব।

গুৱাহাটী কলেজিয়েট হাইস্কুলত পঢ়া কালত বক্তৃতা, সাহিত্য চৰ্চ্চা আদিৰ কাৰণে ছাত্ৰাবাসত অনুষ্ঠিত হোৱা 'সুনীতি-সঞ্চাৰিণী সভা'ৰ লগত গোস্বামীৰ সম্বন্ধৰ কথা আগতে উল্লেখ কৰা হৈছে। তেওঁ পঢ়াৰ সুবিধাৰ কাৰণে কিছু কাল পাণবজাৰতো নিজে ৰান্ধি বাঢ়ি খাই বছা কৰি আছিল। তেওঁৰ সেই সময়ৰ লগৰীয়াসকলৰ ভিতৰত বিষ্ণুৰাম মেধি, গৌৰীকান্ত তালুকদাৰ, কালিৰাম বৰ্মন, পীতাম্বৰ চক্ৰবৰ্ত্তী আদি-সকলৰ নাম উল্লেখযোগ্য। তেওঁলোকে তাতো এখন সাপ্তাহিক সাহিত্য আলোচনা চক্ৰ পাতি প্ৰতি দেওবাৰে তাত গল্প, প্ৰবন্ধ, কবিতা আদি পাঠ কৰি সেইবোৰৰ গুণাগুণ আলচ কৰিছিল। তাত বাহিৰৰপৰাও সাহিত্যত বাপ থকা সমবয়স্ক ছাত্ৰই গৈ যোগদান কৰিছিল। সেইসকলৰ ভিতৰত প্ৰধান আছিল বদুনাথ চৌধাৰী। চৌধাৰী সেই সময়ত

স্কুল এৰি ঘৰতে বহি আছিল। থাকিছিল উজানবজাৰত। তেওঁ তাহানিৰ 'সুনীতি-সঞ্চাৰিণী সভা'ত যোগদান কৰাৰ দৰে সেই সভাতো বাহিৰৰ-পৰায়ে পৈ যোগদান কৰিছিল। গোসাঁইদেৱে সেই সভাৰ বৈঠকবোৰত পাঠ কৰিবলৈ প্ৰায়েই চুটি গল্প লিখিছিল। চৌধাৰীয়ে লিখিছিল কবিতা। দুয়োৰে গল্প আৰু কবিতা সেই সভাৰ সদস্যসকলৰ মুখ্য আকৰ্ষণ হৈ পৰিছিল।

সেই সময়ত এটা আমোদজনক ঘটনা ঘটিছিল। ১৯০২ চনৰ কথা। তেতিয়া কলিকতা এ. এছ. এল. ক্লাবৰ সম্পাদক আছিল দুৰ্গেশ্বৰ শৰ্মা (পিছত ৰায়বাহাদুৰ কবি দুৰ্গেশ্বৰ শৰ্মা)। বাতৰি কাকতত প্ৰচাৰ কৰি দিছিল যে ক্লাবে সেই বছৰত শ্ৰেষ্ঠ চুটি-গল্প আৰু কবিতাৰ কাৰণে দুটা বঁটা প্ৰদান কৰিব: তাৰ কাৰণে কবিতা আৰু চুটি গল্প পঠাব লাগে। গোসাঁয়ে চৌধাৰীক লগ ধৰি ক্লাবৰ ঘোষণাটোৰ কথা কলে আৰু জাননীখন দেখুৱালে। লগতে চৌধাৰীক কবিতা পঠাবলৈ কলে।

কবি চৌধাৰী লাজকুৰীয়া প্ৰকৃতিৰ লোক: পোহৰ বিচাৰি হুলস্থুল কৰি ফুৰা মানুহ নহয়। তেওঁ পোনেই নাবাজ হৈ কলে—'এহ্ মই ক'ত পুৰস্কাৰ পাম, গোসাঁই? মোৰ কবিতা পুৰস্কাৰৰ উপযোগী নহয়। আপোনালোকে ভাল পায় কাৰণেহে মই লিখোঁ। মই নপঠাওঁ।'

গোসাঁই কিন্তু সহজে এৰা বিধৰ লোক নহয়। তেওঁ কলে--'আপোনাৰ কবিতা ভাল হয়নে নহয় আপুনি কেনেকৈ জানিব? ময়ো এটা গল্প পঠিয়াম: লগতে আপুনিও এটা কবিতা পঠিয়াব লাগিব। ৰেজিষ্টাৰ কৰি মই দুয়োটা একেলগে পঠাম। আপুনি পইচা ভবিব নালাগে। আমি গল্প-কবিতা পঠিওৱাৰ কথা কাকো নকওঁ। গতিকে চিন্তা কিহৰ? কোনে জানিব? বঁটা পালে পালোঁ, নাপালে নাই!'

অৱশেষত গোসাঁইৰ এনে নেৰানেপেৰা উৎসাহ-উদ্দীপনত উৎফুল্লিত হৈ চৌধাৰীয়ে সন্মতি দিলে। যথাসময়ত দুয়োলৈ খবৰ আহিল চুটি-গল্পত গোসাঁয়ে আৰু কবিতাত চৌধাৰীয়ে প্ৰথম পুৰস্কাৰ লাভ

কৰিছে। দুয়োৰে জীৱনত এয়ে আছিল বাস্তৱতাৰে পোৱা প্ৰথম সাহিত্যিক স্বীকৃতি।

অসমীয়া সাহিত্যত গোস্বামী যাইকৈ গদ্য-লেখক হিচাপেহে পৰিচিত : অৱশ্যে কবিতা যে তেওঁ একেবাৰেই লিখা নাছিল এনে নহয় ; লিখিছিল, অন্ততঃ লিখিবলৈ চেষ্টা কৰিছিল। কিন্তু সেইবোৰ আলোচনীৰ পাতত বা হাতে-লিখা অৱস্থাতেই থাকি গ'ল, ছপা কৰি কিতাপ আকাৰে উলিওৱা নহ'ল। সেই বিষয়ে পিছত আলচ কৰা হ'ব।

গোসাঁইদেৱে লিখা গদ্য ৰচনাৱলীক বিষয়বস্তুৰ কাৰণপৰা চাই দুই ভাগত ভগাব পাৰি ; যেনে, (১) চুটি-গল্প আৰু উপন্যাস আৰু (২) সাহিত্য, সংস্কৃতি আৰু পুৰাতত্ত্ব বিষয়ৰ ৰচনা। তেওঁৰ সাহিত্যিক প্ৰতিভা যাইকৈ প্ৰকাশ পাইছে তেওঁৰ চুটি-গল্পবোৰত।

চুটি গল্প লিখাত গোস্বামী :

চুটি-গল্প আধুনিক যুগৰ সৃষ্টি। মানুহৰ জীৱনৰ জটিলতাৰ লগত ইয়াৰ সম্বন্ধ। পুৰণি কালত মানুহৰ জীৱন আছিল সহজ-সৰল ধৰণৰ। গতিকে এই সৰলতা তেতিয়াৰ সকলো সাহিত্যৰ মাজেদি ফুটি ওলাইছিল। পুৰণি কাব্য-মহাকাব্য-সাধুকথা-জাতক আদি সৰলতাভৰা সৌন্দৰ্য্য আধুনিক যুগৰ সাহিত্যত পাবলৈ টান। আজিকালিৰ গল্প, উপন্যাস, খণ্ডকাব্য, প্ৰহসন, এক-অঙ্কীয়া নাট আদিত মানৱ জীৱনৰ সমস্যা আৰু জটিলতা আদিৰহে আভাস দাঙি ধৰা পোৱা যায়। জীৱনৰ বহুধা-বিভক্ত ব্যস্ততাই এনে সাহিত্য-সৃষ্টিৰ যাই হেতু।

'গল্পাঞ্জলি', 'ময়না' আৰু 'বাঘজিকৰ'—লেখত এই তিনিখন গোস্বামীদেৱৰ চুটি গল্পৰ পুথি। এই তিনিওখনৰ প্ৰকাশৰ সময়ৰ পৰ্য্যায়ক্ৰমত 'ময়না' দ্বিতীয় কিতাপ। হলেও কিন্তু এইখনতহে তেওঁৰ নিচেই সৰু কালৰ লিখা গল্পবোৰ সন্নিৱিষ্ট হৈছে। পুথি কেইখনত প্ৰকাশিত গল্পকেইটাৰ বহুতো গল্প আগতে বিভিন্ন আলোচনীত প্ৰকাশ

হৈছিল ; পিছত সেইবোৰ থূপুৰি কৰি তাৰ লগত দুই-চাৰিটা নতুন গল্প যোগ দি পুস্তক আকাৰত তেওঁ প্ৰকাশ কৰি উলিয়াইছিল। 'গল্পাঞ্জলি'ত বাহিৰে বাকী দুখন কিতাপৰ প্ৰথমটো গল্পৰ নামেৰেই কিতাপৰ নামকৰণ হৈছিল। প্ৰায়বোৰ গল্পৰে পটভূমি আছিল চহা গঞা জীৱন।

গোস্বামীৰ গল্পবোৰ যাইকৈ দুই ভাগত ভগাব পাৰি। তেওঁ কিছুমান গল্প লিখিছিল ব্যাৱহাৰিক জীৱনত সচৰাচৰ ঘটা ঘটনা একোটাৰ নতুবা কাল্পনিক ঘটনা একোটাৰেই কেৱল ৰূপটো ফুটাই তুলিবলৈ ; আৰু অন্য কিছুমান গল্প লিখিছিল মনস্তত্ত্ব বিশ্লেষণৰ উদ্দেশ্যে বা মনৰ একোটা বিশেষ মুহূৰ্ত্তৰ চিত্ৰ অঙ্কন কৰিবলৈ। ইয়াৰ প্ৰথম বিধে সাধু কথাৰ দৰে ঘটনাৰ মনোৰম বৰ্ণনা মাত্ৰ দিয়ে আৰু দ্বিতীয় বিধে মনস্তত্ত্ব বিশ্লেষণ কৰি দেখুৱায়। আধুনিক সাহিত্যত চুটি গল্পই প্ৰধানকৈ দ্বিতীয় বিধৰহে অধিক প্ৰতিনিধিত্ব কৰা দেখা যায়। এই প্ৰসঙ্গত গোস্বামীৰ তাৰা, পক্ষী আদি গল্পত চৰিত্ৰ নাই বুলিবই পাৰি। এইবোৰত দেখ দেখকৈ লিখকৰ উদ্দেশ্য আছিল চৰিত্ৰৰ কিবা এটা বিশেষ ঘটনাৰ বিশেষ মুহূৰ্ত্তত মনৰ অৱস্থা অঙ্কন কৰা। তাৰে কিছুমান গল্প পঢ়িলে আকৌ কথা-কবিতা পঢ়া যেনহে লাগে ; কাৰণ ঘটনাৰ দ্বন্দ্ব বা সংঘাত সেইবোৰত নাই : কথাৰ মাজেদি মাত্ৰ মনৰ একোটা অৱস্থাৰ ছবি অঙ্কন কৰা হৈছে। 'বাজিকৰ'ৰ 'পূজাৰী' আৰু 'ময়না'ৰ 'পক্ষী'লৈ মন কৰিলেই ইয়াৰ সাৰ্থকতা প্ৰতীয়মান হয়।

চৰিত্ৰ অঙ্কনতো অসমীয়া জাতীয় চৰিত্ৰতকৈ বিশেষ বিশেষ ধৰণৰ মানুহৰ চৰিত্ৰৰ নমুনাহে আঁকি দেখুৱাবলৈ যত্ন কৰা দেখা যায়। নন্দৰাম, ভাটিৰাম, নবীন, পাৰ্ব্বতী, মালতী, সৰযূ আদি চৰিত্ৰ অসমীয়া সমাজৰ প্ৰতিনিধি নহয় কিন্তু তেনে মানুহ যে নাই অথবা তেনে ঘটনা যে নঘটে তেনে কথাও নহয়। সামাজিক চৰিত্ৰৰ ভিতৰত 'বন্ধ্যীজ'ত গাঁৱৰ কাজিয়া আৰু 'অদৃষ্ট'ত দুখীয়াৰ দুখ স্পষ্ট হৈ উঠিছে।

গোসাঁইৰ গল্পবোৰৰ সজোৱা কৌশল মনোমোহা। ঘটনা-বস্তু

সামান্য হলেও তেওঁ তাক এনেভাৱে সন্নাব জানিছিল যে তাক পঢ়িবলৈ ললে পাঠকে শেষ নকৰাকৈ এৰিব নোৱাৰে। ইয়াতেই গোস্বামীৰ চুটি গল্পৰ মৌলিকত্ব ফুটি উঠিছে। বহুত গল্প দৈনন্দিন জীৱনৰ সচৰাচৰ ঘটা ঘটনাৰেই উনৈশ-বিশ ৰূপ মাত্র। 'তিনিকুৰি টকা,' 'বায়ন,' 'বেল্টুমনি' আদিবোৰ এই শ্ৰেণীত পৰে। এইবোৰৰ দুই-এটাৰ বিষয়ে তেওঁৰ ককায়েক ডাঙৰ গোসাঁয়ে (পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীয়ে) এইদৰে কয়— 'বায়ন লক্ষীনাথ শৰ্মাদেৱে (লেহুৰাম বাপুৱে) এযোৰা বায়ন শিকাইছিল আৰু সেই বায়নযোৰাৰ পহিলা যাত্ৰাৰ দিনা তেওঁ আমাৰ ঘৰতে সেই যাত্ৰা কৰি দেখুৱাইছিল। তেতিয়া লেহুৰাম বাপু বুঢ়া। মই তেওঁক সহায় কৰিছিলো। গল্পটো তাৰে সাঁচত গঢ়া।

বেল্টুমনি গল্পটোও আমাৰ সত্ৰৰ ভকতৰ ল'ৰা ভেল্লাক লৈ লিখা। গল্পত ভেল্লাৰ জীৱনৰ চৰিত্ৰ ভালদৰে ফুটি ওলাইছে।'

মানৱ জীৱনৰ কাৰ্য্যাৱলীত করুণ ঘটনাৰেই প্ৰাবল্য দেখা যায়। এই করুণতাই সাহিত্যকো জীপাল কৰি ৰাখে। ৰামায়ণৰ দৰে মহাকাব্যৰো উৎস এটা শোকাবহ করুণ ঘটনাহে। এইবোৰ দেখি-শুনি, পঢ়ি-বুজিয়েই নেকি গোস্বামীয়ে প্ৰায়বোৰ গল্পৰ মাজেদি বিয়োগ-ব্যথা বা কাৰুণ্যৰহে ছবি আঁকিছে। বায়ন, চিকাৰী আৰু হাঁহ, সামান্য প্ৰাণী, অদৃষ্ট, পশুপতিৰ বিয়া, সন্ন্যাসিনী, নৈৰ দাঁতিত, ঘুনুচা, যাত্ৰী, বনৰীয়া প্ৰণয়, ময়না আদি এই সকলোবোৰেই ইয়াৰ সাক্ষী দিয়ে।

গোসাঁয়ে শিশু সাহিত্য আৰু শিশু মনৰ উপযোগী গল্প ৰচনাৰ ফালেও মনোযোগ নিদিয়াকৈ নাছিল। আগতে উল্লেখ কৰা অতুল কথামালাৰ পেৰিক্লিচ, ডনকুইকচোট, মদালছা, মোৰ দেশৰ সাধু কথা, জাতক, কণিকা আদি কণ কণ গল্প সাহিত্যৰ সৃষ্টি তাৰেই ফল। তেনে সৃষ্টিৰ ক্ষেত্ৰত তেওঁ এগৰাকী ব্যক্তিতকৈও এটা চলন্ত অনুষ্ঠানৰ দৰেহে হৈ পৰিছিল। তেওঁ অনেক লেখকক হতুৱাই তেনে সাহিত্য লিখাইছিল। সেয়েহে মহাদেৱ শৰ্মাই তেওঁৰ ৰচিত 'সাবিত্ৰী' নামৰ শিশু সাহিত্যখন উছৰ্গা কৰোঁতে লিখিছিল—'শৰৎচন্দ্ৰ গোস্বামীদেৱেই

আমাক শিশু-সাহিত্য প্ৰণয়ন কৰিবলৈ পোনতে উদগাইছিল। তাৰে ফল স্বৰূপ এই পুস্তকখনি কৃতজ্ঞভাৱে তেখেতা পবিত্ৰ নামত উৎসৰ্গ কৰা হ'ল।'

'মলয়া', 'বাজিকৰ' আদিৰ কিছুমান গল্পকো শিশু সাহিত্যৰ উপযোগী বুলি কব পাৰি। সেইবোৰ পঢ়িলে অনেক সময়ত উপনিষদৰ আখ্যান পঢ়া যেনহে লাগে। প্ৰত্যেক গল্পৰেই একোটা তাৎপৰ্য্য আছে। বাজিকৰৰ অন্তৰ-আৱৰণ, মানুহৰ সৃষ্টি সামান্য প্ৰাণী আদি সেই শ্ৰেণীৰ গল্প। গভীৰ সত্য একোটা সামান্য গল্পৰ ছলেৰে এইবোৰত দাঙি ধৰা হৈছে।

গোসাঁইৰ গল্পবোৰে আধুনিক চুটিগল্প আৰু পুৰণি সাধুৰ মাজতে থাকি একোগছি মধ্যবৰ্ত্তী সোণালী সাঁকোৰ দৰে কাম কৰে। দুই-চাৰিটা গল্পত পুৰণি সাধু কথাৰ গন্ধ বাককৈয়ে পোৱা যায়। সেইবোৰত অলৌকিক উপাদান বা অতিপ্ৰাকৃত সমল যথেষ্ট আছে। পুৰণি সাধুকথাবোৰত গছ-লতা পশু-পক্ষী আদিয়েও কথা কৈছিল। গোসাঁইৰ গল্পবো বহুতত ছবহু তাকেই কৰিছে। 'মেঘ আৰু বৰষুণ'ত ভেকুলীয়ে কথা কোৱা, 'সামান্য প্ৰাণী'ত হৰিণ-হৰিণীৰ কথোপকথন ইত্যাদি এই প্ৰসঙ্গত মন কৰিবলগীয়া। 'অন্তৰ-আৱৰণ'ত হৰ-পাৰ্বতীৰ কথোপকথন, 'মানুহৰ সৃষ্টি'ত ব্ৰহ্মা বিষ্ণু আদিৰ কথাবাৰ্ত্তা আৰু 'ব্ৰহ্মপুত্ৰৰ বুকুত' নামৰ গল্পত সপোনৰ কথাই অতিপ্ৰাকৃত উপাদানৰ মাজেদি গল্পবোৰক সাধু কথাৰ শাৰীতহে ঠাই দিব খোজে। তথাপি কিন্তু সেইবোৰক সাধুকথা বুলিব নোৱাৰি এই কাৰণত যে উপস্থাপনৰ কৌশলত এইবোৰ তেনেই আধুনিক হৈ পৰিছে। 'সামান্য প্ৰাণী' গল্পত প্ৰণয়ৰ পথৰ কাঁইট স্বৰূপ ঈৰ্ষাৰ যি ৰূপ ফুটি উঠিছে তাক প্ৰণয়ৰ মনস্তত্ত্ব বিশ্লেষণৰ একটা মনোগ্ৰাহী ৰূপক বুলিলেও ভুল নহয়।

মানুহক মানুহ হিচাপে অঙ্কন কৰাই আধুনিক সাহিত্যৰ অন্যতম লক্ষণ। মানুহৰ ছবি আঁকিবলৈ গৈ মানবীয় দোষ-দুৰ্ব্বলতাবোৰ গুচাই দিলে দেৱতাৰ ছবিহে অঁকা হয়। আধুনিক সাহিত্যত তেনে দেৱতাৰ

ছবিৰ ঠাই নাই। সেই কাৰণেই গল্পৰ পুৰুষ আৰু নাৰী-চৰিত্ৰ সম্পূৰ্ণ দোষ-বৰ্জিত নহয়। উদাহৰণ স্বৰূপে সন্ন্যাসিনীলৈকেই চাওক। তিৰোতা ভিচাৰিণী হোৱাটো এটা অমাৰ্জনীয় দোষ। অথচ তেনে তিৰোতাৰ চৰিত্ৰকেই গোসাঁয়ে গল্পত অঙ্কন কৰি দেখুৱাইছে। অৱশ্যে তাৰ মাজেদিও তেওঁ অতৰ্কিতে উপদেশ নিদিয়াকৈ থকা নাই। আন হাতেদি গল্পটোৰ ঘটনাই নতুন পুৰুষৰ নতুন চিন্তা-ধাৰালৈ আগলি বতৰা দিয়াৰ দৰেহে কাম কৰিছে।

গোস্বামী নিজে এজনা বিপ্লৱী পুৰুষ আছিল। অৱশ্যে সাধাৰণ অৰ্থত বিপ্লৱী বা বিদ্ৰোহী বুলিলে যি বুজা যায় তেনেকুৱা বিদ্ৰোহী তেওঁ নাছিল। তেওঁৰ বিদ্ৰোহে সদায় যুক্তিযুক্ত বিচাৰৰ শৃঙ্খলা মানি চলিছিল। তেওঁৰ গল্পবোৰৰ মাজেদিও তেনে ভাবধাৰাৰ প্ৰবাহ লক্ষ্য কৰা যায়। বিকিলাক চৰিত্ৰই সমাজৰ নিয়মৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিছে সিকিলাকৰ শেষ পৰিণতি শোকাবহ নহলেও জীৱন কণ্টকাকীৰ্ণ হৈ উঠিছে। পাৰিপাৰ্শ্বিকতাৰ লগত তুমুল সংগ্ৰাম চলাই শেহান্তৰত সকলোৱে জীৱনৰ কৰুণ পৰিণতি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এয়ে মনুষ্য জীৱনৰ 'ট্ৰেজেডি'। এনেবোৰ মৰ্মস্পৰ্শী কৰুণ চিত্ৰ অঙ্কন কৰিছে যদিও গোসাঁয়ে তেনে বিদ্ৰোহ কৰাইছে উপযুক্ত লোকৰ হতুৱাই। কৰুণ পৰিণতি অঙ্কন কৰিলেও তেওঁ সেই বিদ্ৰোহকো ক'তো কোনোপ্ৰকাৰে হেয় প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰা নাই। সচৰাচৰ যি ঘটে তাকেহে দেখুৱাইছে।

এয়ে গোস্বামীদেৱৰ চুটি গল্পৰ থূলমূল পৰিচয়। এতিয়া তেওঁৰ মূল গল্প-পুথি তিনিখন পাইগুটীয়াকৈ চাই তেওঁৰ চিন্তাধাৰা আৰু যুক্তিৰ সমন্বয় কিঞ্চিৎ লক্ষ্য কৰা যাওক। গল্পবোৰৰ মাজেদি লেখকে নিজৰ জীৱন-দৰ্শন পাকে-প্ৰকাৰে প্ৰকাশ কৰিবলৈ এৰা নাই, মাজে মাজে নাটকৰ সূত্ৰধাৰৰ দৰে দেখা দি স্পষ্ট ভাষাত নিজৰ মন্তব্যও দাঙি ধৰিছে। সেয়েহে লেখকৰ জীৱনৰ লগত গল্পবোৰ দেখদেখকৈ সংযুক্ত হৈ আছে; পৰীক্ষা কৰি চাব পাৰিলেই হয়।

গল্পাঞ্জলি :

শৰৎচন্দ্ৰ গোস্বামীৰ এইখনেই প্ৰথম প্ৰকাশিত গল্প-পুথি। ইয়াত সৰ্বমুঠ এঘাৰটা গল্প আছে। প্ৰথম 'দেখাদেখি' আৰু শেষৰ 'মালিনী' এই দুটা গল্পই কিতাপখনৰ মূল ভাবধাৰাৰ স্পষ্ট ইঙ্গিত দিয়ে। প্ৰথমটো তেনেই আধুনিক আৰু শেহৰটো পুৰণি আখ্যায়িকাৰপৰা লোৱা। এনে কাৰণতেই গোসাঁইৰ গল্পই আধুনিক আৰু পৌৰাণিকৰ মাজত যোগসূত্ৰ স্থাপন কৰিছে বুলি মন্তব্য কৰি অহা হৈছে।

তাহানি এগৰাকী সমালোচকে নাট্যাচাৰ্য্য শেক্সপীয়েৰৰ নাটবোৰ সমালোচনা কৰি কৈছিল যে এই নাটবোৰৰ প্ৰথম দৃশ্যটোৱেই সমস্ত নাটকখনৰ পূৰ্বাভাস দাঙি ধৰে। গোসাঁইৰ গল্পৰ ভাবধাৰা সম্পৰ্কেও তেওঁৰ প্ৰথম গল্পপুথি 'গল্পাঞ্জলি'ৰ প্ৰথম গল্পটোলৈকে আঙুলিয়াই সেই একে মন্তব্য দিয়া যায়। ইয়াত বিশেষকৈ আধুনিক শিক্ষাৰ প্ৰভাৱত হোৱা বিদ্ৰোহৰ ভাব আৰু তাৰ পৰিণতি ফুটাই তুলিবলৈ যত্ন কৰা হৈছে।

আধুনিক শিক্ষাই সাম্যবাদৰ বীজ শিক্ষাৰ্থীৰ মনত সিঁচি দিয়ে আৰু ক্ষুদ্ৰ জাতিভেদ নামানিবলৈ উদগায়। শিক্ষাৰ্থীয়ে তেতিয়া এক মহৎ আদৰ্শৰ সপোন দেখে আৰু সেই আদৰ্শ বাস্তৱত পৰিণত কৰিবলৈ উধাও হৈ পৰে। কিন্তু সেইখিনিতেই পুৰণি ৰক্ষণশীল সমাজৰ লগত আধুনিক শিক্ষাৰ্থীৰ মতৰ সংঘৰ্ষ উপস্থিত হয়।

স্কুল-কলেজীয়া ল'ৰাই জাতিভেদৰ ক্ষুদ্ৰ গণ্ডী সহজে মানিব নোখোজে, কিন্তু সমাজৰ বান্ধোনৰ মেৰপাকত সোমাই, পিতৃ-মাতৃৰ কথা লঙ্ঘন কৰিব নোৱাৰি প্ৰায় সকলো ক্ষেত্ৰতে নিজৰ মনোগত আদৰ্শ ত্যাগ কৰিবলগীয়া হয়। মনৰ বৈপ্লৱিক উদাৰতা তেতিয়া কেনিবাদি আঁতৰি যায়। নবীন কায়স্থৰ ল'ৰা; তথাপি তেওঁ নিজৰ ভনীয়েক পাৰ্বতীক বিয়া দিব খুজিছিল ধৰণী নামৰ কোচ সম্প্ৰদায়ৰ ল'ৰাটোলৈ। সেয়ে গোসাঁইদেৱৰ ভাষাত—'কলেজৰ মানৱ জাতিৰ

সকলো সমান, জাতিভেদ মিছা, বংশগৌৰৱ অহঙ্কাৰহে চিন, ইত্যাদি কথাৰ মাজত বুৰ গৈ থকা নবীনৰ মনত হ'ল যে ধৰণী কোচৰ ল'ৰা আৰু তেওঁবিলাক কায়স্থ মানুহ। কিন্তু পিতাকৰ কছাৰীৰ নথি আৰু আলাপৰ ভিতৰত জাতি আৰু বংশৰ কথাৰ বৰ চাট্ নাথাকিলেও সংসাৰৰ ঠেলা হেঁচাত পৰি দ-বাম চিনি পোৱা মনত সকলো সমান যেন নালাগিছিল।' এইখিনিতেই গল্পৰ ঘটনাৰ দ্বন্দ্ব পৰিস্ফুট হৈ উঠিছে।

জাতিভেদৰ দুৰ্লঙ্ঘ্য প্ৰতিবন্ধকৰ হেতুকেই ধৰণীৰ লগত পাৰ্বতীৰ বিয়া নহ'ল। ধৰণীয়ে কৌমাৰ্য্য অৱলম্বন কৰি শিক্ষকতাকেই জীৱনৰ পৱিত্ৰ ব্ৰত হিচাপে গ্ৰহণ কৰিলে।

ইয়াৰ বহুত দিন পিছত দৈৱ-দুৰ্বিপাকত পাৰ্বতীৰ পুতেকে ধৰণীৰ স্কুলতে পঢ়িবলীয়া হৈছিল। ধৰণীয়ে কিন্তু সেইটো নাজানিছিল। এদিনাখন মাকৰ টান বেমাৰ বুলি কৈ ল'ৰাটোৱে ছুটী লৈ অহাত ধৰণীৰ অন্তৰ বিচলিত হ'ল। গধূলি সময়ত খবৰ লবলৈ গৈ দেখে তাত তেওঁৰ বন্ধু নবীন। পাৰ্বতীৰ গিৰিয়েকক ধৰণীৰ লগত চিনাকি কৰি দি নবীনে ধৰণীক ভিতৰলৈ লৈ গ'ল। যি সৌন্দৰ্য্য দেখি ডেকা বয়সত ধৰণী এদিন মোহ গৈছিল এতিয়া তেওঁ দেখে সেই সৌন্দৰ্য্য অস্থি-কঙ্কালসাৰ হৈ পৰি আছে। দেখি ধৰণীৰ চকু চলচলীয়া হৈ উঠিল। পাৰ্বতীয়ে দাদাকক আঙুলিৰ ইঙ্গিতেৰে মাতি নি মুখ লৰাই সুধিলে—'কোন'? নবীনে ভঙা মাতেৰে—'ধৰণী, আইটি, ধৰণী'—বুলি কোৱাত ধৰণীও বিচনাৰ ওচৰলৈ গ'ল। পাৰ্বতীৰো চকু-লো বৈ গ'ল।' পাৰ্বতী আৰু ধৰণীৰ জীৱনৰ এই কৰুণ কাহিনীয়ে আজিৰ অনেক শিক্ষিত যুৱকৰ জীৱন-কাহিনীৰ প্ৰতিধ্বনি কৰে। চিৰকুমাৰ ধৰণী অসমীয়া সমাজতে নাই জানো?

ইংৰাজ নাট্যকাৰ মাৰ্লোৰ সেই Whoever loved that loved not at first sight বোলা বাণীতে উদ্বুদ্ধ হৈ হয়তো আজিও বহুত যুৱকে সেই আদৰ্শকে লৈ 'দেখাদেখি' গল্পৰ ভাওনা কৰে বা কৰিবলগীয়া

হয়। কিন্তু যৌৱনৰ সেই মাদকতা দূৰ হ'লে পিছত কেনে পৰিতাপ আহে সি গোসাঁইৰ একাধিক গল্পৰ ট্ৰেজেডি ৰূপে ফুটি উঠিছে। 'প্ৰথম দেখাদেখি'তেই তাৰ ইঙ্গিত পোৱা যায়। 'তাৰা' গল্পৰো মূল ভাব গল্পটোৰ ভিতৰত থকা এটা বাক্যতেই নিহিত আছে— 'বিধাতাৰ ইচ্ছাক্ৰমে গোপালৰ এই ইচ্ছাও পূৰ্ণ নহ'ল। তাৰা এতিয়া আনৰ।'

আধুনিক শিক্ষা পোৱা যুৱক-যুৱতী অনেকৰে জীৱনত সমাজৰ ৰক্ষণশীলতাই যিদৰে শোকাবহ পৰিণতিৰ সৃষ্টি কৰিছে সেইদৰে অৰ্থলোভেও কাৰো কাৰো অন্তৰত কম পৰিবৰ্তন অনা নাই। 'ঘুমুচা' গল্পত তাৰে এটি ইঙ্গিত পোৱা যায়। 'ঘুমুচা ধনীৰ জীয়েক, ধনীৰ ঘোৱাৰীয়েক আৰু ধনীৰ ঘৈণীয়েক আছিল।' কিন্তু কালৰ হাতত জহৰী বেমাৰত সকলোবোৰ উচন গ'ল। ঘুমুচা মাথোন অৱশিষ্ট হৈ থাকিল। ঘুমুচাৰ এজন দেৱৰ আছিল। 'সম্পত্তিৰ লোভত প্ৰথমতে কিছুদিন তেওঁ ঘুমুচাক বৰ আদৰ যত্ন কৰিলে, কিন্তু বোৱেক গৰ্ভৱতী জানি তেওঁৰ শান্তি নোহোৱা হ'ল। সন্তান জন্মিলত মেলেকী সকলক ভেটী দি তেওঁ প্ৰমাণ কৰি দিলে যে ঘুমুচাৰ পুত্ৰ জাৰজ। ফলত ঘুমুচা ছৱাঁডপুটী হাকিমৰ বিচাৰতো সম্পত্তিৰপৰা বঞ্চিতা হ'ল। ইয়াত গাঁৱলীয়া সমাজৰ চিত্ৰ এটা দেখিবলৈ পোৱা যায়।

ধনৰ বলত যে কেৱল আঢ্যৱন্তসকলৰ মাজতহে আচৰিত আচৰিত ঘটনা ঘটে এনে নহয়, বৰং গাঁও-ভূঁইত মধ্যবিত্তসকলৰ মাজত ইয়াৰ প্ৰকোপ তাতোকৈ বেছি। আভিধানিক হেমচন্দ্ৰ বৰুৱাদেৱে 'বাহিৰে ৰং চং, ভিতৰে কোৱাভাতুৰী' আৰু 'কানীয়া কীৰ্তন'ত গুৰু গোসাঁই-সকলৰ কদাচাৰ আৰু ভণ্ডামিৰ কথাকে বৰ্ণনা কৰিছে। সাহিত্যৰথী বেজবৰুৱাদেৱৰ অনেক চুটি গল্পত আৰু 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'তো কোনো কোনো ঠাইত ইয়াকেই দেখিবলৈ পোৱা যায়। গোস্বামীয়েও তীক্ষ্ণ দৃষ্টিৰপৰা সমাজৰ এই ভণ্ডামি সাৰি যোৱা নাই। তেওঁ এখন সত্ৰৰ গোসাঁই-প্ৰভু হৈও ঘুমুচা গল্পতেই তাৰ এটা কল

দাণ্ডি ধৰিছে। সহায়-সাৰথিহীনা ঘুনুচাই লাঞ্ছিতা, বঞ্চিতা আৰু পৰিত্যক্তা হৈ নৈৰ পাৰত এটি ঘৰ সাজি লৈ তাতেই শিশু সন্তান মণিৰামক বুকুত বান্ধি দিন নিয়াবলৈ ধৰিলে। পিছে, বিপদ অকলে নাহে। এসময়ত মণিৰামৰ বেমাৰ হ'ল। ঘুনুচাই চিন্তাত কাল কটাবলৈ ধৰিলে। 'এনেতে এদিন নৈৰ পাৰত গা ধুই আহোঁতে তেওঁ-লোকৰ গুৰুকুলক স্নান কৰি অহা দেখা পালে। ঘুনুচাই তেওঁৰ দুৰ্ভাগ্যৰ সময়ত দেখা গুৰুজনাক লগ পোৱা নাছিল। আজি হঠাৎ দেখা পাই কিবা উপায় পাব পাৰে বুলি ভাবি তেওঁৰ চৰণত দীঘল দি পৰিল। প্ৰথমতে গুৰুদেৱে ব্যভিচাৰিণীক দেখি ৰাম বিষ্ণু স্মৰণ কৰি ফালৰি কাটি যাব খুজিছিল, কিন্তু ঘুনুচাৰ কাবৌ-কোকালিয়ে এবাৰ নোৱাৰি অলপ থিয় দিলে। ঘুনুচাই লাজ-অপমানৰ ওপৰত অপত্য স্নেহক আসন দি সকলো সহি থাকিল। পাছত উপায় স্বৰূপে গুৰুৱে কলে—দেৱ-দ্বিজ ভক্তিৰ বাহিৰে সংসাৰত কি আছে? 'হৰিনামে কৰে সবাকে সুসাঙ্গ'। সংসাৰত হৰি-ভক্তি আৰু গুৰু-ব্ৰাহ্মণৰ প্ৰতি শ্ৰদ্ধায়ে হৈছে আচল বস্তু। সেয়ে হলে সংসাৰৰ ৰোগ-শোক পাপ-তাপে আৰু কি কৰিব পাৰে? ঘুনুচাই নাম-কীৰ্তন, পাঠ-স্বস্ত্যয়ন কৰক; গুৰু-ভকতক ভক্তি কৰক, তেনেহলে মণিৰাম দুদিনতে ভাল হব। সৰলা ঘুনুচাই গুৰুবাক্যকে সাৰোগত কৰি লৈ দেৱতা-গুৰু-ব্ৰাহ্মণকে পূজা-পাতল দি চাব খুজিলে। ঘুনুচাৰ দুখৰ কথা শুনি এজন বিদেশী পথিকে তেওঁক এটি টকা দি গৈছিল। তেওঁ সেই টকাটিকে আনি গুৰুৰ শ্ৰীচৰণত সমৰ্পণ কৰিলে। তেতিয়া গুৰু-দেৱে বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদৰ সহস্ৰ ধাৰ পেলাই প্ৰস্থান কৰিলে।'

এইদৰে প্ৰথমে ৰাম-বিষ্ণু বুলি আঁতৰি যাব খোজা গুৰুৰমুখত এনেকৈ ধন পাই ওলোৱা আশীৰ্বাদে গুৰুকুলৰ ভণ্ডামিকে প্ৰকাশ কৰে। বিশেষকৈ সত্ৰীয়া গোসাঁই এজনাৰ লেখনীত প্ৰকাশ পোৱা এনে চৰিত্ৰাঙ্কন বিশেষ লক্ষ্য কৰিবলগীয়া। সমাজৰ আওকাণ

অবিচাৰত কোনো কোনো সময়ত ব্যক্তি-জীৱন একোটা কেনেকৈ মথিমুৰ হয় 'তাকো এই গল্পৰ শেষ খণ্ডত দেখিবলৈ পোৱা যায়। 'এতিয়া ঘুনুচা নাই, মণিৰামো নাই, ঘুনুচা বা মণিৰামৰ কোনো আত্মীয়-স্বজনো নাই। কিন্তু নৈৰ পাৰৰ সেই ঠাইখিনিত এজনী পাগলী বহি বহি মাটিৰ দেৱতা-বামুণ গঢ়ি তাৰ ওপৰত অত্যাচাৰ কৰা বহু বাটৰুৱাই দেখিছে তাক মাজে মাজে নৈশ নিস্তব্ধতা ভেদ কৰি কান্দোনৰ কাতৰ ধ্বনি আকাশ-ছানি উঠাও বহুতে শুনিছে।' ইয়াক অসমীয়া সমাজৰ বৰ্তমান গুৰু গোসাঁইসকললৈ গ্ৰন্থকাৰে দিয়া সতৰ্ক-বাণী বুলিলে ভুল নহব।

চলিত নীতি-নিয়মৰ বিৰুদ্ধে হঠাৎ ঘটা পৰিবৰ্তনাৰেই অন্য নাম বিদ্ৰোহ বা বিপ্লৱ। এই বিদ্ৰোহ দুই ধৰণৰ হব পাৰে: সামূহিক আৰু ব্যক্তিগত। একেলগতকৈ অধিক লোকে যেতিয়া কোনো চলিত ৰীতি-নীতিৰ বিৰুদ্ধে মুঠ বান্ধি উমৈহতীয়াভাৱে মূৰ দাঙি উঠে, তেতিয়া ইয়াক সামূহিক বিপ্লৱ বা বিদ্ৰোহ বোলে। যেতিয়া কোনো ব্যক্তি-বিশেষে সমাজৰ বদ্ধমূল নিয়ম-নীতি মানি চলিবলৈ সন্মত নহৈ অন্যথা আচৰণ কৰে তেতিয়া সি নাম পায় ব্যক্তিগত বিদ্ৰোহ। বিদ্ৰোহীয়ে যেতিয়া নিয়মৰ বিপৰীতে চলি আত্মপ্ৰতিষ্ঠা লাভ কৰিব পাৰে তেতিয়া সমাজত পৰিবৰ্তন আহে আৰু সমাজ তেওঁ দেখুৱা বাটেদি আগবাঢ়ি যায়। তাকে কৰিব নোৱাৰিলে বিদ্ৰোহৰ অগ্নি-দহন অন্তৰত বান্ধি লৈ বিদ্ৰোহীয়ে নিজ কাৰ্য্যৰ বাবে পৰিতাপ কৰে আৰু সাগৰৰ ঢৌ সাগৰতে মাৰ যোৱাৰ দৰে সমাজৰ মানুহ পুনৰ সমাজতে মিলি যায়। বুদ্ধ, মহম্মদ, মহাবীৰ আদি যুগনায়ক-সকল প্ৰত্যেকেই এনেকুৱা একোগৰাকী বিপ্লৱী পুৰুষ আছিল আৰু আত্ম-প্ৰতিষ্ঠাৰ মাজেদি তেওঁলোকে সমাজত পৰিবৰ্তন আনিব পাৰিছিল

গোসাঁইৰ গল্পৰ কিছুমান নায়কেও নিজৰ বিবেক-বুদ্ধি মানি সমাজৰ বিৰুদ্ধাচৰণ কৰিছে; কিন্তু দৈৱ-দুৰ্বিপাকত পৰি নিজক প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হোৱা নাই। 'নৈৰ দাঁতিত' গল্প তাৰেই এটি উদাহৰণ

যথাসময়ত বিয়া নহলে বামুণৰ ছোৱালী পতিতা হয়। অৱস্থাৰ বৈষম্যত পৰি মালতীৰো সেয়ে হ'ল। কিন্তু যেতিয়া পদুমৰ কলিটি লাহে লাহে ফুলিবলৈ আগবাঢ়ে, অথচ সেই বাঞ্ছাৰ তৃপ্তি নহয়, যেতিয়া দ্বিতীয়া বা তৃতীয়াৰ জোনৰ ক্ষীণ কলাটি পূৰ্ণিমাৰ পূৰ্ণতা পাবলৈ ব্যাকুল হয়, অথচ সেই আকাঙ্ক্ষা পূৰ নহয়, তেতিয়াৰ সেই কলিত, সেই জোনত এটি অতৃপ্ত বাসনা, এটি আনন্দৰ ব্যাকুলতা আৰু এটি মধুৰ উন্মাদনা ফুটি উঠে, যি বৰ্ণাব নোৱাৰা সুন্দৰ। এই বয়সত ৰূপ আৰু সৌন্দৰ্য্যৰ হেন্দোল-দোলত এজন ডেকাৰে সৈতে মালতীৰ বিয়া হ'ল। সমাজৰ মুখলৈ নাচাই আৰু গুৰুজনৰ কথা নুশুনি সেই ডেকাজনে মালতীক বিয়া কৰালে। এই ডেকাজনৰ নাম কালীনাথ। পুৰণিকলীয়া শাসনৰ বিৰোধে, সমাজৰ বিৰোধে আৰু গুৰুজনৰ উপদেশৰ বিৰোধে মালতীক বিয়া কৰোৱা দেখি কালীনাথৰ পিতাকে তেওঁক ঘৰত সোমাব নিদিলে।

এইদৰে কালীনাথে ঘৰ-দুৱাৰ এৰি অনাই-বনাই ফুৰিলে। যথা সময়ত তেওঁৰ এটি পুত্ৰ-সন্তান লাভ হ'ল। এনেতে এদিন কালীনাথৰ পিতাক ঢুকাল। তেতিয়া মাকে শাস্ত্ৰ-সম্মত সকলো কাটি কৰি থৈ কালীনাথক ঘৰলৈ আনিবলৈ স্থিৰ কৰিলে। কিন্তু হ'ল কি? কালীনাথে ঘৰলৈ আহোঁতে নৈ এখন পাৰ হব লাগিছিল। কাৰ্য্যবশতঃ তেওঁ আগেয়ে মালতীক কেঁচুৱাৰে সৈতে এখন নাৱত পঠিয়াই দি নিজে পিছত অন্য এখনত আহিবলৈ স্থিৰ কৰিলে। মালতী পাৰ হোৱাৰ পিছত হঠাৎ নৈৰ চাকনৈয়াত পৰি কালীনাথৰ নাও বুৰ গ'ল। কালীনাথে সলিল সমাধি লাভ কৰিলে। তাৰ লগতে ইমান আশা, ইমান আনন্দ সকলো অনন্ত জলত বুৰ গ'ল। পণ্ডিতসকলে ক'লে— শাস্ত্ৰ-সম্মত নমনাৰ এই ফল।

বিধিৰ ইচ্ছাত কালীনাথে নিজক প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। ৰক্ষণশীল সমাজ আগৰ ঠাইতেই থাকিল, এখোজো আগলৈ নগ'ল। মালতীয়ে নিষ্ঠুৰ বিধিৰ কোপত পৰি ক্ৰমে শাহুৱেক আৰু প্ৰাণাধিক

পুত্ৰটিকো হেৰুৱালে। এনে অৱস্থাত বেচেৰী মালতী কুসুমচাৰ দৰেই নিৰাশ্ৰয়া হ'ল; কিন্তু পাগলী নহ'ল। কি করুণ ঘটনা!

'সন্ন্যাসিনী' গল্পত দুটা কথা স্পষ্ট হৈ উঠিছে: অবৈধ প্ৰণয়ৰ পৰিণতি আৰু গুণজ আৰু ৰূপজ প্ৰণয়ৰ পাৰ্থক্য। যেতিয়া ভৰ যৌৱনৰ দুকূলভঙা ঢল আহে তেতিয়া বিবেক কাণ্ডাৰীয়ে জীৱন-নৌকা স্থিৰে ৰাখিবলৈ অনেক সময়ত অক্ষম হয়। সেই সময়তেই সমাজৰ চকুত ধূলি মাৰি অনেকে ইন্দ্ৰিয় সম্ভোগৰ অবৈধ সৰোবৰত অৱগাহন কৰি কামনাৰ তৃপ্তি লাভ কৰে। সন্ন্যাসিনীয়ো সেয়ে হৈছিল। যি মোহনক তেওঁ সকৰেপৰা ভাল পাইছিল, হঠাৎ যৌৱন জাগি উঠাত তেওঁক ওচৰত নাপাই তেওঁ অন্য এজন যুৱকৰ লগত ভোগৰ আকাঙ্ক্ষা পূৰ কৰিলে। সমাজে তাৰ গমকেই নাপালে। কিন্তু ফলত হ'ল কি? 'লো এডোখৰ তপতে তপতে বৰ গৰম; পানীত পেলাই দিয়া মাত্ৰেই ভকৃভকাই, ফক্‌ফকাই আৰু সি নাচি উঠে। কিন্তু যেতিয়া তাৰ পানীৰ প্ৰতি হোৱা আকৰ্ষণ বা লালসাই তৃপ্তি লভে, তেতিয়া সি আগৰ যেনে লো তেনে।' নতুন যুৱকৰ লগতো সন্ন্যাসিনীৰ সেয়ে হ'ল।

যথাসময়ত কিন্তু মোহনৰ লগতেই সন্ন্যাসিনীৰ বিয়া হ'ল। কিন্তু ইমানতে অশান্তিৰ অন্ত নপৰিল। মোহনৰ সৰলতা আৰু সাধু স্বভাৱে তেওঁক মুগ্ধ কৰিলে। অতীতত কৰা বিশ্বাস-ঘাতকতাৰ কথা মনত পৰিবলৈ ধৰাত তেওঁৰ অন্তৰত অনুতাপ আহিবলৈ ধৰিলে। অথচ তেওঁ মোহনক সেই কথা খুলি কবও নোৱাৰে। তেওঁ তাৰ প্ৰতিকাৰৰ কাৰণে চিন্তা কৰিবলৈ ধৰিলে। এদিন যেতিয়া কমলে মোহনক কলে-মই আপোনাৰ উপযুক্ত নহওঁ, মোক আপুনি ত্যাগ কৰক—মোহনে তেতিয়া তেওঁক আৰু বেছিকৈহে মৰম কৰিলে। আকৌ দুনাই তেনেকৈ কোৱাত উত্তৰ দিলে—কমল, তেনে নিদাৰুণ কথা শুনাই তুমি কি সুখ পোৱা?—মোহনৰ চৰিত্ৰৰ সৰলতাই কমলক তেনেই মুগ্ধ কৰিলে। তেওঁ যে তেনেকুৱা এজন সাধু প্ৰকৃতিৰ লোকৰ পত্নী হোৱাৰ উপযুক্ত নহয় সেইটো অন্তৰত উপলব্ধি কৰি এদিন মাজনিশা মোহনৰ অজ্ঞাতসাৰে

ঘৰৰপৰা তেওঁ বাহিৰ হ'ল। সেই দিনাৰপৰাই কমলা সন্ন্যাসিনী। পাপীৰ অন্তৰত যে এদিন নহয় এদিন অনুশোচনা আহে তাকেই সন্ন্যাসিনী গল্পত প্ৰতিপন্ন কৰিবলৈ যত্ন কৰা হৈছে। তদুপৰি ৰূপৰ মাদকতাত ওপজা প্ৰণয় ভোকাতুৰৰ অন্তৰত খাদ্যৰ প্ৰতি ওপজা স্পৃহাৰ দৰে। পৰিতৃপ্তিতেই তাৰ সীমা। কিন্তু গুণজ প্ৰেম অন্তৰৰ বস্তু। প্ৰেমাস্পদৰ মঙ্গলৰ অৰ্থে ই প্ৰেমিকক জীৱন পৰ্য্যন্ত বিসৰ্জন দিবলৈ শিকায়। বমলাৰো সন্ন্যাস গ্ৰহণত মোহনৰ প্ৰতি হিতাকাঙ্ক্ষাৰ মাত্ৰাই বেছি; স্বকৰ্মজ পাপৰ প্ৰায়শ্চিত্ত চিন্তা ইয়াত গৌণ বুলিব পাৰি।

দুখীয়াৰ দুখ আৰু তাৰ ওপৰত অদৃষ্টৰ পৰিহাস গোসাঁইৰ গল্পৰ এটি প্ৰধান বিষয় 'অদৃষ্ট' গল্পটো তাৰেই এটি নিদৰ্শন। আগেয়ে ধনীৰাম ধনে-ধানে, ঐশ্বৰ্য্যই-বিভূতিয়ে কেনে যোত্ৰবান লোক আছিল— শেহত বিধিৰ বিধানত মাউৰত কেনেকৈ সকলোবোৰ উচন গ'ল, কেনেকৈ তেওঁ বামুণৰ ঘৰত বন্ধা থাকি ঘৰখন পাতিবলৈ যত্ন কৰিলে আৰু শেষত ভাত-কাপোৰৰ কষ্টত উকথা ঘৰৰ তলত থাকি কেনেকৈ তাৰ নৱবধূৱে ইহ সংসাৰৰপৰা বিদায় ললে—ইত্যাদি কথা ভালকৈ ভাবিলে—এইবোৰক অদৃষ্টৰেই পৰিহাস নুবুলি নোৱাৰি। এই গল্পটো নিচেই চুটি যদিও ইয়াৰ ঘটনাৰ কাৰ্য্যক্ৰম ইমান প্ৰখৰ গতিত চলিছে যে গোটেইটো গল্প পঢ়িলে চকুৰ আগতে এখন আলোক-ছবি দেখা যেনহে লাগে। ইয়াত ধনীৰামৰ—'দাৰিদ্ৰ্যদোষো গুণৰাশিনাশী' কথাটো পৰিস্ফুট হৈছে।

'পশুপতিৰ বিয়া' গল্পটোত ছোৱালীৰ বাপেকৰ যি চৰিত্ৰ অঙ্কন কৰা হৈছে সি আজি-কালিৰ অসমীয়া সমাজত প্ৰায়ে অচল বুলিব পাৰি যদিও এসময়ত ছোৱালীৰ গা-ধন লোৱাটো সমাজৰ ৰীতিয়ে হৈ পৰিছিল। এই গল্পটোৰ বিষয়বস্তু সম্পৰ্কে মন্তব্য দি গোস্বামীৰ ককায়েক প্ৰতাপচন্দ্ৰ গোস্বামীয়ে কৈছিল ছোৱালীৰ গা-ধন লোৱা ৰীতি প্ৰচলন থকা সময়ত এনে চৰিত্ৰৰ অসমীয়া মানুহ সমাজত ঢেৰ আছিল। এই গল্পটো এটা সত্য ঘটনাকে অৱলম্বন কৰি লিখা; কেৱল পাত্ৰ-পাত্ৰীৰ নামান্তৰ কৰা হৈছে।

আজিকালি অপত্য স্নেহতকৈ ধনৰ মোহক ওপৰ আসন দিয়া 'ছাইলক' অসমীয়া সমাজত কাচিত কৰবাতহে দেখিবলৈ পোৱা যাব। কিন্তু টকা-ধাৰত পোত গৈ বিয়া পতা অসমীয়া যুৱকৰ সংখ্যা তাকৰ নহয় আৰু তেনেকৈ চালে পশুপতিৰ বিয়া বহুত গঞা-যুৱকৰে চৰিত্ৰৰ প্ৰতিবিম্ব।

'পুনৰ্জন্ম' গল্পটো মিলনান্তক। এনেকুৱা মিলনৰ ছবি কিন্তু গোসাঁয়ে গল্পত অতি কম পৰিমাণেহে অঙ্কন কৰিছে। ঘটনাটো আচৰিত আচৰিত যেন লাগে যদিও ই তেনেই অস্বাভাৱিক বা অলৌকিক নহয়। গোসাঁইৰ বহুত গল্পতেই এনে ধৰণৰ চমৎকাৰিত্ব আছে।

ধৰ্মৰ মহিমাময় শক্তিয়ে যে সময়ত যৌৱনৰ প্ৰবল সোঁতৰো গতি বদলাব পাৰে সেইটো 'পুৰণি আখ্যায়িকাৰপৰা লোৱা' 'মালিনী' গল্পত ফুটি ওলাইছে যৌৱনৰ বিদ্ৰোহ দুৰ্দমনীয়, কিন্তু ক্ষণস্থায়ী। সেই বিদ্ৰোহক সুপথ লগাই দিব পাৰিলে সি দুৰ্জয় শক্তিত পৰিণত হয়। মালিনীয়ে তেওঁৰ প্ৰেমাস্পদ সৰোজক জীৱনৰ চিৰসঙ্গী হিচাবে নাপালে সঁচা, কিন্তু তেওঁৰ অন্তৰে যেতিয়া ধৰ্মৰ আশ্ৰয় গ্ৰহণ কৰিলে তেতিয়া তেওঁৰ মনত বিপুল শক্তি উপজিল আৰু সেই শক্তিৰ প্ৰভাৱত তেওঁ হাজাৰ হাজাৰ নৰ-নাৰীৰ কল্যাণ সাধিলে ধৰ্মই পৱিত্ৰ কৰি তোলা প্ৰেমৰ শক্তি এনেকুৱাই।

'মালিনী'য়েই গল্পাগুলিৰ শেষ গল্প। ৰোমাণ্টিক পৰশ আছে যদিও গল্পবোৰ কোনো প্ৰকাৰে অস্বাভাৱিক বা অলৌকিক নহয়। এইবোৰ গল্প যিসময়ত ৰচনা কৰা হৈছিল সেই সময়ত অসমীয়া সমাজ আজিৰ সমাজতকৈ বহুগুণে পিছপৰা আছিল। গতিকে তেতিয়াৰ পাঠকৰ কাৰণে এই গল্পবোৰ আৰু বেছি মনঃপুত আছিল। তদানীন্তন গঞা সমাজৰ গতিগোত্ৰ অধ্যয়ন কৰাত লেখক গোস্বামীদেৱ কেনে তৎপৰ আছিল গল্পবোৰে তাৰে আভাস দিয়ে।

ময়না ঃ

আচল নামটো ‘ময়না’ নহয় ‘ময়না আৰু আন আন গল্প’হে। কিন্তু ‘ময়না’ বুলিয়েই জনাজাত। নামটোৱে অসমীয়া প্ৰথা এটা সোঁৱৰাই দিয়ে। অসমীয়া গাঁওবোৰত যেতিয়া নতুন বোৱাৰীয়ে সন্তান জন্ম দিয়ে তেতিয়া বেপৰা তেওঁক সেই সন্তানৰ মাক বুলি মতা হয়; যেনে, মধুৰ মাক, ডালিমীৰ মাক ইত্যাদি। অৱশ্যে মধুৰ মাক বুলিলে যে অকল মধুৰহে মাক নাইবা মধুৰ মাকৰ আৰু সন্তান নাই এনে কথা কোনেও নুবুজে। তথাপি তেওঁ নাম পায় মধুৰ মাক। প্ৰথম সন্তানৰ নাম মতেই তেনে নাম হয় ঠিক তেনেকৈয়ে গোস্বামীৰো দুখন কিতাপৰ নাম পোৱা যায়—‘ময়না’ আৰু ‘বাজিকৰ’। এই দুয়োখন কিতাপ গোসাঁইৰ ক্ৰমে দ্বিতীয় আৰু তৃতীয় গল্প পুথি। দুয়োখন কিতাপৰেই নাম হৈছে প্ৰথম গল্পটোৰ নাম অনুসৰি। ‘ময়না’ যদিও গোসাঁইৰ দ্বিতীয় গল্প পুথি তথাপি ইয়াৰ অনেক গল্প বহুত দিন আগেয়ে ছাত্ৰাৱস্থাতেই লিখা। পাতনিত সেই কথা লেখকে প্ৰকাশ কৰিছে। ইয়াৰ কেইবা-টাও গল্প লেখকে ছাত্ৰ কালতেই ‘অঙ্কুৰ’ নামে হাতেলিখা আলোচনীত প্ৰকাশো কৰিছিল। ছাত্ৰ কালতে লিখা কাৰণেই হব পায় অনেক গল্পত জীৱনৰ দায়িত্ববোধ বা কথা-বতৰাৰ আৱশ্যকীয় গাম্ভীৰ্য্য সম্পূৰ্ণকৈ ফুটি উঠা যেন নালাগে। উদাহৰণ স্বৰূপে প্ৰথম গল্প দুটালৈয়ে আঙুলিয়াব পাৰি। প্ৰথমটোত এটা করুণ ঘটনাব বৰ্ণনা আছে যদিও তাত আৱশ্যকীয় গাম্ভীৰ্য্য নাই। সন্তানহীনা তিৰোতা গৰাকীয়ে ময়না পুহি তাৰ মাত শুনিয়েই সন্তানৰ মাতৰ অমৃতময় কথাৰ আস্বাদ লৈছিল। দুৰ্ভাগ্যক্ৰমে তেওঁৰ গিৰিয়েক ঢুকাল আৰু নিষ্ঠুৰ বিধিয়ে সেই ময়নাটোও মাৰি নিলে। মানুহে তেতিয়া তিৰোতাজনীক বলিয়া বুলিবলৈ ধৰিলে। কিন্তু তেওঁহে বুজিলে বলিয়া সঁচাকৈ কোন! গল্পৰ বিষয়বস্তু ইমানেই।

ঠিক সেইদৰে দ্বিতীয় গল্প ‘ব্ৰহ্মপুত্ৰৰ বুকুত’ চাওক। গল্পটো সুখপাঠ্য। উপন্যাসৰো গন্ধ তাত থকা যেন লাগে। সেই কাৰণেই গল্পৰ অন্তত লেখকে বুধিৰে প্ৰকাশ কৰিছে—আজিলৈকে জানিব

শোৱাৰিলো, এই ঘটনাত কিবা সত্য আছিল নে ই বঙালী উপন্যাস পঢ়া মোৰ বিকৃত মস্তিষ্কৰ অদ্ভুত উদ্ভাৱনা। --লেখকে গল্পটো 'অঙ্কুৰ'ত 'তৰণী-তীৰে' শিৰোনামে প্ৰকাশ কৰিছিল। ইয়াত গোসাঁইৰ ছাত্ৰাৱস্থাৰ লেখনীৰ টাঁচ লক্ষ্য কৰিব পাৰি।

সপোনাকে আশ্ৰয় কৰি গল্পটোৰ উদ্ভৱ হৈছে। ইয়াক অবৈধ প্ৰণয়ৰ এটা মোহময় ছবি বুলিব পাৰি। 'গল্পাঞ্জলি'ৰ সন্ন্যাসিনী গল্পৰ দৰে ইয়াতো অবৈধ প্ৰণয়ৰ চিত্ৰ গোসাঁয়ে আঁকিছে যদিও এই দুয়োটা গল্পৰ কোনোটোতে গল্পৰ নায়কৰ ভৱিষ্যৎ মঙ্গল সূচনা কৰা নাই। ব্ৰহ্মপুত্ৰৰ ওপৰত নাৱৰীয়াৰ বহল নাৱৰ বুকুত শৰৎ কালৰ বিতোপন নিশাৰ সপোনৰ যি কাহিনী লেখকে ইয়াত বৰ্ণাইছে তাৰ মূল কথা নিচেই তাকৰ। সপোনৰ বালিকাই নিজে কৈছে —'ব্ৰহ্মপুত্ৰৰ বুকুত নাৱত উঠি ফুৰিছিলো, মই আৰু মোৰ স্বামীৰ বন্ধু বিলাতৰ পৰা নতুনকৈ ফিৰি অহা—তেওঁৰ নাম নকওঁ, তুমি বা কোনোৱে তেওঁৰ নাম জানিব নালাগে। সি মোৰ গূঢ় আনন্দৰ সামগ্ৰী, মোৰেই হৈ থাকক। কি হ'ল, কিজানি সকলো কথা শুনিলে তুমি মোক ঘৃণা কৰিবা। মৃত্যুৱে ইয়াকে জানি থোৱা, সেই লাজতে মই ব্ৰহ্মপুত্ৰৰ বুকুত ডুবিলোঁ, জ্বলোচা মোৰ তীব্ৰ লালসা আৰু তীক্ষ্ণ লাজৰ দংশন এবাৰ শীতল জলে শীতলাই দিয়ে।' আৰু মই ভূত নহওঁ; এতিয়া জানিছা মই দেৱতাও নহওঁ। মই মানুহ—আশা, বাসনা, কাম, অবিবেচনাপূৰ্ণ চিন্তাৰে আদি মানুহৰ আত্মা মোৰ। তোমালোকৰ নীতিশাস্ত্ৰত মোৰ জীৱন ঘৃণ্য, মই পতিতা। মোৰ নামতো সাধু লোকৰ নাক কোঁচ খায়। কিন্তু জগৰ কাৰ? মোৰেই নে অকলে? নে মানুহৰ অন্তৰ আত্মাত যি অজ্ঞাত পুৰুষে বাসনাৰ এই তীব্ৰ হলাহল, প্ৰবৃত্তিৰ এই আদি উদ্দীপনা জগাই দিয়ে তেওঁৰো অলপ ভাগ আছে?' ঘটনাটোক কোনো কোনোৱে মামুলি বুলিব পাৰে, কিন্তু পতিতাৰ এনে আত্ম-বিশ্লেষণ নিশ্চয় আধুনিক আৰু 'ফ্ৰয়ডিয়ান'।

কথোপকথন আধুনিক গল্পৰ এটা আঙ্গিক স্বৰূপ। গোসাঁইৰ

'দিল্লীকা লাড্ডু' চাৰি-অঙ্কীয়া নান্দী-সূত্ৰধাৰ সম্বলিত নাটক বুলি ভুলাইছে যদিও ই গল্পহে। ইয়াৰ মাজেদি গোসাঁয়ে ফিতাহি মৰা নতুন গ্ৰেজুৱেটৰ ফুটনি ফুটাই তুলিছে। গোসাঁইৰ বচন ভঙ্গী ইয়াত লক্ষ্য কৰিব পাৰি। ইয়াৰ হাস্যৰস গহীন ধৰণৰ হৈ পৰিছে। সংস্কৃত নান্দীত বুকাৰি [বুক (book) + অৰি] 'ডিগ্ৰীগ্ৰস্ত' নায়কৰ 'জন্মামধ্যস্পৰশিকামিজ: গোৰালিপ্সশিধৃতিঃ' আৰু হেজলিনল্লোনা শোধিতঃ নিৰ্মুক্ত-গোঁফদাঢ়িঃ' বৰ্ণনা দিয়াত নাটৰ মূলবস্তু কি আৰু কেনে হব তাৰ এটা ইঙ্গিত পোৱা যায় প্ৰস্তাৱনাত আকৌ গ্ৰেজুৱেটৰ মনৰ অৱস্থাটো বৰ্ণনা কৰিছে—'তুমি যেনিবা উদং গোৱা গৰু, অভিভাৱকৰ শাসন জেং, কলেজৰ নিয়ম-কানুন বেৰ, এই সকলোবোৰৰ দিন গ'ল; যুগ আহিল তোমাৰ মুকলি মনৰ, বাধাহীন প্ৰাণৰ, অনাস্বাদিত স্বাধীনতাৰ গৌৰৱৰ।' এনেকুৱা গ্ৰেজুৱেটৰ লগত গোসাঁই নিজে সদায় পুৱা গধূলি ঘনিষ্ঠ সম্পৰ্কত থাকিবলগীয়া হৈছিল বাবেই হয়তো গ্ৰেজুৱেটৰ মনৰ অৱস্থা আৰু কাৰ্য্যই তেওঁক গল্পৰ সমল যোগাইছিল।

গোসাঁইৰ 'বনৰীয়া প্ৰণয়' গল্পই মিছিং যুৱক যুৱতী এহালৰ সবল প্ৰাণত আদিম প্ৰবৃত্তি প্ৰেমৰ তীব্ৰতা ফুটাই তুলিছে। সাহিত্যৰথী বেজবৰুৱাদেৱে এনেকুৱা কথাকে লৈ 'ধনবৰ আৰু ৰতনী' বেলেড লিখিছিল। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈদেৱেও তেখেতৰ 'মিৰিজীয়ৰী'ত পানেই আৰু জঙ্কিৰ মাজেদি তেনেকুৱা প্ৰেমৰে ছবি অঙ্কন কৰিছে। সহানুভূতি সহকাৰে মিছিং-জীৱনৰ কাৰ্য্য-কলাপ লক্ষ্য কৰিছিল কাৰণেই লেখকে গল্পত তাৰ স্পষ্ট ৰূপ দিব পাৰিছিল। গল্পৰ কথাকে মিছিং ডেকা-ডেকেৰী মণি আৰু লনীৰ মাজত তেওঁৰ পুৰণি পঢ়ালগৰীয়া হাকিমক কৈ যি মিলন ঘটালে সি লেখকৰ ব্যক্তিগত জীৱনৰ কিবা বাস্তৱ অভিজ্ঞতাও হব পাৰে। শেষত গল্পলেখকে কৈ থৈছে 'সেই দিনৰপৰা মনত এটা ভাব খেলাই আছে, কিজানি মিৰি হৈ জন্ম লব পাৰিলেই ভাল আছিল।'

যেই-সেই কামৰেই গুৰিতে এটাকৈ প্ৰেৰণা থাকে। বিখ্যাত কবি আৰু সাহিত্যিকসকলৰ কবিতা আৰু গ্ৰন্থৰ অধ্যয়নো কেতিয়াবা তেনে সৃষ্টিশীল প্ৰেৰণাৰ উৎস হৈ পৰে। ইংৰাজ কবি টেনিছনৰ কবিতা কলেজত সকলো ল'ৰাই পঢ়ে. কিন্তু টেনিছনৰ 'ইনক আৰ্ডেন' কবিতাই গোসাঁইৰ অন্তৰত যাত্ৰী নামৰ গল্প ৰচনাৰ প্ৰেৰণা দিছিল। গল্পটো সম্পৰ্কে গোস্বামীয়ে নিজে লিখিছে 'স্কুলত পঢা দিনত আমি কেইজনমান ছাত্ৰই 'অঙ্কুৰ' নামে হাতেলিখা মাহিলী এখন উলিয়াইছিলো। 'যাত্ৰী' নামৰ গল্পটো তাৰপৰা তুলি দিয়া হ'ল। ইয়াত মহাকবি টেনিছনৰ 'ইনক-আৰ্ডেন' গল্পৰ অলপ আভাস আছে।'

'ইনক-আৰ্ডেন' কবিতাৰ মূল কথা এই—। ইনক, ফিলিপ ৰে' আৰু এনী—এই তিনিটা ল'ৰা-ছোৱালীয়ে সাগৰৰ বালিত উমলি-জামলি কাল কটাইছিল। দৰা-কইনা সাজি ওমলা সকলো ল'ৰা-ছোৱালীৰ বৰ প্ৰিয় খেলা। সিহঁতেও তাকে খেলিছিল। কেতিয়াবা ইনক হয় গৃহস্থ, এনী গৃহিণী আৰু ফিলিপ আলহী। আকৌ কেতিয়াবা ফিলিপ গৃহস্থ, এনী গৃহিণী আৰু ইনক আলহী যিয়েই গৃহস্থ নহওক এনীৰ ভাগ্যত সদায় পৰিছিল গৃহিণী হোৱাটো। গৃহস্থ কোন হয় তাকে লৈ ইনক আৰু ফিলিপৰ মাজত সততে কন্দলৰ সৃষ্টি হৈছিল। এনীয়ে তেতিয়া সান্ত্বনাৰ বাণী শুনাই কৈছিল—

'কিয়নো কন্দল বাৰু কৰাইঁক দুয়ো অবাবত ?'

হৈ ক্ষুদ্ৰ পত্নী মই তুমিম দুয়োকো, তোমাসাৰ উভয় গৃহত ॥'

বাস্তৱ জীৱনত সেয়ে ঘটিল। ইনক আছিল দুখীয়া, কিন্তু বলী,সাহসী আৰু স্বাস্থ্যৱান ফিলিপ আছিল এজন ধনী সদাগৰৰ পুত্ৰ কিন্তু ইনকতকৈ দুৰ্বল আৰু কম সৌন্দৰ্যৱান। সেই বাবেই নেকি এনীয়ে সাধাৰণতে ইনকক বেছি ভাল পাইছিল। ই সৰু কালৰ কথা।

বয়স হ'ল যথাসময়ত ইনকে এনীক বিয়া কৰালে। ফিলিপ বিয়া নকৰোৱাকৈয়ে থাকিল। ইনকে ইতিমধ্যে বাণিজ্যৰ কাৰণে সাগৰ-যাত্ৰা কৰিলে। দুৰ্ভাগ্যক্ৰমে তেওঁ যোৱা জাহাজখন অথাই

সাগৰত বুৰ গ'ল আৰু তেওঁ গৈ ঢৌৰ কোবত জন-প্ৰাণীহীন এটা দ্বীপত উঠিল। সেই দ্বীপতেই গছৰ ফলমূল খাই ইনকে সুদীৰ্ঘ দাৰ বছৰ কাল কটালে।

ইফালে ইনক ঢুকাল বুলি ভাবি কেইবা বছৰৰো পিছত এনী এদিন ফিলিপৰ লগত বিয়া সোমাল। পিছত হঠাৎ এদিন এখন জাহাজ সেই দ্বীপৰ ওচৰেদি যোৱা ইনকে দেখিলে। তেওঁ উচ্চৈস্বৰে চিঞঁৰ-বাখৰ কৰি নাবিকসকলৰ সহানুভূতি আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ল। সেই জাহাজৰ সহায়তে তেওঁ নিজৰ জন্মভূমি পালেহি কিন্তু পালে কি হব? তেওঁৰ কামনাৰ কামিনী জীৱন-তোষিণী এনী তেতিয়া হৈছিল ফিলিপৰ গৃহিণী। ইনকে এনীৰ ওচৰত আত্ম-পৰিচয় নিদিলে। ফিলিপ-এনীৰ সুখৰ সংসাৰ তেওঁ চুৰকৈ গৈ এবাৰ চাই ললে। তেওঁ ভাবিলে যে তেওঁ আত্ম-পৰিচয় দিব লাগিলে তেওঁ-লোকৰ সুখৰ সংসাৰ ছাৰখাৰ হব। দাৰুণ মনোকষ্টত তেওঁৰ প্ৰাণ-পখী উৰি গ'ল। নিজে প্ৰাণ ত্যাগ কৰিও তেওঁ প্ৰিয়তমা এনীৰ কল্যাণ কামনা কৰিলে।

'যাত্ৰী' গল্পলৈ এতিয়া মন কৰক। ইয়াত গদাধৰ হৈছে ইনক, সৰযূ এনী আৰু নবীন ফিলিপ। নবীন (ওৰফে নান্নু সদাগৰ)ৰ লগতেই সৰযূৰ বিয়া হ'ল। গদাধৰৰ লগত নহ'ল। ইয়াৰ প্ৰধান কাৰণ অৱস্থাৰ বৈষম্য। গদাধৰে অনাই-বনাই ফুৰি শেষত ত্যাগৰ মাজেদিও সৰযূৰ মঙ্গল কামনা কৰিবলৈ ছদ্মবেশ ধৰি কেশৱ নাম লৈ নান্নু সদাগৰৰ ঘৰত গোমস্তা ৰ'লহি। তেনেকৈয়ে শান্তিয়ে (সৰযূৰ নাম তেতিয়া শান্তি) চিনি নোপোৱাকৈ দহ বছৰ কাল কেশৱে গোমস্তাগিৰি কৰি গদাধৰক বহুত ধন-পইচা আৰ্জনত সহায় কৰি দিলে।

নান্নু সদাগৰৰ দুজনী ছোৱালীৰ আগতে বিয়া হৈ গৈছিল। ১৫ বছৰত তৃতীয়জনীৰ বিয়াৰ ঠিক হ'ল—কেশৱহতঁৰ গাঁৱতে বি.এ পাছ কৰা ল'ৰা এটাৰ লগত। গাঁৱৰ মানুহৰ হাতত ধৰা পৰাৰ ভয়ত

বিয়াৰ দুদিন নে তিনি দিন আগতে সদাগৰৰ ঘৰৰপৰা কেশৱ নিৰুদ্দেশ হ'ল। বিয়া হৈ যোৱাৰ ৮।১০ দিন পাছত তেওঁ ৰেজিষ্টাৰ্ড চিঠিৰ দ্বাৰা জনালে যে তেৱেঁই আছিল গদাধৰ আৰু শান্তিয়েই আছিল সৰয়ূ। ইনক আৰ্ডেন গল্পত কিন্তু ইনকে ফিলিপ আৰু এনীৰ আগত নিজৰ চিনাকি নিদিয়াকৈয়ে প্ৰাণ এৰিছিল

কেশৱে নিজৰ পৰিচয় জনাই লিখা চিঠিত আৰু লিখিছিল—'শেষ অনুৰোধ শান্তিৰ একো দায় নধৰিব। শান্তি একো দোষ কৰা নাই। আৰু ইমান দিনে অভাগিনী আপোনাৰ সঙ্গতে সুখত আছেনে? মই টকা লৈ পলাই আহিছো, অৱশ্যে প্ৰথমতে সকলোৰে এনে সংশয় হৈছিল। ইমান দিনে আপুনি নিশ্চয় আচল হিচাব পাইছে। কিন্তু আন মানুহৰ মনত সেই বিশ্বাস থকাই ভাল, বিশেষকৈ শান্তিৰ মনত; নহলে সন্দেহ হব পাৰে।'

এনেকৈ অনাই-বনাই ফুৰি থাকি সন্ন্যাসী বেশে যেতিয়া মৃত্যুৰ কোমল কোলাত জিৰণি লবলৈ ওলাল তেতিয়া তেওঁ তেওঁক চাবলৈ যোৱা সদাগৰইঁতক কৈছিল—শান্তি মোক ক্ষমা কৰিবা।' লেখকে ইয়াত এটা প্ৰশ্ন কৰিছে -অনন্ত পথৰ যাত্ৰী অনন্ত প্ৰেমৰ ভিখাৰী অনন্ত প্ৰেমময়ৰ ওচৰ পালেগৈ নে বাৰু?' তাৰ উত্তৰ কোনে দিব?

ৰেল-জাহাজত গলে বঙালী বাবুৰ ফেচফেচনিত আমনি নোপোৱা যাত্ৰী কমেই আছে। 'অপৰিচিতা' গল্পত বঙালী ভদ্ৰলোকৰ শিষ্টতা আৰু কথোপকথনৰ পাৰ্গতালি স্পষ্ট হৈ উঠিছে। গৃহ-শিক্ষকৰ চৰিত্ৰ অঙ্কন নাইবা তাৰে আলমত গল্প ৰচনা কৰা বোধহয় লেখকৰ উদ্দেশ্য নাছিল গতিকে 'পৰিচিতা' গল্পই ছাত্ৰীৰ আগতে ৰেলত হোৱা পৰিচয়ৰহে মাথোন সন্ধেদ দি ছাত্ৰীক নামে-কামে পৰিচিতা বুলি জনালে আৰু সেই কাৰণেই গল্পৰ নামটোও খাপ খাই পৰিছে।

পানীৰ ওপৰত তেল বিয়পি পৰাৰ দৰে গাঁৱত অকণমান ঘটনা এটাই গৈ সুবৃহৎ ৰূপ ধৰি দলাদলিৰ সৃষ্টি কৰে। গাঁৱত থকা লোক মাত্ৰেই এই কথা জানে। গোসাঁই গাঁৱতেই ডাঙৰ-দীঘল

হোৱা লোক। সেই কাৰণে গল্প ৰচনাৰ উদ্দেশ্যে গাঁৱৰ কাজিয়াৰণৰা সমল সংগ্ৰহ কৰাটো স্বাভাৱিক। তেওঁৰ 'ৰক্তবীজ' জেনেকুৱা গাঁৱলীয়া কাজিয়া এটাৰেই ৰূপান্তৰ।

পৱিত্ৰ প্ৰেমৰ গৌৰৱ ঘোষণা কেইবাটাও গল্পৰ মূল বস্তু। ডাক্তৰ গল্পতো নিষ্কলুষ প্ৰেমৰেই এটা ৰূপ প্ৰকাশ পাইছে। প্ৰভাৰ লগত ডাক্তৰৰ বিয়া বিধিৰ বিপাকত নহ'ল যদিও প্ৰভাৰ প্ৰতি তেওঁ যি পৱিত্ৰ অনুৰাগ অন্তৰত পোষণ কৰিছিল তাক ত্যাগ কৰিব নোৱাৰিলে। প্ৰভাৰ বিয়া বিনয়ৰ লগত হ'ল; কিন্তু অভিভাৱকৰ যি অৰ্থলোভৰ কাৰণে ডাক্তৰৰ লগত প্ৰভাৰ বিয়া নহল সেই অৰ্থলোভেই বিনয়ৰ বিনাশ সাধন কৰিলে। টকা-পইচাৰ লোভত বিনয়ক প্ৰভাৰ খুৰাকইঁতে বিহ খুৱাই মাৰিলে। ডাক্তৰে যত্ন কৰিও বচাব নোৱাৰিলে। প্ৰভাকো মাৰিব বুলি আশঙ্কা কৰি তেওঁ প্ৰভাক পলুৱাই নিলে। সেই সময়ত প্ৰভা অন্তঃসত্বা আছিল। পলুৱাই নিয়াৰ এমাহৰ পিছতেই প্ৰভাৰ কন্যা এজনী জন্মিল; কিন্তু অলপ দিনৰ ভিতৰতে প্ৰভা ঢুকাই থাকিল। এই কন্যাজনীক বাটত পোৱা বুলি ডাক্তৰে ঘৰলৈ আনি তুলি-তালি ডাঙৰ কৰি এজন কোনোকিছু নথকা যুৱকত বিয়া দিলে।

প্ৰভাৰ প্ৰতি ডাক্তৰৰ যি প্ৰেম আছিল সি কোনো পাৰ্থিৱ মিলনত পৰিণতি লাভ নকৰিলে। অথচ ডাক্তৰে তেওঁৰ সমস্ত জীৱন প্ৰভাৰ কুশল কামনা কৰিয়েই কটালে। এনেকুৱা নিস্বাৰ্থ প্ৰেমৰ পৰিসমাপ্তি ক'ত ভাবিবলগীয়া। গল্পকাৰ গোস্বামীয়েও শেষত গল্পৰেই অঙ্গৰূপে কথাৰ ছলেৰে প্ৰশ্ন তুলিছে—ডাক্তৰৰ এই অতৃপ্ত প্ৰেম, প্ৰভাৰ এই দুৰ্ভাগ্য-কাহিনী প্ৰথমতে মই আজি আপোনালোকক কৈছো। কোনোবাই কব পাৰে নে মৃত্যুৰ সিপাৰে ইমান শোকৰ, ইমান প্ৰেমৰ, ইমান আবেগৰ কিবা চিন থাকিবনে নাই ?

ত্যাগৰ মাজেদি প্ৰেমিকাৰ কল্যাণ কামনা 'নন্দৰাম' নামৰ গল্পযো মূল বস্তু। এই গল্পটোত এফালে যেনেকৈ হাকিমী মেজাজৰ অৰ্থহীন ফিতাহিটো ফুটি উঠিছে ঠিক তেনেকৈয়ে আনফালে আকৌ নন্দৰামৰ

পত্নী প্ৰেমো অলন্ত হৈ উঠিছে। লেখকৰ সূক্ষ্মদৃষ্টি ইয়াত ভালকৈ লক্ষ্য কৰিব পাৰি। নদৰাম ফ্ৰান্সত যুদ্ধ কৰা চিপাহী। বিদেশত যুঁজ কৰি ঘূৰোঁতে নিজৰ বিবাহিতা পত্নীৰ ভাটিৰাম নামৰ অন্য এজন যুৱকৰ লগত সম্ভাব হ'ল। অকল সম্ভাব হৈয়ে নাথাকিল, ভাটিৰামৰ লগত তাই ঘৰ এৰি গুচিও গ'ল। পিছত গোচৰ কৰি নদৰামে ঘৈণীয়েকক পালে সঁচা কিন্তু যেতিয়া ঘৈণীয়েকে ক'লে যে ভাটিৰামৰ কিবা দণ্ড হবলৈ হলে তাই জীয়াই নাথাকে, কাৰণ তাইহে তাৰবাবে দায়ী, তেতিয়া নদৰামৰ কাৰণে সেই কথা অসহ্য হ'ল। ঘৈণীয়েকৰ হানি হোৱাতকৈ নদৰামে হাকিমক জনালে যে তাৰ ঘৈণীয়েক ভাটিৰামৰ লগত থকাই ভাল। তাইৰ যদি তেনেকৈয়ে সুখ হয় তেন্তে নদৰাম তাতেই সুখী হব।

'ময়না'ৰ শেষ গল্প 'দেৱদৰ্শন' 'দেৱদৰ্শন'ত গোসাঁয়ে ক্ষমাৰ আদৰ্শ ফুটাই তুলিছে। ৰাজপুত এজনক মাৰি-ধৰি ডকাইতে তাৰ যথাসৰ্বস্ব কাঢ়ি নিলে অথচ সেই ডকাইতকো ৰাজপুতজনে নিজে মিছা কথা কৈও ক্ষমা কৰিবলৈ ওলাল। এনে কাৰ্যাৎ ডকাইতৰ যি পৰিবৰ্তন হ'ল সি ভিক্টৰ হিউগোৰ জাঁ ভেলজাঁলৈ সমানে মনত পেলায়। বিদ্যাৰত্নই তীৰ্থলৈ গৈ এই ৰাজপুতজনৰ সদালাপৰ দ্বাৰা যি শিকিলে তাতহে তেওঁৰ প্ৰকৃত ভগৱৎ প্ৰাপ্তি হ'ল। তেওঁ অন্তৰত উপলব্ধি কৰিলে আৰু কলে, 'সেই ৰাজপুতেই নাৰায়ণ . মায়া কৰি দাসক দৰ্শন দি গ'ল আৰু শিকাই গ'ল - বাহিৰা তীৰ্থদৰ্শনতকৈ অন্তৰ শুদ্ধিহে আচল তীৰ্থ।' ৰাজপুতৰ ক্ষমা যীশুৰ কোৱা 'যদি তোমাৰ সোঁ গালত কোনোবাই চৰ মাৰি দিয়ে তেন্তে তত্‌ক্ষণাৎ তেওঁক তোমাৰ বাওঁ গালখনো পাতি দিবা'- এই কথাৰেই উজ্জ্বল পটন্তৰ নহয় জানো?

জানিব পৰা গৈছে যে বিদ্যাৰত্নৰ ঘটনাটোৰ নিচিনা ঘটনা এটা গোসাঁইদেৱৰ ককায়েক ডাঙৰ গোসাঁইৰ তীৰ্থ-ভ্ৰমণত ঘটিছিল। লেখক গোসাঁয়ে হেনো সেই ঘটনাৰপৰাই সমল লৈ 'দেৱদৰ্শন' গল্প ৰচনা কৰিছিল।

'বাজিকৰ' ঃ

এইখিনিতেই শৰৎচন্দ্ৰ গোস্বামীৰ পৈণত বয়সৰ চুটি গল্পৰ পুথি। ইয়াৰ পাছত লিখা আৰু অনেক গল্প আছে যদিও সেইবোৰ কিতাপ-আকাৰত প্ৰকাশ হৈ ওলোৱা নাই। 'বাজিকৰ'ৰ গল্পবোৰ ইয়াৰ আগতে লিখা অন্যবোৰ গল্পৰপৰা দুটা বিষয়ত পৃথক হৈ পৰিছে; যেনে, (১) যৌৱন উন্মেষত জাগি উঠা, প্ৰথম দৃষ্টিৰ লগত জড়িত থকা পাতল প্ৰেমৰ প্ৰাচুৰ্য্য আৰু বিৰহৰ ছাটিফুটি এইবোৰত নাই; (২) অনেক গল্পত ককাদেউতাই নাতিল'ৰাৰ আগত নীতিগৰ্ভ সাধু কোৱাৰ লেখীয়া ভাব ফুটি উঠিছে। বয়স হোৱাৰ লগে লগে মানুহৰ বাক্য সংযত আৰু অৰ্থপূৰ্ণ হয়। তেতিয়া যি কথাকেই কওক, তাৰ মাজেদি কিবা এটা বিশেষ ভাব, বিশেষ অৰ্থ ফুটি ওলায়। লেখকৰ লেখাবো বয়সৰ লগত তেনেকুৱা সম্বন্ধ আছে। বাজিকৰ'তো যেন গল্পকাৰৰ ভাবৰ তেনে এটা পৈণত অৱস্থা অনুমান কৰিব পাৰি। প্ৰথম গল্প 'বাজীকৰে'ই তাৰ সাক্ষী।

'বাজিকৰ,' 'অন্তৰ-আৱৰণ' আৰু 'পিয়াহৰ পানী'—এই তিনিটা গল্পত ভগৱানৰ অনন্ত শক্তিৰেই জয়গান কৰা হৈছে। মানুহে যেতিয়া ধীৰ-স্থিৰভাৱে বিশ্ব জগতৰ সৃষ্টিকৌশলৰ বিষয়ে চিন্তা কৰে তেতিয়া ভগৱানৰ অপৰিসীম শক্তিৰ ওচৰত তেওঁৰ শিৰ অতৰ্কিতে দোঁখাই আহে। বয়স যোৱাৰ লগে লগে এই ভাব মানুহৰ মনত বেছি দ-কৈ বহে। সেই কাৰণেই বুঢ়া বয়সত কম-বেছি পৰিমাণে প্ৰায় সকলো লোককেই ভগৱৎ চিন্তাত নিমগ্ন হোৱা দেখা যায়। তেতিয়া সকলো বস্তুৰ মাজেদি ভগৱানৰ অনন্ত মহিমা মানুহে অন্তৰত উপলব্ধি কৰিবলৈ ধৰে। 'বাজিকৰ' গল্প লিখা সময়তো লেখকৰ মন নিশ্চয় কিছু পৰিমাণে ভগৱৎ ভক্তিৰ পিনে ঢাল খাইছিল।

বাজিকৰ গল্পটোত দাৰ্শনিক, পণ্ডিত, ধাৰ্মিক আদি সকলোৰে তৰ্কজাল কাটি সন্ন্যাসীয়ে বুজাই দিলে—তোমালোকে পৰশমণিৰ কথা কৈছা; তেওঁৰ হাতেই পৰশমণি। ধূলি-মাকতি যিহৰ-তিহৰপৰা তেওঁ

যি ইচ্ছা তাকে তৈয়াৰ কৰি যাক যিমান লাগে তিমানকৈ দিয়ে। নিচেই খুদকণ ফুল এটাৰ ভিতৰতো তেওঁ ইমান সাজ-সঁজুলি এনে বিতোপনকৈ সজাই ৰাখে যে কোনো ইঞ্জিনিয়াৰ নাই যে তাৰ কৌশল বুজি উঠে। × চাৰিওফালে এই বিনন্দীয়া সংসাৰখন চোৱা। ইয়াৰ দৰে ভেল্কি বা বাজি দেখিছানে ক'ৰবাত? প্ৰকৃত বাজিকৰ স্বয়ং ভগৱান: বিশ্বস্ৰষ্টা পৰমেশ্বৰ।

'অন্তৰ-আৱৰণৰ গল্পবস্তু আকৌ আৰু বেছি আমোদজনক। পাৰ্বতীয়ে পৃথিবীলৈ আহি মৃকলিমূৰীয়াভাৱে এপাক ফুৰি গৈ হৰৰ আগত কেইটামান আপত্তি জনালে। পৃথিবীত হেনো তেওঁ দেখি গ'ল যে তাত মাক-বাপেকে নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি নিষ্ঠুৰ আচৰণ কৰিছে; তিৰোতাই পুৰুষৰ মনৰ ভাব তাক পুৰুষে তিৰোতাৰ মনৰ ভাব বুজিব নোৱাৰাত দুয়ো দুয়োৰ প্ৰতি বিদ্বেষ আচৰণ কৰিছে; পুতেক বোৱাৰীয়েকৰ কেটেৰা-জেঙেৰা সহিব নোৱাৰি বুঢ়া-বুঢ়ীয়ে ঘৰ এৰিছে; এনেকুৱা আৰু অনেক ঘটনা! এই সকলোৰে গুৰিত হৈছে 'অন্তৰ-আৱৰণ বা কাৰো ভাব কাৰেও বুজিব নোৱাৰাটো। কিন্তু পাৰ্বতীয়ে ইয়াৰ প্ৰতিকাৰ কৰে কেনেকৈ? ইফালে প্ৰতিকাৰ কৰিব নোৱাৰিলেও তেওঁৰ মনটো খু-দুৱাই থাকে। তেওঁ এটা বুধি পাঙিলে। মানুহে কয় নাকটো মোহাৰিলেই বোলে তিৰোতাৰ বুধি ওলায়, আৰু তিৰোতাই পুৰুষৰ দুৰ্বলতাও সকলো বুজে অকল সেয়ে নহয়, কোন ছেগত কি কাম আদায় কৰিব লাগে সেইটোও নাপাহৰে। পাৰ্বতীয়েও ছেগ বুজি কঠীয়া পাতিলে। মহেশৰ প্ৰিয় বস্তু ভাং। তেওঁ অতি যতনেৰে 'কাঠৰ চৰিয়া এটাত এক চৰিয়া মহা সুগন্ধময় সিদ্ধি আনি গোসাঁইৰ আগত হাজিৰ কৰিলে। সিদ্ধিৰ পাত্ৰ দেখি আৰু গোন্ধ পাই গোসাঁইৰ তিনিওটি চকু আনন্দত নাচি উঠিল আৰু চিপ্‌চিপকৈ সেই সুধাসদৃশ সিদ্ধি পান কৰিবলৈ ধৰিলে।'

তাৰ পাছত হৰৰ যেতিয়া ৰাগী লাগি আহিল তেতিয়া পাৰ্বতীয়ে ছেগ চাই কলে—'প্ৰভু' নৰলোকৰ যত দুখ দেখিলো সেই সকলোৰে

গুৰিতে এটা কাৰণ, আৰু সেয়ে হৈছে সিহঁতৰ অন্তৰ-আৱৰণ। তাকে গুচাই দিলে সিহঁতৰ সুখ হব। সেই কাৰণে তুমি তাহাঁতৰ অন্তৰ-আৱৰণখনি তুলি দিব লাগে। প্ৰত্যেকে যেন প্ৰত্যেকক দেখা মাত্ৰেই মনৰ সকলো ভাব মন্দাকিনী ধাৰাৰ উপলখণ্ডৰ দৰে ফট্‌ফটীয়াকৈ জানিব পাৰে। দাসীৰ এই অনুৰোধ ৰাখিব লাগে প্ৰভু।'

হৰেও পাৰ্বতীৰ অনুৰোধ উপেক্ষ কৰিব নোৱাৰি 'তথাস্তু' বুলিলে। লেঠা মৰিল।

কিন্তু ইফালে নৰলোকত হ'ল কি ? অতি আচনক কাণ্ড! সৰহভাগ মানুহে ঘৰ-দুৱাৰ এৰি হাবি বন, পৰ্বত পাহাৰৰ ফালে লৰ ধৰিছে। মানুহ দেখিলে মানুহে ভয়তে লৰি বাঘ-ভালুক-সিংহ-হাতী যিহকে পায় তাৰে পেটৰ তলত আশ্ৰয় বিচাৰিছে। মানুহে মানুহৰ ভয়ত বিতত হৈ কালসৰ্পকো সাবটি ধৰিছেগৈ।

পাৰ্বতীয়ে নৰলোকত এইবোৰ দেখি পুনৰ হৰৰ ওচৰত ইয়াৰ নিবাকৰণৰ অৰ্থে গোচৰ দিলেগৈ। হৰে কলে পৰ্বত-জীয়াৰী, যেতিয়ালৈকে মুখৰ কথাই অন্তৰৰ ভাব গোপন কৰি ৰাখিব পাৰিছিল, নেদেখা উদ্দেশ্যবোৰ দেখা কামৰ আঁৰত লুকাই আছিল তেতিয়ালৈকে মানুহে বিশ্বাস-অবিশ্বাস, দয়া-নিৰ্মমতা, মৰম ঘৃণাৰ মাজত একৰকমে দিন কটাব পাৰিছিল। তুমি লোৱা বৰৰ প্ৰভাৱত মানুহৰ হৃদয় পট মুকলি হ'ল; মানৱ মনৰ স্বাৰ্থজড়িত হিতৈষণাৰ ভিতৰখন ওলাই পৰিল, ক্ৰূৰতা প্ৰণোদিত দয়াৰ অন্তস্থল দেখা গ'ল।'

তেতিয়া পাৰ্বতীৰ অনুৰোধমতে শিৱই মানুহৰ পূৰ্বাৱস্থা আনিলে। তেওঁ পাৰ্বতীক কলে—'প্ৰিয়ে, তুমি কৈলাসৰ অধিষ্ঠাত্ৰী হলেও তিৰোতা মানুহহে। এনেবোৰ কথাত হাত নিদিয়াই ভাল।' পাৰ্বতীয়ে এনেকৈ বিধাতাৰ সৃষ্টিৰ ভুল ধৰিবলৈ যোৱা কথাই 'বাটকৰা-বৰগছ আৰু কোমোৰা'ৰ গল্পলৈ সোঁৱৰায়। তাতো বাটকৰাই ভাবিছিল যে সৰু ঠাৰিবোৰত বৰ বৰ কোমোৰা ওলোমাই থৈ আৰু বিশাল বৰগছত সৰু সৰু গুটি লগাই বিধাতাই নিজৰ বিচাৰ-বুদ্ধিহীনতাৰহে চিনাকি

দিছিল। কিন্তু যেতিয়া এদিন গৰমত বৰগছৰ ছাঁত শুই থাকোঁতে হঠাৎ সৰু গুটি এটা আহি বাটকৰাৰ চকুত পৰিল তেতিয়াহে তেওঁৰ জ্ঞান হ'ল যে সৃষ্টিকৰ্তাৰ ভুল নহয়, ভুল নিজৰহে। কিয়নো বৰগছৰ গুটি কোমোৰাৰ দৰে ডাঙৰ হোৱা হলে সেইদিনা তেওঁৰ মূৰ ভাগি চূৰমাৰ হ'লহেঁতেন।

'পিয়াহৰ পানী' গল্পটো বিষয়বস্তু বা ঘটনা একো নাই বুলিবই পাৰি। তাৰ তাৎপৰ্য্য এই যে আগৰ দিনত ডাক্তৰসকলে টাইফইড ৰোগীক পিয়াহত পানী নিদিছিল আৰু তেনেকৈয়ে অনেক তৃষ্ণাৰ্ত ৰোগীয়ে পানীৰ কাৰণে লোলুপ দৃষ্টি ৰাখিয়ে প্ৰাণ বিসৰ্জন দিব লাগিছিল। আজি কালি আকৌ ডাক্তৰে কয় টাইফইড হলে নৰিয়াই খাব খোজামানে পানী খাবলৈ দিবা। স্বভাৱক বাধা নিদি সহায় কৰিবা। স্বভাৱৰ কাৰ্য্যই জানো ভগৱানৰ কাৰ্য্য নহয়? বিজ্ঞানৰ এনে ওলট পালট কাৰ্য্য দেখিয়েই লেখকে কৈছে—'ধিক বিজ্ঞান! ধিক তোৰ আত্মম্ভৰিতাৰ মূৰ্খামি।'

এই গল্পটোত গোস্বামীৰ জীৱনৰ করুণ অভিজ্ঞতা এটিও সোমাই আছে। কাৰণ তেওঁৰ একমাত্ৰ পুত্ৰ প্ৰভাতেই সন্নিপাত জ্বৰত ভুগি পিয়াহত ছাটি ফুটি কৰি হেনো প্ৰাণ এৰিছিল। ডাক্তৰে তাক পানী খুৱাবলৈ দিয়া নাছিল।

'বাজিকৰ', 'জন্তুৰ-আৱৰণ' আৰু 'পিয়াহৰ পানী'- এই তিনিওটা গল্পত বিধাতাৰ সৃষ্টি আৰু নিয়মৰ নিৰ্ভুলতাকেই একো একো প্ৰকাৰে প্ৰশংসা কৰা হৈছে।

বহুতো শ্ৰেষ্ঠ আধুনিক গল্প লেখকসকলে সচৰাচৰ নিজৰ জীৱনত ঘটা ঘটনাৰ ওপৰতেই বহুণ সানি তাতে যোগ-বিয়োগ কৰি গল্প লিখে। গোসাঁইদেৱেও তাকে নকৰাকৈ থকা নাছিল। আগতে সেই কথা উল্লেখ কৰা হৈছে। ইয়াতো 'তিনিকুৰি টকা' নামৰ গল্পটোত লেখকৰ বেগৰপৰা টকা হেৰোৱা এটি ঘটনায়ে নতুন ৰূপ লৈছিল বুলি জানিব পৰা যায়। বেলত যাওঁতে কেনেবাকৈ তেওঁৰ বেগৰপৰা

তিনিকুৰি টকাৰ নোট হেৰাল। হয়তো টিকট কিনিবলৈ যাওঁতে ক'ৰবাত পৰিল, নতুবা কোনোবাই নিলে। সেই ঘটনাটোক তেওঁ আহি হৰত কোৱাত এজন ডেকাই ঘটনাৰ পম খেদি একেলগে এ লগ লাহা যাত্ৰী জিতেন বাবুক চোৰ ধৰিবলৈগৈ ডেকাজনে ডিটেক্‌টিভ উপন্যাস পঢ়ি কাৰ্য্যত নিজৰ পুস্তকলব্ধ জ্ঞানৰ প্ৰমাণ চাবলৈ গৈ জিতেন বাবুক চোৰ ধৰিছিল। কিন্তু লাভৰ ভিতৰত তেওঁবাহে পুলিচৰ হাতত লটি-ঘটিখন হ'ল। আগৰ নোট হেৰোৱা সৰু ঘটনাৰ লগত পিছৰ ডিটেক্‌টিভৰ কাহিনীফেৰা যোৰা দি গল্পটো সজোৱা হৈছিল বুলি জনা যায়।

'মেঘ আৰু ভেকুলী' গল্পটো শিশু সাহিত্যৰ এটি উপাদেয় সমল। ইয়াত গাঁৱে-ভূঁৱে মানুহৰ মাজত বদ্ধমূল হৈ থকা ধাৰণা এটাক ৰূপায়িত কৰিবলৈ চেষ্টা কৰা হৈছে। ভেকুলী-বিয়া পতা আগৰ দিনতো থকাং বহুতত গাঁৱৰ মানুহৰ এটা পীতিক কাম। তাৰ ফল অৱশ্যে লেখকে কোৱাৰ দৰে 'জানোতাইহে জানে'। তথাপি 'দেশ লৈ ভেশ' থাকিবয়ে।

গোসাঁইৰ 'বায়ন' গল্পও গল্প নহয়, সঁচা ঘটনাই। গীতৰ সুৰত আৰু নাচৰ ছেৱত বিৰাট সভা এখন নিস্তব্ধ কৰি ৰাখি দৰ্শকৰ ইচ্ছামতে হঁহুৱাব কন্দুৱাব পৰা বায়ন বাস্তবিকতে পুৰণি অসমত চোৱা আছিল। আজি কিন্তু চৰ্চ্চাৰ অভাৱত আৰু সমাজৰ অনাদৰত সেই সকলোবোৰ ক্ৰমে লোপ পাই আহিব ধৰিছে।

'চিকাৰী আৰু চুহ' গল্পত 'একস্য ক্ষণিকা প্ৰীতি অন্যাঃ প্ৰাণৈঃ বিমুচ্যতে' অৰ্থাৎ এজনৰ খন্তেকীয়া আমোদৰ কাৰণে আন এজনৰ প্ৰাণ যায়—বোলা কথাকেই ৰূপ দিয়া হৈছে। অইন অইন অনেক গল্পত কোৱাৰ দৰে লিখক গোস্বামীয়ে ইয়াৰ সাৰমৰ্ম এইদৰে কৈছে—'হায় মায়ামুগ্ধ মানৱ, তোমাৰ জীৱন, তোমাৰ সুখ দুখ, তোমাৰ কল্পনা-জল্পনা, তোমাৰ আশা-ভৰসা এনেকুৱাকৈ কোনোবা এক মুহূৰ্ত্তত নাযাব নে? জানা জানো তোমাৰ চিকাৰী কোন?

কোন অনাদি কালতে আদি মানৱৰ সৃষ্টি হ'ল। আশা-আকাঙ্ক্ষা, ভোগ-বাসনা সকলো লগে লগে আহিল। এই সৃষ্টিৰ আখ্যান নানা-জনে নানা প্ৰকাৰে লিখিলে। আদাম-ইভৰ জন্ম-কাহিনী অতিশয় ৰমণীয়। মুছলমানৰ আদম-হাওৱাৰ কাহিনীও বাইবেলৰ কাহিনীৰ নিচিনায়ে। তেনেকৈ হিন্দু শাস্ত্ৰকাৰসকলেও সেই বিষয়ে নানা প্ৰকাৰ কৌতুহলপূৰ্ণ কাহিনী লিখিছে। গোঁসাইৰ 'মানুহৰ সৃষ্টি' গল্প পঢ়িলেও তেনেকুৱা কোনো এটা পৌৰাণিক আখ্যান পঢ়া যেনহে লাগে। উপনিষদ, পুৰাণ আদিত এনে গল্প ভূৰি ভূৰি পোৱা যায়। ইয়াক লেখকৰ পৌৰাণিক শাস্ত্ৰ অধ্যয়নৰে পৰিণাম বুলিব পাৰি।

গোসাঁইদেৱৰ 'মানুহৰ সৃষ্টি' গল্পৰ জুমুধিটো এই। ব্ৰহ্মা সৃষ্টি কাৰ্য্যত মত্ত। কত সহস্ৰ প্ৰকাৰৰ জীৱ সৃষ্টি কৰিছে তাৰ ইয়ত্বাই নাই। বিধে বিধে গছ বিৰিখ, জীৱ-জন্তু, পোক-পৰুৱা, পশু-পক্ষী ইত্যাদি। পিছে ব্ৰহ্মাৰ আছিল এজনী জীয়েক। কথা ফুটিছে, চাৰিওফালে দাউৰি-হাউৰি ফুৰে আৰু আদৰৰ অত্যাচাৰ কৰি ব্ৰহ্মা দেৱক আৰু তেওঁৰ গৃহিণী সাবিত্ৰী দেৱীক অস্থিৰ কৰি তোলে।

সৰু ল'ৰা ছোৱালী বৰ অনুকৰণ প্ৰিয়। সেই প্ৰবৃত্তিৰ কাৰণেই হৰ পায় ব্ৰহ্মাদেৱে নতনা কৰি সৃষ্টি পদাৰ্থৰ ছেৰা-ছোৱোৰা য'তে যি পালে তাকে আনি জীয়েৰো সৃষ্টি কাৰ্য্যত লাগি গ'ল। ফলত লেতু-সেতু, লোপ-সোপ এটা মূৰ্ত্তি। তাৰ ছাল হ'ল সকলোতে কৰি পাতল, দাঁত হ'ল ভোটা নিচেই চুটি, নখ নাই বুলিলেই হয়। জাৰ তাপৰপৰা ৰক্ষা পাবলৈ নোমবিহীন, আটি বান্ধিব নোৱাৰাত গাটোৰ বান্ধন হ'ল ঢিলা, দাঁত আৰু মুখ কোমল হোৱাত খাব নোৱাৰা হ'ল সি একোকে।

জীয়েকৰ কাৰ্য্য দেখি ব্ৰহ্মা আৰু সাবিত্ৰীয়ে পাৰেমানে হাঁহিলে। তাতে জীয়েকে কান্দি কান্দি ঠেহ পাতিলে। মাকে নানা প্ৰকাৰে বুজাই-বৰাই জীয়েকক সান্ত্বনা দি কলে যে তাইৰ বিঙু খুৱাক আহিলে তেওঁ নিশ্চয় এই নতুন বস্তুটোক সৃষ্টিৰ সকলো জীৱ-জন্তুৰ ওপৰত ৰজা পাতিহে এৰিব।

যথাসময়ত বিষ্ণু আহিল আৰু ব্ৰহ্মাৰ জীয়েকা হৈছ ভাঙিব-লগীয়া অৱস্থাত পৰিল। তেওঁ এই অদ্ভুত জীৱটো লিৰিকি বিদাৰি চালে আৰু তাৰ নাম কি হব সুধিলে। ব্ৰহ্মাৰ জীয়েকে কলে 'মা-নৱ' অৰ্থাৎ তুন মাই। তেওঁ অলপ ভাবি-চিন্তি চাই আঙুলিৰ আগেৰে মানৱৰ মুখত অমৃতৰ বিন্দুকণা এটি সুমাই দিলে। তাৰ পিছত নিজৰ আঙুলি এটা থুহ্ কৰি ফুটাই তাৰপৰা দুগ্ধফেনৰ দৰে শুভ্ৰ-কোমল তেজৰ বিন্দু এটা মানৱৰ শৰীৰত ভৰাই দিলে। মানৱ জী উঠিল। অমৃতৰ এক কণা আৰু বিষ্ণু-তেজৰ এক বিন্দু পাই মানুহে সেই দিন ধৰি খন্তেকীয়া হৈও দেৱবাঞ্ছিত অমৰত্ব পাবলৈ ধৰিলে।' এয়ে গোসাঁইৰ গল্পৰ সৃষ্টিতত্ত্ব আৰু মানৱৰ আদি জন্ম-কাহিনী।

অপত্য-স্নেহৰ তান আৰু ভগৱদ্ভক্তিৰ মাজেদি গভীৰ শোকৰ উপশম এই দুটা ভাবকে লৈ 'পূজাৰী' গল্প ৰচিত হৈছে। বহু পূজা-আৰাধনাৰ অন্তত পুত্ৰলাভ হ'লত পূজাৰীৰ অন্তৰ মূৰ্ত্তি গোপালত নবহা হ'ল। তেওঁৰ মনটো জীৱন্ত গোপালত। আসন পাতি ধ্যান কৰিবলৈ বিচাৰে বাল-গোপালৰ মূৰ্ত্তি, ধ্যানৰ সংযমন হয় আহি এই জীৱন্ত গোপালত। সৱিতৃ-মণ্ডল-মধ্যৱৰ্ত্তী নাৰায়ণৰ ধ্যান কৰোঁতে ধ্যান চকুত ফুটি উঠে ধূলা-ধূসৰিত নিপোটল সুকুমাৰ শৰীৰৰ এই চলন্ত আনন্দ মূৰ্ত্তি।'

কালক্ৰমত এইহেন পুত্ৰকো যেতিয়া বিধিয়ে নিঠুৰভাৱে মাক-বাপেকৰ বুকুৰপৰা কাঢ়ি লৈ গ'ল তেতিয়া 'পূজাৰিণীয়ে কান্দে'। সমস্ত শৰীৰ আৰু মনৰ সেই কান্দোন; তাত অশ্ৰু নাই, বিলাপৰ হাহাকাৰ নাই! পূজাৰীয়ে সান্ত্বনা দিয়ে 'শোক নকৰিবা। প্ৰভু গোপালে শৰীৰ ধৰি যিকেইদিন আমাৰ লগত দুখ খাই গ'ল, সেয়ে যথেষ্ট কৃপা নহয়নে? ভক্তৰ বিহ্বল অন্তৰৰ এনে করুণ আশ্বাসে অৱশ্যে ভগৱানৰেই মহিমা প্ৰকাশ কৰে। ভগৱানৰ উদ্দেশ্যেই আমি সকলো কৰিছো। আৰু সেইবাবে আমাৰ কৃতকৰ্মৰ সুখ দুখ

সকলো খিনিকে ভগৱানৰ ওচৰত সমৰ্পণ কৰিব পাৰিলেই সুখী পাম্হঁক !'

লেখকৰ অন্তৰত নিশ্চয় দৃঢ় ধাৰণা আছিল - গীতাত ভগৱান কৃষ্ণই অৰ্জুনক নৱম অধ্যায়ৰ ২৭ নং শ্লোকত দিয়া সেই উপদেশ -

যৎ কৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ।
যৎ তপস্যাসি কৌন্তেয় তৎ কুৰুস্ব মদৰ্পণম্ ॥ ৯।২৭

অৰ্থাৎ হে কৌন্তেয়, তুমি যি কৰা, যি খোৱা, যি যজ্ঞভাগ দিয়া বা যি তপস্যা কৰা সেই সকলোবোৰকে মোতেই অৰ্পণ কৰিবা। তাকে কৰিলেই সকলো সাৰ্থক হব। সেই ভাৱ থকা কাৰণেই তেওঁৰ গল্পৰ নায়কেও 'যথা নিযুক্তোঽস্মি তথা কৰোমি' বুলি শোকদগ্ধ অন্তৰত সান্ত্বনা লভিব পাৰিছে।

'দৰ্শন' গল্পত গল্পকাৰে নিস্বাৰ্থ প্ৰেমৰ ছবি এটা আঁকিছে। গল্পৰ নায়কে চাৰি বছৰীয়া ছোৱালী এজনীক এদিন মৃত্যু-মুখৰপৰা ৰক্ষা কৰিছিল। সেই ছোৱালীৰ মাক বাপেকৰ লগত লাহে লাহে নায়কৰ সহৃদয়তাৰ সদ্ভাৱ হ'ল। ইফালে ছোৱালীও ডাঙৰ হৈ আহিল। নায়কে তেতিয়াও তাইক মৰম কৰিয়ে থাকিল। পাছত কৰ্তব্যৰ খাটিৰত তেওঁ আৰপৰা আঁতৰি আহিল।

বহুত দিনৰ পিছত আকৌ এদিন চলন্ত ৰেলগাড়ীত যাওঁতে নায়কে সেই ছোৱালীজনীক এগৰাকী ভদ্ৰমহিলা ৰূপে দেখা যেন দেখিলে। কিন্তু গাড়ী চলাত তেওঁ ছোৱালীজনীক ভালকৈ চিনি নাপালে। এয়ে গল্পৰ মূঠ কথা। গল্পৰ নায়কে কৈছে—"আপোনালোকে তৎক্ষণাত সিদ্ধান্ত কৰিব পাৰে যে আমি পৰস্পৰৰ প্ৰেমত আবদ্ধ হলোঁ। কিন্তু মূলতেই তেনে নহয়। আমাৰ বিয়া হব নোৱাৰে এই কথা তায়ো জানিছিল মইয়ো জানিছিলোঁ × × × বোধকৰো সৌন্দৰ্য্যৰ প্ৰতি আকৃষ্ট হোৱা মনৰ স্বভাৱ। ধুনীয়া ফুলটিক যিদৰে ভাল পাওঁ, প্ৰকৃতিৰ কোনো সুন্দৰ দৃশ্যত যিদৰে মন মুগ্ধ হয়, সেইদৰে সুন্দৰী ছোৱালীৰ ৰূপ দেখি তাক চাই থাকিবলে যি হেঁপাহ হয়—সিও নিষ্কলুষ হৈ থাকিব পাৰে অনেকৰ মনত থাকেও। মোৰো তেনেকুৱা হৈছিল।

'বেল্টুমণি' গল্প ভেনেই সঁচা ঘটনা বুলি আগতে উল্লেখ কৰা হৈছে। বেল্টুমণিৰ নামটোও মন কৰিবলগীয়া। সি আছিল এটা নিৰক্ষৰ পৰিত্যক্ত ল'ৰা। মাক-বাপেক তাৰ নাই বুলিলেই হয়। কাৰ থকাৰ কথা সি নাজানে। মাক-বাপেকৰ মৰম কি বস্তু সি নুবুজিলে। প্ৰথমে তাৰ নামো নাছিল। সম্ভৱ মাক-বাপেকে তাক কোনো নাম দিয়াই নাছিল বা দিছিল যদিও কোনোৱে কব নোৱাৰে। কোনোবা এদিন কোনোবা এজনে কিবা কাৰণত খং কৰি তাক মাতিলে বেল্টুমণি বুলি ; সেই দিনাৰেপৰা তাৰ নাম হ'ল বেল্টুমণি।

সকলোৰেপৰা অনাদৰ, অৱহেলা আৰু গালিহুণা পাই বিৰক্ত হৈ বেল্টুমণি সৈন্যবিভাগত সোমাল। যুদ্ধক্ষেত্ৰত সি জান-প্ৰাণ দি যুঁজিলে। আনকি অকল সি থকা কাৰণেই কোনো এঠাইত জাৰ্মানবিলাক হাৰিব লগীয়া হৈছিল। বেল্টুমণিয়ে সেই সাহসিকতাৰ বাবে 'হনো ভিক্টোৰিয়া ক্ৰছ' পালে। কথা-বস্তু ইমানেই।

'বেল্টুমণি'ৰ মূলভাব যিদৰে কৰ্তব্যনিষ্ঠাৰ পৰাকাষ্ঠা প্ৰকাশ, সেইদৰে 'সামান্য প্ৰাণী' গল্পৰো মূলভাব শুদ্ধ প্ৰণয়ৰ গৌৰৱ প্ৰচাৰ। গল্পটোৰ মাজতে সংক্ষিপ্ত কথাৰ দৰে লেখকে কৈ থৈছে 'কিন্তু প্ৰগাঢ় প্ৰণয় পদুম ফুলটিৰ কাঁইটো আছে ; সি ঈৰ্ষা।' হৰিণে বিলৰ পাৰৰ ডেকা হৰিণীজনীৰ লগত চৰি ফুৰাত হৰিণীৰ কি ঈৰ্ষা হৈছিল মন কৰিবলগীয়া। 'চিকাৰী আৰু হাঁহ' গল্পৰ দৰেই 'সামান্য প্ৰাণী গল্পতো হাঁহি আৰু কান্দোনৰ মিলনত ফুটি উঠা করুণ ছবি এটা দেখিবলৈ পোৱা যায়।

'বাজিকৰ'ৰ শেষ গল্প 'পান্থক গল্প' বুলি এখন ভাবাত্মক ৰচনাহে বুলিব পাৰি। সংসাৰৰ পথিকে জীৱনৰ খলাবমা বাটত আগবাঢ়ি গৈ থাকোঁতে কোনেকৈ ঘনে ঘনে উজুটি খায় আৰু কোনেকৈ জ্ঞানী-সকলৰ ৰচনাৱলীয়ে তাক তেওঁলোকে দেখুৱাই থৈ যোৱা আদৰ্শবোৰ প্ৰাণত বল দিয়ে তাৰেই এটি মনোৰম বৰ্ণনা ইয়াত আছে। লিখক গোস্বামীৰ বক্তব্য ভাব এই কথাবাৰত প্ৰকাশ পাইছে। তাত কোৱা

হৈছে - জ্ঞানী, পণ্ডিত গিয়েই যি নেদেখুৱাওক ভগৱানত সকলো সমৰ্পণ কৰিব নোৱাৰিলে 'পান্থ'ৰ সুখ নাই বিশ্ৰাম নাই। মৰুভূমিত মৰীচিকালুব্ধ হৰিণাৰ দৰে পান্থই দিশ-বিদিশ হেৰুৱাই হাহাকাৰ কৰি ফুৰোঁতে সোনাকৰ দৰে শুভ্ৰ-স্নিগ্ধ মূৰ্তি এটিয়ে আহি পান্থক কলে— ভয় নাই, ভয় নাই; বিৰাম আছে, বিশ্ৰাম আছে। চোৱা, তুমি য'তে আছা তাতে। ইয়াতে থাকা, এয়ে তোমাৰ বিশ্ৰাম ভৱন. ইয়াতে জিৰণিৰ অনন্ত শান্তি পাবা, পথৰ অশেষ ক্লেশৰ অন্ত হব।

'এনেদৰে ত্ৰিভুবন বিকম্পিত কৰি বচন ওলাল 'যৎ কৰোষি যদশ্নাসি' ইত্যাদি।' ইয়াৰ মূল অৰ্থ সাংসাৰিক আশা-ভৰসা সকলো ভগৱানত সমৰ্পণ কৰিব পাৰিলেই আনন্দ আছে, শান্তি আছে: অন্যথাই নাই। দেখাদেখকৈ গীতাৰ এই মহাবচনে গোস্বামীৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছিল। কেইবাটাও গল্পত তেনে ভাবৰ কথা, একেটা ভাবৰে প্ৰতিধ্বনি অ'ত-ত'ত পোৱা যায়।

কবিতা লিখাত গোস্বামী :

হাতেলিখা আলোচনী কেইখনমানত গোস্বামীৰ 'প্ৰথম উচ্ছ্বাস', 'এটি ছবি', 'অতৃপ্তি', 'গৌৰৱ', 'বিশ্বকৰ্ত্তা' আদি কেইবাটাও কবিতা আছে। কবিতাত হাত নিদিয়া লেখক নাই বুলিব পাৰি। গোসাঁইৰো প্ৰথম প্ৰয়াসৰ কবিতাবোৰ বিজ্ঞাপন নহলেও তেনেই পেলনীয়া নহয়। সংস্কৃত শব্দৰ প্ৰাচুৰ্য্য কবিতাবোৰৰ কিছুমানত ভালকৈয়ে লক্ষ্য কৰা যায়। তাত আৰু আচৰিত হবলগীয়া একো নাই; কাৰণ সংস্কৃত সাহিত্য গোস্বামীৰ বৰ প্ৰিয় অধ্যয়ন আছিল। কেতিয়াবা জীয়েকহঁতক লৈ ফুৰিবলৈ গলে কোনো ভাল দৃশ্য চকুত পৰিলে তাৰ খাপখোৱা সংস্কৃত শ্লোক মাতি তেওঁ জীয়েকহঁতক তাৰ অৰ্থ বুজাই দিছিল। বিশেষকৈ কালিদাসৰ গ্ৰন্থ তেওঁৰ বৰ প্ৰিয় আছিল। 'মেঘদূত'ৰ অসমীয়া অনুবাদ এখন লিখিবলৈও তেওঁ আৰম্ভ কৰিছিল।

ই ১৯০৭ চনৰ কথা। কিন্তু আৰম্ভ কৰা কাম আৰম্ভতে থাকিল : শেষ হবলৈ নাপালে। তথাপি যিখিনি লিখা হৈছিল তাৰপৰাই লেখকৰ কাব্য প্ৰতিভাৰ কিছু আভাস পোৱা যায়। তাৰে দুফাকিমান তলত উদ্ধৃত কৰা হ'ল :

নিদিযাৰ বাবে মন নিজৰ কান্তত
প্ৰভুশাপে কোনোবা যক্ষই ;
প্ৰণয়িনী-সহবাস নোৱাৰি ভুগিব
বৰিষেক হীনলক্ষ্মী হ'ই,
ঘন-ছায়াশোভী ৰামগিৰি আশ্ৰমত
মানোদুখে কৰিলে বসতি
য'ৰ নদী জলাশয় জনকসু তাৰ
স্নানগুণে পুন্যময় অতি। (১-৪-০৭)

এই পাহাৰতে যক্ষে কামাতুৰ হই
বাস কৰি মাহ কিছুমান,
প্ৰকোষ্ঠৰ পৰিলত কনক-বলয়
প্ৰিয়তমা বিৰহ-কাৰণ।
শিখৰত লাগি থকা দৰশিলে মেঘ
আহাৰৰ প্ৰথম দিনত,
বপ্ৰক্ৰীড়া কৰি থকা হাতীটোৰে যেন
ইতস্ততঃ প্ৰহাৰিছে দাঁত : ইত্যাদি।

গোস্বামীয়ে বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাই লিখাৰ দৰে কিছুমান কণ কণ খুদীয়া কবিতাও লিখিছিল সেইবোৰৰ ভাষা কিন্তু তেনেই সহজ সৰল নিৰ্ভাজ অসমীয়া আছিল। সেইবোৰৰ সৰহখিনিকে তেওঁ ১৯০৬।১৯০৭ চনত লিখিছিল বুলি কবিতাবোৰৰ তলত লিখি ৰখা তাৰিখৰপৰা ধৰিব পাৰি। অহঙ্কাৰ, আত্মপ্ৰশংসা, নিৰ্বোধৰ নিন্দা, বিশ্বকৰ্তা, কাকতৰ চিলা, গৌৰৱ, অতৃপ্তি, অনন্তৰ প্ৰকাশ—এইবোৰ

'আছিল তেনে কবিতাৰ নাম। তা‍ৰ তিনিটা নমুনা হিচাপে দিয়া হ'ল।

'পণ্ডিতৰ অনাদৰ দেখি পুথি জ্বলে।
মোক লৈ তোৰ গৰ্ব খণ্ডে পুথি কলে॥
পণ্ডিতে পুথিৰ কথা শুনি হাঁহি কয়।
মোৰ যতনত পুথি তোৰ জন্ম হয়॥
× × ×
সাগৰে নদীক ধীৰে কৰে খোচামোদ।
হে নদী দেৱতা মোৰ জন্মদাতা খোদ॥
নদী বোলে সাগৰক তুমি আছা বুলি।
পৰ্বতৰপৰা মই আহিছোঁ বাগৰি॥
× × ×
চিলা বোলে ক'ৰপৰা হেৰা তই জৰি।
আকাশক যাব নিদি বান্ধ টান কৰি॥
চন্দ্ৰ সূৰ্য্য সঙ্গে মোৰ দিয়া আছে ঠাই।
তই কিয় ৰাখ মোক মাটিত পেলাই॥
'চলাৰ অৱজ্ঞা শুনি জৰি অভিমানী।
তাক এৰি গোৰ.তই আহিল আপুনি॥
ঘূৰি ঘূৰি পাক খাই চিলাটি যেতিয়া।
পৰিল মাটিত আহি বুজিলে তেতিয়া॥
চন্দ্ৰ সূৰ্য্য আকাশাদি নোহে কোনো তাৰ।
জৰিৰ গুণতে সব গৰবৰ ভাৰ॥ ১০-৯-০৭ ইং

নাটক আৰু উপন্যাস ৰচনাত গোস্বামী :

শৰৎচন্দ্ৰ গোস্বামীদেৱে নাটক আৰু উপন্যাস ৰচনাতো হাত নিদিয়াকৈ নাছিল। তেখেতৰ ৰচিত নাটক দুখন আৰু উপন্যাস এখন। নাটক দুখনৰ নাম 'পৰীক্ষা' আৰু 'বুদ্ধদেৱ' আৰু উপন্যাসখনৰ নাম

'পানিপথ'। ইয়াৰে ভিতৰত 'পৰীক্ষা' নাটক আৰু 'পানিপথ' উপন্যাস তেওঁৰ জীৱদ্দশাতে ছপা হৈ ওলাইছিল।

'পৰীক্ষা' নাটকখনি অমিত্ৰাক্ষৰ ছন্দত ৰচিত। কিতাপখন ৰচিত হোৱা সময়ত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ অসমীয়া সাহিত্যত নতুনকৈ প্ৰৱেশ কৰি সদৰী হৈ পৰিছিল বিশেষকৈ নাটকত গোস্বামীয়ে এই নাটক শ্ৰীৰূপচন্দ্ৰ ভাগৱতী ছদ্ম নামত লিখিছিল।

'পৰীক্ষা' নাটকৰ বিষয়-বস্তুটো হ'ল অৰ্জুনে যেতিয়া স্বৰ্গৰ ইন্দ্ৰালয়ত থাকি অস্ত্ৰবিদ্যা আৰু জ্ঞান চৰ্চ্চা কৰিবলৈ তপস্যা কৰিছিল তেতিয়া অপ্সৰা উৰ্বশীয়ে মদন আৰু বসন্তৰ সহায়ত অৰ্জুনৰ মন বিচলিত কৰিবলৈ নানান উপায়েৰে চেষ্টা কৰিছিল। পিছে অৰ্জুন সেই পৰীক্ষাত উত্তীৰ্ণ হ'ল। উৰ্বশীয়ে তেওঁক টলাব নোৱাৰিলে। উৰ্বশীয়ে ভগ্নমনোৰথ হৈ অৰ্জুনক নপুংসক হবলৈ শাপ দিলে। কালক্ৰমে সেই শাপেই এসময়ত অৰ্জুনৰ কাৰণে বৰ স্বৰূপ হ'ল। কাৰণ তেওঁ তাৰ সহায়তে নপুংসকৰূপে থাকি অজ্ঞাতবাস কালত বিৰাট ৰজাৰ অন্তঃপুৰত বিৰাট-নন্দিনী উত্তৰাৰ সঙ্গীত-শিক্ষাৰ কলাগুৰু নিযুক্ত হব পাৰিছিল।

নাটকখনত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ নিখুঁত নহলেও একৰকম সুখপাঠ্য হৈছে বুলিব পাৰি। চৰিত্ৰ অঙ্কন অৱশ্যে সম্পূৰ্ণৰূপে নিৰ্দোষ নহয়।

দ্বিতীয় নাটক 'বুদ্ধদেৱ'। বুদ্ধদেৱৰ সন্ন্যাস গ্ৰহণেই নাটৰ ঘাই বস্তু। ৰাজপুত্ৰ সিদ্ধাৰ্থ কেনেকৈ তাগৰ মাজেদি জগৎ-গুৰু বুদ্ধদেৱ হ'লগৈ সেই কথা সকলোৱে জানে তেওঁ আছিল বিবাহিত আৰু তেওঁৰ বিবাহিতা পত্নীৰ নাম আছিল যশোধৰা। সিদ্ধাৰ্থৰ বাল্যবন্ধু অথচ প্ৰায় সকলো ক্ষেত্ৰতে তেওঁৰ প্ৰতিদ্বন্দী দেৱদত্তও সেই কন্যাৰ পাণি-প্ৰাৰ্থী আছিল। সিদ্ধাৰ্থই কিন্তু এই কথাৰ গম পোৱা নাছিল; বিয়াৰ দিনা আশীৰ্বাদ বিচাৰিবলৈ আহোঁতে বন্ধু দেৱদত্তৰ পৰা সেই কথা জানিলে।

সিদ্ধাৰ্থৰ উদাৰতা, যশোধৰাৰ মনৰ দৃঢ়তা অথচ আকুতি আৰু দেৱদত্তৰো যথাযোগ্য ভাৱেৰে যি চৰিত্ৰ নাটখনত ফুটাই তোলা হৈছে সি পাঠকৰ মনোজ্ঞ হৈছে বুলি স্বীকাৰ কৰিব লাগিব। সিদ্ধাৰ্থৰ বাল্য-কালৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ নাট্যকাৰে সহপাঠী ছাত্ৰসকলৰ মাজত কিছুমান কাল্পনিক কথোপকথনৰ আশ্ৰয় লৈছে। 'বঙাৰ ল'ৰাটো বাস্তৱিকে বৰ অদ্ভুতহে'—এজনে কয়। 'অদ্ভুত নহয়, ভূতহে বুজিছা? নহলে তাৰ মুখত ভৰভৰাই সকলো বিদ্যাৰ কথা আহেনে? আমাৰ মুখতনো নাহে কেলেই? আমাৰ জানো মুখ নহয়? আমাৰ জানো বুদ্ধি নাই?'—আনজনে কয়।

নাটকখনি গোস্বামীয়ে কৰ্তব্যৰ দায়িত্ব লৈ সৰহদিন মফচলৰ বাহৰত থাকোঁতে ৰচনা কৰিছিল। ইয়ো গোস্বামীৰ অদম্য সাহিত্য-স্পৃহাৰ পৰিচায়ক। যদিও নাটখন প্ৰকাশ হৈ ওলোৱা নাই ইয়াৰ কিন্তু অভিনয় একাধিকবাৰ হৈছিল। ইয়াৰ প্ৰথম অভিনয় যোৰহাটত ১৭।১৬ তাৰিখে হৈছিল বুলি লিখা আছে। সেই অভিনয়ত গ্ৰন্থকাৰে নিজে হোনা ভৰদ্বাজ আৰু ছন্দকৰ ভাও লৈছিল।

এইখিনিতে নাট্যকাৰ গোস্বামীৰ কৰ্তব্যপৰায়ণতাৰ উদাহৰণ স্বৰূপে এটি সৰু ঘটনা উল্লেখ কৰিব পাৰি। অভিনয়ৰ দিনা গোস্বামীৰ গৃহিণী কিবা অসুখত শয্যাগত হৈ আছিল। গোসাঁয়ে গৃহিণীকো এৰি আহিব নোৱাৰে, ভাওনাতো যোগ নিদিলে নহয়। শেষত পত্নীৰ পৰিচৰ্য্যাৰ আৱশ্যকীয় ঔষধৰ লৈ তেওঁ বেমাৰীক নিদ্ৰাত এৰি ঘৰত একো নোকোৱাকৈ পলাই অহাদি আহি অভিনয়ত যোগ দিছিল। পিছদিনা পুৱা ৰুগ্ণা পত্নীৰ ওচৰত থিয় দিয়া মাত্ৰে কাণৰ কাষত ৰং দেখি বুদ্ধিমতী ভাৰ্য্যাই তেওঁক ধৰা পেলাইছিল। তেতিয়া গোসাঁইদেৱে আঁসে নামাতি প্ৰলম্ব হৈ হাতে-লোটে ধৰা পৰা দোষীৰ দৰে—সকলো কথা স্বীকাৰ কৰিলে। পত্নীয়ে তেওঁৰ সৰলতাত সন্তুষ্ট নহৈ নোৱাৰিলে।

'পৰীক্ষা' আৰু 'বুদ্ধদেৱ' দুয়োখন নাটতে চৰিত্ৰতকৈও নাটকীয় কাৰ্য্যৰ দিশটো অধিক আকৰ্ষণীয় হৈছে।

পানিপথ ঃ

'পানিপথ' শৰৎচন্দ্ৰ গোস্বামীৰ ৰচিত প্ৰথম আৰু শেষ উপন্যাস। উপন্যাসৰ শাৰীৰ দ্বিতীয় এখন পুথি ৰচনা কৰিবলৈ তেওঁ কিয় প্ৰয়াস নকৰিলে বুজা টান। 'পানিপথ' তেওঁ ইংৰাজী ১৯০৬ চনতেই ৰচনা কৰিছিল। তেতিয়া তেওঁ আছিল কলেজৰ ছাত্ৰ। পৰীক্ষান্তত বহুদিনৰ বন্ধৰ ভিতৰতে তেওঁ 'পানিপথ' লিখি উলিয়ায়। মন কৰিবলগীয়া কথা এই যে 'পানিপথ' লিখা সময়ত তেওঁৰ বয় আছিল মাত্ৰ সোতৰ বছৰ।

কিতাপৰ আদিতে 'নিবেদন'ৰ শিতানত তেওঁ 'পানিপথ' লিখাৰ উদ্দেশ্য ব্যাখ্যা কৰি কৈছে 'এই আখ্যানটি এটা প্ৰসিদ্ধ ঐতিহাসিক ঘটনা অৱলম্বন কৰি লিখা হৈছে যদিও, ইয়াত কোনোৱে যেন ইতিহাস নিবিচাৰে। ইয়াত বৰ্ণোৱা দৃশ্যও অসমৰহে, দিল্লী বা ৰাজপুতনাৰ নহয়। যিবিলাক মানুহৰ নামেৰে এই আখ্যান বৰ্ণোৱা হৈছে, তাৰ সৰহভাগেই কাল্পনিক। এনেকি প্ৰধান চৰিত্ৰৰ ভিতৰতো, সংগ্ৰাম সিংহৰ পত্নীৰ নাম কৰ্মদেৱী নাছিল। তেওঁৰ পূৰ্বৱৰ্ণী মহাৰাণা সমৰসিংহৰ পত্নীৰ নামহে আছিল কৰ্মদেৱী।'

এই কথাখিনিৰপৰাই বুজিব পাৰি যে গোস্বামীয়ে বুৰঞ্জীমূলক উপন্যাস লিখো বুলি 'পানিপথ' লিখা নাছিল। বুৰঞ্জীৰ স্মৰণীয় ঘটনা এটাকে অৱলম্বন কৰি এটা চমৎকাৰ গল্প তৰি দিবলৈ বুলিহে পানিপথ' ৰচনা কৰিছিল।

ঐতিহাসিক উপন্যাসত ঔপন্যাসিকে খুচিমতে ঐতিহাসিক সত্যৰ অপলাপ কৰিব নোৱাৰে গোসাঁয়ে নিজৰ ত্ৰুটী নিজে উপলব্ধি কৰিব পাৰিছিল। সেয়েহে তেওঁ স্বীকাৰ কৰি কৈ গৈছে—'বুৰঞ্জী বিষয়ক ঘটনা বৰ্ণাই উপন্যাস লিখিবলৈ বুৰঞ্জী বিষয়ে লিখকৰ যিমান জ্ঞান থাকিব লাগে, এই আখ্যান লিখাৰ সময়ত লিখকৰ সেই জ্ঞানৰ যথেষ্ট অভাৱ আছিল ; এতিয়াও আছে, কিন্তু এতিয়া সেই অজ্ঞানতাৰ গভীৰতা বুজিব পাৰিছো।'

উপন্যাস বোলা কোনো এক বিশেষ শ্ৰেণীৰ ৰচনা আগতে ভাৰতীয় সাহিত্যত নাছিল। আখ্যান, কাহিনী, সাধুকথা, উপকথা আদিৰ মাজত অৱশ্যে ইয়াৰ বীজ নিহিত আছিল। প্ৰকৃত উপন্যাস সাহিত্য ভাৰতীয় সাহিত্যলৈ পাশ্চাত্যৰ অৱদান। গণতন্ত্ৰৰ বিস্তাৰৰ লগত ইয়াৰ বিকাশৰ সম্বন্ধ। ব্যক্তি-স্বাধীনতাই গণতন্ত্ৰৰ মূল কথা। উপন্যাসেও ব্যক্তি-স্বাতন্ত্ৰ্যৰেই প্ৰতিনিধিত্ব কৰে। মানুহক মানুহ হিচাবে বিচাৰ কৰি চাবলৈ কৰা যত্নতেই ইয়াৰ প্ৰতিফলন। সেই কাৰণে মানৱ চৰিত্ৰ অঙ্কন উপন্যাসৰ এটা অপৰিহাৰ্য্য অঙ্গ। আগতে চৰিত্ৰ অঙ্কনতকৈও গল্প-বস্তুৰ চমৎকাৰিতাৰ ফালেহে লেখকসকলে অধিক মনোযোগ দিছিল আজিকালি কিন্তু সেই ভাবৰ পৰিবৰ্তন ঘটিছে। আধুনিক সমালোচক-সকলৰ কোনোৱে কয় যে ঔপন্যাসিকৰ কাম গল্প কোৱাও নহয়, চৰিত্ৰ অঙ্কন কৰাও নহয়, তেওঁৰ কাম বিশেষ বিশেষ অৱস্থাত চৰিত্ৰৰ মনৰ দ্বন্দ্ব বা বিৰোধৰ প্ৰতিচ্ছবি অঙ্কন কৰাহে।

'পানিপথ'ত গল্প-বস্তুহে বেছি আকৰ্ষণীয় হৈ পৰিছে। ইয়াক পুৰণি ধৰণৰ উপন্যাস বুলি গণ্য কৰিব পাৰি। সেয়েহে আখ্যান সাধুকথা আদিত হোৱাৰ দৰে আকস্মিক পৰিবৰ্তন বা দৈৱিক ঘটনাৰ প্ৰাবল্যও ইয়াত লক্ষ্য কৰা যায় ফাঁচিৰ সময়ত ফিৰোজৰ মুক্তি আৰু মহাতৰৰ হাতৰপৰা গুলজানৰ পৰিত্ৰাণ, এই দুয়োটি ঘটনাত দৈৱই বিজুলী শক্তিৰ দৰে কাম কৰিছে। নকলেও হব যে পানিপথৰ প্ৰথম যুদ্ধ বা বাবৰৰ ভাৰত আগমনৰ ঐতিহাসিক উপাদানখিনিকে কেন্দ্ৰ কৰি উপন্যাসৰ আখ্যান অংশ কৰা হৈছে। ইয়াত জেলালৰ হাতৰপৰা গুলজানৰ মুক্তি, ফিৰোজৰ পলায়ন, কাবুললৈ যোৱা পথত মহাতৰ আৰু ফিৰোজৰ আকস্মিক ভেটাভেটি ইত্যাদি ঘটনাবোৰে উপন্যাসখন ৰোমাঞ্চগন্ধী কৰি তুলিছে।

'পানিপথ'ৰ এটা প্ৰধান চৰিত্ৰ ফিৰোজাৰ মুখেদি নাইবা তেওঁৰ সহায়ত গ্ৰন্থকাৰে নিজৰ অন্তৰৰ মূল ভাব কিছুমান ব্যক্ত কৰা যেন অনুভৱ হয়; যেনে—'সত্যত মৰণ মঙ্গল।' 'যি ৰাজ্যত ৰজা প্ৰজা-

পীড়কহে, প্ৰজাৰ ভালৰ কাৰণে চেষ্টা নকৰি তেওঁ নিজৰ বিলাসতহে মত্ত থাকে, সেই ৰাজ্যৰ পতন নিশ্চয়।' এঠাইত ফিৰোজাই কৈছে—'তিৰোতাও মানুহ; ঈশ্বৰৰ সমান সৃষ্ট জীৱ, জগতৰ সমান অংশী। পুৰুষৰ ভয়ত তিৰোতাই পুৰুষ সাজিব, ই কেনে কথা? পুৰুষতো বাঘ-ভালুক নহয় যে খাই পেলাব। মানুহে ইমান ভয় কৰি চলিব কেনেকৈ? মই যেনে তেনে বিধৰ তিৰোতা নহওঁ। মহাতৰ, তুমি যেনে মানুহ, ময়ো তেনে; তুমি যেনে কাপোৰ-কানি পিন্ধা দৰকাৰ, তেনে পিন্ধিছা; মোৰ দৰকাৰ যেনে, মই পিন্ধিছো। যদি পুৰুষে মোক আক্ৰমণ কৰে, তাৰ প্ৰতিৰোধৰ অধিকাৰ মোৰো আছে। আত্মৰক্ষা কৰিবলৈ তুৰ্কী তিৰোতাই কেতিয়াও ভয় নকৰে। পুৰুষক ভয় কৰি যদি তিৰোতা চলিব লাগে, তেনেকৈ তিৰোতাক ভয় কৰি পুৰুষো চলিব লাগে। পুৰুষৰ ভয়ত সাজ সলাবৰ কি আৱশ্যক?'

সাহিত্য-চৰ্চ্চা বিষয়ত গোস্বামীৰ বিষয়ে এই কথা কব পাৰি যে তেওঁ একেবাৰে কোনো একপ্ৰকাৰ সাহিত্যৰ সাধনা নকৰিলে। ভিন্নধৰ্মী কৰ্ত্তব্য-বহুলতাই তাৰ মুখ্য কাৰণ। তেওঁৰ ক্ষেত্ৰত বহুমুখী কৰ্ত্তব্যৰ হেঁচাই তেওঁৰ একমুখী সাহিত্য সৃষ্টিৰ প্ৰবল প্ৰতিবন্ধক হৈ পৰিছিল। সেয়ে নোহোৱা হলে অন্ততঃ চুটি গল্প আৰু উপন্যাস ৰচনাত যদি তেওঁ আশাশুধীয়াভাৱে লাগি থাকিলাহেঁতেন তেনেহলে তেও সেই সেই বিষয়ত একোখন বিশিষ্ট আসনৰ অধিকাৰী হব পাৰিলেহেঁতেন বুলি অনুমান কৰা যায় বস্তুতঃ তেওঁ নিজমুখে এদিন তেওঁৰ নাতি-জোঁৱাই শ্ৰী (পিছত ডঃ) প্ৰফুল্লদত্ত গোস্বামীৰ আগত শিলঙৰ আৰাম লগা জুহাল-কাষত কৈছিল 'পানিপথ' যেনেকৈ লিখিছিলোঁ, ছপা কৰোঁতেও তেনেকৈয়ে উলিয়ালোঁ। একো সালসলনি কৰা নহ'ল। সোতৰ বছৰত মোৰ যি লিখা ক্ষমতা আছিল, আন কামত নালাগি তাৰ বিস্তাৰ সাধন কৰিব পৰাহেঁতেন মই এজন ডাঙৰ সাহিত্যিকেই হ'লোঁহেঁতেন।'

বিবিধ ৰচনা আৰু প্ৰবন্ধ লিখাত গোস্বামী

শৰৎচন্দ্ৰ গোস্বামীৰ ৰচনা বা নিবন্ধৰাজিক দুই ভাগত বিভক্ত কৰা যায়: (১) পুৰাতত্ত্বৰ ঐতিহাসিক তত্ত্বমূলক প্ৰবন্ধ আৰু (২) সাহিত্য, সমাজ, ভাষা, শিক্ষা আদি বিষয়ৰ ৰচনা।

প্ৰাঞ্জলতা আছিল গোসাঁইৰ সকলো ৰচনাৰে অন্যতম গুণ। জটিল বিষয় এটোটাও তেওঁ সহজ - সৰলভাৱে প্ৰকাশ কৰিব পাৰিছিল। 'শিক্ষা-বিচাৰ' নামৰ পুথিখনেই তেওঁৰ ৰচনা শক্তিৰ সুন্দৰ পৰিচয় দাঙি ধৰিছে। পঢ়াশলীয়া ছাত্ৰক বুজোৱাৰ দৰে যিকোনো বিষয়কে ভাঙি-পাতি দাঙি ধৰাটোৱেই আছিল তেখেতৰ লেখা-ৰীতিৰ প্ৰধান বিশেষত্ব। অন্য কথাত কবলৈ গ'লে গোস্বামী আছিল এজন সুদক্ষ শিক্ষক আৰু শিক্ষাবিদ। শিক্ষা-বিচাৰ' পুথিৰ জন্ম-কাহিনী তেওঁ তাৰ নিবেদনত এইদৰে দাঙি ধৰিছে:

'যোৰহাট সাহিত্য সভাই ১৯১৬-১৭ ইং চনত সকলোএ জানিব লগীয়া কিছুমান বিষয়ত কেইটামান প্ৰবন্ধ যোগাৰ কৰিছিল। ফলত শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা দেৱে "সৰল-জ্যোতিষ", শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱাদেৱে 'ভূ-তত্ত্ব"আৰু শ্ৰীযুত গোলক চন্দ্ৰ বৰাদেৱে "এৰি-মুগা খেতি" সম্বন্ধে কেইটামান প্ৰবন্ধ পাঠ কৰিছিল। মোৰ ভাগত শিক্ষা সম্বন্ধে প্ৰবন্ধ পাঠ কৰাৰ ভাৰ পৰিছিল। এই সৰু কিতাপখনিৰ প্ৰথম অধ্যায় আৰু চতুৰ্থ অধ্যায় সেই ছেগতে লিখা।' *

গোস্বামী সকলো বিষয়ে বৰ পৰিপাটি আছিল। তেওঁ অপ্ৰকাশিত ৰচনা বহুতো এৰি থৈ গৈছে। সেই ৰচনাবোৰৰ বিষয়ে মন কৰিবলগীয়া কথা এই যে তেওঁ ক'ত কেতিয়া কি লিখিছিল আৰু ক'ত পাঠ কৰোঁতে কোনে সেই বিষয়ে কি মন্তব্য দিছিল-- সেইবোৰৰ টোকা প্ৰবন্ধৰ অন্তত লিখি ৰাখিছিল। উদাহৰণ স্বৰূপে কব পাৰি যে

* এই বিষয়ে যোৰহাট সাহিত্য সভাৰ ইতিবৃত্ত প্ৰসঙ্গত উল্লেখ কৰি অহা হৈছে

অ. ভা উ. সা. সভাৰ পঞ্চম বাৰ্ষিক অধিবেশনত ইং ১৯০৫ চনৰ ১ অক্টোবৰ তাৰিখে তেওঁ 'অসমীয়া ভাষা' শিতানৰ এটা দীঘল প্ৰবন্ধ পাঠ কৰিছিল। তাত তেওঁ অসমীয়া ভাষাৰ অভাৱ, অসুবিধা, বানান-বিভ্ৰাট, ব্যাকৰণ হেমজালি, উজনি-নামনিৰ ভাষাৰ বিৰোধ আদি প্ৰধান প্ৰধান তৎকালীন সমস্যাবোৰৰ বিষয়ে আলচ কৰিছিল। নকলেও হব যে দোষ-ত্ৰুটীবোৰৰ বিষয়ে বেছিকৈ ব্যাখ্যা কৰা হৈছিল বাবে তাত অৱসাদ আৰু হতাশৰ এটি ক্ষীণ ভাব আদিৰেপৰা অন্তলৈকে বিৰিঙি পৰিছিল।

ৰচনাখনে শ্ৰোতাসকলৰ মনত কেনে পতিক্ৰিয়া কৰিছিল, কাৰ মনত কি ভাব জগাইছিল আৰু কোনে সেই বিষয়ে কি মন্তব্য দিছিল, তাক গোসাঁয়ে এইদৰে লিখি থৈছিল—'ৰচনা পঢ়া হোৱাত সভাপতি মহাশয়ৰ কথা অনুসৰি শ্ৰীযুত তৰুণৰাম ফুকন বেৰিষ্টাৰ এট-ল আৰু শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ বি. এল. মহোদয়দ্বয়ে ৰচনাখনিৰ সমালোচনা স্বৰূপে কিছুমান কথা কয়। ফুকন ডাঙৰীয়াই এটা কথাত মাত্ৰ লিখকৰ ত্ৰুটী দেখুৱালে। তেওঁৰ মতে 'ৰচনাৰ আন কথা সকলো যুক্তিযুক্ত; কেৱল ভাষাৰ আগেয়ে ব্যাকৰণ ৰচিত নহয় ও হব নোৱাৰে। লেখকৰ মতে আগেয়ে ব্যাকৰণ, পাছত ভাষা। কিন্তু ই ভুল; আগেয়ে ভাষা; পাছত ব্যাকৰণ।'

'ৰচনাত মই কিন্তু ক'তো আগেয়ে ব্যাকৰণ, পাছতহে ভাষা, এনে কথা কোৱা নাই; ইয়াকেহে কৈছোঁ, এতিয়া আমাৰ ব্যাকৰণ ৰচনাৰ উপযুক্ত সময়। আচলতে এই কথাটি স্পষ্টকৈ আগেয়ে লিখা হৈছে, বাহুল্য ভয়ত তাক বহলাই লিখা নাই। ফুকন ডাঙৰীয়াৰ মতে তেখেতৰ আন মত লেখকৰ লগত মিলিছে।

'শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ বি. এল. মহোদয়ৰ মতে—"অসমীয়া ভাষাক লেখকে যিমান বেয়া বুলিছে তেনে নহয়। ইয়াত বীৰ ৰসৰ পদ্য নহলেও ভাববোধক পদ্য আছে 'যেনে, 'পুত্ৰা'। 'মেঘনাদ বধ' নাটক অসমীয়াৰ ভিতৰত ভাল। লেখকে ইয়াক যেনে বেয়া বুলিছে তেনে বেয়া নহয়; ইত্যাদি।"

'মই অসমীয়াক যি বিষয়ত যেনে বেয়া বুলিছো তেনে হয়নে নহয় আনে ভাবি চাব। অসমীয়াত বীৰ ৰসৰ ৰচনা নাইহে বুলি কৈছোঁ; ভাববোধক পদ্য আছে, আমিও স্বীকাৰ কৰিছোঁ। 'মেঘনাদ বধ' আমাৰ মতেও অসমীয়াৰ ভিতৰত ভাল; কেৱল বঙালীৰ লগত তুলনা কৰিহে বেয়া বুলিছো।'

ওপৰত লিখা কথাখিনি গোস্বামীয়ে নিজে ৰচনাৰ তলত হুবহু লিখি এৰা কথা। কথাখিনিৰ লগত মূল ৰচনাৰ কিছু অংশ মিলাই পঢ়িলেহে মতভেদৰ প্ৰকৃত মৰ্ম বুজা যাব। গতিকে প্ৰবন্ধৰ আৱশ্যকীয় অংশ তলত দিয়া হ'ল:

'নবৰসৰ ভিতৰত কম-বেছি পৰিমাণে আন আন ৰস প্ৰকাশ কৰিব পাৰিলেও বীৰ ও ৰৌদ্ৰ ৰস প্ৰকাশ কৰা টান। যোনে এই ভাষাত নাটক বা উপন্যাস লিখিবলৈ চেষ্টা কৰিছে সেয়ে জানে ই কেনে দুৰূহ। অসমীয়াত গভীৰ ভাবৰ করুণ ৰসৰ বা শোভা বৰ্ণনাৰ কবিতা নাই বুলি কব নোৱাৰো, কিন্তু বীৰ ৰস হলে নাই। × × × কিন্তু মাইকেলৰ অমিত্ৰাক্ষৰ ছন্দত হলে আজিলৈও সুচারু-ৰূপে কবিতা ৰচিত হোৱা নাই। শ্ৰীযুত ভোলানাথ দাসে 'চিন্তা-তৰঙ্গিণী''ত কেইবাটাও কবিতা এই ছন্দত লিখিছে। মাজে মাজে অতি সুন্দৰ হলেও, গোটেই কবিতা কেইটি মনোৰম হোৱা নাই। অমিত্ৰাক্ষৰ ছন্দৰ আৰু এখন কাব্য আছে, 'লীলা'—শ্ৰীযুত পদ্মনাথ বৰুৱা বিৰচিত। যদিও 'লীলা'ৰ ভাষা-লালিত্য মাজে মাজে বৰ সুন্দৰ তথাপি সৰ্বাঙ্গ তেনে নহয়। অলপতে প্ৰকাশিত হোৱা 'মেঘনাদ বধ' নাটখনতো সেই একে কথাই খাটে। মাইকেলৰ 'মেঘনাদ বধ' কাব্যত অমিত্ৰাক্ষৰ ছন্দৰ যি মধুৰ মধুরিমা উথলি উঠিছে সেই-মাধুৰ্য্যৰ এশ ভাগৰ এভাগো এইবিলাকত পোৱা নাযায়।'

গোসাঁইৰ এনেবোৰ টোকাৰ সহায়ত সেই সময়ৰ অসমীয়া শিক্ষিত আৰু সাহিত্যামোদী সমাজৰ চিন্তা-চৰ্চ্চাৰ এটি বিতোপন ছবি পোৱা যায়।

ৰচনা-ৰীতি

শৰৎচন্দ্ৰ গোস্বামীদেৱৰ লেখাবোৰ পঢ়িলে তেওঁৰ গদ্য ৰচনাৰ দুটা ধৰণ বা ঠাঁচ চকুত পৰে; এটা নিভাঁজ লিখিত অসমীয়া ভাষাৰ ঠাঁচ, আনটো নামনি অসমৰ শব্দ আৰু বচন-ভঙ্গী ব্যৱহাৰ কৰি লিখা অসমীয়া ঠাঁচ। ছাত্ৰ কালৰ বা আগ বয়সৰ ৰচনা আছিল প্ৰথম বিধৰ আৰু ভাটী বয়সৰ, দ্বিতীয় বিধৰ।

ভাষাৰ বিশেষত্ব নিৰ্ভৰ কৰে ব্যাকৰণত, শব্দত নহয়। এই কথাটো তেওঁ নিজে উপলব্ধি কৰিছিল আৰু আনকো কৈছিল। ইংৰাজী ভাষাত এতিয়া নানা ভাষাৰ শব্দ সোমাইছে যদিও সি ইংৰাজী ভাষা গুচা নাই; বৰং তেনে হোৱাত ইংৰাজী ভাষাটো অধিক সবল আৰু ব্যাপকহে হৈ পৰিছে। সেই কাৰণে তেওঁ অসমীয়া ভাষাতো উজনি-নামনিৰ পাৰ্থক্য নাৰাখি শব্দ-ব্যৱহাৰত উদাৰ-পন্থী হবলৈ প্ৰয়াস কৰিছিল। এনে কৰোঁতে তেওঁ কিন্তু অসমীয়া ব্যাকৰণৰ নিয়ম ক'তো কোনো প্ৰকাৰে লঙ্ঘন কৰা নাছিল।

জীৱনৰ আগ ছোৱাত গোসাঁইদেৱে কিন্তু তেওঁৰ ৰচনাত শব্দ ব্যৱহাৰৰ উদাৰতা প্ৰদৰ্শন কৰা নাছিল। তাকে কৰিবলৈ হয়তো তেওঁৰ অন্তৰত যথেষ্ট বল আৰু সাহস আৰু সাহিত্য-ক্ষেত্ৰত নাম আৰু প্ৰভাৱ হোৱা নাছিল। গতানুগতিকতাক ঠেলি থৈ নতুন বাট দেখুৱাবলৈ হ'লে মনত যথোচিত বল আৰু দহৰ ওপৰত যথেষ্ট প্ৰতিপত্তি থাকিব লাগে। উজান বয়সৰ মানসিক দুৰ্বলতাৰ কথা তেওঁ নিজেও অসম সাহিত্য সভাৰ চমু ইতিবৃত্ত লিখোতে মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে। কোনো কোনো সময়ত তেতিয়া কোনো এটা কথা লিখি উঠি তেওঁ হেনো নিজেই নিজকে প্ৰশ্ন কৰিছিল—'ওপৰ অসমীয়া ৰীতিত উঠিল নে নাই?'

কলেজীয়া জীৱনত আৰু কলেজীয়া শিক্ষা সাং কৰাৰ ঠিক পিছতো তেওঁ উপৰোক্ত ধৰণৰ সন্দেহৰ মাজেদি লেখনী চলাই আছিল।

কলেজীয়া জীৱনতে লিখা 'পানিপথ' আৰু চাকৰিয়াল জীৱনত লিখা গল্প আৰু প্ৰবন্ধবোৰ পঢ়ি চালেই এই কথা স্পষ্ট হৈ উঠে। উদাহৰণ স্বৰূপে তলত বেলেগ বেলেগ সময়ৰ কেইছোৱামান ৰচনা উদ্ধৃত কৰা হ'ল।

ৰূপ আৰু সৌন্দৰ্য্য :

যেতিয়া লাহে লাহে বৈ যোৱা বতাহৰ লগতে কঁপি উঠা, ঊষাৰ' অফুটা আলোকেৰে ভাসমান মেঘৰ ভিতৰেদি কেঁচুৱা বেলিৰ অফুটা ৰং-ৰহণে বিশ্বসংসাৰ বিয়পি ধৰে, বিমোৰ হৈ তেতিয়া কৈ উঠোঁ 'আহা! কি সুন্দৰ!' আৰু যেতিয়া পৰ্বতৰ ওপৰত পৰ্বত, তাৰ ওপৰত পৰ্বত উঠি, নীল আকাশ চুমি, প্ৰেমৰ প্ৰতিমা বিকাশ যেন হৈ অনন্তত মিলি যায়, বিমোৰ হৈ তেতিয়াও কৈ উঠোঁ, 'আহা! কি সুন্দৰ!' যেতিয়া বিশ্ব-বিমোহন ৰূপৰাশি আগত থিয় দিয়ে, যেতিয়া ললিত তানেৰে গোৱা গীত আহি অন্তৰত প্ৰৱেশ কৰে তেতিয়া সেই ভাব প্ৰকাশ কৰিবলৈ কওঁ—'আহা! কি সুন্দৰ!' আৰু যেতিয়া অমিয়া সৌৰভে আহি মন-প্ৰাণ মোহি পেলায়, যেতিয়া অমৃত সদৃশ খাদ্য উপভোগ কৰা হয়, নাইবা যেতিয়া নদীৰ পাৰৰ ফুলনিৰ মাজেৰে অহা বতাহে গাত হাত বুলাই অন্তৰখন শান্ত আৰু শীতল কৰি দিয়ে, তেতিয়াও সেই ভাব প্ৰকাশ কৰিবলৈ কওঁ—'আহা! কি সুন্দৰ!' এইদৰে 'যিহৰ দ্বাৰা মন স্নিগ্ধ হয়, কোনো ইন্দ্ৰিয়ৰ উত্তম তৰ্পণ হয়, তাকেই বিশেষ কৰোঁ সুন্দৰৰ দ্বাৰা।

'কিন্তু সুন্দৰ কি? সুন্দৰ কিয় বোলো? সৌন্দৰ্য্য আছে কাৰণেই সুন্দৰ ই ঠিক! যেনেকৈ বস্তু এটাৰ আৱশ্যকতা আৰু উপযোগিতা আগে, পাছেহে তাৰ গঢ়ৰ বিকাশ। সেইদৰে সৌন্দৰ্য্যৰ কল্পনাৰপৰাহে সুন্দৰৰ বিকাশ বা উৎপত্তি। এনেকৈ সকলোকে সুন্দৰ আখ্যা দিওঁ; সকলোতে সৌন্দৰ্য্যৰ ছায়া দেখোঁ, কিন্তু কেতিয়াবা চাইছোনে সৌন্দৰ্য্য কি আৰু সৌন্দৰ্য্য ক'ত?

'যেনেকৈ বিদ্যা বুলিলে আমি সাধাৰণতে লেখা-পঢ়াহে বুজি লওঁ, সেইদৰে সৌন্দৰ্য্য বুলিলেও সাধাৰণতে ৰূপহে বুজোঁ। দেখিবলৈ ধুনীয়া এটি ঘৰ, নানাবিধ সাজ-সৰ্জ্জাৰে সজ্জিত, তাক সুন্দৰ বোলো, বা তাত সৌন্দৰ্য্য আছে বুলি ভাবো। ৰং গুৱনি এটি ছবি, তাকো সুন্দৰ বোলো; কিন্তু ভাগিছিগি উৰলি যোৱা, চাবিওপিনে হাবি-বন হৈ থকা ঘৰ এটা নাইবা অপটু হাতৰ বিকৃত সজুলি এটি, তাক সাধাৰণতে সুন্দৰ নোবোলো, বা তাত সৌন্দৰ্য্য থকা বুলি নাভাবোঁ; কাৰণ, প্ৰথম বিধৰ ৰূপ ধুনীয়া বা তাৰ গঠন-নৈপুণ্য উৎকৃষ্ট, শেষৰ বিধত ৰূপ বা গঠন-নৈপুণ্যৰ উৎকৰ্ষ নাই। কিন্তু দৰাচল পক্ষে ৰূপ আৰু সৌন্দৰ্য্যৰ ভিতৰত প্ৰভেদ আছে। যেনেকৈ একে সূৰ্য্যৰ কিৰণকে নীলা বিত-চকুৰ ভিতৰেদি চালে নীলা, ৰঙাৰ ভিতৰেদি চালে ৰঙা আৰু হালধীয়াৰ ভিতৰেদি হালধীয়া দেখি, সেইদৰে ৰূপ নানা বিধৰ হব পাৰে; কিন্তু সৌন্দৰ্য্য এক। ৰেকাঁ ৰেখাত যি সৌন্দৰ্য্য, ধুনীয়া ছবিটোতো সেয়ে। সৌন্দৰ্য্যৰ মোল নুবুজি ৰূপক আদৰ কৰাটো দেৱতাৰ অতুল শক্তি আৰু মাহাত্ম্যৰ প্ৰতি মন নিদি প্ৰতিমা পূজা মাথোন। সাংখ্যৰ মতে যেনেকৈ স্থূলভূত প্ৰকৃতিৰ বিকাশ মাথোন, কিন্তু প্ৰকৃতি নিত্যা আৰু স্থূল-ভূতা নশ্বৰহে, সেইদৰে ৰূপো সৌন্দৰ্য্যৰ বহিৰ্বিকাশ বা অৱস্থান্তৰহে মাথোন; কিন্তু ৰূপ নশ্বৰ, সৌন্দৰ্য্য নিত্য। যি বস্তুৰ ৰূপ মাত্ৰ দেখোঁ, কালৰ সোঁতত অৱস্থাৰ প্ৰাপ্তি হলে তাত সেই ৰূপ নেদেখিব পাৰো, কিন্তু য'ত সৌন্দৰ্য্য দেখোঁ তাত সি নিত্য। যেনেকৈ প্ৰতি-মূৰ্ত্তি কল্পনা কৰি পৰমেশ্বৰৰ অনন্ত শক্তি পূজিবলৈ বহুখিনি উজু হয়, সেইদৰে ৰূপেও সৌন্দৰ্য্য-বুজনত সহায় কৰে। কিন্তু সেইবুলি ৰূপ সৌন্দৰ্য্যৰ অঙ্গ নহয়, বিকাশ হে। ৰূপ দেহ, সৌন্দৰ্য্য আত্মা ৰূপ ফুল, সৌন্দৰ্য্য তাৰ সৌৰভ, ৰূপ গীত, সৌন্দৰ্য্য তাৰ মোহিনী শক্তি; ৰূপ বিশ্ব-সংসাৰ, সৌন্দৰ্য্য তাৰ নিয়ন্ত্ৰণী শক্তি।

'সচৰাচৰ আমি সকলো বস্তুতে একে সৌন্দৰ্য্য বা সকলোৰে

এঁকে সৌন্দৰ্য্য দেখিবলৈ নাপাওঁ। চন্দ্ৰৰ লাৱণ্যত যি সৌন্দৰ্য্য অন্ধকাৰত সি নাই ; নীলা আকাশখনৰ বা গহীন পৰ্বতৰ যি সৌন্দৰ্য্য, গভীৰ সমুদ্ৰ বা শ্যামল বনৰাজিত তাক দেখিবলৈ নাপাওঁ। বতাহত গছৰ পাত এটা সৰিল, তাক কবিয়ে দেখিব এক ধৰণে, ভাবুকে আন ধৰণে আৰু সাধাৰণ শ্ৰেণীৰ মানুহে বা তাত একোকে নেদেখে। সেইদৰে ষোড়শী যুৱতীৰ সৌন্দৰ্য্য মাক-বাপেকৰ মনত এক ৰকম, স্বামীৰ মনত অন্য ৰকম, কামীৰ মনত তৃতীয় ৰকম আৰু ত্ৰৈলঙ্গ স্বামীৰ নিচিনা ভকতৰ মনত ই ঐশ্বৰ্য্যৰ বিকাশ স্বৰূপ বা নমস্যহে। এনেস্থলত সৌন্দৰ্য্যক এক বুলিব পাৰি কেনেকৈ ? আৰু এনে ভিন বোধ হোৱাত কাকেই বা বোলো সৌন্দৰ্য্য ? (১৯০৬)

(২)

পৃথিৱীৰ বুকুত পানীৰ অভাৱ নাই ; অথচ গাওঁৰ মানুহে একেলগে হৈ পুখুৰী খান্দি লই পানী খাব নোৱাৰে ; তাৰ বদলি ৩।৪ টা কলহ দি ২।৩ মাইল আঁতৰৰপৰা পোক-বোকাই পানী অনায় আৰু সেই পানীয়ে সকলো শুধ হয়। এই দৃশ্যই একেলগে কৃপা আৰু ক্ৰোধ নোপজায় নে ? বাৰিষাৰ কালত ইয়াৰ বিপৰীত। ঘৰ-বাৰীত চাৰিওফালে চুৱা-ধোৱা খাল, মাটি-অনা খাল, গোবৰৰ দাম, গাবৰৰ বোজা ; আৰু কোনো ফালেই পানী যোৱাৰ বাট নাই। প্ৰথম তাক বৰষুণৰ লগতে এইবোৰ পচি দুৰ্গন্ধ ওলায় ; আৰু অসংখ্য মহ আৰু মাখিয়ে লগত অসংখ্য বেমাৰৰ বীজ লৈ গাঁৱক যমবাজাৰৰ চৌৰাশী নৰকৰ কোনোবা এখন কৰি তোলে। (চেতনা—১৯১০ চন)

(৩)

ৰাজপুত্ৰই বন্তী লৈ আহিছে, তুলসীৰ গুৰিত দিবলৈ। কুমাৰী আৰু সধবা তিৰোতায়ে তুলসীৰ গুৰিত চাকি নিদিয়ে ; ইফালে সোণাই নাই আটাই ভিতৰলৈ যায়। সিফালৰপৰা ৰাজপুত্ৰই হাতৰ আঁৰ দি দীপ লৈ আহে। মুখ-আন্ধাৰি লাগা সময়। দুয়ো-দুয়োকে নেদেখে।

হঠাতে তুলসীজোপাৰ ওচৰতে ছুঁয়াৰো ঠেকাঠেকি লাগে। শৰীৰৰ ঠেকাঠেকি আৰু অতি সংক্ষিপ্ত এটা খন্তেকৰ কাৰণে ছুঁয়োৰো চকুৱে চকুৱে ঠেকাঠেকি ; আৰু মনে মনেও। ছুয়ো উচাপ খাই উঠে। (১৯৪৪ চন)।

এনেবোৰ উদ্ধাতিয়ে স্পষ্টভাৱে দেখুৱাই দিয়ে—গোসাঁইৰ লেখাৰ ঠাঁচ বা ৰচনা-ৰীতি শেষত কোনফালে ঢাল খাইছিল।

অসমীয়া বানান সম্পৰ্কে গোসাঁইৰ মত :

ওপৰত গোসাঁইদেৱৰ বেলেগ বেলেগ সময়ৰ ৰচনা দেখুৱা হ'ল। তাৰপৰা এইটো স্পষ্ট হয় যে বয়স বাঢ়ি অহাৰ লগে লগে তেওঁৰ ভাষা নামনি অসমৰ স্বাভাৱিক ভাষাৰ বেছি ওচৰ চাপি আহিছিল। ৰজা, বিধতা, বিয়পি এনেবোৰ শব্দৰ পৰিবৰ্তে তেওঁ পিছত ৰাজা, বিধাতা, বিয়াপি আদিহে ব্যৱহাৰ কৰিছে, কাৰণ, নামনি অসমত তেনেকৈ ব্যৱহৃত হোৱাৰ উপৰিও মূল সংস্কৃতে তাক সমৰ্থন কৰে।

অসমীয়া ভাষাৰ বৰ্ণ আৰু বানান পৰিবৰ্তনৰ বিষয়েও গোসাঁইৰ কিছুমান স্বকীয় মত আছিল। তেওঁৰ মতবোৰ এইদৰে জুকিয়াব পাৰি :

(১) সংস্কৃত 'ইন্' ভাগান্ত শব্দ অসমীয়াত ব্যৱহাৰ কৰিলে 'ী' নে 'ি' যুক্ত কৰা যাব ? এতিয়া গুণী, ধনী, মানী, প্ৰতিযোগী, উপকাৰী এইবোৰ ব্যৱহাৰ কৰা হয় ; যেতিয়া ভাবাৰ্থত 'তা' বা 'ত্ব' প্ৰত্যয় যোগ কৰা হয় তেতিয়া আকৌ সংস্কৃত ব্যাকৰণ অনুসৰি প্ৰতিযোগিতা উপকাৰিতা এনে হব লাগে। গতিকে অসমীয়া লিখকে উপকাৰিতা, মন্ত্ৰিত্ব, বাগ্মিতা, স্বামিত্ব, তেজস্বিতা প্ৰভৃতি শব্দ প্ৰয়োগৰ বেলিকা হয় সংস্কৃত ব্যাকৰণ জানিব, নহয় মন্ত্ৰীত্ব, উপকাৰীতা আদি লিখিব লাগিব। এনে স্থলত 'ইন্' ভাগান্ত শব্দক 'ি' ৰে লিখিলে কেনে ? যেনে, ধনি, গুনি, মন্ত্ৰি ইত্যাদি। তেনে কৰাই ভাল যেন লাগে।

(২) সংস্কৃত ৰেফযুক্ত বৰ্ণ অসমীয়াত ৰেফ নোহোৱা হলে 'ণ' ক 'ন' কৰিলে কিবা লোকচান আছে নে? যেনে, কৰ্ণ কাণ নহৈ কান: পৰ্ণ পাণ নহৈ পান

(৩) বিদেশী শব্দৰ যত্ব, ণত্ব হব নে নহব? গবৰ্ণমেণ্ট নে গবৰ্ন-মেণ্ট? মিষ্টাৰ হৰ্ণেল নে মিষ্টাৰ হৰ্নেল? এনেবোৰ শব্দত মূল বিচাৰৰ আহুকাল নাই যেতিয়া, তেতিয়া ইহঁতক ণত্ব ষত্বৰ জটিল নিয়মৰ ভিতৰুৱা নকৰিলে অপকাৰ কি?

(৪) মাটি নে মাটী; মাজুলী নে মাজুলি? এটি নে এটী?...এইবোৰ শব্দত 'ী' নিদি 'ি' প্ৰয়োগ কৰাত একো বাধা দেখা নাযায়।

(৫) সংস্কৃত স্ত্ৰীলিঙ্গ শব্দৰ বিশেষণ অসমীয়াত স্ত্ৰীলিঙ্গ হব নে নহব? প্ৰয়োগত দেখা যায় 'লাৱণ্যময় কান্তি' (শকুন্তলা), প্ৰখৰ বুদ্ধি ইত্যাদি চলি আছে।

(৬) বিশেষ্যৰ লিঙ্গভেদে 'মহৎ' প্ৰভৃতি শব্দৰ লিঙ্গভেদ হবনে নহয়? প্ৰয়োগত আছে 'মহৎলোক', 'মহৎলক্ষ্মী', 'মহৎ অন্তঃকৰণ' আকৌ 'ৰূপবান পুৰুষ', 'ৰূপৱতী স্ত্ৰী'। আকৌ 'সুন্দৰ ছোৱালী' 'সুন্দৰ ঘৰ' ইত্যাদি। সেইদৰে 'ভয়ঙ্কৰ ৰাক্ষসী', 'ভয়ঙ্কৰ আতাহ' ইত্যাদি।

(৭) সেইদৰে 'তিৰোতাজনী বৰ পণ্ডিত'; 'অধ্যাপকজনৰ ঘৈণীয়েকজনীও বৰ বিদ্বান মাইকী'—এনেবোৰ প্ৰয়োগ সাধু হব নে? অথবা পণ্ডিতানী, বিদুষী -এনে হব?

বৰ্ণবিন্যাস সম্বন্ধে গোস্বামীৰ মত

এই সম্পৰ্কে গোসাঁইদেৱৰ মত আৰু বেছি বিদ্ৰোহী ধৰণৰ। তেওঁ সৰ্বায উচ্চাৰণমতে বৰ্ণবিন্যাস হব লাগে বুলি মত প্ৰকাশ কৰিছিল। সেই বিষয়ে তেওঁ এইদৰে যুক্তি দাঙি ধৰিছিল 'সকলোৱে জানে যে ভাষাৰ আৱশ্যক মনৰ ভাব প্ৰকাশৰ কাৰণে আৰু লিখাৰ

আৱশ্যক মনৰ ভাব ভাষাত আবদ্ধ কৰি ৰাখিবৰ কাৰণে। এই মূল কথা পাহৰি ভাষাক ব্যাকৰণৰ প্ৰয়োগ বুলি ধৰি লৈ কাম কৰিবলৈ গলে বিচাৰশূন্য আচাৰৰ দৰে সি প্ৰায় অন্ধ সংস্কাৰৰ সমতুল্য হয়। চিন্তা নকৰি কেৱল সংস্কৃত ব্যাকৰণৰ খাতিৰ ৰাখিবলৈ গৈ ভাষা বিষয়ত আমি বহুত মেৰপাকত সোমাবলগীয়া হৈছো।

'ব্যাকৰণ নালাগে বুলি মই কোৱা নাই; বৰং ইয়াকেহে কব খুজিছো, আমাক সম্পূৰ্ণ (অসমীয়া) ব্যাকৰণ এখন লাগে। আচলতে অসমীয়া ভাষাৰ একমাত্ৰ ব্যাকৰণ 'হেমচন্দ্ৰ ব্যাকৰণ'। ইয়াতো কিন্তু অযথাৰূপে ইংৰাজী ব্যাকৰণক অনুসৰণ কৰা হৈছে। ব্যাকৰণ সংস্কৃত ব্যাকৰণৰ অসম্পূৰ্ণ বা অকামিলা সংস্কৰণ মাত্ৰ। সেইদেখি নিভাঁজকৈ লিখা অসমীয়া ভাষাৰ ব্যাকৰণ এখনৰ আমাৰ অতি আৱশ্যক।* কিন্তু এইটো আমি মনত ৰাখিব লাগে যে ভাষা আগ, ব্যাকৰণ পাছ; আৰু সকলো জীৱন্ত ভাষাতেই যিদৰে ব্যাকৰণক অনুসৰণ কৰি ভাষা লিখা যায়, সেইদৰে ব্যাকৰণেও প্ৰতিভাশালী লিখকৰ ভাষাক অনুসৰণ কৰি নিজৰ সূত্ৰ আদি প্ৰবৰ্তন কৰিবলগীয়াত পৰে। আমি এই কথা পাহৰিছো দেখিয়ে আমাৰ ভাষা আৰু বানান বাক্য-গঠন আৰু শব্দ-গঠন আদি বিষয়ত ইমান বেমেজালি।'*

তেওঁ আৰু কয়- 'আমাৰ ভাষা সংস্কৃতৰপৰা ওলোৱা বুলি ভাবি সেইমতে কাম কৰিবলৈ গৈয়ে আমি বৰ গোলমালত পৰিছোঁ। আজিকালি ইয়োৰোপ আৰু আমেৰিকাত উচ্চাৰণ অনুসৰি বৰ্ণবিন্যাসৰ চেষ্টা চলিছে। আমেৰিকাৰ যুক্তৰাজ্যত সেই অনুসৰি ইংৰাজীৰ বানানবোৰৰপৰা অনাৱশ্যকীয় বহুত আখৰ বাদ দিয়া হৈছে। কিন্তু আমাৰ দুৰ্ভাগ্যৰ কথা যে পুৰণি অসমীয়া ভাষাত বৰ্ণবিন্যাসৰ এই উৎকৃষ্ট নিয়ম থকাতো তাক আওহেলা কৰি আৰু বঙালী ভাষাৰ

---

* সত্যনাথ বৰাৰ 'বহল ব্যাকৰণো' ভেতিয়া ওলোৱা নাছিল। লেখক

* 'অসমীয়া ভাষা'—১৯০৫ চন: গুৱাহাটী অ: ভা: উ: সা: সভাত পঠিত।

বৰ্ণবিন্যাস অনুসৰণ কৰি আমি বৰ্তমান অসমীয়া ভাষাৰ বৰ্ণবিন্যাস ইমান টান কৰি তুলিছো।

উচ্চাৰণলৈ চালে তলত দিয়া আখৰ কেইটাৰেই আমাৰ সকলো কাম চলে—

অ, আ, ই, উ, ঋ, এ, ঐ, ও, ঔ, ং, ঃ,
ক, খ, গ, ঘ, ঙ চ, জ, ঞ, ত, থ, দ ধ, ন, প ফ ব ভ ম, য, ৰ, ল, ৱ, ষ, স, হ ক্ষ —অৰ্থাৎ স্বৰ এঘাৰটা আৰু ব্যঞ্জন ছাব্বিশটা। ইত্যাদি (চেতনা কাতি, ১৮৪১)

গোস্বামীৰ উক্ত মতবোৰৰ যে প্ৰতিবাদ হোৱা নাছিল এনে নহয়। বহুতে এইবোৰৰ প্ৰতিবাদ কৰি সুন্দৰ যুক্তিও দিছিল। গোসাঁয়ে যে এনে মৌলিক প্ৰশ্ন কিছুমানৰ উত্থাপনৰ দ্বাৰা যি কোনো বিষয়ত চিন্তাৰ ঢৌ তুলিব পাৰিছিল সেয়ে আছিল তেওঁৰ লেখাৰ আৰু চিন্তা-চৰ্চাৰ মৌলিক বিশেষত্ব।

অসমীয়া ভাষা আৰু অভিধান

অসমীয়া ভাষা আৰু তাৰ অভিধান সম্পৰ্কে গোস্বামীয়ে কৈছিল অকল উজনিৰ শব্দকেইটা লৈয়ে অসমীয়া ভাষা হব নোৱাৰে। প্ৰকৃত অসমীয়া ভাষা উজনি-নামনি সকলো ঠাইৰ অসমীয়া ভাষাৰ মাত-কথা গ্ৰহণ কৰি হোৱা সুবৃহৎ ভাষা এটা হৈ উঠিব লাগিব। পুৰণি অসমীয়া পদ পুথিবোৰত দেখোন তেনে ব্যৱহাৰৰ গণ্ডা গণ্ডা উদাহৰণ পোৱা যায়। আন নালাগে যি দুজনা ধৰ্ম গুৰুৰ ৰচিত ধৰ্ম পুথিৰ ওপৰত ভেটি বান্ধি অসমীয়া ভাষা আৰু সাহিত্যৰ মন্দিৰটো আজি প্ৰায় ছশ বছৰে বাহিৰৰ ধুমুহা বজ্ৰপাতক কেৰেপ নকৰি নিকপ্‌কপীয়া হৈ তিষ্ঠিছিল সেই প্ৰাতঃস্মৰণীয় মহাপুৰুষ শঙ্কৰ-মাধৱৰ ৰচিত পুথিবোৰতে দেখোন অভিধানত নথকা নামনি অসমৰ শব্দ ঢেৰ পোৱা যায়।'

সেই কাৰণে গোসাঁইদেৱে উজনি-নামনিৰ সকলোবোৰ শব্দ গ্ৰহণ

কৰি সেইবোৰৰ যথাযথ ব্যৱহাৰ দেখুৱাই এখন সম্পূৰ্ণ আৰু সুবৃহৎ অসমীয়া অভিধান ৰচনা কৰিবলৈ আঁচনি হাতত লৈছিল। সেই উদ্দেশ্যে তেওঁ ড বাণীকান্ত কাকতি, ভাষাবিদ কালিৰাম মেধি, হৰেন্দ্ৰনাথ শৰ্মা প্ৰভৃতিক লৈ এখন প্ৰাথমিক সমিতিও গঠন কৰিছিল। সেই বিষয়ে লিখা চিঠিত তেওঁ কৈছিল—'বৰ্তমান সময়ত অসমীয়া ভাষাত চলি থকা অভিধান কেইখনৰ এখনেও নামনিৰ নিত্য ব্যৱহাৰ্য্য শব্দবোৰৰ প্ৰতিনিধিত্ব নকৰে। নামনিৰ এই শব্দবোৰ কোনেও জোৰ কৰি ব্যৱহাৰ কৰা নাছিল, আৰু কোনো ভাষাতেও কোনেও তেনেকৈ জোৰেৰে শব্দ ব্যৱহাৰ কৰাব নোৱাৰে। শব্দবোৰ মানুহৰ মুখে মুখে আপুনি জন্ম পোৱা বস্তু। মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ সেইবোৰ ব্যৱহাৰ কৰে। গতিকে আমি যিবোৰক অসমীয়া ভাষা-ভাষী লোক বুলি ধৰোঁ তেওঁলোকৰ মাত-কথাকো অসমীয়া ভাষা-সাহিত্যত আদৰ কৰিব লাগিব।' দুখ' কথা গোস্বামীদেৱৰ পৰিকল্পিত এই অভিধানৰ কাম আৰম্ভ কৰাৰ আগতে তেখেত স্বৰ্গী হ'ল।

প্ৰত্নতত্ত্ব

আমাৰ দেশৰ অতীত বুৰঞ্জীৰ বহুতো কথা ৰহস্যময় হৈ লুপ্ত অৱস্থাতে আছে। সেইবোৰৰ মৰ্ম জানিবলৈ চেষ্টা আৰু চিন্তা কৰিও গোসাঁইদেৱে পৰম তৃপ্তি লাভ কৰিছিল। আকৌ তেনে চিন্তাৰ ফলত তেওঁৰ মনত যিটো তথ্য সত্য বুলি থাৰৰ হৈছিল সেইটো চলিত জনমতৰ বিপৰীতে গলেও তাক তেওঁ প্ৰকাশ কৰিবলৈ সঙ্কোচ নকৰিছিল। সেই হেতুকে প্ৰত্নতত্ত্ব বিষয়ৰ অনেক কথাত তেখেতৰ প্ৰতিদ্বন্দ্বী ওলাইছিল বা তেনে মতৰ সমালোচনা হৈছিল। তাতে দেখা গৈছিল যে তেখেতৰ গৱেষণামূলক কথাই আনৰ মনতো স্বাধীন চিন্তাৰ ঢৌ তুলিছিল। প্ৰত্নতত্ত্বৰ ক্ষেত্ৰত তেনে চিন্তাৰ ঢৌ তুলিব পৰাটোৱেই তেখেতৰ এটা মন কৰিবলগীয়া বিশেষত্ব আছিল। গতানুগতিকভাৱে

যিহকে তিহকে মানি লোৱাতকৈ স্বাধীন চিন্তা আৰু যুক্তি-তৰ্কৰ সহায়ত নতুন প্ৰশ্ন উত্থাপন কৰিব পৰাটোও নিশ্চয় প্ৰশংসনীয় কাম। এইটো কিন্তু স্বীকাৰ কৰিব লাগিব যে তেওঁৰ গৱেষণাৰ কথাবোৰ অভ্ৰান্ত বুলি ভাবি তেওঁ কাৰো ওপৰত সেইবোৰ জোৰ কৰি জাপি দিবলৈ চেষ্টা কৰা নাছিল।

গোসাঁইদেৱৰ প্ৰত্নতাত্ত্বিক চিন্তাধাৰাৰ মৌলিক বিশেষত্ব ধৰা পৰে তেখেতৰ ১৯৩৪ চনৰ ৭এপ্ৰিল তাৰিখে বহা কামৰূপ অনুসন্ধান সমিতিৰ বছৰেকীয়া অধিবেশনত সভাপতি হিচাবে পাঠ কৰা অভিভাষণ-খনিত। সেই অভিভাষণত উত্থাপিত মূল বিষয় কেইটাৰ তলত আভাস দিয়া হ'ল।

অভিভাষনৰ আৰম্ভণিতে তেখেতে কৈ থৈছিল—'মোৰ জ্ঞানৰ গৰিমা নাই আৰু সেইবাবে মই সভাপতিৰ যোগ্য নহওঁ; অযোগ্য কাৰণেই সভাপতি পতাত মই এই সন্মানৰ মূল্য বেছিকৈ বুজিছোঁ। আপোনালোকৰ নিমন্ত্ৰণ গ্ৰহণ কৰি মই অন্ততঃ আপোনালোকৰ কৰিব-লগীয়া কামৰ বিষয়ে কিছু কব পাৰিম। মই যি কম তাক আপোনা-লোকে সাধাৰণ লোক এনে সুধীসকলৰ আগত কৰা কিছুমান আপত্তি মাথোন বুলি গ্ৰহণ কৰিব।

ব্যাপক অৰ্থত লৈ সাধাৰণভাৱে কবলৈ হলে, অসমৰ বিষয়ে আমাৰ অতীত আৰু বৰ্তমানৰ যি জ্ঞান আছে, সি চাৰিখন কিতাপতে আবদ্ধ; যেনে, (১) গুণাভিৰাম বৰুৱাৰ অসম বুৰঞ্জী (২) ছাৰ এডোৱাৰ্ড গেইটৰ History of Assam(আসাম বুৰঞ্জী) (৩)পণ্ডিত পদ্মনাথ বিদ্যাবিনোদৰ কামৰূপ শাসনাৱলী (৪) ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ Early History of Kamrup (প্ৰাচীন কামৰূপৰ বুৰঞ্জী)। ইয়াৰ প্ৰথম দুখনত ঘাইকৈ আহোম যুগৰ আৰু পিছৰ দুখনত প্ৰাক্ আহোম যুগৰ কথা আলোচনা কৰা আছে। কিন্তু আপোনালোকৰ সমিতিৰ যোগ্য কাম হব, যিবোৰ কথা এতিয়ালৈকে পোহৰলৈ অহা নাই সেইবোৰত পোহৰ পেলোৱা, আগতে সকলোৱে জনা কথাবোৰ প্ৰচাৰ কৰা নহয়।

আমাৰ নিজৰ দেশৰ বিষয়ে আমাৰ অজ্ঞানতা কিমান গভীৰ, সেই বিষয়ে মই আপোনালোকক কিঞ্চিত আভাস দিম।

আহোম যুগৰ কথাৰেই আমাৰ কথা আৰম্ভ কৰোঁ। আহোমসকলৰ ৰাজত্বৰ আৰম্ভণিৰ তিনিশমান বছৰলৈকে তেওঁলোকৰ ৰাজ্য বৰ্তমানৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ ভিতৰতে আবদ্ধ আছিল। সেই সময়ত চুটিয়া, কছাৰী, ভূঞা, মেচ এইসকলেই দেশৰ অধিকাংশ ঠাই শাসন কৰি আছিল। দুখৰ বিষয় এই ৰাজ্যবোৰৰ স্বকীয়া বুৰঞ্জী পাবলৈ নাই। যি যি সময়ত এই ৰাজ্যবোৰৰ লগত মুছলমান আৰু আহোমৰ সংঘৰ্ষ হৈছিল সেই সেই সময়ৰহে মাথোন বিবৰণ পোৱা যায়; অন্য সময়ৰ বুৰঞ্জী নাই বুলিলেই হয়। উদাহৰণ স্বৰূপে বাৰ-ভূঞাসকলৰ কথাকেই কব পাৰি বাৰভূঞাসকলে বহুকাল ব্যাপি প্ৰতাপেৰে ৰাজ্য শাসন কৰিছিল আৰু তেওঁলোকৰ নাতিপুতিসকল আমাৰ মাজত এতিয়াও আছে। অথচ তেওঁলোকৰ স্পষ্ট ইতিহাস একো নাই বুলিলেও হয়। ...ভূঞাসকলে কিমান দিন ক'ত ক'ত ৰাজত্ব কৰিছিল, তেওঁলোকৰ ৰজাৰ ক্ষমতা কেনেকুৱা আছিল, নাইবা তেওঁলোকৰ ৰাজ্যবোৰ পুৰণি গ্ৰীচৰ 'চিটি ষ্টেট' বা নগৰ-ৰাজ্যৰ দৰে আছিল নেকি ইত্যাদি কথা আমি একো নাজানো। সেই একেদৰেই কছাৰী, কোচ, মেচ চুটিয়া আদিসকলৰো ইতিবৃত্ত বেছি একো শুনা নাযায়।

যি হওক তেওঁলোকৰ বিষয়ে বাৰু অলপ জনায়ে যায়; কিন্তু মৰাণ, বৰাহি আদি ফৌজবোৰৰ কথা আকৌ সিমানো জানিব নোৱাৰি। আহোমসকলৰ কথা বহুত জনা যায়। ১২২৮ খৃষ্টাব্দত প্ৰথমে যেতিয়া চুকাফাই সৌমাৰ খণ্ডত প্ৰৱেশ কৰি ৰাজত্ব আৰম্ভ কৰে, তেতিয়া গুৱাহাটী তেজপুৰ, নগাঁও, যোৰহাট, ডিব্ৰুগড়, সদিয়া, ধুবুৰী, ৰংপুৰ আদি কোনে শাসন কৰিছিল, সেই বিষয়ে অনুমান কৰাৰ বাহিৰে একো জানিব পৰা নাযায়।

প্ৰাক্ আহোম যুগৰ বিষয়েও আমাৰ জ্ঞান বৰ কম। অসম উপত্যকাৰ প্ৰায় সকলো মানুহেই আৰিমত্ত ৰজাৰ কথা শুনিছে।

উত্তৰ লক্ষীমপুৰৰপৰা গুৱাহাটীলৈকে তেওঁৰ নামৰ পুখুৰী নাইবা অন্যান্য ভগ্নাৱশেষ চোন দেখিবলৈ পোৱা যায়। তেওঁ নিশ্চয় এজন পৰাক্রমী ৰজা আছিল। কিন্তু এটা আখ্যানৰ বাহিৰে তেওঁৰ বিষয়ে একো জনা নাযায়। তাৰ পিছত পুথি, প্ৰস্তৰ-লিপি আৰু তামৰ ফলিত 'অঙ্ক' আখ্যাবিশিষ্ট কিছুমান ৰজাৰ নামৰ উল্লেখ পোৱা যায়। তাৰে ভিতৰত পথমতে হৈছে—গজাঙ্ক, মীনাঙ্ক, নাগাঙ্ক শুকৰাঙ্ক আৰু ভালুকাঙ্ক এইকেইজন। তেওঁলোক একে বংশৰে ৰজা আছিল নে কি আছিল আমি নাজানো। মোৰ বিশ্বাস এই আটাইবিলাক উপনাম মাথোন আছিল আৰু কেৱল যে এটা বংশৰ নাইবা এক ঠাইৰ ৰজাইহে তাক গ্ৰহণ কৰিছিল, এনে নহয়। ঠাই আৰু বংশ নিৰ্বিশেষে ই ৰজাৰ ৰুচি অনুসাৰে গ্ৰহণীয় আছিল। আমি জানো যে ভাস্কৰ বৰ্মাৰ পিতৃৰ নাম আছিল মৃগাঙ্ক।

মই ভাবো, ৰজাই নিজৰ পছন্দ বা ৰুচি অনুসৰি ছবি আঁকাইছিল। এনে কাৰ্য্য পূৰ্বণি বীৰসকলো অনুকৰণত কৰা হৈছিল; যেনে গৰুড়ধ্বজ, কপিধ্বজ, মকৰ-কেতন ইত্যাদি। সি যিয়েই নহওক, কোন কোন ৰজাই এনে উপাধি গ্ৰহণ কৰিছিল, কিমান দিনলৈ ই চলিত আছিল আৰু কেতিয়া বন্ধ হ'ল ইত্যাদি কৌতূহলপূৰ্ণ প্ৰশ্নৰ সমাধান আমাৰ নাই।

বিখ্যাত বঙ্গবীৰ শশাঙ্ক নৃপতিৰ কথা কল্পনাৰ বলেৰে এইদৰেও কব নোৱাৰি নে যে, শশাঙ্ক আছিল 'অঙ্ক' আখ্যাধাৰী বংশৰেই এজন ৰাজ্য যুৱৰাজ। ধৰি লোৱা যাওক তেওঁ আছিল কুমাৰ ভাস্কৰ বৰ্মাৰেই ভতিজাক আৰু বঙ্গ, বিহাৰ আৰু উড়িষ্যালৈ গৈ তেওঁ বাহুবলেৰে এখন বিশাল ৰাজ্য স্থাপন কৰি লৈ ভাস্কৰ বৰ্মাৰ লগত যুঁজ পাতিছিল। আৰু এটা কথা এইদৰেও ভাবিব পাৰি যে, ভাস্কৰে কুমাৰ বা যুৱৰাজ আখ্যা গ্ৰহণ কৰিছিল, কাৰণ সিংহাসনৰ কাৰণে তেওঁৰ দাবী সকলোৱে মানি লোৱা নাছিল। আৰু ভাস্কৰ বৰ্মা আৰু শশাঙ্কৰ নামে বাৰু চিন্তাৰ উদ্রেক নকৰে নে?

ইয়াৰ পিছত গোসাঁইদেৱে 'কালিদাসৰ যুগত কামৰূপ' আৰু

'মহাকাব্যত কামৰূপ' শীৰ্ষক দুটি বিষয়ৰ আলচ কৰি দেখুৱাইছিল যে সেই সেই সময়ত কামৰূপ ৰাজ্য এখন লেখত লবলগীয়া ৰাজ্য আছিল। কামৰূপ প্ৰাগ্‌জ্যোতিষ আৰু লৌহিত্য নাম মহাকাব্য দুখন আৰু পুৰাণত পোৱা যায়। এইবোৰৰপৰা আমি নিসন্দেহে জানিব পাৰো যে অতি পুৰণি কালত এই ঠাই শিক্ষা আৰু কৃষ্টি বিস্তাৰৰ কেন্দ্ৰ আছিল ইয়াৰপৰা ইয়াকে সিদ্ধান্ত কৰিব পাৰি যে অতীতৰপৰা কামৰূপ এখন প্ৰবল পৰাক্ৰমী ৰাজ্য আছিল।

এটা আচৰিত কথা এই যে খৃঃপূৰ্ব ৫০০ ৰ পৰা খৃঃ ৩০০ লৈকে বৌদ্ধ যুগত কামৰূপৰ বিষয়ে বিশেষ একো উল্লেখ নাই। বৌদ্ধ যুগত এই হেন উন্নত ৰাজ্যখনৰ কি হ'ল? সেই সময়ত এনে অৰাজকতা হৈছিল নে যে তাৰ নাম পৰ্যন্ত নাইকিয়া হ'ল, আৰু সেই গতিকে সেই সময়ৰ কোনো এটা ঘটনাতে কামৰূপৰ নাম উল্লেখ কৰা নহৈছিল? -হলেও কিন্তু বৌদ্ধ ইতিহাসত কামৰূপৰ নাম সমূলি নথকাটোৰ কাৰণ বিচাৰি পোৱা টান। বৌদ্ধ ধৰ্মগুৰুসকলে কামৰূপৰ আশে-পাশে থকা বৰ্মা, বঙ্গ, ভুটান, তিব্বত আদিত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিছিল, কিন্তু কামৰূপত প্ৰচাৰ কৰা নাছিল—ই আচৰিত ধৰণৰ কথা। মোৰ সেই কাৰণেই এনে বিশ্বাস হয়- মই অৱশ্যে তাৰ সিদ্ধান্তদৰ্শক যুক্তি দিব নোৱাৰো--যে বৌদ্ধসকলে সেই সময়ত কামৰূপক অন্য কিবা নামত জানিছিল। বৌদ্ধ ধৰ্ম যে কামৰূপত প্ৰচাৰ হৈছিল আৰু কামৰূপ যে কেই শতিকামান ধৰি বৌদ্ধ কৃষ্টিৰ কেন্দ্ৰ আছিল তাৰ ভুৰি ভুৰি প্ৰমাণ আছে। × × ×

বৈদিক যুগত কামৰূপ শীৰ্ষক কথাৰ আলোচনাত তেখেতে কয় যে আৰ্য্যসকলৰ এটা শাখা পূবৰ পৰ্বতবোৰৰ দাঁতিয়েদি আহি ভাৰতত সোমাইছিল, ই পণ্ডিতসকলৰ এটা মতবাদ। ইয়াক সমৰ্থন কৰা যায়। মানৱ সভ্যতা বিস্তাৰৰ ইতিহাসত দেখা যায় যে ডাঙৰ ডাঙৰ নদীৰ তীৰভূমিবোৰেই মানৱ সভ্যতাৰ জন্মস্থান। নীল, টাইগ্ৰীচ, ইউফ্ৰেটিজ, সিন্ধু, গঙ্গা আদিৰ সাকুৰা উপত্যকাবোৰেই তাৰ উদাহৰণ। ব্ৰহ্মপুত্ৰও

এখন ভাঙৰ নদী আৰু সেই কাৰণেই ব্ৰহ্মপুত্ৰৰ পাৰতো তেনে এটা সুকীয়া সভ্যতাই গঢ় লৈছিল বুলি ভাবিবৰ থল আছে।

এটা জাতিৰ কথা জানিবলৈ হ'লে ৰাজনৈতিক ইতিহাসেই যথেষ্ট নহয়। ভাষা, সাহিত্য, আচাৰ, ৰীতি-নীতি, সমাজ, ধৰ্ম আদিয়েও জাতিৰ ইতিহাস নিৰ্ণয়ত বহুখিনি সহায় কৰে। এইবিলাকৰে বা আমি কিমান জানো? অসমীয়া সাহিত্যৰ ইতিহাস সম্পৰ্কে গোস্বামীৰ মত— প্ৰহ্লাদ চৰিত্ৰই অসমীয়া সাহিত্যৰ প্ৰাচীনতম লিখিত পুথি নহয় আৰু হব নোৱাৰে। × × কোনো কোনো পণ্ডিতে ভাবে যে বৌদ্ধ দোহাবোৰৰ ভাষাত প্ৰাচীন অসমীয়া আৰু বঙলা ভাষাৰ নমুনা পোৱা যায়। সেই বিষয়ত মোৰ মতদ্বৈধ নাই। কিন্তু মোৰ দুখ লাগে ইয়াকে ভাবিছে যে আমি এই পদবোৰ বৈজ্ঞানিক প্ৰণালীৰে পঢ়ি তাৰ গঢ়-গঠন আৰু পৰিবৰ্তনৰ বিষয়ে ক্ৰমাগত আলোচনা কৰি হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ যুগলৈকে তাৰ ইতিহাসৰ পম খেদিবলৈ যত্ন কৰা নাই!

ধৰ্ম আৰু সামাজিক আচাৰ-ৰীতি বিষয়ক আলচত গোস্বামীয়ে লিখিছিল- 'কামৰূপত এসময়ত বৌদ্ধ ধৰ্ম প্ৰচলিত আছিল আৰু সি ইয়াত দকৈ শিপাব পাৰিছিল। চুটিয়া আৰু কছাৰী আদিসকলৰ ধৰ্ম কাৰ্য্যকে ভিতৰ কৰি এতিয়া প্ৰচলিত থকা সকলোবোৰ ধৰ্মৰেই অনুষ্ঠান-বিলাকত বৌদ্ধ ধৰ্মৰ কিছু প্ৰভাৱ থকা অনুমান কৰিব পাৰি। আমাৰ দেশত শৈৱ, শাক্ত আৰু বৈষ্ণৱ তিনিও প্ৰকাৰ ধৰ্মানুষ্ঠানৰ প্ৰভাৱ থকাৰ বহুতো প্ৰমাণ পোৱা যায়। আধুনিক ধৰ্মোৎসৱবিলাক কিন্তু বৈষ্ণৱ ধৰ্মৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে। তদুপৰি ৰাতিখোৱা ভকতীয়া সম্প্ৰদায়, তামোল নোখোৱা সম্প্ৰদায়, গোপীধৰা সম্প্ৰদায় আদি বুৰিয়ে বুৰিয়ে অনেক গুপ্ত সম্প্ৰদায় অসমত আজিও আছে। এইবিলাকৰ ধৰ্মভাব আৰু জীৱনৰ ওপৰত সিবোৰৰ প্ৰভাৱৰ কথা উপযুক্ত প্ৰত্নতাত্ত্বিকৰ অনুসন্ধানৰ বিষয়বস্তু হৈ আছে।

তেওঁ আৰু কৈছে—তেজপুৰৰ বামুণী পাহাৰত পৰি থকা ভগ্নাৱশেষে গুপ্ত যুগৰ ভাস্কৰ্য্যৰ গৌৰৱ ঘোষণা কৰিছে; কিন্তু সেই

মন্দিৰ সজাইছিল কোনে আৰু কেতিয়া? এই শিলত কটা ভাস্কৰ্য্যৰ লগত কামৰূপৰ ছয়গাঁৱৰ চান্দোসদাগৰৰ মেৰঘৰৰ ভগ্নাৱশেষবো মিল দেখা যায়। আচলতে সেইবোৰ একে সময়ৰে ভাস্কৰ্য্যৰ চানেকি নে?

ডিমাপুৰৰ ভগ্নাৱশেষবোৰ খুব সম্ভৱ কছাৰী ভগ্নাৱশেষ নহয়। এইবোৰ বিস্মৃতিৰ গৰ্ভত আজি মাৰ যাব'ল ওলোৱা কোনো লিঙ্গ পূজাৰেই চানেকি যেন লাগে।

দীঘলী পুখুৰীটোৰেই বা অতীত কাহিনী কি? কমৰূক বা ভীমৰূক নগৰত থকা ভালুক পুং, বৈদ্যৰ গড়, কেণ্ডুৱা গড়, জোঙালবলহু গড়, পৃথিমী নগৰ এইবোৰকেই বা সজাইছিল কোন বংশই? সেই সময়ত দেশৰ সাধাৰণ অৱস্থাই বা আছিল কেনে?

আমাৰ দেশত যতবোৰ দেৱালয় আছে সেইবোৰৰেই বা আমি কি বুজ পাওঁ? নৱগ্ৰহ দেৱালয় আৰু ছত্ৰাকাৰ কি? নৱগ্ৰহৰ দৰে সূৰ্য্য পাহাৰো এটা সাঁথৰৰ দৰে। উগ্ৰতাৰা বৌদ্ধ দেৱী নেকি? জনাৰ্দ্দন বৌদ্ধ মূৰ্ত্তি নে? শুক্লেশ্বৰ কোনে স্থাপন কৰিছিল? দীৰ্ঘেশ্বৰ, ধাবেশ্বৰ, মণিকৰ্ণেশ্বৰ ইত্যাদিৰ অতীত বুৰঞ্জী কি? হাজোৰ হয়গ্ৰীৱ মাধৱ দেৱালয়ৰ বা কামাখ্যা মন্দিৰৰ বিষয়েই বা আমি কিমান কথা জানো? আমাৰ দেশতো বহুতো দেৱালয়ত নাচনীৰ আবিৰ্ভাৱ হৈছিল। ইয়াৰ লগত দাক্ষিণাত্যৰ দেৱদাসী নৃত্য-প্ৰথাৰ কিবা সম্বন্ধ বা সমন্বয় আছে নেকি? বহুতো মন্দিৰত আকৌ মূৰ্ত্তি স্নান কৰোৱা মানুহ ব্ৰাহ্মণ নহয়। ইয়াৰ কাৰণ কি?

ইয়াৰ পিছত সমগ্ৰ কামৰূপ জিলাত ব্যাপকভাৱে হোৱা ভঠেলি উৎসৱৰ কথা উত্থাপন কৰি তেওঁ কয়—এই উৎসৱটোৰ এইকেইটা কথা মন কৰিবলগীয়া; (১) বৰ দীঘল বাঁহ এডাল বিবিধ বঙৰ কাপোৰ আৰু অলঙ্কাৰেৰে সজাই পুতি দিয়া হয়; (২) ভঠেলিৰ কাৰণে সজা ঘৰটো অন্য এটা দলে আহি ভাঙি দিয়ে। (৩) ভঠেলি ঘৰ কল-পটুৱাৰে সজা হয়। ইয়াক এটা খুটাৰ ওপৰতে বৰ কৌশলেৰে সজা হয়। (৪) সাধাৰণতে ভঠেলিৰ লগতে এখন ডাঙৰ মেলা হয়। এই

আচৰিত প্ৰথাবোৰৰ ইতিহাস কি? ই অতীতৰ বিস্মৃতিত যাব যোৱা কোনো যুদ্ধ-বিজয়ৰেই স্মৃতিবাহী উৎসৱ নেকি? নে ই কিবা বসন্তোৎসৱৰ লগত সম্বন্ধ থকা উৎসৱ?—এনেবোৰ এশ এবুৰি প্ৰশ্নই আমাক প্ৰত্নতত্ত্বৰ অনাবিষ্কৃত বিশাল সাম্ৰাজ্য এখনলৈ আঙুলিয়াই দিয়ে।

ৰাতিখোৱা সম্প্ৰদায় সম্পৰ্কে গোস্বামীদেৱে মঙ্গলদৈত কাম কৰা সময়ত কেনে ধৰণৰ অনুসন্ধান চলাইছিল সেই বিষয়ে আগতে উল্লেখ কৰা হৈছে।

প্ৰত্নতত্ত্বৰ ক্ষেত্ৰত প্ৰতিক্ৰিয়া

সাহিত্য ক্ষেত্ৰতে হওক বা প্ৰত্নতত্ত্বৰ ক্ষেত্ৰতে হওক গোস্বামী আছিল এজন প্ৰগতিশীল লেখক। চিন্তাৰ নতুনত্ব তেওঁৰ লেখনীৰ বিশেষত্ব। কিন্তু এটা কথা মনত ৰাখিব লাগে যে কোনো লোকে নতুন তথ্য আবিষ্কাৰ কৰিবলৈ গৈ যেতিয়া আবহমান কালৰপৰা চলি থকা ৰীতি-নীতি সমালোচনা কৰি কোনো বদ্ধমূল ধাৰণাত সন্দেহ উপস্থিত কৰে, তেতিয়াই সমাজৰ লগত তেওঁৰ সংঘৰ্ষ হয়। গোসাঁইদেৱৰো তেনে নোহোৱাকৈ নাছিল। এনে কি বহুত লোকে গোসাঁইৰ গৱেষণাত অনেক সময়ত অভিসন্ধি আৰোপ নকৰাকৈও থকা নাছিল; বহুতে তেওঁক অনেক সময়ত বামুণীয়া বুদ্ধিৰ দ্বাৰা প্ৰণোদিত হোৱা বুলি তীব্ৰভাৱে সমালোচনাও কৰিছিল। গোসাঁইদেৱে যেতিয়া কামৰূপ অনুসন্ধান সমিতিৰ বছৰেকীয়া অধিবেশনৰ সভাপতিৰ অভিভাষণত ডিমাপুৰৰ প্ৰাচীন ধ্বংস-কীৰ্তিৰ মাজত থকা অদ্ভুত ধৰণৰ শিলৰ স্তম্ভ সম্পৰ্কে উল্লেখ কৰি ই কছাৰী কীৰ্তিৰ নিদৰ্শন নহৈ কোনোবা দূৰ অতীতৰ লিঙ্গপূজাৰ চিহ্ন হবও পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছিল, তেতিয়া সদৌ বড়ো জাতিৰ মাজতেই চাঞ্চল্যৰ সৃষ্টি হৈছিল। কাৰণ, বড়োসকলে ডিমাপুৰৰ ভগ্নাৱশেষৰ ভাস্কৰ্য্য তেওঁলোকৰ জাতীয় কৃষ্টিৰ

অতীত ইতিহাস বুলিয়েই সদায় বিশ্বাস কৰি আহিছে। ইফালে তেনে কথাৰ দ্বাৰা গোসাঁইদেৱে বৈজ্ঞানিক গৱেষকসকলৰ কাৰণে এটা নতুন প্ৰশ্নহে মাথোন দাঙি ধৰিছিল। নকলেও হব যে তেনে কাৰ্য্য তেওঁৰ সম্পূৰ্ণ সদিচ্ছা-প্ৰণোদিত আছিল। সদৌ অসম বড়ো সম্মিলনে কিন্তু গোসাঁইদেৱক তাৰ বাবে গৰিহণা নিদিয়াকৈ নাথাকিল।

সেইদৰে কামৰূপীয় বৈষ্ণৱ ধৰ্ম বিষয়ৰ প্ৰবন্ধ আৰু কলিতা জাতিৰ ইতিহাসৰ কথা লিখোঁতেও গোসাঁইদেৱে চোকা সমালোচনা কম পোৱা নাছিল। গোসাঁয়ে কিন্তু এইবোৰলৈ সিমান ভ্ৰূক্ষেপ কৰা নাছিল।

তত্ত্বভূষণ ৰাজমোহন নাথদেৱে সেই কাৰণেই লিখিছে — × × × অসম সাহিত্য সভা পত্ৰিকাত ভীষ্মক নগৰ শীৰ্ষক এটা প্ৰবন্ধত মই প্ৰকাশ কৰি দিছিলোঁ যে, সদিয়া অঞ্চলত পুৰাণোক্ত ভীষ্মক নগৰ নাছিল। প্ৰবন্ধ প্ৰকাশ হোৱা মাত্ৰকেই গোস্বামী ডাঙৰীয়াৰপৰা বহু উদগনিপূৰ্ণ এখন পত্ৰ পালোঁ। তাৰ সাৰাংশ হৈছে তেওঁ। হেনো এই কথাটো সদায় ভাবি আছিল। কিন্তু লোকৰ গালি খোৱাৰ ভয়ত সাহস কৰি লিখিব পৰা নাছিল। মোৰ সাহস আৰু লেখনীৰ শলাগ লৈ এই সম্পৰ্কে আৰু কেইটামান তথ্য তেওঁ লিখি পঠালে। তাৰ পিছতো কোনো কাকতত মোৰ গৱেষণামূলক প্ৰবন্ধ ওলোৱা মাত্ৰেই গোস্বামী ডাঙৰীয়াই গুণাগুণ বিচাৰ কৰি মোলৈ পত্ৰ লিখে।

'এবাৰ তেওঁ মোলৈ লিখিছিল – আমাৰ দেশৰ মানুহে নতুন কথা ভাল নাপায়। পুৰণি কথা ভুল হলেও তাকে আঁকোৱালি ধৰি থাকিবলৈ ভাল পায়। নিজে একো নকৰে, অথচ আইনে পৰিশ্ৰম কৰি কিবা এটা কলে নিজে সৰ্বজ্ঞান হৈ সেই বিষয়ে যিহকে পাৰে এটা বিৰুদ্ধ সমালোচনা কৰি দিয়ে আৰু প্ৰতি বিষয়ত একোটা ব্যক্তিগত অভিসন্ধি আৰোপ কৰে। পিছে এইবোৰত কাণ দিব নালাগে। গৱেষকসকল প্ৰাচীনপন্থীৰ কথা শুনি বহি থাকিলে উত্তৰ-পুৰুষসকলৰ ওচৰত দোষৰ ভাগী হব।'

শৰৎচন্দ্ৰ গোস্বামী মানুহজন

দেখাত ওখ-পাখ, তেজগোৰা বৰণৰ, লনি গাৰে গহীন-গম্ভীৰ সহা-গুৱনি লোকজনেই আছিল শৰৎচন্দ্ৰ গোস্বামী। চুৰিয়া-চোলাই হওক বা কোট-পেণ্টেই হওক, যি সাজকে পিন্ধিছিল সেয়ে তেওঁক শুৱাই তুলিছিল। সাধাৰণতে অফিচত কাম কৰা সময়ত তেওঁ আছিল চাহাবী সাজ-পাৰেৰে চাহাবটো আৰু জাতীয় সামাজিক অনুষ্ঠান-বোৰত শুধ অসমীয়া ভদ্ৰলোক। সদায় সকলো সময়তে তেওঁৰ মুখমণ্ডল আছিল উজ্জ্বল আৰু প্ৰফুল্ল। তেওঁৰ মাত সৰু আছিল যদিও কথাবোৰ আছিল স্পষ্ট আৰু পোনপটীয়া। খং উঠিছিলেই: কেতিয়াবা কেনেবাকৈ উঠিলেও তেওঁ কেতিয়াও ডাঙৰ মাতেৰে কোনোদিন চিঞৰি কথা নকৈছিল। মধুৰ বচনেৰে সকলোকে তুষ্ট কৰি পঠিয়াব পৰাটো তেওঁৰ চৰিত্ৰৰ এটি বৈশিষ্ট্যই আছিল। সেয়েহে বহুতে কৈছিল—শৰৎ গোস্বামীয়ে মানুহক কথাৰে মোহিনী মাৰিব পাৰিছিল। এনেবোৰ গুণৰ অধিকাৰী আছিল বাবে সদায় তেওঁ উচ্চ চৰকাৰী পদবীৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখি চলিব পাৰিছিল।

গোস্বামীয়ে সৰুৰেপৰা পিতৃ-মাতৃক পূজাৰ দেৱ-দেৱীক ভক্তিৰে মনাৰ দৰে মানি চলিছিল। তেওঁ নিজেই কৈছিল যে জীৱনত কোনোদিন তেওঁ মাতৃ-বাক্য লঙ্ঘন কৰা নাছিল। ককায়েক পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীকো তেওঁৰ পিতৃৰ তুল্য ভক্তি কৰিছিল আৰু ককায়েকেও তেওঁক প্ৰাণাধিক স্নেহ কৰিছিল। সৰু কালত তেওঁ-লোক দুয়োকো গাঁৱৰ মানুহে ৰাম-লক্ষ্মণ বুলি আনন্দ লভিছিল বুলি আগতে উল্লেখ কৰা হৈছে।

বাওঁ ফালৰপৰা সোঁফাললৈ (বহি)

১। প্ৰতিভা দেৱী গোস্বামী (দুহিতা) ২। শৰৎচন্দ্ৰ গোস্বামী

৩। সুপ্ৰভা গোস্বামী (দুহিতা) ৪। ভুবনেশ্বৰী দেৱী (পত্নী)

চাকৰ-মাকৰৰ প্ৰতি গোস্বামীৰ ৰ মৰমিয়াল আছিল। তেওঁৰ মৰম মুখৰ মৰমেই নাছিল; কাৰ্য্যতো তেওঁৰ সেই মৰম ফুটি ওলাইছিল। অনেক নিঠৰুৱা লগুৱা আৰু চাকৰনীৰ তেওঁ ঘৰ-সংসাৰ পাতি দিছিল। উপযুক্ত দুই-এজনক চাকৰিতো সুমাই দিছিল। তেওঁৰ ঘৰত ছাত্ৰবৃত্তি পাছ বামুণৰ ল'ৰা এটাই দৰমহা খাই কিছুদিন ৰান্ধনি কাম কৰি আছিল। তেওঁ সেই ল'ৰাটোক নৰ্মাল পাছ কৰাই চৰকাৰী চাকৰিত সুমাই দিছিল। যথাসময়ত সেই মানুহজন সমাজৰ এজন মাতব্বৰ লোক আৰু আৰ্হি পুৰুষ হৈ পৰিছিল।

গোসাঁইৰ পত্নী ভুবনেশ্বৰী দেৱী মাতৃৰ পোৱাৰ পিছৰপৰা বহু দিন ধৰি ৰুগ্না হৈ পৰিছিল। গোস্বামীয়ে তেওঁৰ চিকিৎসাত অজস্ৰ ধন ভাঙিছিল। গোসাঁইৰ পুত্ৰ-সন্তান নাই, পত্নীও ৰুগ্না; তাকে দেখি এজন অন্তৰঙ্গ বন্ধুৱে তেওঁৰ আগত এদিন পুনৰ্বিবাহৰ প্ৰস্তাৱ তুলিছিল। তেওঁ তেতিয়া কাঠ-হাঁহি মাৰি উত্তৰ দিছিল এৰা, সংসাৰৰ বাকী সকলো সুখ হ'ল, এতিয়া কেৱল সেই সুখটোহে বাকী আছে!

গোস্বামীৰ বক্তৃতা আছিল সদায় বিষয়-নিবদ্ধ। লাগিলে তেওঁ লিখিত বক্তৃতাকে গাই দিছিল, তথাপি চালে-বাবে-কোবোৱা অংগুৰৰ কথা কৈ কেতিয়াও সময় নিনিয়াইছিল আৰু কেতিয়াও আৱেগপ্ৰৱণ নহৈছিল। অবাবত সময় নষ্ট কৰা তেওঁ সমূলি সহ্য কৰিব নোৱাৰিছিল। জীৱনৰ সকলো কাৰ্য্যতে তেওঁ সময়ৰ মূল্য খুব ভালকৈ বুজি চলিছিল।

সাধাৰণ কাম-কাজ, আচাৰ-ব্যৱহাৰ, অভ্যাস আদিৰ মাজেদিহে মানুহৰ জীৱনৰ মহত্ত্ব পৰা পাব। গোস্বামী আছিল সৰ্ব ভাভাৱে স্বাৱলম্বী। তাতে স্কাউটিং শিক্ষা লোৱাৰ পাছত তেওঁ আৰু বেছি পৰিপাটি আৰু আত্মনিৰ্ভৰশীল হৈছিল। অসম। ছাত্ৰসকলৰ মাজত স্কাউটি প্ৰতিষ্ঠা কৰোঁতাসকলৰ ভিতৰত তেওঁ আছিল অন্যতম। তেওঁ নিজে স্কাউটৰ প্ৰশিক্ষণ লৈছিল আৰু 'উড্‌বেজ ট্ৰেইনিং'ত কৃতিত্বেৰে উত্তীৰ্ণ হৈছিল। স্কুল ইন্‌স্পেক্টৰ হৈ তেওঁ সমস্ত অসম

উপত্যকাতে স্কাউটৰ প্ৰশিক্ষণ চলাইছিল আৰু তেওঁৰ যত্নতেই ১৯৩৭ চনত দিল্লীত অনুষ্ঠিত প্ৰথম ভাৰতীয় স্কাউট জাম্বুৰীত অসমৰ স্কাউটৰ দলটোৱে ভাৰতৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিব পাৰিছিল। শিক্ষা বিভাগৰ উচ্চ কৰ্মচাৰী হৈও তেওঁ নিজে অসমৰ প্ৰভিন্সিয়েল স্কাউট কমিছনাৰ পদত নিযুক্ত হবলৈ পাইছিল আৰু তেনে পদৰ কৰ্তব্য কৰিবলৈ পাই তেওঁ উৎসাহিত আৰু গৌৰৱান্বিত হৈছিল।

এইখিনিতে গোস্বামীদেৱৰ জীৱনৰ সাধাৰণ অভ্যাস কিছুমানৰ কথা উল্লেখ কৰা ভাল হব। গোস্বামী সদায় ব্ৰহ্মমুহূৰ্ত্ততে শুই উঠিছিল আৰু শৌচাচাৰ, ক্ষৌৰকৰ্ম, স্নানাদি প্ৰাতঃকৃত্য সমাপন কৰি সন্ধ্যা আহ্নিকৰ অন্তত, বেলি উঠাৰ লগে লগে সাজপাৰ পিন্ধি, জা-জলপান খাই দিনটোৰ কৰ্তব্যৰ কাৰণে প্ৰস্তুত হৈছিল। ৰাতি-পুৱা, দুপৰীয়া আৰু ৰাতি সদায় খোৱাৰ পাছত তেওঁ দাঁত ঘঁহি ভালকৈ মুখ ধুইছিল। চুৰত, ধপাত আৰু তামোল তেওঁ সমূলি নাখাইছিল। তেওঁ সকলো কামতে অতিশয় পৰিপাটি আছিল আৰু ঘৰৰ সকলো পৰিয়ালকে, আনকি চাকৰ-চাকৰনীকো পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ পৰিপাটিকৈ থাকিবলৈ শিক্ষা দিছিল। তেওঁৰ ঘৰৰ কোনোৱে অসময়ত হাঁহি-খিকিন্দালি নকৰিছিল আৰু যথাসময়ত সকলোৱে ওলাই চোতালত বা সন্মুখৰ ঘাঁহনিত ৰং ধেমালি কৰিছিল। মাজে-সময়ে তেওঁ নিজেও তেনে খেল-ধেমালিত যোগ দিছিল। বন্ধৰ-দিনত ঘৰৰ সকলো পৰিয়াল লৈ বাহিৰলৈ বালি-ভোজ খাবলৈ যোৱাটো তেওঁৰ কাৰণে এটা আমোদজনক কাম আছিল। ভোজ খাই উভতিবৰ সময়ত তেওঁ নিজৰ তত্ত্বাৱধানত ভোজ খোৱা ঠাইডোখৰ পৰিষ্কাৰ কৰাইহে ঘৰমুৱা হৈছিল। চাকৰ-নাকৰক তেওঁ মাজে-সময়ে কেতিয়াবা বকিছিল যদিও কোনো দিন কেতিয়াও হাতেৰে প্ৰহাৰ নকৰিছিল। তেওঁ সদায় সিহঁতৰ দুখ বুজি চলিছিল আৰু সিহঁতক সিহঁতৰ সামৰ্থ্য চাইহে কাম দিছিল।

বিপদত ধৈৰ্য্য ধৰি চলিব পৰাটো গোসাঁইৰ এটা ডাঙৰ গুণ

আছিল। তেওঁ এদিন কৈছিল—খৰালি বৰনদীত যেয়ে-সেয়ে নাও বাই যাব পাৰে, কিন্তু বাৰিষা যেতিয়া পানীৰ সোঁত বাঢ়ে, ডকা ফুটে, ঢৌ-চাকনৈয়া উঠে, ধুমুহা আহে, তেতিয়া তাৰ মাজেদি যি সুকলমে নাও চলাই নিব পাৰে, তেওঁহে নাৱৰীয়া। সেইদৰে সংসাৰৰ বিপদ-ধুমুহাত থিৰে থাকি যি সংসাৰ চলাব পাৰে, তেওঁহে প্ৰকৃত গৃহস্থ।'

এইদৰে গোসাঁইৰ সংসাৰ বৰ সুশৃঙ্খল আৰু শান্তিপূৰ্ণ আছিল। ৰাতি সদায় খোৱাৰ সময়ত ঘৰৰ সকলোকে লগত লৈ খাবলৈ বহা আৰু খোৱাৰ পিছত কিছু সময় ল'ৰা-ছোৱালীৰ মাজত বহি নানা প্ৰকাৰৰ আলাপ-আলোচনা কৰা তেওঁৰ এটা অভ্যাস হৈ পৰিছিল। সেই সময়ৰ আলোচনাত সকলোৱে মন খুলি নিজৰ ভাব প্ৰকাশ কৰিব পাৰিছিল আৰু সামাজিক, ৰাজনৈতিক বা গাৰ্হস্থ্য জীৱনৰ কোনো কথা তাৰপৰা বাদ নপৰিছিল। সেই আলোচনাৰ মাজত আনকি কোনোবাই তেওঁৰ কাৰ্য্যৰ কিবা সমালোচনা কৰিব খুজিলেও কৰিব পাৰিছিল আৰু তেওঁ ধৈৰ্য্য ধৰি শুনি তাৰ যথাযথ উত্তৰ দি সকলোকে সন্তুষ্ট কৰিছিল। এনে কাৰ্য্য কৰি সৎ সাহস দেখুওৱা বাবে তেওঁ তেনেজনক সততে প্ৰশংসা কৰিছিল।

ডেকা কালত মাছ-মাংস গোসাঁইৰ বৰ প্ৰিয় খাদ্য আছিল। তেওঁ নিজে জুতি লগাকৈ খাইছিল আৰু আনকো জুতি লগাই খুৱাই সন্তোষ লভিছিল। সেইবুলি তেওঁ ভূৰি-ভোজন নকৰিছিল।

যোৰহাটৰ ইন্‌স্পেক্টৰৰ বঙলাটো আছিল চাহাবসকলৰ বঙলাৰ সোঁ মাজত। তালৈ মানুহ সাৱধানে-সন্তৰ্পণে যায়। এবাৰ বৰপেটাৰ গিৰীশ ৰায়চৌধুৰী ক'ৰবাৰপৰা গৈ ৰাতি হোৱা বাবে তেওঁৰ ঘৰত আলহী নাথাকিল। অইন ক'ৰবাত থাকি পিছদিনা বন্ধুৰ খাতিৰত তেওঁক মাত লগাবলৈ গ'ল। তেতিয়া গোসাঁয়ে খেদ কৰি কৈছিল—আমাৰ তাতনো কিয় আলহী হব? মোৰে দুৰ্ভাগ্য যে মই চাহাবৰ বঙলাত আছোঁ।— সেই বঙলাৰ কম্পাউণ্ডতে তেওঁ মাৰ বিহুত মেজি পুৰি,

বাঁহৰ ছিলৈ ফুটাই বিহুৰ উৎসৱ কৰিছিল। উৰুকাৰ দিনা চোতালতে তম্বু তৰি থাকি, ওচৰতে ভেলা-ঘৰ সাজি পৰিয়ালৰ সকলোৱে লগ লাগি তাতে বান্ধি-বাঢ়ি খাইছিল আৰু পিছদিনা সেই ভেলা-ঘৰ পুৰি জুই পুৱাইছিল। বিহুৰ দিনা তেওঁৰ ঘৰত মাহ-কৰাই, তিল-পিঠা, দৈ-চিৰা আদি খোৱা সকলোৰে তৃপ্তিকৰ কাম আছিল।

গোস্বামী অতিশয় মিতব্যয়ী লোক আছিল। সেইবুলি কিন্তু তেওঁক কৃপণ বুলিব নোৱাৰি। অৱশ্যে তেওঁৰ থকা-মেলাৰ আদব-কায়দা, পিন্ধন-উৰণ, খোৱা-বোৱা আদিৰ আৰম্বৰ দেখি মানুহে ভাবিবলৈ বাধ্য হৈছিল যে তেওঁ বৰ খৰচী লোক। খুচুৰা খৰচৰ ওপৰত চকু ৰাখি আৰু অনাৱশ্যকীয়-ব্যয়-সংকোচৰ দ্বাৰা তেওঁ মিতব্যয়ী হৈ চলিছিল। তেওঁ তাৰদ্বাৰা কৰা অৰ্থ-সঞ্চয়ৰ সহায়ত পৰিকল্পিত মহৎ কামৰ আঁচনি একোটা কাৰ্য্যত পৰিণত কৰিবলৈ পাঙি চলিছিল কিন্তু মনৰ পৰিকল্পনা তেওঁ সদৰী কৰি নুফুৰিছিল। অকাল আৰু আকস্মিক মৃত্যুৱে তেওঁৰ মনৰ তেনে উদ্দেশ্য কাৰ্য্যত প্ৰতিফলিত হবলৈ সুযোগ নিদিলে।

নিমন্ত্ৰণী চিঠিবোৰৰ নিলিখা অংশ গোস্বামীয়ে সযতনে কেঁচিৰে কাটি 'স্লিপ'ৰূপে বা অন্যথা ব্যৱহাৰ কৰিছিল। ব্যৱহাৰ কৰা চিঠিৰ লেফাফাবোৰো যতনেৰে ৰাখি কামত খটাইছিল। ল'ৰা-ছোৱালীহঁতে কৃপণৰ দৰে কাম কৰা বুলিলে তেওঁ কৈছিল 'তহঁত ডাঙৰ মানুহৰ ল'ৰা-ছোৱালী। এইবোৰৰ মোল কি বুজিবি? এইবোৰ বুজিবলৈ তহঁতক সময় লাগিব। তথাপি ভালকৈ চাই লচোন বাৰু।'

নিজৰ কামতে নহয়, চৰকাৰী কাম আৰু ৰাজহুৱা অনুষ্ঠানৰ পৰিচালনাতো তেওঁ তেনেবোৰ সৰু সৰু খৰচৰ প্ৰতি চকু ৰাখি চলিছিল সেই কাৰণে তেওঁ গুৰি ধৰি থকা কোনো ৰাজহুৱা অনুষ্ঠানৰে কেতিয়াও তলি উদং হব নোৱাৰিছিল। অসম সাহিত্য সভাৰ ক্ষেত্ৰত সেইটো অতি স্পষ্ট হৈ উঠিছিল।

গোস্বামীয়ে মহৎ উদ্দেশ্যে ডাঙৰ দান কৰিবলৈ নাপালে; কিন্তু জীৱনত সৰুৰাভাৱে যিমু দান কৰিছিল, তাৰ সদ্ব্যৱহাৰৰ ফালে সদায়

তেওঁ নজৰ ৰাখিছিল। দানৰ টকাৰ উচিত ব্যৱহাৰ নহ'বও পাৰে বুলি শঙ্কা কৰিয়ে তেওঁ গাঁৱলীয়া পুথি-ভঁৰাললৈ দিয়া দানৰ টকাৰে উপযুক্ত পুথিহে কিনি দি পঠাইছিল।

তেওঁৰ ওচৰলৈ চাকৰি বিচাৰি অনেক লোক গৈছিল। তাৰে বহুতে চাকৰি পাই কৃতাৰ্থ হৈছিল আৰু বহুতে বিফল-মনোৰথ হৈ উভতি আহিছিল। কিন্তু অকৃতকাৰ্য্য হোৱাসকলেও কোনো দিন তেওঁৰ ব্যৱহাৰত ক্ষুণ্ণ নহৈছিল। তেওঁৰ ব্যৱহাৰত সকলোৱে বৰং মুগ্ধ হৈ উভতিছিল। তাকেই এদিন তেনে এজন যুৱকে কৈছিল—'গোসাঁয়ে একো নিদিলে; নিদিয়ে বুলি আগতে জানো; তথাপি দেখোন সকলো পালোঁ পালোঁ যেনহে লাগিছে। শত্ৰুৱেও তেওঁক গালি পাৰিব নোৱাৰে।'

এইজনাই আছিল শৰৎচন্দ্ৰ গোস্বামী।'

গোসাঁইদেৱৰ লোকান্তৰত শ্ৰদ্ধাঞ্জলি

শৰৎচন্দ্ৰ গোস্বামীৰ বিয়োগত অকল অসমতে নহয় ভাৰতৰ বিভিন্ন ঠাইৰ অনেক লোকে শোক প্ৰকাশ কৰি তাঁৰ-বাৰ্তা, চিঠি, শোক-প্ৰস্তাৱ আদি পঠিয়াইছিল ; অনেক ঠাইত নানা অনুষ্ঠানৰ জৰিয়তে তেওঁৰ গুণগ্ৰাহী লোকসকলে সভা-সমিতি পাতি তেওঁৰ জীৱনৰ কীৰ্তি আৰু কাৰ্য্যাৱলী আলোচনা কৰিছিল। তেনে শোকোচ্ছ্বাসৰ আভাস দিবলৈ তলত খনচেৰেক চিঠি, প্ৰস্তাৱৰ প্ৰতিলিপি আৰু বাতৰি কাকতৰ উদ্ধৃতি দিয়া হ'ল।

শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৱে সাতদিনীয়া বাঁহীত এইদৰে শোক প্ৰকাশ কৰিছিল -

"ব্ৰহ্মপুত্ৰ উপত্যকাৰ স্কুলসমূহৰ ভূতপূৰ্ব ইন্স্পেক্টৰ ৺ শৰৎ চন্দ্ৰ গোস্বামীৰ ১৭।১২।৪৭ তাৰিখে দিল্লী নগৰত হোৱা আকস্মিক মৃত্যুৰ সংবাদ ২৩।১২ তাৰিখৰ 'অসমীয়া' পত্ৰৰপৰা জানিবলৈ পাই অতিশয় দুঃখিত হলোঁ।

তেখেত এজন বিশেষজ্ঞ লোক আছিল আৰু অসমীয়া শিক্ষা কেন্দ্ৰৰ গৌৰৱ প্ৰতিষ্ঠানত অগ্ৰণী আৰু উৎসাহী আছিল। আগন্তুক বিশ্ববিদ্যালয়ৰ প্ৰধান উদ্যোক্তাসকলৰ ভিতৰত তেখেতো এজন অন্যতম আছিল। আমি কাজি বাহৰত গোসাঁইৰ লগত কথা-বতৰা হৈ বুজিব পাৰিছিলোঁ যে তেখেত কেৱল পাশ্চাত্য বিদ্যাতে কৃতী আছিল এনে নহয়, সংস্কৃত সাহিত্যতো তেখেতে অভিজ্ঞতা অৰ্জন কৰিছিল। এনে এজন সুযোগ্য লোকৰ হঠাৎ হোৱা তিৰোধানে অসমবাসী মাত্ৰৰেই অন্তৰত আঘাত নিদিয়াকৈ থাকিব নোৱাৰে।

তেখেতৰ শোক-সন্তপ্ত অগ্ৰজাদি পৰিয়ালবৰ্গক এই কাকতৰ

যোগেদিয়ে আমি সমবেদনা জনালোঁ। মৰ জগতত কোনো স্বাধীন নহয়; সকলোৱে কৰ্মাধীন। পান্থশালাৰ দৰে এই সংসাৰত কৰ্মানুসাৰে জীৱনৰ যাতায়ত ঘটি থাকে। ইয়াকে ভাবি সিসকলেও শোক এৰি শান্তি লাভ কৰে যেন।"

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সন্মিলন (কন্‌ভেন্‌শ্যন) ২৯।৩০ ডিচেম্বৰত (১৯৪৪ চন) গুৱাহাটীত বহে। তাত তলত লিখামতে প্ৰস্তাৱ গৃহীত হয়। সন্মিলনৰ সভাপতি আছিল লোকপ্ৰিয় দেশনেতা গোপীনাথ বৰদলৈ। বিশ্ববিদ্যালয় ট্ৰাষ্ট বোৰ্ডৰো তেওঁ সভাপতি নিৰ্বাচিত হৈছিল।

"এই সন্মিলনে ৺ শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ অকাল আৰু আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। এই সন্মিলনৰ তেখেতেই আহ্বায়ক আছিল আৰু ট্ৰাষ্ট বোৰ্ডৰো সম্পাদক আছিল। বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে তেখেতে কৰা আশাশুধীয়া কাৰ্য্যাৱলীৰ কথা সভাই কৃতজ্ঞতা সহকাৰে সোঁৱৰে আৰু সেইবোৰৰ বিশেষ শলাগ লয়।"

"সন্মিলনৰ সভ্যসকলে বিশ্বাস কৰে যে স্বৰ্গীয় গোসাঁইদেৱৰ বহু-আকাঙ্ক্ষিত বিশ্ববিদ্যালয়খন স্থাপন কৰিব পাৰিলেই বিগত আত্মাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাজ্ঞাপন আৰু স্মৃতিতৰ্পণ কৰা হ'ব।"

"এই সন্মিলনে শোকসন্তপ্ত বিধবা পত্নী আৰু আন আন পৰিবাৰবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

স্বাঃ শ্ৰীগোপীনাথ বৰদলৈ
সভাপতি
গুৱাহাটী ; ১০।১।৪৫

পুণাৰ 'হাৰ্ভেণ্টছ্ অৱ ইণ্ডিয়া ছোচাইটি'ৰপৰা শিক্ষাবিদ পণ্ডিত এ· ভি ঠক্কৰে লিখিছিল—

"কল্যাণীয়া সুপ্ৰভা,

তোমাৰ পিতৃদেৱতাৰ মৃত্যু সংবাদ পাই বৰ দুঃখিত হলোঁ। তেখেত মোৰ এজন অন্তৰঙ্গ বন্ধু আছিল। দিল্লীত তেখেতৰ অসুখ হোৱা বাতৰি পাই ভাবিছিলো শীঘ্ৰে আৰোগ্য হব। কিন্তু ঈশ্বৰৰ ইচ্ছা অন্যৰূপ আছিল আৰু তেখেতে তাতেই মৃত্যু বৰণ কৰিবলগীয়া হ'ল। তেখেতৰ আত্মাই শান্তি লাভ কৰক। আশাকৰোঁ তোমালোকে এই শোক ভগৱৎ চৰণত অৰ্পিত চিত্তেৰেই গ্ৰহণ কৰিবাহঁক।"

× × × ×

অসম শিক্ষা বিভাগৰ ভূতপূৰ্ব ডিৰেক্টৰ, ইয়ং ইণ্ডিয়া ক্লাবৰ প্ৰতিষ্ঠাতা এছ· চি ৰায়দেৱে লিখিছিল—

"স্নেহৰ মাইচানা,

তোমাৰ পিতৃদেৱ মোৰ প্ৰিয় বন্ধু আছিল। তেখেতৰ আকস্মিক মৃত্যু সংবাদ শুনি মৰ্মাহত হৈছো। মই আৰু তোমাৰ 'মাসীমা'ৰ পক্ষৰপৰা তোমালোক সকলোটিকে আমাৰ অন্তৰৰ গভীৰ সমবেদনা জনাইছোঁ। তেখেতৰ আত্মাৰ প্ৰতি আমাৰ হিয়াভৰা শ্ৰদ্ধা-ভক্তিৰ অৰ্ঘ্য নিবেদন কৰিবৰ কাৰণে। কালিলৈ লাবানৰ আসাম ক্লাবত এখন সভা আহ্বান কৰা হৈছে। মাননীয় ছাৰ চৈয়দ মহম্মদ চাদুল্লা চাহাবে তাত সভাপতিত্ব কৰিব। উদয়পুৰলৈ যোৱাৰ আগতে তেখেতে প্ৰাথমিক শিক্ষাৰ শিক্ষকসমূহলৈ এটি সুন্দৰ বাণী দি গৈছিল। সেই বাণীটিকেই আমি আমাৰ কাৰণে শেষ সম্পত্তিৰূপে গ্ৰহণ কৰিছোঁ আৰু সভাত কালিলৈ তাকে পাঠ কৰি শুনাম।

ইয়ং ইণ্ডিয়া ক্লাবৰ কাৰণে তেখেতে নিজৰ উৎসাহ, উদ্যম, শক্তি আৰু সময় দি অনুষ্ঠানটোক নানা প্ৰকাৰে সহায় কৰিছিল। আজি আমি তেখেতক হেৰুৱাই দৰিদ্ৰ আৰু ক্ষতিগ্ৰস্ত হৈছো। সেই ক্লাবৰ পক্ষৰপৰাও তোমালোকলৈ বিশেষভাৱে সমবেদনা জনাইছো। আসামৰ শিক্ষা বিভাগ আৰু জাতীয় সেৱাৰ কৰ্মক্ষেত্ৰত তেখেতৰ অভাৱত যি এটি নক্ষত্ৰ হেৰাল সি আৰু পূৰ্ণ নহয়। আমি যেন প্ৰাথমিক শিক্ষা আৰু বিশ্ববিদ্যালয় সম্বন্ধে তেখেতৰ আশা পূৰ্ণ কৰি তেখেতৰ পৰলোকগত আত্মাক সান্ত্বনা দিব পাৰো।"

শান্তি কুটীৰ; শিলং ৩০।১২।৪৪

× × ×

ইণ্ডিয়ান হিষ্টৰিকেল ৰেকৰ্ড ছ্‌ কমিছনৰ তদানীন্তন সম্পাদক খ্যাতনামা বুৰঞ্জীবিদ পণ্ডিত ডঃ এছ. এন. সেনে গোস্বামীৰ সহধৰ্মিনীলৈ লিখিছিল—

"মহাশয়া,

আপোনাৰ প্ৰিয় স্বামীৰ মৃত্যুজনিত শোক সংবাদ পাই অতিশয় মৰ্মাহত হৈছো। এজন কৃতবিদ্য শিক্ষাব্ৰতী বুলি তেখেতক সমগ্ৰ ভাৰতে জানিছিল; তেখেতৰ মৃত্যুত আমাৰ ৰেকৰ্ড কমিছনেও বহু দিনৰপৰা থকা যোগ্য সদস্য এজনক হেৰুৱা বাবে অপূৰণীয় ক্ষতি অনুভৱ কৰিছে। তেখেতৰ ভদ্ৰ আচৰণ, বিনয় ব্যৱহাৰ আৰু জ্ঞান-গৰিমাৰ কাৰণে আমি তেখেতক ভাল পাইছিলোঁ। আমাৰ এই অনুষ্ঠানৰ সভাপতি আৰু আন আন সদস্যসকলৰ পক্ষৰপৰা মই সকলোৰে হৈ সমবেদনা জ্ঞাপন কৰিছো। এই ক্ষতিৰ দুখ বহনৰ শক্তি ঈশ্বৰে আপোনাক দিয়ক।"

× × ×

পুণা চহৰৰ লোক-কল্যাণ অনুষ্ঠানৰপৰা অধ্যাপক দত্তবামন পোদ্দাৰ মহাশয়ে লিখিছিল—

"মৰমৰ সুপ্ৰভা,

তোমাৰ শ্ৰদ্ধেয় পিতৃদেৱতাৰ মৃত্যু সংবাদ মই এইমাত্ৰ মাত্ৰাঙ্কৰ পৰা আহি পাই বিচলিত হৈছোঁ। দিন দিয়েক আগতে মই উদয়পুৰত তেখেতক লগ পাইছিলোঁ। পুণাত ডঃ সুৰেন্দ্ৰ নাথ সেন মহাশয়কো লগ পাইছিলো। তেখেতেও সেই শোকৰ বাতৰি পাইছে বুলি কলে। তোমালোকলৈ সমবেদনা-জ্ঞাপক পত্ৰও দিছে বুলি কলে। মৃত্যু আজিয়ে হওক বা কালিলৈয়ে হওক আহিবই। আমাৰো সময় চাপি আহিছে। এনে ধৰণৰ মৃত্যুৱে সেই কথা বেছিকৈ সোঁৱৰাই দিয়ে। কিন্তু আমি নিৰ্ভয়ে দৃঢ়তাৰে আমাৰ কৰ্তব্য কৰি যাব লাগিব।

উদয়পুৰত তোমাৰ মাতৃদেৱীৰ লগতো দেখা-সাক্ষাৎ হৈছিল। এই শোকত তেখেতে শান্তি কেনেকৈ পাব? মোৰ দৃঢ় বিশ্বাস যে তেখেতে প্ৰকৃত ব্ৰাহ্মণ-পত্নীৰ ধৈৰ্য্যেৰে এই শোকৰ সন্মুখীন হবলৈ সমৰ্থ হব! মই ছিলঙত তেখেতৰ আদৰ যত্নৰ মাজত এসপ্তাহ কটাই-ছিলো। নাজানো কেতিয়া আকৌ মা কামাখ্যাৰ, লগতে পুৰণি কামৰূপৰ সৌন্দৰ্য্য দেখা পাবলৈ সৌভাগ্য হয়! আশাকৰোঁ শ্ৰাদ্ধ-কাৰ্য্য সুকলমে সমাধা হৈছে। মই দুঃখিত যে নিজে গৈ শ্ৰাদ্ধত যোগ-দান কৰিব নোৱাৰিলোঁ। আশাকৰোঁ মোলৈ নাপাহৰিবা। মোৰ একমাত্ৰ দুখ ইয়াকে ভাবিছে যে স্বৰ্গীয় গোস্বামীদেৱৰ অসমাপ্ত পুৰাতত্ত্ব অনুসন্ধানৰ কাম এতিয়া কোনে কৰিব?"

স্বাঃ........ .. ..

পুণা; ১১।১।৪৫

× × ×

দিল্লীৰ হৰিজন-সেৱক সংঘৰ সহকাৰী সম্পাদক শ্যামলালে শ্ৰীযুতা গোস্বামীলৈ লিখিছিল—

'মহাশয়া,

আজি এইমাত্ৰ আপোনাৰ স্বামীৰ বিয়োগ-বাতৰি পাই মৰ্মান্তিক বেজাৰ পালোঁ। আমি এনে হব বুলি ভাবিব পৰা নাছিলোঁ। এনে হিয়াভগা শোক-প্ৰকাশৰ ভাষা নাই। ঘৰ এৰি বিদেশত মৃত্যু আৰু অধিক শোকাবহ। আমাৰ হিন্দু গৃহিণীসকল ত্যাগ আৰু দুঃখ-সহনশীলতাৰ মূৰ্ত প্ৰতীক। ঈশ্বৰক প্ৰাৰ্থনা কৰিছোঁ আপোনাকো সেই শক্তি আৰু ধৈৰ্য্য দিয়ক। হৰিজন-বসতিৰ সকলোৰে হৈ মই আপোনালৈ সমবেদনা যাচিলোঁ। স্বৰ্গীয় গোস্বামীদেৱৰ সংস্পৰ্শলৈ অহা সকলোৱেই আপোনাৰ এই দুঃখৰ ভাগী হব নিশ্চয়।"

স্বা·················

কিংছৱে ; দিল্লী ; ২১।১২।৪৪

× × × ×

পেছোৱাৰ চহৰৰপৰা এছ. এম. জাফৰ, এম. আৰ এ এছ. (লণ্ডন), ইণ্ডিয়ান হিষ্টৰিকেল ৰেকৰ্ডছ কমিছনৰ অন্যতম সদস্যই শোকসন্তপ্ত বিধবা গোস্বামী-পত্নীলৈ লিখিছিল—

"আপোনাৰ শ্ৰদ্ধেয় স্বামীৰ লগত অলপ দিন আগতে মাথোন মোৰ পৰিচয় হৈছিল। তেখেতৰ হঠাতে মৃত্যু হ'ল বুলি বাতৰি পাই মৰ্মাহত হৈছোঁ। উদয়পুৰত তেখেতৰ লগত কেদিনমানৰ মাথোন পৰিচয় হলেও মোৰ ধাৰণা যে তেখেতৰ ব্যক্তিত্ব বৰ চিত্তাকৰ্ষক আৰু মানুহৰ মন হৰণ কৰিব পৰা বিশেষ শক্তিসম্পন্ন আছিল। মোৰ মনত আছে—তেখেত পেছোৱাৰ দৰ্শন কৰিবলৈ কিমান ইচ্ছুক আছিল, আৰু তেখেতে

মোৰ আতিথ্য গ্ৰহণ কৰিব বুলি মোক কথা দিছিল। মই দুঃখিত যে অহা বছৰ আমাৰ ইয়াত বহিব লগা 'কমিছন'ৰ সভাত তেখেতক নাপাম। তেখেতৰ মৃত্যুজনিত শূন্যতা আনে পূৰণ কৰিব নোৱাৰিব। আপোনালোকৰ শোকত মোৰ আন্তৰিক সহানুভূতি জ্ঞাপন কৰিলোঁ। বিগত আত্মাই পৰমেশ্বৰৰ কৃপাত চিৰ শান্তি লাভ কৰক।"

স্বা............ ...

৭।১।৪৫ ; পেছোৱাৰ।

× × × ×

লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে এইদৰে ব্যক্তিগত শোকোচ্ছ্বাস প্ৰকাশ কৰিছিল

"গোস্বামী ডাঙৰীয়া মোৰ সৰু কালৰ বন্ধু আছিল। তেখেতৰ আকস্মিক মৃত্যুৰ শোকে মোক অভিভূত কৰিছে। শিক্ষা-জগতত অসমীয়া জাতিৰ মঙ্গল সাধন তেখেতৰ জীৱনৰ উদ্দেশ্য আছিল। পুৰণি অসমৰ লুপ্ত গৌৰৱৰ বিষয়ে কৰা গৱেষণাৰ ক্ষেত্ৰত গোস্বামীদেৱে উচ্চ স্থান অধিকাৰ কৰিছিল। সুসাহিত্যিক হিচাবেও তেখেতৰ খ্যাতি কম নাছিল। প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ তেখেত আছিল এজন প্ৰধান উদ্যোক্তা, আৰু ট্ৰাষ্ট বোৰ্ডৰ সচিব স্বৰূপে অসম বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ অভাৱত বিশ্ববিদ্যালয় পৰিকল্পনাৰ যে অপূৰণীয় ক্ষতি হ'ল তাত কোনো সন্দেহ নাই। তেখেতৰ বিয়োগত আমি সৰ্বতোভাৱে দুখীয়া হলেও তেখেতে হাতত লোৱা কাম পূৰণৰ অৰ্থে তেনে উৎসাহেৰে কাম কৰিবলৈ উপযুক্ত লোক উলিয়াব পাৰিলেহে তেখেতৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু প্ৰকৃত সন্মান জনোৱা হব। পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ তেখেতৰ আত্মাই সদ্‌গতি লাভ কৰক।"

স্বা........ ....

গুৱাহাটী, ১০।১।৪৫

× × × ×

ছিলঙৰপৰা বুৰঞ্জীবিদ পণ্ডিত মিষ্টাৰ ই. জি লেম্বার্ট চাহাবে গোস্বামীৰ বিধবা পত্নী ভুবনেশ্বৰী দেৱীলৈ লিখিছিল—

পূজনীয়া মহাশয়া,

চিঠিৰেই মোৰ আন্তৰিক সমবেদনা-জ্ঞাপক শোক প্ৰকাশ কৰিলোঁ। এই শোকাবহ ঘটনাই অকল আপোনালোকৰে নহয়, সমগ্ৰ আসামৰে ক্ষতি কৰিলে। তেখেতক মই ভালদৰে জানিছিলোঁ। তেখেতেই মোক এই দেশৰ বুৰঞ্জী আৰু জনজাতিৰ বিষয়ে চৰ্চ্চা কৰিবলৈ পোনতে উদগনি দিছিল। তেখেতৰ বিয়োগত দেশে এজন সুযোগ্য সন্তান হেৰুৱালে।

ছিলং ; ৩০।২।৪৪

× × × ×

অসমৰ এজনা প্ৰাক্তন মন্ত্ৰী, ডিব্ৰুগড়ৰ নৱকুমাৰ দত্তই গোস্বামীৰ জোঁৱায়েক গকুল চন্দ্ৰ গোস্বামীদেৱলৈ লিখিছিল—

প্ৰিয় গোস্বামী,

আমি আপোনাৰ শহুৰেকৰ দিল্লীত মৃত্যু হোৱা বুলি সংবাদ পাই অতিশয় দুঃখিত হৈছোঁ। আমাৰ দেশ, তথা অসমীয়া জাতিয়ে তেখেতৰ মৃত্যুত এজন অক্লান্ত সেৱক আৰু উৎসাহী শিক্ষাবিদ হেৰুৱালে আমি তেখেতক সিদিনা মাত্ৰ ছিলঙত লগ পাই আহিছিলোঁ। তেতিয়া তেখেতৰ স্বাস্থ্য অটুট আছিল। সেইজনৰ যে এনেভাৱে হঠাৎ মৃত্যু হব সি সপোনৰো অগোচৰ আছিল। যি হওক, আমাৰ আন্তৰিক সমবেদনা জনালোঁ। অনুগ্ৰহ কৰি ঘৰৰ আন সকলোকে জনাব।

× × × ×

অসম ব্যৱস্থাপক সভাৰ তদানীন্তন সভাপতি, দেশনেতা কুলধৰ চলিহাদেৱে লিখিছিল—

স্নেহভাজন মাইচানা,

তোমাৰ পিতৃ-বিয়োগৰ নিদাৰুণ বাতৰিটি পাই মৰ্মাহত হলো। তেখেত আজীৱন মোৰ বন্ধু আছিল। তেখেতৰ বহু কথা মোৰ স্মৃতিত ওতঃপ্ৰোতভাৱে জড়িত আছে। তেখেতৰ প্ৰথম সাহিত্য গ্ৰন্থ মোৰ নামে উছৰ্গা কৰা কথা আজি আকৌ মনত পৰিছে। তাতেই আমাৰ বন্ধুত্বৰ কথা বুজিবা। সাহিত্যিক হিচাবে সেই ক্ষেত্ৰত তেখেতৰ পদচিহ্ন আমাৰ দেশত বহু দিনলৈ ৰৈ যাব। অনুষ্ঠান গঢ়োঁতা হিচাবে তেওঁৰ সুনাম চিৰকাল থাকিব। চন্দ্ৰকান্ত সন্দিকৈ ভৱন, চন্দ্ৰকান্ত প্ৰাইজ, নবদেৱ ট্ৰাষ্ট আদিয়ে তেওঁৰ নাম আমাৰ মনত সদায় সজীৱ ৰাখিব। তেওঁক মই ১।১১।৪৪ তাৰিখে শেষ বাৰৰ কাৰণে কলিকতাত লগ পাইছিলো। তেতিয়া ভবা নাছিলো যে তেওঁক পুনাই আৰু দেখা নাপাম। জয়পুৰ, পুষ্কৰ, আদি ঠাইত থকা-মেলাৰ দিহা মই কৰি পঠাইছিলো। আশাকৰোঁ সেইবোৰ ঠাইৰ অনেক অনুষ্ঠানত তেওঁক সম্বৰ্দ্ধনাও যাচিছিল। সঁচাকৈয়ে তেওঁক হেৰুৱাই আমি আজি বহুত দুখীয়া হলোঁ। যোৰহাট।

৩০।১১।৪৭

× × ×

তদানীন্তন অসম চৰকাৰৰ সহকাৰী সচিব বি.এ. এন. কিড্‌-ওৱাইৰ জৰিয়তে এইদৰে শোক প্ৰকাশ কৰি অসম চৰকাৰৰপৰা জনোৱা হৈছিল—

"অসম চৰকাৰৰ নিৰ্দেশত জনোৱা হয় যে স্কুলসমূহৰ অৱসৰ-প্ৰাপ্ত ইন্‌স্পেক্টৰ শৰৎচন্দ্ৰ গোস্বামীৰ আকস্মিক মৃত্যুত চৰকাৰ অতিশয় দুঃখিত। এই চিঠিৰে চৰকাৰে গোস্বামী ডাঙৰীয়াৰ শোকসন্তপ্ত পৰিয়াল-বৰ্গলৈ চৰকাৰৰ সহানুভূতি জ্ঞাপন কৰে।"

অসম সচিবালয়, ছিলং ২৮।১২।৪৪

শৰৎচন্দ্ৰ গোস্বামীৰ বিয়োগত দাৰ্শনিক পণ্ডিত ৰাধানাথ ফুকনৰ চিঠি :

শ্ৰীহৰি

যোৰহাট
৩।১২।৪৪

শ্ৰীমতী মাইহানা আইদেউ,

কল্যানীয়াসু—

তোমাৰ ২৫।১২।৪৪ তাৰিখৰ চিঠি আজিহে পালোঁ। তোমাক আৰু মায়াবাক কবলৈ বা বুজাবলৈ একো নাই। মই নিজেই মৰ্মাহত হলো। সমনীয়া সকলো মৰি অন্ত হ'ল আৰু সকবোৰো চকুৰ আগতে মৰিছে—মই দেখি কষ্ট ভোগ কৰিবলৈ জীয়াই আছোঁ।

ঈশ্বৰক প্ৰাৰ্থনা কৰোঁ তেওঁ যেন তোমালোকক এই শোক সহ্য কৰিবলৈ শক্তি দিয়ে। এই আশীৰ্বাদ। ইতি—

শ্ৰীৰাধানাথ ফুকন

সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱাই লিখিছিল—

যোৰহাট (অসম)
২৯।১২।৪৪

শ্ৰীমতী মাইচানা,

তোমাৰ চিঠি পালোঁ। তোমাৰ পিতৃ-বিয়োগৰ বাবে মই অতিশয় শোক পাইছোঁ। ওচৰ হোৱা হলে, শ্ৰাদ্ধলৈ অৱশ্যে গ'লোহেঁতেন। এতিয়া ইয়াৰপৰা তেওঁৰ আত্মাৰ সদগতিৰ বাবে ঈশ্বৰক প্ৰাৰ্থনা কৰিছোঁ। তেওঁৰ অকাল মৃত্যু আমাৰ গোটেই অসম দেশৰ পক্ষে অতি দুৰ্ভাগ্যৰ কথা। তেখেত স্বৰ্গী হ'ল যদিও তোমালোকে আমালৈ যেন আগৰ বন্ধুভাব নেৰা, এই আশা কৰিছোঁ।

মোৰ আশীৰ্বাদ জানিবা। আমি ভালে আছোঁ।

তোমাৰ
শ্ৰীচন্দ্ৰধৰ বৰুৱা

লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাৰ চিঠিঃ

২৯।১২।৪৪
গুৱাহাটী

কল্যানীয়া মাইছেনা,

তোমালোকৰ আকস্মিক শোকত গোটেই আসামৰ মানুহে সহানুভূতি জনাইছে। ৺ দেউতাৰাৰ মৃত্যুত আসামে এজন দূৰদৰ্শী এহাগুধীয়া কৰ্মী হেৰুৱালে। এই ক্ষতি আসামে পূৰণ কৰা বেগেতে টান।

তোমালোকৰ, বিশেষকৈ তোমাৰ মাৰাৰ মনৰ অৱস্থা কেনে হৈছে আমি বেছকৈ উপলব্ধি কৰিছোঁ। কেৱল ঈশ্বৰৰ ওচৰত ইয়াকে প্ৰাৰ্থনা জনাইছোঁ মাৰাৰ মনত যেন শান্তি দি তেখেতক এই অৱস্থাত অকলশৰে চলিবলৈ শক্তি দিয়ে। মই নিজেই শান্তি আনিব পৰা নাই; তোমালোকক কি বুজাম?

তোমাৰ—
শ্ৰীভুবনেশ্বৰ

কবি সাহিত্যিক দুৰ্গেশ্বৰ শৰ্মা দেৱৰ চিঠি :

Gauhati
28-12-44

শ্ৰীমতী মাইহেনা,

তোমাৰ চিঠি পাইছোঁ। সান্ত্বনা দিবলৈ কথা একো নাই। আমি যে কিমান দুখ পাইছোঁ তাক লেখি বুজাব নোৱাৰি। সিদিনা তোমাৰ মাৰা আহিছিল বুলি শুনিছিলোঁ। কিন্তু মই তেখেত যাবৰ দিনাহে গুৱাহাটী পালোঁহি। শ্ৰীযুতাক কবা যে সকলো সময়তে আমাক পূৰ্ব্ববৎ পাই থাকিব। মোৰ গা বৰ বেয়া। শ্ৰীমান দেৱেশ্বৰৰো গা অতি বেয়া। আমি দুয়ো এবাৰ যাবৰ ইচ্ছা আছে— বোধকৰো হৈ নুঠিব। শ্ৰীমান দেৱেশ্বৰৰ এতিয়া জ্বৰ ১০০° ডিগ্ৰী। তাৰ ঘৈণীয়েকো অলপতে আহিব।

ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যেন তেখেতৰ আত্মাৰ ক্ৰমোন্নতি হৈ আকৌ আহি আমাৰ মাজত দেশৰ কামত লাগেহি। শ্ৰাদ্ধ নিশ্চয়ে ভালকৈ হৈ যাব।

তোমাৰ—
শ্ৰীদুৰ্গেশ্বৰ

অসম সাহিত্য সভাই গোস্বামীৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ এখন জৰুৰী বৈঠক আহ্বান কৰি তাত তলত লিখা প্ৰস্তাৱটি গ্ৰহণ কৰিছিল—

"অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাতা আৰু স্বনামধন্য সাহিত্যিক স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামী মহোদয়ৰ অকাল আৰু আকস্মিক মৃত্যুত অসম সাহিত্য সভাৰ এই বিশেষ সন্মিলনে গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ শোক সন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে আৰু স্বৰ্গীয় আত্মাৰ সদ্‌গতিৰ অৰ্থে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে।"

স্বাঃ কেৰামত আলি
সভাপতি
২৮।১২।৪৪

× × × ×

অসম প্ৰাদেশিক মিউজিয়ামৰ ট্ৰাষ্টবোৰ্ডৰ সভাপতি কেদাৰমল ব্ৰাহ্মণদেৱে ট্ৰাষ্টবোৰ্ডৰ পক্ষৰপৰা শোক প্ৰকাশ কৰি শ্ৰদ্ধা জনাই সন্তপ্ত পৰিয়ালবৰ্গলৈ সহানুভূতি জনাই লিখিছিল-

"এই অনুষ্ঠানৰ ট্ৰাষ্টবোৰ্ডৰ সভ্য হিচাবে গোসাঁইদেৱৰ যি অমূল্য দান, তাক সততে কৃতজ্ঞতাৰে স্মৰণ কৰি থকা হব।"

গুৱাহাটী
২৮।১২।৪৪

কামৰূপ অনুসন্ধান সমিতিৰ অবৈতনিক সম্পাদক অধ্যাপক উমাকান্ত গোস্বামী ডাঙৰীয়াই সমিতিৰ কাৰ্য্যনিৰ্বাহকৰ বৈঠকত গৃহীত প্ৰস্তাবৰ নকল এটাত লিখি পঠাইছিল—

"কামৰূপ অনুসন্ধান সমিতিৰ কাৰ্য্যকৰী সভাই স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীদেৱৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেখেতৰ মৃত্যুত এই সমিতিৰ অপূৰণীয় ক্ষতি হ'ল। তেখেত অকল শিক্ষাবিদেই নহয়, আমাৰ সমিতিৰ এজন সুযোগ্য সদস্যও আছিল আৰু সমিতিৰ মুখপত্ৰ আলোচনী কাকতখনৰ ঘাই সম্পাদক আছিল। আমাৰ সমবেদনা সন্তপ্ত পৰিয়ালবৰ্গলৈ লিখি জনোৱা হ'ল।" গুৱাহাটী ৩০।১২।৪৪

উপৰোক্ত ধৰণে অভায়াপুৰীৰ—অসম কলা পৰিষদ, গুৱাহাটীৰ—অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী প্ৰগতিশীল শিল্পীসংঘ, কামৰূপ সাহিত্য সমাজ, যোৰহাট থিয়েটাৰৰ সভ্যসকল, গুৱাহাটী কটন কলেজৰ অধ্যাপক-মণ্ডলী, গুৱাহাটী লোকেলবোড, নলবাৰী ৰাইজ কুলবিল বাণীপীঠ আৰু ছাত্ৰ ইউনিয়ন, ধুবুৰী হৰিসভা কোচবিহাৰ এ. এছ.এল. ক্লাব, কাশী হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজ, তিনিচুকীয়া কেন্দ্ৰীয় শিক্ষক সভা, তেজপুৰ অ. ভা. উ. সা. সভা, কলিকতাৰ মেডিকেল কলেজৰ ছাত্ৰবৃন্দ, শিৱসাগৰ জ্ঞানোদ্দীপিকা সভা, পলিটেকনিক স্কুল, যোৰহাট আৰু ধুবুৰী সাহিত্য সভা, বৰপেটা ৰাজহুৱা সভা প্ৰভৃতি অসমৰ যাৱতীয় সৰু-বৰ অনুষ্ঠান আৰু বাহিৰৰপৰাও গোসাঁইদেৱৰ প্ৰতি শ্ৰদ্ধাজ্ঞাপক শোক-প্ৰকাশৰ প্ৰস্তাৱাদি বহুদিনলৈ আহি আছিল। এইবোৰে গোস্বামী ডাঙৰীয়াৰ জনপ্ৰিয়তাৰ সাক্ষ্য দাঙি ধৰে।

গোস্বামীৰ মৃত্যুৰ অনেক দিন পিছলৈকে সেই সময়ৰ খ্যাতনামা সাহিত্যিক দেশসেৱক, ৰাজকৰ্মচাৰী আৰু তেখেতৰ গুণমুগ্ধ অন্যান্য অনেক বিশিষ্ট লোকৰপৰা অজস্ৰ শোক-প্ৰকাশক, শ্ৰদ্ধাবাহী, গুণাৱলীৰ বৰ্ণনাপূৰ্ণ ব্যক্তিগত চিঠি-পত্ৰাদি আহি আছিল। সেইবোৰৰ যথাযথ প্ৰকাশ সম্ভৱ নহয়। সেইসকল খ্যাতনামা ব্যক্তিৰ জনচেৰেকৰ নাম মাত্ৰ ইয়াত উল্লেখ কৰা হ'ল; যেনে, বিহগী কবি ৰঘুনাথ চৌধাৰী, অসম-

কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, কুলবিল সত্ৰাধিকাৰ পদ্ম চন্দ্ৰ গোস্বামী, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা অৱসৰপ্ৰাপ্ত শিক্ষা-সচিব মিষ্টাৰ এছ. এল. মেহতা আই চি. এছ, ডিভিজনেল কমিচাৰ অফিচাৰ মিঃ আৰ. এন. দে' অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়, সুসাহিত্যিক ডিম্বেশ্বৰ নেওগ প্ৰাক্তন মন্ত্ৰী পি.চি. দত্ত (শ্ৰীহট্ট), পণ্ডিত নলিনীমোহন শাস্ত্ৰী, এছ. কে. দত্ত আই. চি. এছ, জনাব এম এইচ ছুছেইন, খনীন্দ্ৰ চন্দ্ৰ বৰুৱা, ছেন্ট এড্মাণ্ডছ্ কলেজৰ অধ্যক্ষ ৰেভাৰেণ্ড ব্ৰাডাৰ অলিয়াৰী, তাৰাপ্ৰসাদ চলিহা প্ৰমুখ্যে আৰু অনেক। গোস্বামীদেৱৰ মৃত্যুত তেখেতৰ সন্মানাৰ্থে চৰকাৰে অসমৰ স্কুলসমূহ এদিন বন্ধ দিছিল।

অসমৰ আৰু অসমৰ বাহিৰৰো ভালেকিখন কাকতত গোঁসাইৰ বিয়োগ-বাতৰি প্ৰকাশ হৈছিল। তলত তাৰে দুই এখনৰ প্ৰচাৰিত বাতৰিৰ নমুনা দিয়া হ'ল—।

'আজি অসমত শৰৎ গোসাঁই নাই'—এই শিৰোনামাৰে "বাঁহী" কাকতে এইদৰে শ্ৰদ্ধা নিবেদন কৰিছিল—

"অসমী আইৰ সুসন্তান আজীৱন শিক্ষাসেৱী, প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ট্ৰাষ্ট বোৰ্ডৰ সম্পাদক শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়া উদয়পুৰত বহা হিষ্টৰিকেল ৰেকৰ্ড কমিছনত যোগ দিবলৈ গৈ উভতি আহোঁতে দিল্লীত যোৱা ১৯ ডিচেম্বৰ (১৯৪৪ চন) মঙ্গলবাৰে হঠাতে ঢুকায়। তেখেতৰ আকস্মিক বিয়োগত অসম আৰু অসমীয়া ৰাইজৰ যে কি মহান ক্ষতি হৈছে তাক প্ৰকাশ কৰিব নোৱাৰি। আমিও সান্ত্বনা লব নোৱাৰা হৈছো। দেশৰ আগত বিশ্ববিদ্যালয় স্থাপনৰ দৰে এটা মহৎ কাম পৰি থকা অৱস্থাত এনে এটা জাতীয় ক্ষতিৰ সংবাদে সকলোৰে মন ক্ষুণ্ণ কৰিব নিশ্চয়, তথাপি ধৈৰ্য্য আৰু আত্ম-সান্ত্বনাৰ বাহিৰে দেশবাসীয়ে আজি এনে অৱস্থাত শ্ৰীযুক্তা গোস্বামী, ককায়েক পণ্ডিত শ্ৰীযুক্ত প্ৰতাপচন্দ্ৰ গোস্বামী ধৰ্মভূষণ আৰু শোকসন্তপ্ত পৰিয়াললৈ কেনেকৈ সান্ত্বনা জনাব? আজি অসমত শৰৎ গোসাঁই নাই। শৰৎ গোস্বামীৰ আত্মাই আমাক আমাৰ কাৰ্য্যক্ষেত্ৰত সদায় সহায় হৈ বাট দেখুৱাই থাকিব - এয়ে বাঁহীৰ কামনা"

'অসমীয়া' কাকতৰ সম্পাদকীয় স্তম্ভত ওলাইছিল—

'বিনামেঘে বজ্ৰপাত হোৱাৰ দৰে সুদূৰ দিল্লী নগৰীত সন্ন্যাস ৰোগত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ মৃত্যু সংবাদ আহি পৰিল। ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটীত বহিৰ্বলগীয়া বিশ্ববিদ্যালয় সন্মিলন বহাৰ আগতে বিশ্ববিদ্যালয় ট্ৰাষ্টবোৰ্ডৰ সম্পাদক আৰু সন্মিলনৰ প্ৰধান কৰ্মকৰ্তাৰ পৰলোক অসমীয়া ৰাইজৰ পক্ষে ডাঙৰ দুৰ্ভাগ্য। গোস্বামীদেৱৰ অবিহনত অকল পৰিকল্পিত বিশ্ববিদ্যালয়ৰে অপূৰণীয় ক্ষতি হোৱা নাই; তেখেতৰ মৃত্যুত অসমীয়া জাতিয়ে এজন কৃতী সন্তান আৰু অসমীয়া সাহিত্যই এজন আশাশুধীয়া আৰু লব্ধপ্ৰতিষ্ঠ সেৱক হেৰুৱালে।

'প্ৰত্নতাত্ত্বিক হিচাপে গোস্বামীদেৱৰ গৱেষণামূলক প্ৰবন্ধাৱলীয়ে বিদ্বান সমাজৰ সমাদৰ লাভ কৰিছে। তেখেতৰ চুটি গল্পবোৰে অসমীয়া সাহিত্যৰসীসকলক চিৰদিন আনন্দ দিব।

"তেখেতৰ বিয়োগত বিশ্ববিদ্যালয় সন্মিলনৰ ৰাজহাড় ভাগিল বুলিব পাৰি, কিন্তু নিৰুৎসাহ নহৈ বৰং উৎসহতীয়াভাবে সকলোৱে হাতে-পাতে ধৰি সন্মিলনৰ কাম কৃতকাৰ্য্যতাৰে সমাধা কৰি বিশ্ববিদ্যালয় স্থাপন কৰিব পাৰিলেহে গোস্বামীদেৱৰ প্ৰতি অসমীয়া জাতিৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ প্ৰকৃত প্ৰকাশ হ'ব। × × × সন্তপ্ত পৰিয়াললৈ আমাৰ সমবেদনা জনালোঁ।"

× × ×

শৰৎচন্দ্ৰ গোস্বামীদেৱৰ জীৱনৰ কথা আলচ কৰি বাঁহী কাকতৰে পিছৰ এটা সংখ্যা কাকতত কোৱা আছে—

"অসমীয়াৰ সামাজিক আৰু শিক্ষা বিষয়ৰ অনুষ্ঠানবোৰত ৺গোসাঁইৰ অক্লান্ত চেষ্টা আৰু উদ্যমৰ বিষয়ে কোনে খবৰ নাৰাখে? অসম সংস্কৃত বোৰ্ড, অসমৰ স্কাউট আন্দোলন, অসমত জনশিক্ষা অভিযানত ৺শৰৎ গোসাঁইৰ খাটনিৰ বিষয়ে কোনে খবৰ নলয়?

অলপতে মাথোন শ্বিলঙত গৈ প্ৰাইমাৰী শিক্ষাৰ আইন এখনৰ খচৰা তৈয়াৰ কৰি আছিল। কলিকতাৰপৰা প্ৰকাশিত দৈনিক কাকত 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড' আৰু 'আনন্দ বাজাৰ' পত্ৰিকাত গোসাঁইদেৱৰ মৃত্যু সংবাদ প্ৰকাশিত হৈছিল। লগতে গোসাঁইদেৱৰ চমু জীৱন-কথা প্ৰকাশ হৈছিল। অসমৰ যি সন্ধিক্ষণত তেখেতৰ কৰ্মশক্তিৰ প্ৰয়োজন সমধিক আছিল, ঠিক তেতিয়াই তেখেতৰ বিয়োগত সমগ্ৰ প্ৰদেশ নিশ্চয় ক্ষতিগ্ৰস্ত।"

'আসাম ট্ৰিবিউন' কাকত তেতিয়া ডিব্ৰুগড়ৰপৰা প্ৰকাশিত হৈছিল। তাত গোসাঁইদেৱৰ বিয়োগ বাতৰি দিয়াৰ পিছত জীৱন-কথা আলোচনা প্ৰসঙ্গত লিখিছিল--

"কাৰ্য্যক্ষেত্ৰত গোসাঁইদেৱে যোগ্যতা আৰু দক্ষতা দেখুৱাব পৰা বাবে তেখেত ডেপুটি ইন্‌স্পেক্টৰৰ পদৰপৰা বিভাগীয় স্কুলসমূহৰ ইন্‌-স্পেক্টৰ পদলৈকে উঠাব পাৰিছিল। তেখেতে এই বিভাগত ত্ৰিশ বছৰ কাল চাকৰি কৰোঁতে অকল শিক্ষা বিষয়ত মন দিয়ায়ে নহয়, অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকেও বহুত কাম কৰি গ'ল। × × × যিবোৰ গুণৰ বলত গোসাঁইদেৱে ইমানখিনি প্ৰতিষ্ঠা লাভ কৰিলে সেইবোৰ হ'ল মুঠতে— কৰ্তব্যনিষ্ঠা, কৰ্মকুশলতা, তৎকালিক সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা, অমায়িক ব্যৱহাৰ আৰু নিষ্কলুষ চৰিত্ৰ"

× × ×

সাদিনীয়া বাতৰি কাকত 'ভৱিষ্যত অসম'ৰ সম্পাদকীয় স্তম্ভত লিখিছিল—

"মৰিও মানুহ জীয়াই থাকে জনসমাজৰ হিতকৰ কাম আৰু ভালপোৱাৰ স্মৃতিত। গোসাঁইদেৱ যদিও আজি আমাৰ মাজত সৌশৰীৰে নাই, তেখেতৰ স্মৃতি আমাৰ মাজত সততে জীয়াই থাকিব তেওঁ কৰি যোৱা দেশহিতকৰ কৰ্মৰাজিৰ কাৰণে। × × তেওঁৰ ব্যক্তিত্বৰ বিষয়ে ভালকৈ মন কৰিবলগীয়া কথা হ'ল তেওঁৰ স্বভাৱসুলভ গাম্ভীৰ্য্য সহানুভূতিশীল মন আৰু মাৰ্জিত ৰুচিৰ আচাৰ-ব্যৱহাৰ।

"শাৰীৰিক স্বাস্থ্যৰ দৰে শৰৎ গোসাঁইৰ মানসিক স্বাস্থ্যও মৃত্যুৰ সময়লৈকে অটুট আছিল। তেওঁৰ সেই দৃঢ় মনোবলেই তেওঁৰ কৰ্তব্য-নিষ্ঠাৰ কাৰণ আৰু ইয়াৰ জোৰতেই তেওঁ নিজৰ ভাগ্য নিজে গঢ়ি লব পাৰিছিল। × × ×

"চৰকাৰী কামৰপৰা অৱসৰ লোৱাৰ পাছতো তেওঁ নিষ্কৰ্মা জীৱন যাপন কৰা নাছিল। বৰং তেতিয়াৰপৰাহে তেখেতে দেশৰ ভালৰ হকে আৰু বহুত কাম কৰিব বুলি আশা কৰিছিল।

"শৰৎ গোসাঁইৰ মৃত্যুত অসম আইয়ে এটি সুসন্তান হেৰুৱালে। সন্তপ্ত পৰিয়াললৈ আমি সমবেদনা জনাইছো। ভগৱানৰ ওচৰত প্ৰাৰ্থনা শৰৎ গোসাঁইৰ আত্মাই চিৰশান্তি লাভ কৰক।"

× × ×

মাহেকীয়া কাকত 'জনশিক্ষা'ত 'পৰলোকগত শৰৎচন্দ্ৰ' শিতানৰ প্ৰবন্ধত জিতেন্দ্ৰ নাথ বুজৰবৰুৱাই গোসাঁইৰ জীৱনৰ কথা আলচ কৰি বিশেষকৈ তেখেতে উদয়পুৰ যাত্ৰাতে আৰম্ভ কৰি দিল্লীত ৰোগাক্ৰান্ত হৈ কেনেকৈ চিকিৎসা আৰু শুশ্ৰূষাৰ মাজতে পৰলোক প্ৰাপ্ত হ'ল, তাৰ বিবৰণ দি শেহত গোস্বামী ডাঙৰীয়াৰ বহুমুখী প্ৰতিভাৰ চমু আভাস দাঙি ধৰি এইদৰে শোক প্ৰকাশ কৰিছে

"প্ৰাণে যে আকৌ কান্দি উঠে। তুনাই প্ৰশ্ন আহে গোসাঁইদেৱ গ'ল ক'লৈ? ৰিণিকি ৰিণিকি উত্তৰ আহে - অনন্ত ধামলৈ। আমাৰো কামনা, আমাৰো বন্দনা, আমাৰো আৰাধনা যাতে তেখেতৰ পুণ্য আত্মায়ো তাতে শান্তিৰে জিৰণি লৈ আমাক আশীৰ্বাদ দি কাৰ্য্য-ক্ষেত্ৰত উদগনি দি থাকে।"

উপলব্ধি

শৰৎচন্দ্ৰ গোস্বামীয়ে ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ লগত পত্ৰালাপ কৰি গুৱাহাটী Historical, Institute. কামৰূপ অনুসন্ধান সমিতি, অসম মিউজিয়াম আদি স্থাপনৰ উদ্দেশ্যে অৰ্থ সংগ্ৰহৰ কাৰণে কিদৰে খাটিছিল তাৰ আভাস তলৰ চিঠিবোৰত পোৱা যাব।

(To Rai Bahadur K. L Barua, Shillong)

Camp Gahpur
17-12-33

My dear Sir,

I met Rai Bahadur R. K. Handique at Jorhat. He is already committed to the promised donation for the Historical and Antiquarian Department ; and the land in front of the Deputy Commissioner's Bungalow has been selected for the site. But so far as I could gather, if the Govt. suggest that a wing in his wife's name should be added to the proposed Museum with the provision that it should house D. H. A. S, he will be willing to accept the suggestion and probably to increase the donation by another three to five thousand rupees But he will consult Prof Bhuyan to whom he already gave words. If the above suggestion comes from H.E, then probably Bhuyan will also agree and the Rai Bahadur will not only have no objection but will gladly act up to it. But the wing must be a front wing and it should bear his wife's name.

If it does not materialise, even then I believe I shall be able to get some three to five thousand rupees from him for the Museum.

But we must be prompt. If you begin the subscription list with Rs 15,000/- I believe I can raise the balance

Yours sincerely
S. C. Goswami.

P. S. Handique has got your book and the letter. The letter was a very good one
S. C. G.

To Rai Bahadur K. L. Barua, Shillong

ROSAVILLE
NANGTHYMAI
SHILLONG.
7 th July /34

My dear Goswami,

I do not know how many days it will take you to get the letter as all postal arrangements have been upset by the floods. You must have seen the Resolution about the Museum published in the last Gazette. We (myself and Secretary T. D.) shall now take steps to collect the donations already promised. Towards the end of this month I expect to call the first meeting of the Committee at Gauhati. I hope you will be able to come and attend. You will, no doubt, yourself now do your best to interest people and secure promises of donations. You are probably aware that it was Sarbeswar who secured the promise of a donation from the Gauhati Marwari. Perhaps he would be very useful in securing promises from Marwaris and others. We must be able to collect at least Rs. 40, 000/- to start the work.

Please let me know what you think and what you advise us to do now. Our Journal is pining for want of contributions. What a sad commentary on our vaunted progress in education !

Yours Sincerely,
Sd/- K. L. Barua

To,
S. C. Goswami,
Inspector of Schools, Jorhat.

(To Rai Bahadur R. K. Handique,
Jorhat)

(Confidential) Camp—Gahpur
17-12-33

My dear Sir,

I am writing this letter to assure you that things at North Lakhimpur will be much easier than you fear. I understand Rai Bahadur R. N. Phukan will be going to Delhi during the ensuing Christmas. If he does not come to N. L. it will be difficult to elect him as Secretary. The next man is Zahiruddin Ahmed. I have spoken to him, Sasi Barua and others. I hope he will support Zahir. This is all I need write.

Regarding the proposed Museum, I have written to Rai Bahadur K. L. Barua that should he begin the subscription list with Rs 15,000/-, you will give a **handsome donation** or in consultation with Prof. Bhuyan may agree to build a wing—a front wing to bear your wife's name—of the Museum on condition that it will independently house the Deptt. of studies under Prof. Bhuyan. Regarding this second alternative, there is something which I did not speak to you the other day but which you should know. I will tell you this on my return. So, please don't commit yourself to a separate promise during these days.

If possible, like the Chandra Kanta Handique Institute at Jorhat, let us have a National Institute for the Assamese at Gauhati.

With regards and affection,

Yours sincerely

S. C. Goswami.

Inspector of Schools A.V.C. Jorhat
Dated 29th April 1936

(To Mr Rameswar Saharia,
Dibrugarh)

Dear Mr. Saharia,

Thank you very much for your letter of 28th April, 1936.

I am pleased to know that you promised to pay a handsome donation for the Provincial Museum I would advise you, if as an old friend you will please allow me to do so, to pay at least Rs 20,000/- (Rupees twenty thousand) so that something good may come out of it If you will write to me about your intention definitely, I shall inform His Excellency through the proper quarters.

Please also let me know when you will be able to pay the amount.

Yours sincerely
S.C.G.

To
Mr Rameswar Saharia
Proprietor, Balimara & Satyanarayan
Tea Estates;
Dibrugarh P. O.

(To Mr. S. C. Goswami, Jorhat)

Hamet Ram Ram Pratap
General Merchants & Bankers,
Dibrugarh, Assam ;
the 5th May, 1936

Proprietors—

Balimara and Satyanarayan
Tea Estates

Dear Mr. Goswami,

I have to thank you very much for your letter of the 29th ultimo While I have full support for the scheme in establishing a Provincial Museum, I have to write to say that the amount of Rs 20,000/ is very exhorbitant, specially in this trade crisis prevalent all over the globe. I, therefore, fervently hope that in consideration of the prevailing financial exigencies you will please be a bit more considerate in ascertaining the donation.

Thanking you very much for your prompt and kind response.

Yours sincerely
Sd - Rameswar Saharia

To

Mr. Sarat Chandra Goswami
Inspector of Schools, Assam Valley Circle,
Jorhat, P. O.

গোস্বামীদেৱে প্ৰয়োজন অনুসাৰে কেতিয়াবা নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট হিচাপে পুৰণি ছাত্ৰসকললৈ নাইবা ছাত্ৰকল্প লোকলৈ চিঠি লিখি দুষ্প্ৰাপ্য গ্ৰন্থাদিৰ অনুসন্ধান কৰিছিল আৰু তেওঁলোকৰপৰা কিবা মূল্যবান গ্ৰন্থৰ সন্ধান পালে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হিচাপে তেনে গ্ৰন্থৰ প্ৰকাশৰ কাৰণে লেখালেখি কৰিছিল। তাৰে নমুনা :

১৪ মাঘ
কমলা চতুষ্পাঠী
বেলশৰ ; ইং ১৯২৭ চন
২৭ ফেব্ৰুৱাৰী

মাননীয়েষু,

সপ্ৰণাম নিবেদনম্

গোসাঁই প্ৰভু,

আপোনাৰ শুভানুধ্যানে এক প্ৰকাৰ ভালে আছো। আপোনাৰ কথা মতে 'প্ৰয়োগ তত্ব' পুথিখনৰ ঠিকনাদি লিখিলো।

উক্ত পুথিখন বেলশৰ পোষ্টাফিচৰ অধীনস্থ নদলা গাঁৱৰ শ্ৰীকালিকান্ত দেৱশৰ্মা নামে এজন ব্ৰাহ্মণৰ তাত আছে। পুথিখন ৰঘুনন্দন কৃত। ছপা হোৱা নাই। ১৪৬ টা তুলাপতীয়া পাত। দীঘলে এক হাত চাৰি আঙুল। বহলে এক জলে (বেগত) আওাজ। প্ৰত্যেক পৃষ্ঠাই ৭।৮ পাতিকৈ আছে। আখৰবোৰ ক্ষুদ্ৰ। সামবেদীৰ দশসংস্কাৰকে আদি কৰি দৈৱিক পৈত্ৰিক যত জগতত কৰিবলগীয়া আছে সকলোৰে মন্ত্ৰ আৰু অনুষ্ঠানাদি বিশেষ পৰিপাতিৰে আছে। আৰু অন্যান্য ব্যৱস্থাও অনেক আছে। ......× ইতি

প্ৰণত
শ্ৰীগোপাল চন্দ্ৰ শৰ্মনঃ

মাননীয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, চুপাৰিণ্টেণ্ডেণ্ট মহাশয়, সমীপেষু ;
যোৰহাট ট্ৰেইনিং স্কুল

From

Sir S. C. Goswami, B.A. B.T.

General Secy, Assam Sahitya Sabha, Jorhat.

To

Prof. Vanamali Chakravarty M.A.

President Secretary, Assam Sanskrit Board, Sylhet.

(2) The Honorary Secretary,

The Asiatic Society of Bengal

1 Park Street, Calcutta.

Dated Jorhat, the 1st March, 1927

My dear Chakravarty,

Dear Sir,

It is said that the Smarta Raghunandan Bhattacharyya compiled 28 Tattwas ; but of the 28 only 26 are known.

I have recently discovered another, namely the প্রয়োগ তত্ত্ব (Prayog Tattwa) which is not mentioned among the 26 Tattwas known.

The manuscript consists of 146 leaves of hand-made paper (তুলাপাত) ; each leaf is nearly 20″ × 7″ ; each page contains 7 to 8 leaves, and the writing is small. The contents cover almost all the religious rites of a Hindu—including সামবেদীয় দশসংস্কার and their Bidhis ; as well as other allied things.

May I request you kindly to let me know the value of this MSS ; and if it indeed be a variety, which I think it is, will you please try to have a copy of it and have it published ?

I shall try my best to see that a copy can be had at a minimum cost possible,

Yours sincerely
Sd, S. C. Goswami
1,3,27

General Secretary, Assam Sahitya Sabha, Jorhat.

Office of the President Sceretary,
Assam Sanskrit Board; Sylhet.

My dear Mr. Goswami,

I am very glad to get your letter intimating discovery of MSS of প্ৰয়োগ তন্ত্ৰ। I am prepared to buy the book or its certified copy at a reasonable price. Kindly let me know how much money will be required for the purpose.

With best regards,

Yours sincerely
V. Chakravartty.

President Secy, Assam Sanskrit Board,
Sylhet.

প্ৰত্নতাত্বিক দণ্ডিৰাম দত্তৰ চিঠি

মাখিবাহা এম, ভি.

১০।২।২৬

পৰম পূজনীয় শ্ৰীযুক্ত গুৰুদেৱৰ

শ্ৰীশ্ৰীচৰণেষু

ছাৰ,

আপোনাৰ চিঠি আৰু চাৰ্টিফিকেট পাই অকল যে সন্তোষ হে লভিলোঁ এনে নহয়, কাম-কাজ কৰিবলৈ উৎসাহো পালোঁ।

আপোনাৰ চিঠি পঢ়ি শেষ কৰিয়েই এমাইল দূৰত থকা বলুৰা দ'ল চালোঁগৈ। তাত দুজোপা আঁহত গছ, দুজোপা কদম গছ আৰু ২।৩ জোপা সৰু সৰু গছ আছে। অনুমান গছবোৰৰ বয়স ৮০।১২০ বছৰ হব। এচবৰ কেবাজনকো সুধিলোঁ। শেষত বৰ্তমানে দৌলপূজা কৰা শ্ৰীঅভিৰাম মজুমদাৰ নামৰ (কায়স্থ) বুঢ়া এজনক মাতি আনি গাৰ কথা সুধিলোঁ। তেওঁ কলে— পূৰ্বে বুনা আৰু অইন কিবা নামৰ দুজন পশ্চিমীয়া বীৰে আহি এজনে দৌল বান্ধিছিল আৰু এজনে পুখুৰী খান্দিছিল। পাছত এই বুনা দৌল কৰা ঠাইত গোসাঁই-ঘৰ (নাম-ঘৰ) বান্ধি মানুহে পূজা আদি কৰিছিল। কিন্তু সেই ঘৰ বুনা (বনৰীয়া) হাতীয়ে ভাঙি দিয়ে। কাজেই তাত জঙ্গল হয়। মানুহে স্বপ্ন দেখি আৰু বহুতো বিপদত পৰি ইয়াত নাম আদি ধৰে। পাছত এজন সন্ন্যাসীয়ে থান পাতি আছিল। ইত্যাদি।

ইযাৰ তলত শিল আদি কিবা আছে নেকি জনা নাযায়। এচৰত মাত্ৰ খেতিৰ পথাৰ। আন খবৰ নাপালোঁ। কি কাৰণে ক'ত খবৰ লাগে জনায় যেন। বস্তুতে সুধিছে।..... ইতি

বিনয়াবনত

শ্ৰীদণ্ডিৰাম দত্ত

শৰৎচন্দ্ৰ গোস্বামীলৈ
যোৰহাট সাহিত্য সভাই দিয়া এখন মানপত্ৰঃ

পৰম ভক্তিভাজন

শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী

আই-এছ-অ', বি. এ. বি. টি.

বিদ্যানিধিদেৱৰ শ্ৰীকৰকমলেষু

হেপাহৰ অতিথি,

আপুনি সদায়েই আমাৰ মাজতে আছে আৰু থাকিব বুলি আশা কৰোঁ যদিও, আজিৰ এই সোণালী সন্ধিয়া যোৰহাট সাহিত্য সভাৰ থাইকৈ ডেকা তৰপে আপোনাক বিশেষভাৱে সম্বৰ্দ্ধনা জনাবলৈ পাই নিজকে কৃতাৰ্থ মানিছে ॥

শৰতৰ জোন,

শ্ৰীমদ্ভাগৱত প্ৰসিদ্ধ 'শাৰদোৎফুল্লমল্লিকাঃ' পৱিত্ৰ ৰাতিবোৰৰ আজিও এটি মধুৰ সন্ধিয়া। এই শুভ লগ্নত আপোনাক আজি হাততে পাই আমি খন্তেকীয়াকৈ হলেও হাততে হেৰুওৱাৰ আশঙ্কাত মনত উলাহ আৰু আনন্দৰ লগতে বিষাদ আৰু উদ্বেগৰ কি যে উখল মাখল লাগিছে, তাক ভাষাৰে ফুটাই বুজোৱা টান ॥

হে দেশ-হিত-ব্ৰতী,

সুদূৰ অতীতৰ ছাত্ৰ জীৱনৰেপৰা আজিৰ প্ৰায় এই প্ৰৌঢ় বয়সলৈকে পুণ্য দেশ-হিত-ব্ৰতত আপুনি যি পৱিত্ৰভাৱে জীৱন কটাইছে, সেই আদৰ্শ আমাৰ আৰাধনাৰ ধন। চৰ্কাৰী বিষয়া সোমালেই অনেক ভাবী দেশ-হিতৈষী অসমীয়াই স্বদেশৰ শুভ্ৰ পতাকা নমাই থৈ তাৰ ঠাইত শুদা 'ৰঙা ফিটা'কে মোৰ বুলি ধৰে। সৌভাগ্যক্ৰমে যি কেইজন সেই নিয়মৰ বাহিৰ, আপুনি সেইসকলৰ অন্যতম ॥

হে মানী,

আপুনি নিজ যোগ্যতাৰ বলত ৰজাঘৰৰপৰা পণ্ডা ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম অসমীয়া ইন্‌স্পেক্টৰ, প্ৰথম অসমীয়া আই-এছ-অ,' আৰু এতিয়া সদৌ অসম প্ৰদেশৰ প্ৰাথমিক-শিক্ষা আৰু জন-শিক্ষাৰ প্ৰথম অসমীয়া গুৰিয়াল! আপোনাৰ এই সকলো সম্মানত আমি সম্মানিত বোধ কৰিছোঁহক নিশ্চয় ॥

হে গুণী,

আপুনি অসমীয়াৰ শ্ৰেষ্ঠ শিক্ষাবিদ, প্ৰবীণ সাহিত্যিক আৰু গৱেষণা-ক্ষেত্ৰৰ অন্যতম পথ-প্ৰদৰ্শক। যোৰহাট নৰ্মাল স্কুল আৰু বিশেষকৈ অসম সাহিত্য সভা আপোনাৰ কৰ্ম-নিপুণতাৰ দুটি জ্বলন্ত চিত্ৰ। অকল ইমানেই নহয়,- আনন্দৰাম ঢেকিয়াল ফুকনকে আদি কৰি আজিলৈকে যিসকল অসমীয়া মনস্বীৰ শিক্ষা, সাহিত্য, ৰাজনীতি আৰু গৱেষণা আদি সকলো বিষয়ৰ উন্নতিৰ সজুলিৰে আধুনিক অসমৰ উন্নতিৰ সোণালী কাৰেং নিৰ্মাণ হব লাগিছে আপোনাৰ লখিমী হাতবো যুগমীয়া চিত্ৰ তাত ৰব বুলি আশা কৰিছোঁহক॥

হে কৰ্মযোগী,

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ কালৰ সেই বিপুল অসম আৰু সেই বিৰাট অসমীয়া জাতি ন-কৈ গঢ়ি তোলাই আপোনৰ ধ্যান বুলি আমি জানো। এই অৰ্থে আপুনি ইয়াৰ আগতে পৰ্বতীয়া জাতিৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ যি সফল অভিযান চলাইছে, আমি তালৈ শ্ৰদ্ধা আৰু শলাগেৰে লক্ষ্য কৰিছোঁহক।

হে বিনয়ী,

অকলেই ইমানখিনি আপুৰুগীয়া গুণৰ গৰাকী হৈও আপুনি এনে অমায়িক, এনে নিৰহঙ্কাৰ। এই যোৰহাটতে আপুনি জীৱনৰ এপুৰুষ কাল কটালে। ইয়াৰ ভিতৰত আপোনাৰ আচৰণত অসন্তুষ্ট হোৱা কাকো শুনা নাই। অৱশ্যে দোষে-গুণেই মানুহ। আপোনাৰ গুণ বা প্ৰতিভাৰ জোনাকে, ক'ৰবাত অন্ধকাৰ থাকিলেও, তাক সহজে ঢাকি পেলাব—সন্দেহ নাই॥

হে জয়-যাত্ৰী,

আপোনাৰ নতুন, অভিনৱ কাৰ্য্য-ক্ষেত্ৰত উজ্জ্বল সাফল্য দেখিবৰ আকাঙ্ক্ষা আমি মনতে পুহিছোঁহক। ভগৱানে আপোনাৰ কৰ্ম-কুশলতা অমোঘ কৰক, এয়ে বাঞ্ছা। আপোনাৰ কৰ্ম-জীৱনৰ মঙ্গল-যাত্ৰাৰ আৰু যিখিনি বাকী, তাক সুকলমে সমাপন কৰি আপোনাৰ ভাটী বয়স আকৌ আমাৰ মাজতে কটাবলৈ যেন থুবি আছে, সৰ্বশেষত সৰল অন্তঃকৰণেৰে আমি ইয়াকেহে কামনা কৰিলো॥

যোৰহাট॥ ১০॥ ৪৯৩ শঙ্কৰাব্দ॥
২৭ অক্টোবৰ। ১৯৪১ খৃষ্টাব্দ॥

আপোনাৰ গুণমুগ্ধ
যোৰহাট সাহিত্য সভাৰ
সভ্যসকলৰ হৈ—
কমলেশ্বৰ চলিহা

আৰু কিছুমান পত্ৰ, প্ৰমাণ-পত্ৰ আদি

No.

From :

C.A. Humphrey, Esq , I.C.S.
Deputy Commissioner, Sibsagar, Jorhat.

To,

Mr. S. C. Goswami, Jorhat
Dated Jorhat the 5th May 1935.

Sir,

I have the honour to inform you that His Majesty The King Emperor has been graciously pleased to confer on you a medal struck to commemorate His Silver Jubilee. I should be pleased if you would attend the presentation ceremony tomorrow Monday the 6th of May on the Jorhat Maidan on 10.45 A M.

Your obedient servant,
Sd/ C. Humphrey
Deputy Commissioner, Sibsagar, Jorhat.

ওপৰঞ্চি

VICEREGAL LODGE, SIMLA

By Command
of

HIS MAJESTY THE KING-EMPEROR

the accompanying Medal is forwarded

to

Srijut S. C. Goswami, I. S. O,

to be worn in commemoration of
Their Majesties' Coronation
12th May, 1937

VICEREGAL LODGE, SIMLA

By Command

of

HIS MAJESTY THE KING-EMPEROR

the accompanying Medal is forwarded

to

Srijut S.C. Goswami. I. S. O.

to be worn in commemoration of

Their Majesties' Silver Jubilee

6th May, 1935

No. 784 Shillong,

The 17th July 1935.

Dear Sir,

As requested by the General Headquarters I am very glad to convey their sincerest congratulations on your being honoured as one of the recipients of the Silver Jubilee Medal.

Your sincerely,

Sd/-

Provincial Secretary.

S. C. Goswami, Esq., B.A., B.T.,
Assistant Provincial Scout Commissioner,
Assam Valley Circle, Jorhat.

THE BOY SCOUTS ASSOCIATION

This is to certify that I have awarded to

Mr. Sarat Chandra Goswami, I.S.O. Assistant Provincial Commissioner, Boy Scouts Association, Assam Valley Division, Assam, the Medal of Merit in recognition of his good services to the Scout Movement.

August 9th, 1939

Baden Powell of Gilwell

শৰৎচন্দ্ৰ গোস্বামীৰ দিন-লেখা টোকা বহী এটাত তেওঁ ৩০।৫।২৫ তাৰিখে তেওঁৰ জীৱনৰ আচৰণীয় নীতি সম্পৰ্কে এইদৰে ইংৰাজীতে লিখি এৰিছিল :-

Principles of my life and action. 30.5.25

(1) I will do the right without fear and favour.

(2) I will try to my utmost ability to help the needy and the poor and to uplift the depressed.

(3) My duty is first to my family and then to my people.

(4) Whatever I do I will try to be honest and frank.

(5) I am not and will never be arrogant to my subordinates and survile to my superiors.

(6) I do look to and will always try to appreciate the other man's views.

(7) There is in me a little inclination toward diplomacy and an inborn dislike to be unpleasant, even at a little sacrifice of my principles. I must try to get rid of these two sins.

S. C. G.

আত্ম--সমালোচনা কৰি গোস্বামীয়ে নিজৰ সাহিত্য-সাধনা আৰু সাহিত্য-সৃষ্টিৰ সামৰ্থ্য সম্পৰ্কে ৮।১১।৩৩ আৰু ২১।১।৪১ তাৰিখৰ টোকাত এইদৰে লিখি থৈ গৈছে—

(1) Literature I have now practically neglected, although I know that I possess literary ability to an unusual degree. I should make amends. S. C. G. 8.11.33.

(2) My one work is not finished. That of writing projected books, completing ambitious works begun, editing articles etc. already written. Briefly I am a great disappointment to myself as a literary man. I am conscious all the while that I have unusual literary abilities. I know the technique of expression as few people do.

S. C. G. 21.1.41

শৰৎচন্দ্ৰ গোস্বামীদেৱে লেখি ৰখা হিচাবৰ নমুনা—
জানুৱাৰী, ১৯১২

ডিচেম্বৰৰ দৰমহা	১০০৲
ঐ পিয়ন	৭৲
যোৰহাটলৈ যোৱাত এডভান্স লোৱা (মঙ্গলদৈৰপৰা)	১০০৲
নিজে ধাৰে লোৱা	২৯৲
ধনীয়ে ধাৰে লোৱা	৫৲
অক্টোবৰৰ টি এ নিজা আৰু পিয়নৰ	৮৫৲
মুঠ-	৩৩৬৲

জমা— ৩৩৬৲

খৰচ— ৩৩৬৲

ইনকম টেক্স	২৲
টিকট	৪৲
ন্যেছনেল লাইফ এছিয়ৰেন্স	৮॥
গাড়ী ঘৰলৈ পঠোৱাৰ লগত	২২৲
ধাৰ সুজা	৪৮৲
কাপোৰৰ বাকী আৰু কিনা	৫১৲
ঘৰ ভাল কৰাত	১৫৲
চাঁদা আৰু দৰ্জি	১০৲
ঘৰলৈ দিয়া	২৬॥
কিতাপ আদি কিনা	৭৲
জোতা আৰু টুপী	৯৲
মৰা ঘোঁৰাৰ দাম	২০৲
মঙ্গলদৈ-যোৰহাট (দুবাৰ অহা-যোৱা) ইত্যাদি	৬০৲
মানিকক দিয়া	১১৲
দধীক দিয়া	৩৲
সত্যনাথক দিয়া	২৲
বজাৰ খৰচ	৩০৲
শম্ভুক ধাৰে দিয়া	৭৲
	৩৩৬

... আত্মানিবং বিদ্যাবিদ্যৈ
... ব্যাকরণ সংস্কৃত সঞ্জীবনীসভা তদ্ভাগণ-
... শ্রীযুক্ত ... গোস্বামি-শর্মা ... মহাশয়ং
... ইত্যুপাধিভূষণৈর্ভূষয়িত্বা প্রমুদিতা সঞ্জাতা।

... ব্যাকরণ সংস্কৃত
সঞ্জীবনী সভায়াঃ

... সংস্কৃত সঞ্জীবনী ... সভাপ্রতিনিধিঃ

সভাপতিঃ

সম্পাদকশ্চ।

[illegible]

২৮।৫।৪০

[illegible] ।

২২ [illegible] [illegible] ।

[illegible] ।

[illegible] ।

[illegible] ।

[illegible]

[illegible]

শৰৎচন্দ্ৰ গোস্বামীৰ ৰচনাৱলীৰ এটি চমু খতিয়ান :—

(ক) চুটি গল্প : (১) গল্পাঞ্জলি (১৯১৪)
(২) ময়না (১৯২০)
(৩) বাজিকৰ (?)

(খ) নাটক :

(১) বুদ্ধদেৱ
(২) পৰিদৰ্শন (নাটিকা আৰু চুটি গল্প : ১৯৫৬ চনত প্ৰকাশিত)
(৩) পৰীক্ষা (ৰূপচন্দ্ৰ ভাগৱতী ছদ্মনামত লেখা) ১৯১০

(গ) উপন্যাস :

(১) পানিপথ (১৯৩০)

(ঘ) বিবিধ ৰচনাৱলী :

(১) শিক্ষা-বিচাৰ
(২) বহুশ্ৰেণীৰ শিক্ষা-প্ৰণালী
(৩) পেৰিব্লিচ্ (শিশু সাহিত্য)
(৪) সভাপতিৰ অভিভাষণ (১৯৩৭)
(৫) ভাষণ (১৯৪৮)

(ঙ) পঢ়াশলীয়া পাঠ্য পুথিৰ খনচেৰেক :

(১) ভূগোল পাঠ
(২) আসাম দেশৰ পুৰণি কথা (৺ৰমাকান্ত দ্বিজ)
(৩) ব্ৰিটিছ সাম্ৰাজ্যৰ বুৰঞ্জী
(৪) সৰল ব্যাকৰণ
(৫) মহাসমৰ
(৬) গণিত ভূগোল
(৭) সহজ ভূগোল
(৮) আদি পাঠ—ইত্যাদি
(৯) শিক্ষা-বিজ্ঞান

(চ) ইংৰাজী ভাষাত লিখা পুথি আৰু প্ৰবন্ধাৱলী :—

(1) The Kamarupiya Sect of Vaishnavism.

(2) The Night Worshippers.

(3) Hidden Traces of Buddhism in Assam (Published in 1927)

(4) Address as President of the Kamrup Anusandhan Samiti

(5) A Short note on the History of Assamese Literature

(6) Dalton plan adopted to teach Plural Classes

(7) Sanskrit Manuscripts in Assam etc.

(8) Introducing Assam Vaisnavism

(জ) সম্পাদনা কৰা পুথি :—

পুৰণি--(১) শ্ৰীশ্ৰীদামোদৰদেৱ চৰিত্ৰ (৺নীলকণ্ঠ দাস কৃত)।

(২) শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰ (ৰমাকান্ত দ্বিজ)

(৩) শ্ৰীশ্ৰীচণ্ডী

(৪) সাত্বত তন্ত্ৰ (ভাগৱত মিশ্ৰৰ দ্বাৰা ৰচিত)

(৫) নীতি-লতাঙ্কুৰ

(৬) ডন-কুইকচোট্ বা কেকো ডাঙৰীয়াৰ অদ্ভুত বীৰত্ব (লেখিকা-প্ৰতিভা দেৱী) প্ৰথম প্ৰকাশ-১৯২৬

(৭) অসমীয়া সাধুকথা (১৯১৯)-ইত্যাদি

(৮) অসম দেশৰ পুৰণি কথা

নতুন -(১) বিজ্ঞান প্ৰবেশিকা

(২) অতুল কথামালা চিৰিজ

(৩) ষষ্ঠমানৰ সাহিত্য

(৪) জন-শিক্ষাৰ পুথি-১ম ভাগ আৰু দ্বিতীয় ভাগ

(৫) দেশী কছৰৎ ইত্যাদি

শৰৎচন্দ্ৰ গোস্বামীৰ অসমীয়া হাতৰ আখৰৰ নমুনা—



শৰৎচন্দ্ৰ গোস্বামীৰ ইংৰাজী হাতৰ আখৰৰ নমুনা -

To Rai Bahadur R. K. Handique
[illegible], Nakachari

Jorhat
20 6 34

My dear Sir

I have this morning handed over a hand-note for two thousand rupees only in favour of Mr. L. K. Handique as desired by you to Sjt Seven Ruro Gohain. I am extremely grateful for the concession you have allowed, and have always remained to [illegible] accommodation you gave. I wrote to you last time only because you said that you would consider about the amount of interest. It was not my intention to worry you.

Kindly allow me to mention that when the two thousand rupees is paid, I shall have paid about thirteen hundred rupees in interest.

I hope you are now feeling better.

With greatest esteem & respect,

Yours affectionately
S. Goswami

শৰৎচন্দ্ৰ গোস্বামীৰ জীৱনৰ মুল কাৰ্য্যাৱলীৰ সময়-পঞ্জী :—
(১৮৮৭–১৯৪৪)

জন্ম—১৮৮৭ চনৰ ১২ মে' বহাগৰ পূৰ্ণিমা

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ — ১৯০৪

বিয়া—১৯০৪

এফ. এ. পৰীক্ষাত উত্তীৰ্ণ আৰু 'পানিপথ' ৰচনা—১৯০৬

বি. এ. আৰু পাছ-বিয়া—১৯০৮

চাকৰি-জীৱন : ডেপুটী ইন্‌স্পেক্টৰ, নগাঁও—১৯০৮

ডেপুটী ইন্‌স্পেক্টৰ, মঙ্গলদৈ—১৯০৯-১৯১১

বি. টি. (ঢাকাত)—১৯১১—১৯১২

এছিষ্টেণ্ট ইন্‌স্পেক্টৰ অব্‌ স্কুলছ্‌—১৯১২

উজনি অসমৰ হাইস্কুল টুৰ্ণামেণ্ট সংগঠন—১৯.২/১৩

যোৰহাট নৰ্মাল স্কুলৰ ছুপাৰিণ্টেণ্ডেণ্ট—১৯১৫ –১৯২৭

শিক্ষা বিভাগৰ বিশেষজ্ঞ বিষয়া—১৯২৭

স্কুল ইন্‌স্পেক্টৰ—.৯২৮-৪৩

স্কাউটিং সংগঠনত—১৯২৯-৪২

অৱসৰ গ্ৰহণ—১৯৪৩

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কামত ওতপ্ৰোতভাৱে জড়িত—১৯৪৩-.৯৪৪

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক—১৯১৭-১৮/১৯২০-২৭

পৰলোক-প্ৰাপ্তি—১৯৪৪

শৰৎচন্দ্ৰ গোস্বামীৰ জন্ম-পত্ৰিকাৰ ৰাশি-চক্ৰ.

জন্ম তাৰিখ—৩০ ব'হাগ, ১২৯৪ চন, ১৮০৯ শক, বৃহস্পতি বাৰ
ইং ১২ মে'/১৮৮৭, দিনৰ ১২ বজাত। দণ্ডাদি ১৬।৩।০

জন্মভূমি— নলবাৰী

Lat. 26° 11′

Long. 91° 30′

G.M.T. 5. 54 A.M.

সূৰ্য্যোদয় ৫।৩৫ ইং

অয়নাংশ ২২।২

লগ্নস্ফুট ৪।২।২২ (নিৰয়ণ)

ৰবিৰ ক্ষেত্ৰ, ৰবিৰ হোৰা, দ্ৰেক্কান, তুৰ্য্যাংশ, সপ্তাংশ; মঙ্গলৰ নবাংশ, ৰবিৰ দশাংশ আৰু দ্বাদশাংশ, মঙ্গলৰ ত্ৰিশাংশ; ধনুৰাশি, উত্তৰাষাঢ়া নক্ষত্ৰ, নৰগণ, ক্ষত্ৰিয় বৰ্ণ।



বংশাৱলী

সত্ৰ— নাৰায়ণপুৰ

গোত্ৰ— কাশ্যপ

সম্প্ৰদায়—চৈতন্যপন্থী

বাসুদেৱ, ভাৰ্য্যা সত্যভামা

কৃষ্ণচন্দ্ৰ, ভাৰ্য্যা দয়াৱতী (কৈৱাৰা সত্ৰ)

ললিতচন্দ্ৰ, ভাৰ্য্যা মুকুন্দপ্ৰিয়া (মাজদিয়া সত্ৰ)

- [১] কন্যা ৺বৃন্দা দেৱী
- [২] কন্যা ৺পদ্মাৱতী দেৱী
- [৩] পুত্ৰ প্ৰতাপচন্দ্ৰ
- [৪] পুত্ৰ শৰৎচন্দ্ৰ (ভাৰ্য্যা ভুৱনেশ্বৰী দেৱী)
  - [১] কন্যা ৺প্ৰতিভা দেৱী, স্বামী ৺উমাকান্ত গোস্বামী
    - [১] পুত্ৰ ৺অতুল
    - [২] পুত্ৰ শ্ৰীদেৱব্ৰত গোস্বামী (বাপা)
    - [৩] কন্যা শ্ৰীসুব্ৰতা দেৱী (তুতু)
  - [২] পুত্ৰ ৺প্ৰভাত [২ বছৰ]
  - [৩] কন্যা শ্ৰীসুপ্ৰভা গোস্বামী (মাইচানা), স্বামী ৺গোকুলচন্দ্ৰ গোস্বামী
    - বিতু বেদব্ৰত
    - গীতু গায়ত্ৰী
    - মীতু মৈত্ৰেয়ী
    - ধীতু ধৰিত্ৰী
- [৫] পুত্ৰ ৺অমৃতচন্দ্ৰ (১৫ বছৰ)
- [৬] পুত্ৰ ৺শ্যামচন্দ্ৰ (৯ বছৰ)
- [৭] কন্যা ৰামেশ্বৰী দেৱী
- [৮] কন্যা জাহ্নৱী দেৱী